সোণাৰি মহাবিদ্যালয়

तेजस्वि नावधीतमस्तु

SONARI COLLEGE



# সোণাৰি মহাবিদ্যালয় আলোচনী

সোণাৰি ঃ জিলা, শিৱসাগৰ ঃ অসম

## বাৰ্ষিক সংকলন

১৯৮৬-৮৭ চন

উপদেষ্টা ঃ
অধ্যাপিকা ৰতিপ্ৰভা গগৈ

সম্পাদক ঃ
শ্ৰীমহেশ গদুকা

# সোণাৰি মহাবিদ্যালয় আলোচনী

১৯৮৬-৮৭ চন

সম্পাদনা সমিতি ঃ

অধ্যক্ষ গোলাপ বৰগোহাঁই, সভাপতি,
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।

উপাধ্যক্ষ সুৰেশ দাস।

অধ্যাপিকা ৰতিপ্ৰভা গগৈ, উপদেষ্টা।

অধ্যাপিকা কঙ্কনা নাথ, সদস্যা।

অধ্যাপক ৰবীন কোঁৱৰ, সদস্য।

অধ্যাপক বিনন্দ মহন, সদস্য।

শ্ৰীমহেশ গদুকা, সম্পাদক।

শ্ৰীপীতাম্বৰ চৰাইমৰীয়া, সদস্য,
(ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা)

শ্ৰীহেৰম্ব প্ৰসাদ ভূঞা, সদস্য,
(সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক)

প্ৰকাশক ঃ

ছাত্ৰ একতা সভা, সোণাৰি মহাবিদ্যালয়।

বেটুপাটৰ শিল্পী ঃ

শ্ৰীঅৰুণ বৈৰাগী।

মুদ্ৰণালয় ঃ

শিৱসাগৰ প্ৰেছ, শিৱসাগৰ।


K. Bora M.A., I.A.S. (Retd.)
Vice-Chancellor.

PHONE : OFFICE 20639
RESIDENCE 20003
DIBRUGARH UNIVERSITY
DIBRUGARH, Assam.


নং ডিঃ বি/উপাচাৰ্য্য/১৮৭।১২৯ তাং ৮ চেপ্তেম্বৰ '৮৭

## শুভাশীষ

প্ৰতি ঃ—

শ্ৰীমহেশ গদুকা
সম্পাদক,
আলোচনী বিভাগ
সোণাৰি মহাবিদ্যালয়,
সোণাৰি।


সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা মুখপত্ৰ—১৯৮৬-৮৭ চনৰ আলোচনীখনি প্ৰকাশ কৰিবলৈ যো-জা কৰাত সন্তোষ পাইছোঁ। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উমৈহতীয়া চেষ্টাৰ ফলত আলোচনীখনি সমৃদ্ধ হৈ প্ৰকাশিত হ'ব বুলি আশা ৰাখিলোঁ আৰু লগতে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

স্বাঃ শ্ৰীকমলেশ্বৰ বৰা
উপাচাৰ্য্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়, অসম।

"সুন্দৰ যে ফুলৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে,
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে।"

—জ্যোতিপ্ৰসাদ আগৰৱালা

# অসমীয়া বিভাগ



# এই সংখ্যাৰ উপচাৰ ঃ


পৃষ্ঠা

১। সম্পাদকৰ বুলনি—
২। সোণাৰি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ এটি চমু বিৱৰণী —অধ্যক্ষ গোলাপ বৰগোহাঁই।
৩। অসমৰ মিচিং সংস্কৃতিত এভুমুকি/শ্ৰীপ্ৰণৱ পাংগি—
৪। অসমীয়া ভাষা আৰু ইয়াৰ ভবিষ্যত ঃ এটি আলোচনা/শ্ৰীমতী ৰতিপ্ৰভা গগৈ— ১
৫। কবি হীৰেণ ভট্টাচাৰ্য্যৰ 'কবিতা' আৰু 'মানুহজন'/শ্ৰীমধুছন্ধা শইকীয়া— ৬
৬। নতুন অসম গঢ়াত ছাত্ৰ-ছাত্ৰীৰ ভুমিকা/মহেশ গদুকা— ৯
৭। 'কৌটিল্যৰ অৰ্থ শাস্ত্ৰ'ৰ ওপৰত এটি আলোকপাত/শ্ৰীঅৰ্পণ কুমাৰ বৰুৱা ১৪
৮। অলিম্পিকত সৰ্ব্বকালৰ শ্ৰেষ্ঠ চাৰিগৰাকী দৌৰবীৰ/শ্ৰীগিৰীন কুমাৰ গগৈ— ১৭
৯। অসমৰ লোক সংস্কৃতিৰ ক্ৰমবিকাশ আৰু বৰ্ত্তমান ইয়াৰ ৰূপ আৰু বিকাশ/শ্ৰীমতী অঞ্জলী দাস— ২০
১০। মহাকাশ বিজ্ঞানত ভাৰতৰ অগ্ৰগতি/শ্ৰীউৎপল কুমাৰ কলিতা— ২৬
১১। 'অনুপ্ৰেৰণাৰ চিৰন্তন উৎস লোকমান্য তিলক'/শ্ৰীহেৰম্ব প্ৰসাদ ভুঞা— ৩০
১২। ভাৰতৰ জনসংখ্যা আৰু ইয়াৰ গতিবিধিৰ চিত্ৰ/লক্ষ্মীনাথ বাইলুং— ৩৩
১৩। অসমীয়া বনাম ইংৰাজী মাধ্যম/ফুলেশ্বৰ গগৈ— ৩৭
১৪। মৰমৰ সোণপাহীলৈ বিহুৰে বতৰা/পিতাম্বৰ চৰাইমৰীয়া— ৪২
৪৬


## কবিতা


১৫। শান্তিৰ কপৌজনী/ডাঃ জামাল আহমেদ—
১৬। পোহৰৰ সন্ধানত/শ্ৰীবাবুল চন্দ্ৰ গগৈ— ৪৯
১৭। ভাৱৰ তাড়নাত/শ্ৰীকুশৰাম গগৈ— ৫০
১৮। মোৰ দেশ বুলিলেই/শ্ৰীধীৰেণ বৰগোহাঁই— ৫১
১৯। আজি সময়ৰ কবিতা/শ্ৰীঅৰুণ গগৈ— ৫১
২০। নতুন যুগৰ সৃষ্টি/শ্ৰীঅৱনী কুমাৰ পমুং (শ্যাম)— ৫২
২১। তাঁত/শ্ৰীৰাতুল কুমাৰ চেতিয়াফুকন— ৫২
২২। কবৰ তলিৰ পৰা/কুমাৰী নলিনী আইদেউ— ৫৩
২৩। প্ৰেমৰ নামৰ হৰিণা/মিছ মধুছন্দা শইকীয়া— ৫৪
৫৫

২৪। বিষ্ণু ৰাভাৰ স্মৃতিত/শ্ৰীমতী ৰঞ্জু মণি শইকীয়া— ৫৫
২৫। বিদ্ৰোহ/অঞ্জু মণি পাল— ৫৬
২৬। ৰস ৰচনা এখন-চিঠিৰ কথাৰে/শ্ৰীৰাতুল চেতিয়াফুকন— ৫৭
২৭। তেজ/জুৰি দেৱী— ৫৯
২৮। দৰ্পচূৰ্ণ/মিছ্ মঞ্জু মণি পাল— ৬৩
২৯। এয়ে জীৱন/মিছ্ সিত্তা আইচ্— ৬৬
৩০। স্বাৰ্থপৰ/ত্ৰিদিব কুমাৰ ফুকন— ৬৮
৩১। 'সঞ্চয়ন'ৰ আশীটি কবিতাৰ নামেৰে লিখা এটি চিঠি আকাৰৰ গল্প/পুৰ্ণ ৰাজকোঁৱৰ— ৭২
৩২। প্ৰশ্নোত্তৰ শিতান— ৭৫
৩৩। সাধাৰণ সম্পাদকৰ প্ৰতিবেদন — ৭৬
৩৪। সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক প্ৰতিবেদন— ৮০
৩৫। শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন— ৮৩
৩৬। ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন— ৮৫
৩৭। সংগীত বিভাগৰ সম্পাদকৰ পতিবেদন— ৮৬
৩৮। সমাজসেৱা বিভাগৰ প্ৰতিবেদন— ৮৮
৩৯। 'উক্তি'/সংগ্ৰাহক শ্ৰীমহেশ গদুকা— ৯০
৪০। 'বাণী মুকুতা/সংগ্ৰাহিকা-মিচ্ মনজুমনি বৰুৱা। মিচ্ প্ৰতিমা বুঢ়াগোহাঁই।

ENGLISH SECTION :

Page No.
1. Uncle Peter's Scooter / Sri Arun Ch. Bairagi— 1
2. Oh ! My Motherland / Sri Achintya Kr. Dihingia— 2
3. Relation Between School and Society/J. K. Saikia, M. Com. B.T.—3
4. Solar Energy / Sri Ranjit Gogoi— 5
5. The Beneficial Vies or Biology / Sri Purnananda Buragohain— 7
6. Some Collection / Kalidas Tanti— 9

# সম্পাদকৰ বুলনী

আজি সোণাৰি মহাবিদ্যালয়ৰ মুখপত্ৰ (১৯৮৬/৮৭ কাৰ্য্যকাল) আপোনাসৱৰ সন্মুখত প্ৰস্তুত কৰিবলৈ পাই আমি নথৈ আনন্দিত হৈছোঁ। মহাবিদ্যালয়ৰ মুখপত্ৰ প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান আহৰণ আৰু সাহিত্যসুলভ মনোভাৱ তৈয়াৰ কৰা আৰু লগতে নিজ নিজ ব্যক্তিত্ব প্ৰকাশ কৰাৰ সুযোগ দিয়াটোৱে আমাৰ প্ৰচেষ্টা। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উমৈহতীয়া চেষ্টাৰ ফলতেই আলোচনীখনি প্ৰকাশিত হৈছে।

'বিদ্যা জ্ঞানামৃত মশ্নুতে'
বিদ্যাৰ দ্বাৰা জ্ঞানৰূপী অমৃত পান কৰা হয়। বিদ্যাৰ্থী আৰু মানসিক উৎকৰ্ষ সাধন পৰস্পৰে পৰস্পৰৰ পৰিপুৰক। আমি বৰ্ত্তমানে বিদ্যালয়ৰ জখলা পাৰ কৰি মহাবিদ্যালয়ত অধ্যয়ন কৰিছোঁ। ইয়াৰ পিছতেই পামগৈ বিশ্ববিদ্যালয়। বিদ্যা আহৰণৰ অন্ত নাই। ইয়াৰে মাজতে আমি অধ্যয়নশীলতা, ঐকান্তিকতা, সামাজিক দায়বদ্ধতা, আত্মপ্ৰত্যয় আৰু শাশ্বত মুল্যবোধৰ অধিকাৰী হ'ব লাগিব।

সম্পাদকৰূপে একাষাৰ লিখিবলৈ লওঁতে ভালেমান গুৰুত্বপুৰ্ণ সমস্যাই একেলগে মনৰ মাজত ভুমুকি মাৰিছে। আচলতে আৰ্থ-সামাজিক, ৰাজনৈতিক, নৈতিক বিভিন্ন সমস্যাই সমাজত দেখা দিছে।

বৰ্ত্তমান দুই মহাশক্তিৰ মাজত সৌ সিদিনা স্বাক্ষৰিত হোৱা চুক্তিৰ পিছতো 'ষ্টাৰৱাৰ'ৰ সম্ভাৱনা আমাৰ চকুৰ পৰা আঁতৰি যোৱা নাই। সম্পুৰ্ণ বিশ্বত আজি প্ৰতি মিনিটতে অস্ত্ৰ-শস্ত্ৰত প্ৰায় ১৭ লাখ ডলাৰ (প্ৰায় ২০৪ লাখ টকা) খৰচ কৰা হয়। কেৱল মাত্ৰ আন্তৰাষ্ট্ৰীয় শান্তি বৰ্ষতেই অস্ত্ৰ-শস্ত্ৰত ১ লাখ কোটি টকা খৰচ কৰা হ'ল। আনহাতে ইথিউপিয়াৰ দৰে ৰাষ্ট্ৰৰ নাগৰিকে খাবলৈ নাপাই মৃত্যুবৰণ কৰিবলগীয়া অৱস্থাত পৰিছে। আনহে নালাগে আমাৰ নিজৰ দেশতে ৩৭'৪ শতাংশলোক (১৯৮৩।৮৪ চনৰ হিচাপমতে) দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিছে। আজিও দেশৰ উচ্চতম দহ শতাংশ ভু-মালিকৰ ওচৰতেই ৫১ শতাংশ কৃষিভুমি আছে আৰু অন্যফালে নিম্নতম দহ শতাংশৰ ওচৰত দশাংশৰ দশাংশহে ভুমি আছে। ১৯৫১ আৰু ১৯৮১ চনৰ মাজত আঠ কোটি নিবনুৱাৰ সংখ্যা বৃদ্ধি হ'ল। আজিও দহ লাখ হেক্টৰ ভূমি আদালতত হুকুমৰ প্ৰতীক্ষাত আছে। ৬১ টা ডাঙৰ উদ্যোগিক কোম্পানীৰ ওচৰত সচল ৰাষ্ট্ৰীয় সম্পত্তিৰ ৭২ শতাংশৰ মালিকত্ব আছে, কিন্তু অন্যহাতেদি ২৬ শতাংশ উদ্যোগিক কেন্দ্ৰসমূহৰ ওচৰত মাত্ৰ ১'৫ শতাংশ আছে।

'আজিৰ ছাত্ৰই কাইলৈৰ নাগৰিক' । বিদ্যাৰ্থী ৰাণ্ট্ৰৰ কৰ্ণধাৰ, ভাবী ৰাণ্ট্ৰ নিৰ্মাতা আৰু ৰাণ্ট্ৰৰ ৰক্ষক । ভাৰতৰ অঙ্গৰাজ্য অসমৰ সন্তান হিচাপে আমি সজাগতাৰে সকলো ক্ষেত্ৰত আগবাঢ়ি যাব লাগিব । নতুন অসম গঢ়াত ছাত্ৰ-ছাত্ৰীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা আমি সততে মনত ৰাখিব লাগিব । ব্যক্তি স্বাৰ্থ দুৰ্নীতিৰ মূল । স্বাধীনতাৰ ৪৮ বছৰৰ পিছতো গাঁওবোৰ আজি বোকাত পোত গৈ আছে । এই কথা চকুৰ আগত ৰাখি প্ৰতিজন যুৱ-ছাত্ৰই এটা নিজা বিশুদ্ধ মনলৈ আগবাঢ়ি যাব লাগিব ।

সমাজ, সংস্কৃতি, সভ্যতা পাৰস্পৰিকভাৱে জড়িত । এটা জাতিৰ ঐতিহ্য এই তিনিটাই বহন কৰে । তাৰ প্ৰতি সততে সজাগতা অৱলম্বন কৰাটো যুৱ-ছাত্ৰ সমাজৰ নিতান্ত কৰ্ত্তব্য । মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে গঢ়ি যোৱা জাতি-বৰ্ণ নিৰ্বিশেষে অংশ গ্ৰহণ কৰিব পৰা সমাজ খনেই অসমীয়া সমাজ । তাতেই সংস্কৃতি সভ্যতাৰ নিদৰ্শন আছে । তাকে সৰ্বান্তঃকৰণে গ্ৰহণ কৰি এক ঐক্যবদ্ধ অসমীয়া সমাজ গঢ়িবলৈ আমি সংকল্পবদ্ধ হওঁহক ।

কৃতজ্ঞতা জ্ঞাপন ঃ

মুখপত্ৰখনিৰ সম্পাদনাৰ গুৰু দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰা বাবে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ । আমাৰ এই প্ৰচেষ্টাৰ প্ৰতি শুভাশীষ জনোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰদ্ধাভাজন উপাচাৰ্য্য মহোদয়লৈ আমাৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ । আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱে আলোচনীখনি উলিওৱাত উৎসাহ উদ্দীপনা দিয়াৰ বাবে তেখেতলৈ আমাৰ শ্ৰদ্ধা থাকিল । বিশেষকৈ বিভাগীয় উপদেষ্টা শ্ৰীমতী ৰতিপ্ৰভা গগৈয়ে আলোচনী প্ৰকাশৰ কাৰণে আগবঢ়োৱা নিজৰ বহুমূলীয়া সময় আৰু শ্ৰমৰ কাৰণে আমি তেওঁৰ ওচৰত কৃতজ্ঞ । অশেষ সহায় তথা সহযোগ আগবঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক শ্ৰীপীতাম্বৰ চৰাইমৰীয়ালৈ আৰু লগতে তৰ্ক ও সাহিত্য সম্পাদক শ্ৰীহেৰেম্ব ভূঞালৈ আমাৰ ধন্যবাদ থাকিল । প্ৰচ্ছদপট্ শিল্পী শ্ৰীঅৰুণ বৈৰাগী আৰু শিৱসাগৰ প্ৰেছৰ মাননীয় স্বত্বাধিকাৰী শ্ৰীযুত শ্যামা প্ৰসাদ বৰঠাকুৰদেৱৰ লগতে প্ৰেছৰ সমূহ কৰ্মীবৃন্দ আমাৰ ধন্যবাদৰ পাত্ৰ ।

সদৌ শেষত ; মুখপত্ৰখনিৰ মানদণ্ডৰ উন্নতি কৰিবলৈ চেষ্টাৰ ত্ৰুটী কৰা নাই, তথাপি অপৈনত হাতৰ সম্পাদনাত দোষ-ত্ৰুটী থকাটো স্বাভাৱিক । এইবোৰৰ কাৰণে শুভাকাংক্ষী তথা পাঠক-পাঠিকাসকলে সহানুভূতিৰ চকুৰে চালে পৰম সুখী হ'ম । শেষত মুখপত্ৰখনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে দেশ আৰু জাতিৰ কাৰণে যিসকলে নিজৰ বৰ্ত্তমান সমূহ বিলাই তেজৰ বোলেৰে ইতিহাস ৰচনা কৰিলে সেইসকল মহান আত্মাৰ পবিত্ৰ স্মৃতিত শত শত প্ৰণাম জনাই সম্পাদকীয় শিতানৰ সামৰণি মাৰিছোঁ ।

শ্ৰীমহেশ গদুক
আলোচনী সম্পাদক

# সোণাৰি মহাবিদ্যালয় বিজ্ঞান শাখাৰ এটি চমু বিবৰণী

অধ্যক্ষ গোলাপ বৰগোহাঁই

আধুনিক জগতৰ প্ৰগতিৰ লগত তাল ৰাখি চলিবৰ অৰ্থে এই অঞ্চলটিক সামান্যতম সজাগ কৰাৰ মানসেৰে অঞ্চলটিৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ত ১৯৮৪ চনৰ পৰা বিজ্ঞান শাখাটি ২৮ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ কৰা হয় । ১৯৮৫ চনত উচ্চ-মাধ্যমিক স্তৰটি সম্পূৰ্ণ হোৱাৰ পাছত ১৯৮৬ চনৰ পৰা স্নাতক মহলা আৰম্ভ কৰা হয় । ৭ গৰাকী প্ৰবক্তাৰে প্ৰায় ৯০ জন ছাত্ৰ-ছাত্ৰীক বৰ্ত্তমান এই শাখাটিত শিক্ষাদান কৰি থকা হৈছে । অৰ্থনৈতিক দিশৰ পৰা বিজ্ঞান শাখা এটি খোলা বৰ কঠিন কাম । প্ৰবক্তাসকলৰ মান-নীৰ ওপৰিও পাঠাগাৰ আৰু বিজ্ঞানাগাৰৰ ব্যৱস্থা কৰাটো সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন অনুষ্ঠানৰ বাবে দুৰূহ কাৰ্য্য । তদুপৰি ভূতৰ ওপৰত দানহৰ দৰে যোৱা বছৰ ১০ আগষ্ট তাৰিখৰ ধুমুহাই মহাবিদ্যালয়ৰ ৫ টা শ্ৰেণী কোঠা আচবাব পত্ৰসহ চূৰমাৰ কৰি থৈ যায় । ফলস্বৰূপে যোৱা গোটেই শিক্ষা বৰ্ষটো আৰু বৰ্ত্তমান শিক্ষা বৰ্ষৰো প্ৰায় আধা-খিনি সময় মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ খেপ কৰি ল'ব লগা হয় । বিজ্ঞান শাখা আৰু ধুমুহাৰ ক্ষতিৰ বাবে চৰকাৰৰ ওচৰত বিভিন্ন সময়ত আবেদন-নিবেদন কৰিও অদ্য পৰিমিত একো নোপোৱা কথাটোও অতি দুৰ্ভাগ্যজনক । মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে নিৰ্মিয়মান ঘৰটোৰ বাবে আৱশ্যকীয় প্ৰায় ৫০ বাণ্ডিল টিনপাতৰ বাবে সদাশয় ৰাইজৰ ওচৰ চপাৰ সিদ্ধান্ত কৰে আৰু ইতিমধ্যে মহাবিদ্যালয়ে প্ৰায় ৪৪ বাণ্ডিল টিনপাত নিম্নো-লিখিত ব্যক্তিসকলৰ পৰা সংগ্ৰহ কৰি মূল ঘৰটো চোৱাৰ কাম সম্পূৰ্ণ কৰে ।

## দাতাসকল হ'ল ঃ

| | | | |
|---|---|---|---|
| সৰ্ব্বশ্ৰী হৰকান্ত গগৈ— | নিমনাগড়— | ১[illegible] | বাণ্ডিল |
| ৰবীন গগৈ | বনমালি | | ,, |
| আৰ, পি, গোহাঁই | ,, | | ,, |
| দীলিপ গোহাঁই | সোণাৰি | | ,, |
| বিৰুচন দুৱৰা | ,, | ২ | ,, |
| তিলকান্ত বৰুৱা | ,, | ১ | ,, |
| হিম হাজৰিকা | ,, | ২ | ,, |
| মঃ ইক্ৰামূল হুছেইন | ,, | ১ | ,, |
| শ্ৰীৰুদ্ৰ শ্যাম | ,, | ২ | ,, |
| শ্ৰীণৰৎ বৰকটকী | নিমনাগড় | ১ | ,, |
| শ্ৰীযুতা গুণলতা শইকীয়া— | সোণাৰি | ১ | ,, |
| ডঃ দৌলেশ্বৰ গগৈ— | নাফুক | ২ | ,, |
| শ্ৰীকুম্ভেশ্বৰ লাহন— | বেকাদলং | ১ | ,, |
| শ্ৰীডিম্ব শইকীয়া— | সোণাৰি | ১ | ,, |
| আডমপুৰ বাণিজ্য পৰিষদ— | চক্ৰাই | ১ | ,, |
| শ্ৰীসৰ্ব্বানন্দ গোহাঁই— | সোণাৰি | ১ | ,, |


| | | | |
|---|---|---|---|
| সৰ্বশ্ৰী বলদেৱ গোস্বামী | সোণাৰি | ১ | বাণ্ডিল |
| হাজী আব্দুল চালাম | ,, | ১ | ,, |
| কল্ চি ইঞ্জিনিয়াৰিং | ,, | ১ | ,, |
| সোণাৰি হাৰ্ডৱাৰ আৰু মটৰ পাৰ্টচ সম্থা | ,, | ৫ | ,, |
| সোণাৰি নগৰ সমবায় নিগম | ,, | ৪ | ,, |
| চৰাইদেউ হাৰ্ডৱাৰ | ,, | ১ | ,, |
| শ্ৰীৰাজেন পাঠক | বিহবৰ | ১ | ,, |
| ,, বিমান বৰগোহাঁই | কানুবাৰী | ১ | ,, |
| ,, তিলেশ্বৰ গগৈ | সোণাৰি | ১ | ,, |
| এচ, এম, খেলিল | ,, | ১ | ,, |
| শ্ৰীযোগ ৰাজকোঁৱৰ | লাকুৱা | ১ | ,, |
| ,, কামেশ পাল | সোণাৰি | ½ | ,, |
| সোণাৰি খাদ্য সামগ্ৰী ব্যৱসায়ী | | ৩ | ,, |
| সোণাৰি মহাবিদ্যালয় শিক্ষকগোট | | ৫ | ,, |

তলত নাম দিয়া ব্যক্তিসকলে টিনপাত দিয়াৰ প্ৰতিশ্ৰুতি দিছে—

| | | | |
|---|---|---|---|
| শ্ৰীভদ্ৰাম গগৈ— | নিমনাগড় | মলং আলি | সোণাৰি |
| নজিৰুল ইছলাম বৰা | ” | শ্ৰীবংশী শ্যাম | ” |
| শ্ৰীৰমা ৰাজকোঁৱৰ | ” | ” পোৱাল গগৈ | ৱাকুৱা |
| ডাঃ দিহিঙীয়া | দিচাংপানী | ” ৰবি দত্ত | ” |
| শ্ৰীমানিক দত্ত | সোণাৰি | ” খগেন গগৈ | ” |
| ” বেণু দুৱৰা | ” | ” গঙ্গা বৰুৱা | |
| ” কনক বৰুৱা | ” | হবিবুৰ ৰহমান | |
| ” সৰু চুৰি | চৰাই | | |

মহাবিদ্যালয়ৰ পঢ়া কোঠাৰ অভাৱৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ন কক্ষ ( Reading Room ) আৰু লগতে থকা এটা কোঠা বৰ্ত্তমান বিজ্ঞানাগাৰ হিচাপে ব্যৱহাৰ কৰা হৈছে। ডিব্ৰুগড়ৰ পাঠ্যক্ৰম অনুসৰি স্নাতক মহলা পৰ্য্যন্ত আৱশ্যকীয় ব্যৱহাৰিক শিক্ষাৰ যন্ত্ৰপাতি প্ৰায় এক লক্ষ্য টকা খৰচ কৰি সংগ্ৰহ কৰা হৈছে। এই ক্ষেত্ৰত বৰ্ত্তমান সোণাৰি নিবাসী শ্ৰীচিমটং টামাংৰ নাম উল্লেখনীয়। তেখেতে আমাক এটি মূল্যবান অনুবীক্ষণ যন্ত্ৰ দি সহায় কৰে।

বিভিন্ন সংঘাটৰ মাজেদি সোণাৰি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ এইয়া মাত্ৰ আৰম্ভণিহে। স্থায়ী বিজ্ঞানাগাৰ, গেছ প্লেণ্ট, শাখাটিৰ চৰকাৰীকৰণ আদিৰ এতিয়াও বহু বাকী। কিন্তু আমাৰ বিশ্বাস যে অঞ্চলটিৰ সদাশয় ৰাইজৰ সহায়-সহানুভূতি আৰু মৰমে ইয়াক এদিন সম্পূৰ্ণ কৰি তুলিব।



বাওঁফালৰ পৰা চকীত বহি ( মাজৰ শাৰী ) ঃ ক্ৰমে অধ্যাপক শৈলেন ফুকন, অধ্যাপক জীৱেন্দ্ৰ কুমাৰ শইকীয়া, অধ্যাপক মানিক গগৈ, অধ্যাপিকা বিমলা ফুকন, অধ্যাপিকা সোনমাই বড়া, অধ্যক্ষ গোলাপ বৰগোহাঁই, অধ্যাপক তুলসী গগৈ, অধ্যাপক ৰবীন কোঁৱৰ, অধ্যাপিকা বীণা বৰঠাকুৰ, অধ্যাপিকা ৰতিপ্ৰভা গগৈ, (উপ-দেষ্টা, আলোচনী বিভাগ।)
বাওঁফালৰ পৰা থিয় হৈ ক্ৰমে ২য় শাৰীৰ পৰা অধ্যাপক পবিত্ৰপাল, অধ্যাপক টিংকেশ্বৰ বৰুৱা, অধ্যাপক পুনিৰাম কোঁৱৰ আৰু অধ্যাপক বাপা কোঁৱৰ। ৩য় শাৰীৰ পৰা ক্ৰমে, শ্ৰীৰঞ্জন গগৈ ( সম্পাদক, ছাত্ৰ জিৰণি চ'ৰা ) শ্ৰীহৰেন্দ্ৰ প্ৰসাদ ভুঞা (সম্পাদক, সাহিত্য আৰু তৰ্ক), শ্ৰীটিংকেশ্বৰ বৰগোহাঁই (সম্পাদক, সাংস্কৃতিক বিভাগ)।
বাওঁফালৰ পৰা বহি ( তলৰ শাৰী) ক্ৰমে, সৰ্বশ্ৰী দিবীন দিহিঙীয়া ( সম্পাদক, সমাজ সেৱা), হবিবুৰ ৰহমান (সম্পাদক, সংগীত বিভাগ), জগত গগৈ (শ্ৰেণী প্ৰতিনিধি), মহেশ গড়ুকা (সম্পাদক, আলোচনী), পীতাম্বৰ চৰাইমৰীয়া (ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক) আৰু ক্ষিপ্ৰ বুঢ়াগোহাঁই ( সম্পাদক, ডুজ খেল বিভাগ )।

# অসমৰ মিচিং সংস্কৃতিত এভুমুকি

শ্ৰীপ্ৰণৱ পাংগিং
স্নাতক দ্বিতীয় বাৰ্ষিক
কলা শাখা ।

তাহানিৰ বৰ অসমৰ আবৰ পাহাৰ-টোৰ পৰা কোনোবা অজান দিনতে ভৈয়ামৰ …নৰ পাৰলৈ নামি অহা মিচিং জনজাতিসকল অসমৰ অন্যতম ভূমিপুত্ৰ আদিমবাসী । ভৈয়ামৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, লক্ষীমপুৰ, দৰং, শোৱনশিৰি জিলাৰ উপৰিও অৰুণাচলৰ বিভিন্ন অঞ্চল বিশেষত মিচিংসকল বসবাস কৰিছেহি । মিচিংসকলৰ সংস্কৃতিৰ মূলতে অসমীয়া সংস্কৃতি আৰু ই …ষিমুখী ।

মিচিংসকলৰ প্ৰবজনৰ দিশ আৰু সময় থাটাংকৈ কোৱা টান । পঞ্চদশ শতিকাত শংকৰদেৱে তেওঁৰ সাহিত্যত মিৰি (মিচিং) সকলৰ কথা উল্লেখ কৰিছে আৰু শংকৰদেৱৰ পৰৱৰ্তী শতিকাত পৰমানন্দ নামেৰে এজন আতৈ মিচিংসকলৰ পৰা মনোনীত কৰি লোৱা কথা জনা যায় । গতিকে পঞ্চদশ শতিকাৰ আগতেই মিচিংসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিছিল বুলি অনুমান কৰিব পাৰি । আহোম ৰাজতন্ত্ৰৰ সময়তো মিচিংসকলৰ বিশেষ ভূমিকা অসম বুৰঞ্জীত উল্লেখ আছে ।

মিচিংসকলৰ উৎপত্তিৰ বিষয়ে কোনো বুৰঞ্জীমূলক তত্ত্ব নাই । জনশ্ৰুতিমতে প্ৰাচীন কালত মিচিংসকলৰ লিপিসমূহ জন্তুৰ ছালত লিপিবদ্ধ আছিল । আৰু কালৰ সোঁতত এই লিপি প্ৰকৃতিৰ গৰ্ভত বিলীন হৈ গ'ল ।

মিচিং শব্দৰ অৰ্থ এনেধৰণে ব্যাখ্যা কৰিব পাৰি । "মি ঘাচিং" ( মি = মানুহ, ঘাচিং = বগা) অৰ্থাৎ বগা মানুহৰ পৰা মিচিং হৈছে বুলি কয় । আনহাতে "মি-আচি" (মি = মানুহ, আচি = পানী) অৰ্থাৎ পানীৰ মানুহৰ পৰাও মিচিং শব্দৰ উৎপত্তি হৈছে বুলি অনুমান কৰিব পাৰি । আহোম বুৰঞ্জীত মিৰি শব্দৰ অৰ্থক "মাজৰ" বুলি কৈছে । মিৰি শব্দটো অমিচিং সকলে দিয়া নাম । নিজকে মিচিং বুলি চিনাকি দিয়া এই পৰ্বতীয়া লোকসকলক হয়তো তিব্বতী মানুহে 'মিৰি' বুলিছিল । তিব্বতীৰ ফালৰ পৰা অহাৰ বাবে অৰুণাচলৰ আদিসকলৰ লগত মিচিং সংস্কৃতি

ভালেখিনি সম্পৰ্ক থকা দেখা যায়। আদি সকলৰ পূজাৰীক 'মিৰি' বোলা হয়।

মিচিংসকলৰ সংস্কৃতিত স্বাভাৱিকতে সমন্বয়ৰ প্ৰক্ৰিয়াই কাম কৰি থকা দেখা যায়। পৰ্বতত তেওঁবিলাকে অন্যান্য পৰ্বতীয়া জনজাতিৰ দৰে সাধাৰণ সঁজুলিৰে সৈতে ঝুমখেতি কৰিছিল। কিন্তু ভৈয়ামলৈ আহি তেওঁবিলাকে ভৌগোলিক কাৰণত খেতিৰ পদ্ধতি সলনি কৰিবলৈ বাধ্য হয়। ভৈয়ামত তেওঁবিলাকে হাল বাবলৈ গৰু আৰু নাঙল-যুঁৱলি গ্ৰহণ কৰিলে। পূৰ্বতে যিহেতু তেওঁবিলাকৰ সংস্কৃতিত এই ব্যৱস্থা নাছিল। সেইবাবে খেতি সংক্ৰান্ত শব্দবিলাক নাঙল-যুঁৱলি আদি অসমীয়া ভাষাৰ পৰা গ্ৰহণ কৰিলে।

মিচিংসকলৰ কৃষি ভিত্তিক উৎসৱ হৈছে—'আলি আই লৃংগাং,' 'প'ৰাগ,' বহাগ বিহু, কাতি বিহু, মাঘ বিহু ইত্যাদি। 'আলি আই লৃংগাঙ'ৰ অৰ্থ হ'ল—শস্যৰ গুটি সিঁচিছো। পূৰ্বতে তেওঁলোকৰ নিৰ্দ্ধাৰিত সময় নাছিল। পিছত মিচিংসকলে জ্যোতিষৰ সৌৰগণনাৰ লগত পৰিচিত হৈ ফাগুণ মাহৰ প্ৰথম বুধবাৰে এই উৎসৱৰ দিন বুলি গ্ৰহণ কৰিলে। এই বিহুৰ মূলতে হৈছে কৃষি ভিত্তিক। এই উৎসৱত ৰাজহুৱা নামঘৰত যথাৰীতিত ৰাইজে এডোখৰ মাটিত দঞি, পল, কাচিন, কাৰ্টাগ, গুমিন, চয়িন আৰু অন্যান্য অমনীয় উগ্ৰ দেৱ-দেৱীৰ নামত কুকুৰা কাটি তেওঁলোকক সন্তুষ্ট কৰে আৰু গাঁৱৰ শস্য নদন-বদন হবলৈ স্তুতি কৰে। আৰু শস্যৰ গুটি সিঁচি তাৰ চাৰিওফালে গাঁৱৰ সকলো ৰাইজে জয়ধ্বনি দি 'গুমৰাগ' নাচেৰে প্ৰদক্ষিণ কৰে। এই উৎসৱত ডেকা-গাভৰুৱে প্ৰত্যেকৰ ঘৰে ঘৰে বিহু নৃত্যৰে 'গুমৰাগ' নাচে।

সেইদৰে অসমীয়া থলুৱা সংস্কৃতিৰ সংমিশ্ৰণত বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহু উলহ-মালহেৰে পালন কৰা হয়। মিচিংসকলৰ মুখ্য দেৱতা দঞি প'ল বুলি বিবেচনা কৰে আৰু মিবুৰ সহায়ত পূজা পাতে। ইয়াৰ উপৰিও অনেক অলৌকিক দেৱতাকো স্বীকৃতি দিয়া হয়। 'দদৃগাং' বুলি মৃতকসকলৰ দেৱত্ব আৰোপ কৰে। 'তালেং উই; (বিজুলী চেৰেকনিক কৰা পূজা); 'উৰম আপিন' (উপৰি পুৰুষক পিণ্ড দিয়া) দবুৰ পূজা (চন্দ্ৰ সূৰ্য্যৰ পূজা) ইত্যাদি পূজা পাতন ব্যৱস্থা আছে। তাৰে ভিতৰত 'দবুৰ পূজা অতি উল্লেখযোগ্য। এই পূজাত গাঁৱৰ প্ৰত্যেক ঘৰৰ একোজন পুৰুষে ৰাজহুৱাভাৱে গোট খাই গাহৰি, কুকুৰা মাৰি দঞিপ'ল, কাচি কাৰ্টাকক পূজা-পাতল দিয়ে আৰু গাঁওখন যাতে অপায়-অমংগল নহয় তাৰ বাবে দঞি প'লৰ নাম লৈ গাঁওখন পাঁচ বাৰ ঘূৰি জয় ধ্বনি দিয়ে। পূজাৰ শেষত ৰাজহুৱাভা ভোজন কৰে।

সেইদৰে মুৰাং বা মুচুপ অনুষ্ঠান মিচিং জনজাতিৰ গণতান্ত্ৰিক সমাজ পদ্ধতি ঘাই ভেটি। মুৰং শব্দটোৰ ব্যুৎপত্তিগত কিম্বা শব্দৰ পৰা গঠন বিচাৰি পোৱা টান কোনোবাই 'ম ৰং' অৰ্থাৎ মুকলি শব্দৰ মুৰং সৃষ্টি হৈছে বুলি কব খোজে। মুৰং ঘৰ সাধাৰণতে গাঁওখনৰ মাজভাগত ঠাইত সকলো ফালৰ পৰা গমনাগমনৰ সু হয় তাতেই সজা হয়। মুৰং ঘৰত গাঁওখ বিভিন্ন প্ৰকাৰৰ কৌবাঙ (সভা) অনুষ্ঠিত হ ধান চপোৱাৰ অন্তত প'ৰাগ উৎসৱ, 'অ আই লুগাং' উৎসৱ আদি মুৰং ঘৰতেই হয়। মাজে সময়ে নানা প্ৰকাৰৰ নৃত্য গী আখৰাও দিয়ে। গাঁৱৰ প্ৰত্যেক ডেকাই পাতি গাঁওখনৰ নিৰাপত্তাৰ বাবে পহৰা দি



প্ৰকৃতপক্ষে মিচিং সমাজত এজন ব্যক্তিক সমাজৰ এজন ব্যক্তিত্ব-সম্পন্ন হব পৰাকৈ যি শিক্ষা লাগে সেই শিক্ষা মুৰং ঘৰতেই দিয়া হয়। যৌৱনৰ মাদকতা, প্ৰেম-প্ৰীতি, সংসাৰৰ মায়া-মোহ সকলো প্ৰকাৰৰ শিক্ষা কেন্দ্ৰ মুৰং ঘৰেই প্ৰধান।

সেইদৰে 'প'ৰাগ হৈছে মিচিং সমাজৰ আন এটা প্ৰধান কৃষি উৎসৱ আৰু ইয়াক 'নৰা চিগা' বিহু বুলিও কোৱা হয়। এই বিহু ধান চপোৱাৰ পাছত পতা হয় আৰু প্ৰধানতঃ ডেকা-গাভৰুৰ উদ্যোগত উৎসাহিত হয় কাৰণে ইয়াক কোনো কোনো ঠাইত 'য়ামে মিম্বিৰ দনাম' (ডেকা গাভৰুৰ প্ৰীতি ভোজ) বুলি কোৱা হয়। 'দাগলিক' (ৰাজহুৱা কামৰ বাবে প্ৰত্যেক ঘৰৰ পৰা একোজন মানুহ লোৱা) ৰ যোগেদি পুঁজি সংগ্ৰহ কৰে। ই উৎসৱ সাধাৰণতে আঘোণ আৰু ফাগুণত দৃযাপন কৰে। মুৰং ঘৰত সকলোৱে গোট াই প্ৰধানতঃ মিগম বৰা আৰু বৰ পূজাৰীয়ে াইজক পৰিচালনা কৰে। মিনম 'য়ামোনাম' অৰ্থাৎ অতিথিসকলক নিমন্ত্ৰণ কৰি 'গুমৰাগ' নাচেৰে আদৰণি জনায়। 'প'ৰৰত' (মদ য়াৰ কৰা সঁজুলি) আপং ভৰাই আপং তৈয়াৰ ৰে আৰু প্ৰথমে এই আপং দেৱ-দেৱীসকলে উচৰ্গা কৰি ৰাইজৰ মাজত বিতৰণ কৰে। ই উৎসৱত ওচৰ চুবুৰীয়া প্ৰত্যেক গাঁৱৰ কা-গাভৰুক 'মিনম য়ামানা'মেৰে নিমন্ত্ৰণ ায়। প'ৰাগ উৎসৱটোৱেই হৈছে মিচিং-লৰ আতিথ্য পৰায়ণতাৰ ব্যাপক নিদৰ্শন।

মিচিং সমাজৰ এক উল্লেখযোগ্য গীত হৈছে 'ঐনিতম'। আদিসকলৰ মাজত 'ঐনি-তম' বা সেই জাতীয় গীতৰ প্ৰাচুৰ্য্য দেখা যায়। মিচিংসকলৰ ঐনিতম সাংস্কৃতিক ৰ্যায়ৰে উৎকৃষ্ট ফল। মিচিং ডেকা-গাভৰুৰ যৌৱনৰ আশা-আকাংক্ষা ভাৱ আবেগ প্ৰকাশৰ বনঘোষাই ঐনিতমৰ মূল ভেটি। প্ৰকৃতিৰ পৰিবেশত ডাঙৰ-দীঘল হোৱা মিচিং জনজাতিসকলৰ ঐনিতমৰ প্ৰধান বৈশিষ্ট্য হ'ল প্ৰকৃতিৰ বৰ্ণনা আৰু প্ৰেম-প্ৰীতিমূলক। প্ৰকৃতিৰ সৌন্দৰ্য্য ৰাজিৰ লগত প্ৰেমৰ এক সমন্বয় ঘটাই ঐনিতম সৃষ্টি কৰিছে। আনহাতে অসমৰ থলুৱা জাতিৰ লগত সংমিশ্ৰণ ঘটি মিচিং শব্দৰ মাজে মাজে অসমীয়া শব্দ ব্যৱহাৰ কৰি ঐনিতমৰ নতুন ৰূপে দিলে। ঐনিতমবোৰত অসমীয়া বিহু গীতৰ দৰে ছন্দৰ মিল দেখা যায়। যেনে—

১) আবুং কইচ দুলিদাক আচি বিদনাম কালিদাক্। ঐনক কৌৰাদ দুলিদাক অচিন দঞিং কালিদাক ॥ (নৈৰ পাৰত বহি পানীৰ সোঁত চাবলৈ মন যায়। চেনেহীৰ কাষত বহি মনৰ কথা কবলৈ মন যায়)

২) আতচৗ বিদমাং ঔময়কা আতচৗ বিদলা সাগৰে। নমমৗ মৗমাং ঔময়কা মৗতিল দুলাং দুৰ্বলী ॥ (নৈ বৈ বৈ সাগৰ পায়হি তোমাৰ কথা ভাবি বেদনাৰ সৃষ্টি হৈছেহি)।

৩) চাপৰিদী ৰংঙামী মীতাল অ্নচীং কামালা। আতৰ ক' ব্ৰৰংঙামী মীনাম ঐ কামালা। (চাপৰিটিত ওখ গছ নাথাকিলে যেনেকৈ উকা উকা লাগে, তেনেকৈ মনৰ প্ৰিয়া কাষত নাথাকিলে হৃদয়খনো উদং উদং লাগে)।

আনহাতে মিচিং শব্দৰ মাজে মাজে অসমীয়া শব্দ বহুৱাইও ঐনিতম সৃষ্টি কৰিছে। যেনে—

'জীৱন নদীৰ নিজৰা ভেটা দিব নোৱাৰি;
প্ৰথম যৌৱনৰ চিনাকী বিদায় দিব নোৱাৰি'।

এইদৰে সংস্কৃতি সমলৰ বিনিময়

ঘটিছে আৰু মিচিং সংস্কৃতিয়ে সমন্বয় আৰু বিকাশৰ মাজেদি আগবাঢ়ি গৈ আছে। মিচিং ভাষাৰ (আগম) ক্ষেত্রত কিছুমান স্বকীয় বৈশিষ্ট্য থাকিলেও অসমীয়া ভাষাৰ লগত ওতঃ প্রোত-ভাৱে জড়িত আছে। বৰ্ত্তমান ৰোমান লিপি-কেই মিচিংসকলে গ্রহণ কৰিছে। থলুৱা মিচিং ভাষা ৰাখিও মিচিংসকলে অসমীয়া ভাষাক মাতৃভাষা স্বৰূপে গ্রহণ কৰিছে। মিচিং জন-জাতিসকলে সৰহ ভাগেই নৈৰ দাঁতি কাষৰীয়া অঞ্চলত বসবাস কৰাৰ বাবে চাংঘৰ সাজে। উৎসৱৰ সময়ত মিচিংসকলে ব্যৱহাৰ কৰা বাদ্যযন্ত্রসমূহ অসমৰ থলুৱা জাতিৰ বাদ্যযন্ত্রৰ লগত প্রায়েই মিল দেখা যায়। সাজপাৰৰ ক্ষেত্রত 'পেৰে ৰুমবুং' 'ৰিবি গাছেং' আৰু 'মিবু গালুক' আদি মিচিং জনজাতিসকলৰ নিজস্ব সাজপাৰ। অসমৰ বৃহত্তম অসমীয়া জাতিৰ সংস্পৰ্শত থাকি সাজপাৰৰ ক্ষেত্রতো একে সাদৃশ্য দেখিবলৈ পাওঁ।

মিচিংসকলৰ সাম্প্রতিক অৱস্থা সম্পৰ্কে এইখিনিতে দু-আষাৰ কৈ থোৱা উচিত। ভিত-ৰুৱা গাঁও ঘাইকৈ বসতিস্থান হোৱা হেতুকে প্রায় সকলো মিচিং গাঁৱতেই যোগাযোগ আৰু যাতায়তৰ অসুবিধা পৰিলক্ষিত হয়। আধুনিক যুগত যাতায়তৰ ব্যৱস্থাই অৰ্থনৈতিক প্রগতিত বহুখিনি সহায়তা কৰে। স্থায়ীভাৱে ঘাইকৈ কৃষিমূলক উৎপাদন হলেও যাতায়তৰ অসুবিধাৰ হেতুকে তলিতে বা গাঁৱতে উৎপাদিত সামগ্রী আদমুলীয়াকৈ বিক্রী কৰিবলগা হয়।

স্বাধীনতাৰ দুকুৰি বছৰৰ পাছতো স্বাধী-নতাৰ সোৱাদ লাভ কৰিবলৈ সক্ষম হোৱা নাই। ভাৰতীয় সংবিধানৰ ২৭৫ অনুচ্ছেদ অনুসৰি জনজাতীয় লোকলৈ যি সা-সুবিধা আগবঢ়োৱা হৈছিল সেইখিনিক হয় সীমিত সংখ্যক শিক্ষিত মানুহে নহয় মধ্যবিত্ত শ্রেণীৰ মানুহেই লাভ কৰিলে। ৰাজনীতিৰ ক্ষেত্রতো একেই কথা। সংবিধানে জন প্রতিনিধিত্বৰ ক্ষেত্রত আসন সংৰক্ষণ কৰিলেও সেই আসন কিছুমান সুবিধাবাদীয়ে গ্রহণ কৰে আৰু এম, এল,এ বা এম,পি হৈ জনজাতীয় ৰাইজৰ কল্যাণৰ অৰ্থে আত্মনিয়োগ নকৰি নিজৰ গাঁও আৰু সমষ্টিৰ প্রতি থকা দায়বদ্ধতাৰ কথাও পাহৰি থাকে। এই কথা সমগ্র মিচিং জন-জাতীয় লোক বসবাস কৰা অঞ্চলতেই প্রযোজ্য। তেওঁলোকৰ ৰাজনীতি সুবিধাবাদীৰ ৰাজনীতি মাত্র। জনকল্যাণৰ ৰাজনীতি নহয়।

শিক্ষা সামাজিক প্রগতিৰ এক ডাঙৰ মাধ্যম কিন্তু দুখৰ বিষয় যে বৰ্ত্তমান মিচি[ং] সমাজত শিক্ষিতৰ হাৰ অতি কম। মিচিং গাঁৱ[ত] প্রাথমিক স্তৰৰ শিক্ষানুষ্ঠানৰ স্থাপনৰ কামে সন্তোষজনক নহয়। শিক্ষানুষ্ঠানৰ অভাৱ, অহ[ৰ্তা] সম্পন্ন শিক্ষকৰ অভাৱ আৰু অৰ্থনৈতিক ক্ষেত্র[ত] পিছপৰা মিচিং জনজাতিসকল অৰ্দ্ধশিক্ষিত ডেক[া] গাভৰুৰ সংখ্যা বৃদ্ধি পাইছে আৰু শ্রম বিমু[খ] কৰি তোলাৰ ফলত এক জটিল সামাজি[ক] সমস্যাৰ সৃষ্টি হৈছে। এই সমস্যাৰ প্র[তি] ৰাইজৰ প্রতিনিধি এম,এল,এ বা এম,পি সক[লৰ] বিশেষ মনোযোগ দিয়াৰ কোনো লক্ষণ নাই।

বানপানীৰ গৰাহত পৰি মিচিংসক[ল] বৰ্ত্তমান কোনো এটা দিশত আগবাঢ়িব প[ৰা] নাই। তেওঁলোকৰ সৰহভাগৰেই উপাৰ্জ্জনৰ [...] কৃষি। বানপানীয়ে এই উপাৰ্জ্জনৰ পথকো [...] কৰি দিছে।

মিচিং তিৰোতাসকল পাকৈত শিপি[নী] বয়ন বিভাগৰ পৰা প্রয়োজনীয় আৰু আ[...] সাহায্য নোপোৱাৰ বাবে এই শিল্প গ[াঁও-স]মাজতেই আৱদ্ধ। বৰ্ত্তমান বজাৰত পোৱা স[...] ৰঙীন কাপোৰে মিচিং ডেকা-গাভৰুক আ[...] কৰিছে। লগে লগে সাজপাৰ বিজতৰীয়া কৰি[...]



স্বাস্থ্যৰ ক্ষেত্রতো মিচিং মানুহৰ অৱস্থা বৰ্ণনাতীত। গাঁৱৰ ওচৰ-চুবুৰীয়াত চিকিৎসা কেন্দ্রৰ অভাৱত বহুত অসুবিধাত পৰা দেখা যায়। তদুপৰি মিচিং সমাজখন অতি ৰক্ষণ-শীল হোৱাৰ বাবে বেমাৰ-আজাৰ হলে অপ-দেৱতাসকলক পূজা কৰি ৰোগ উপক্রম কৰিবলৈ লয়। ফলত একোটা কঠিন ৰোগৰ সম্মুখীন হৈ মৃত্যুৰ মুখত পৰে।

মিচিংসকল পূৰ্বতে তেওঁবিলাকৰ মূল দেৱতা দঞিপ'ল আৰু উইসকলৰ পূজা পাতলত অভ্যস্ত হলেও এক সময়ত অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ এটা শাখা ৰাতি সেৱা পন্থলৈ আকৰ্ষিত হয়। এই বৈষ্ণৱ গোসাঁই সকলেও মাজে সময়ে কৰ পইচা তুলিবলৈ গাঁৱলৈ যোৱাৰ বাহিৰে ধৰ্ম্মীয় নৈতিক শিক্ষাৰ পোহৰ পেলাবলৈ গাঁৱলৈ নাহে। ফলত মিচিংসকলে বৰ্ত্তমান বহু ক্ষেত্রত পিছ পৰি আছে।

মিচিংসকল আধুনিক অসমীয়া সমা-জৰ এটি অপৰিহাৰ্য্য অংগ। সময়ৰ গতি প্রবাহে সমন্বয়ৰ বাট মুকলি কৰি আজি অসমীয়া আৰু মিচিং সংস্কৃতিক এডাল এনা-জৰীয়ে বান্ধি পেলাইছে। এই সম্প্রীতি আৰু সমন্বয় অধিক কটকটীয়া হওক।

●●

**[ব]াণী মুকুতা** ঃ—আমাৰ দেশৰ নিচিনা পৃথিৱীৰ অন্য কোনো দেশতেই ধন বৈষম্য ইমান বেছি নহয়। এফালে মুষ্টিমেয় সৌভাগ্যবানসকলৰ হাতত ঐশ্বৰ্য্যৰ বিস্ময়কৰ সমা-বেশ আৰু আনফালে দুবেলা দুমুঠি খাবলৈ নোপোৱা সকলৰ হাঁহাকাৰ ধ্বনি; দুই কথা এই দেশতেইহে দেখা যায়।

সৰ্বপল্লী ৰাধাকৃষ্ণণ।

# অসমীয়া ভাষা আৰু ইয়াৰ ভৱিষ্যতঃ এটি আলোচনা

শ্ৰীমতী ৰতি প্ৰভা গগৈ
প্ৰৱক্তা, অসমীয়া বিভাগ

ভাৰতৰ একেবাৰে পুব প্ৰান্তত অসমৰ বিস্তৃত ব্ৰহ্মপুত্ৰ উপত্যকাত পুবে লক্ষীমপুৰৰ পৰা পশ্চিমে ধুবুৰীলৈকে প্ৰচলিত অসমীয়া ভাষাটোৰ প্ৰধান সুঁতিটো আৰ্য্য সুঁতি। তাৰ লগত অনান্য ভাষাৰ উপ-সুঁতি লগলাগি অসমীয়া ভাষাৰ মুল সুঁতিটো সমৃদ্ধ হৈছে। ড০ উপেন্দ্ৰ নাথ গোস্বামীদেৱৰ এষাৰ মন্তব্য উল্লেখ কৰিব পাৰোঁ।—'বৈচিত্ৰ্যপূৰ্ণ অসমৰ বিবিধ জাতি আৰু সংস্কৃতি-সম্পন্ন লোকৰ বিবিধ উপাদানেৰে গঠিত এইটোৱেই অসমীয়া ভাষা।'

খৃঃ ৭ ম শতিকাত কামৰূপ ভ্ৰমণ কৰি হিউৱেন চাঙে মন্তব্য কৰিছিল 'তেওঁলোকৰ (কামৰূপৰ মানুহৰ) ভাষা মধ্য ভাৰতৰ ভাষা-তকৈ অলপ বেলেগ।' হিউৱেন চাঙৰ এই সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়া ভাষাৰ প্ৰাচীনতা নিৰূপন কৰিবলৈ খৃঃ ৭ ম শতিকাত অৱতীৰ্ণ হ'ব পৰা যায়। এনে এটি প্ৰাচীন ভাষাত চতুৰ্দ্দশ শতিকাৰ পৰাই সমৃদ্ধ সাহিত্যৰো নিদৰ্শন পোৱা যায়।

ঐতিহ্যপুৰ্ণ এই অসমীয়া ভাষাটোৰ মুল সুঁতিটো আৰ্য্য হলেও অনাৰ্য্য ভাষাৰ উপ-সুঁতি সংমিশ্ৰণত ভাষাৰ মুল ৰূপটোৱেই সম্পূৰ্ণৰূ পৰিবৰ্ত্তন হ'ল। আন আন আৰ্য্য ভাষা অৰ্থাৎ বঙালী, মাৰাঠী, হিন্দী আদি ভাষা ৰক্ষিত হোৱা পিতৃ-পিতামহৰ বহুতো বৈশি অসমীয়া ভাষাই ৰক্ষা কৰিব পৰা নাই। ধ্বনি তত্ত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব আদি সকলো দিশ এই পৰিবৰ্ত্তন পৰিলক্ষিত হৈছে।

ধ্বনিতত্ত্বৰ ক্ষেত্ৰত দেখা যায় অসমী ভাষাই সংস্কৃতৰ বহুতো বৈশিষ্ট্য পৰিহাৰ ক অনাৰ্য্য প্ৰভাৱত নতুন বৈশিষ্ট্য গ্ৰহণ কৰি উদাহৰণ স্বৰূপে সংস্কৃতৰ দন্ত্য আৰু মূ ধ্বনি হিন্দী মাৰাঠী আৰু বঙালী ভাষাত ৰ হৈছে। কিন্তু অসমীয়া ভাষাত ৰক্ষিত নাই। 'টান' আৰু 'তান' অৰ্থত পৃথক হ উচ্চাৰণত একে। অসমীয়াত তালব্য নাই। এইবিলাকৰ উচ্চাৰণ দন্ত মুৰ্দ্ধীয়ৰ হয়। উস্মধ্বনিবোৰ অসংযুক্ত হলে সাধা 'স' (কণ্ঠ্য ধ্বনি) ৰূপে উচ্চাৰিত হয়। ধ্বনিৰ ক্ষেত্ৰতো অসমীয়া ভাষাই মুলৰ কে



টাও ধ্বনি পৰিহাৰ কৰিছে। 'এ' (বে'ল) অ' (অ'ম) আদিৰ দৰে নতুন ধ্বনি আমদানী কৰিছে। হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য নাই। ক্ৰিয়াৰূপ নোহোৱাকৈ বাক্য গঠণ, যেনে— তোমাৰ নাম কি? মোৰ নাম লীলা, ইত্যাদি। এই বৈশিষ্ট্যত চীন-তিব্বতী পৰিয়ালৰ প্ৰভাৱ পৰিছে বুলি ভাষা-বিজ্ঞানী সকলে মন্তব্য দিছে।

এনেদৰে ৰূপতত্ত্ব, শব্দ গঠন, বাক্য গঠন আদি সকলো ক্ষেত্ৰতে আৰ্য্য অসমীয়া ভাষাত অনাৰ্য্য উপাদান ঠাহ খাই আছে। অষ্ট্ৰিক, চীন-তিব্বতী, দ্ৰাবিড়ীয় আদি ভাষাৰ বিভিন্ন অৱদানেৰে অসমীয়া ভাষাটোৱে পুষ্ট হৈ নিজস্ব বৈশিষ্ট্যৰে মহিমামণ্ডিত হৈ আহিছে। বৈচিত্ৰ্যৰ মাজত ঐক্য ৰক্ষা কৰি, ঐক্যৰ মাজত বৈচিত্ৰ্য ঘোষণা কৰি, অসমীয়া ভাষাই নিজৰ অস্তিত্ব ৰক্ষা কৰি আহিছে।

কিন্তু বৰ্ত্তমান অসমীয়া ভাষাৰ ৰূপ দেখি ইয়াৰ ভৱিষ্যত সম্পৰ্কে সন্দিহান হ'ব লগা হৈছে। ইংৰাজসকল অসমলৈ অহাৰ পাছৰে পৰা অসমীয়া ভাষালৈ প্ৰচুৰ ইংৰাজী শব্দ আহিবলৈ ধৰিলে। শিক্ষা-সংস্কৃতি বিষয়ক, আধুনিক বিজ্ঞান বিষয়ক, চিকিৎসা, খেল-ধেমালি বিষয়ক ইত্যাদি বিভিন্ন ইংৰাজী শব্দ অসমীয়া ভাষাত প্ৰবেশ কৰিলে। অসমীয়া সকলে ইংৰাজী ব্যৱহাৰ কৰাৰ মুলতে আধুনিক সভ্যতাৰ বিভিন্ন বিষয়ক শব্দৰ অসমীয়া প্ৰতি-শব্দ নথকাত প্ৰয়োজন পুৰোৱাৰ উদ্দেশ্য। কিন্তু ইয়াৰ লগতে আন দুটা কাৰণতো ইংৰাজী শব্দ ব্যৱহাৰ কৰে। এটা হ'ল নিজৰ ভাষাটোৰ প্ৰতি অসমীয়া ভাষীসকলৰ নীচাত্মিকা মনোভাব আৰু নিজক শিক্ষিত, উচ্চশিক্ষিত বা অভিজাত ৰূপে প্ৰতিপন্ন কৰাৰ অভিলাস।

ইংৰাজবিলাক অসমলৈ অহাৰ পাছত, অসমীয়া ভাষা পঢ়াশালি, আদালত আদিৰ পৰা অপসাৰিত হোৱাৰ সময়ত অসমীয়া জাতিয়ে আত্মপ্ৰত্যয় হেৰুৱাইছিল। হলিৰাম ঢেকিয়াল ফুকন অথবা মণিৰাম বৰুৱাৰ দৰে দেশৰ বৰেণ্যলোক সকলেও বঙলাত বা আদ বঙলুৱাত সাহিত্য ৰচনা কৰিছিল। সুদুৰ আমেৰিকাৰ পৰা অহা বেপ্টিষ্ট মিছনেৰীসকলে অসমীয়া জাতিক আত্মপ্ৰত্যয় শিকাই অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰি গ'ল। আধুনিক অসমীয়া ভাষা সাহিত্য দুৱাৰ মুকলি কৰি গ'ল। তাৰ পাছৰ পৰাই অসমীয়া বৰেণ্য সাহিত্যিক সকলৰ অশেষ চেষ্টাৰ ফলত অসমীয়া ভাষা সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিলে। সাহিত্যৰ বিভিন্ন দিশ বিকশিত হ'ল। বৰ্ত্তমান অসমীয়া ভাষা এটি উন্নত ভাষা। অসমীয়া ভাষাত উন্নত সাহিত্যৰ সৃষ্টি হৈছে। বিশ্ব সাহিত্যৰ লগত ফেৰ মাৰি নোবেল পুৰস্কাৰ লাভ নকৰিলেও ভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠ বটা 'জ্ঞানপীঠ' লাভ কৰিবলৈ সক্ষম হৈছে।

তথাপি অসমীয়া ভাষাৰ ভৱিষ্যত সম্পৰ্কে সন্দিহান হোৱাৰ অৱকাশ আছে। বৰ্ত্তমান এটা কথা পৰিলক্ষিত হৈছে যে আমি শিক্ষিত, অৰ্দ্ধ-শিক্ষিত অসমীয়াসকলৰ কথিত ভাষাত ইংৰাজী অথবা আন বিদেশী শব্দ ব্যৱহাৰ নকৰিলে নিজকে অশিক্ষিত, অসভ্য যেন বোধ কৰোঁ। যিকোনো ভাষাৰ পৰিবৰ্ত্তন প্ৰথমে কথিত ৰূপতেই হয়। আৰু পাছত লাহে লাহে লিখিত ৰূপলৈ ৰূপৰ সলায়। আমি দৈনন্দিন ব্যৱহাৰ কৰা ভাষাত শতকৰা ৯০% ভাগ ইংৰাজী বা আন বিদেশী শব্দ থাকে বুলি কলেও ভুল কোৱা নহ'ব। কিছুমান ইংৰাজী শব্দৰ অসমীয়া পৰিভাষা বিচাৰি অভিধান চলাথ কৰিব লগীয়া হয়। টেবুল, বেঞ্চ, ডেস্ক আদি সততে ব্যৱহাৰ কৰি থকা শব্দবোৰৰ অসমীয়া প্ৰতিশব্দ কোৱাৰ বা লিখাৰ

কোনো প্ৰয়োজনবোধ নকৰোঁ । কিছুমান অসমীয়া প্ৰতিশব্দ অতি দাঁত ভঙা উচ্চাৰণৰ । Pension অৱসৰ কালীন ভাট্টা, Sub-deputy Collector চমুকৈ S,D,C, উপ-প্ৰতি সমাহৰ্ত্তা ; ইত্যাদি অলেখ উদাহৰণ আছে । কিছুমান অসমীয়া প্ৰতিশব্দৰ উচ্চাৰণৰ জটিলতা নাথাকিলেও ব্যৱহাৰ নকৰাৰ ফলত আচহুৱা হৈ পৰিছে । এবাৰ 'প্ৰাক্ প্ৰাথমিক' শ্ৰেণীৰ এটি শিশুৱে 'প্ৰাক্-প্ৰাথমিক শ্ৰেণী' বুলি কওঁতে প্ৰশ্ন কৰিছিল "সেইটো ইংৰাজী নেকি ?" পাঁচ বছৰীয়া সেই শিশুটিৰ বাবে Pre-Primary চিনাকি শব্দ । প্ৰাক্-প্ৰাথমিক আচহুৱা বিদেশী শব্দ । শিশুৱে অজ্ঞতা বশতঃ ডাঙৰে অৱজ্ঞা বশতঃ কওঁতে কওঁতে এদিন হয়তু বহুতো অসমীয়া শব্দই ব্যৱহাৰ অনুপযোগী হৈ কালৰ গৰ্ভত লোপ পাব ।

'জতুৱা ঠাঁচ' এটা ভাষাৰ প্ৰাণ স্বৰূপ । ভাষাৰ বৈশিষ্ঠ্য, লালিত্য মাধুৰ্য্য ৰক্ষা কৰে এই জতুৱা ঠাঁচে । কিন্তু বৰ্ত্তমান শিক্ষাৰে শিক্ষিত অসমীয়া লোক সকলে জতুৱা ঠাঁচ সম্পন্ন ভাষা ক'ব নোৱাৰে । বৰ্ত্তমান আমি ভাত নাৰান্ধো-বনাওঁহে, ঘৰও নাসাজোঁ-বনাওঁহে, গাখীৰ নপগাওঁ, পানী তপত নকৰোঁ গৰমহে কৰোঁ ; ধান কাটো, ধান খুন্দো । এনে অলেখ জতুৱা ঠাঁচে আমাৰ কথ্য ভাষাৰ পৰা বিদায় মাগিছে । "কোন ফালে যোৱা'ৰ ঠাইত 'ক'ত যোৱা' । 'ঘৰলৈ যাওঁ'ৰ ঠাইত 'ঘৰত যাওঁ' আদিৰ দৰে বাক্যও সততে কাণত পৰে ।

গতিকে অজ্ঞতাৰ হেতুকেই হওক বা ইচ্ছাকৃত ভাৱেই হওক ই ভাষা এটাৰ উন্নতিৰ লক্ষণ নহয় । সন্দেহ হয়, এদিন হয়তু এই প্ৰাচীন ঐতিহ্যপুৰ্ণ ভাষাটো আন্তঃৰাষ্ট্ৰীয় ভাষা-টোৰ বুকুত জাহ গৈ জগতৰ মৃত ভাষাবোৰৰ শাৰীত ঠাই লবগৈ । 'জাতিৰ প্ৰাণ স্বৰূপ' ভাষাটোৰ বিশুদ্ধতাৰ প্ৰতি অসমীয়া লোকসকল এতিয়াই সজাগ হোৱা উচিত । তদুপৰি প্ৰাগ-ঐতিহাসিক কালৰে পৰা একেলগে বসবাস কৰা অসমৰ জাতি-জনজাতিৰ ভাষা-উপভাষাৰ (যি ভাষাৰ অৱদানেৰে অসমীয়া ভাষা পুষ্ট হৈছে ) অধ্যয়নৰ প্ৰতিও অসমীয়া লোক সকলে চকু দিয়া উচিত । কাৰণ 'মান্য আৰু অধ-মান্য ভাষাৰ মুল আৰু বুৰঞ্জী আঞ্চলিক উপ-ভাষাবোৰৰ জৰিয়তেহে বুজিব পাৰি ।' ব্লুম-ফিল্ডৰ উক্ত কথাষাৰৰ সমৰ্থনত ডে, এ, ছাৰ্ডৰ এই বক্তব্যটি দাঙি ধৰিব পাৰি— "উপভাষা-বোৰে কোনো মান্য ভাষাৰ বিকাশৰ স্তৰবিভাগ-বোৰৰ প্ৰতিনিধিত্ব কৰাৰ লগে লগে মান্য ভাষাত ব্যৱহাৰ নোহোৱা শব্দ কিছুমান সংৰক্ষণ কৰি একোখন ঠাইৰ সাংস্কৃতিক সোঁতৰ গতিপথ নিৰ্ণয় কৰাত সহায় কৰে ।"

জনজাতীয় ভাষা-উপভাষাবোৰ অধ্যয়নৰ মহত্বপুৰ্ণ দিশটো "বিভিন্ন ভাষা-ভাষীৰ আন্ত-ৰিক মিলনৰ ভেটি সুদৃঢ় কৰা কথাটোহে বুলি ডঃ উপেন্দ্ৰ নাথ গোস্বামীদেৱে ভাষ বিজ্ঞান পুথিত আঙুলিয়াই দিছে । ই সাংস্কৃ তিক ভেটি সুদৃঢ় কৰাৰ লগে লগে অসমী ভাষাৰ ভেটি কটকটীয়া কৰাত সহায় কৰিব

গতিকে অসমীয়া ভাষা-ভাষী লো সকলে অসমীয়া ভাষাক সময় থাকোঁতে অনিশ্চিত ভবিষ্যতলৈ ঠেলি নিদি ভাষাটো সমৃদ্ধি আৰু বিকাশৰ বাবে সচেতন হো উচিত ।

---

"যি জনে ভাষা কি বস্তু আৰু ই কেনেকৈ ৰূপ ললে নাজানে তেওঁ নিজকে শিক্ষি বুলি কোৱা উচিত নহয় বুলি মই ভাবোঁ ।" মেক্সমুলাৰ ।

# প্ৰবন্ধ

## কবি হীৰেন ভট্টাচাৰ্যৰ 'কবিতা' আৰু 'মানুহজন'

শ্ৰীমধুছন্দা শইকীয়া
স্নাতক শিক্ষান্ত বাৰ্ষিক

বিষ্ণুৰাভা পুৰস্কাৰ বিজয়ী বৰ্ত্তমান অসমৰ শ্ৰেষ্ঠ আধুনিক কবি হীৰেন ভট্টাচাৰ্য সকলো ৰাইজৰে ( বিশেষকৈ কবিতা প্ৰেমী ) অবিদিত নহয় চাগে । তেখেতৰ নিৰ্বাচিত কবি-তাৰ কবিতা পুথি "সুগন্ধি পখিলা", "বিভিন্ন দিনৰ কবিতা", আৰু "মোৰ দেশ মোৰ প্ৰেমৰ কবিতা" ভালদৰে পঢ়িলেই কিছু পৰিমাণে হ'লেও অনুভৱ কৰিব পাৰি ভট্টাচাৰ্য মানুহজনক । এগৰাকী পাঠক হিচাপে তেখেতৰ কবিতাসমূহ পঢ়ি মইও বৰ আচৰিত ধৰণেৰে অভিভূত হৈ পৰিছিলোঁ । থমকি ৰৈছিলোঁ ভট্টাচাৰ্যৰ কবিতা লিখাৰ টেক্নিক্ দেখি । কি এক অপূৰ্ব্ব সং-যোজন । অনুভূতিৰ মণিবোৰেৰে যেন কিছুমান সৰু অথচ মূল্যবান মালাহে গাঁথিছে । মন গ'ল মানুহজনক ভালদৰে জানিবলৈ । ব্যক্তিকতে ভাল লাগি গৈছিল সেইদিনা যিদিনা অসম সাহিত্য সভাই তেখেতলৈ বিষ্ণুৰাভা বঁটাৰ ঘোষণা কৰিলে । এতিয়াও ভট্টাচাৰ্যক পূৰ্ণকৈ জানিবলৈ বিশেষ সুবিধা পাইছোঁ বুলি ক'ব নোৱাৰো । কেতবোৰ প্ৰবন্ধ, আলোচনা-সমালোচনা পঢ়ি যি পাইছোঁ তাৰেই ভট্টাচাৰ্যৰ কবিতা আৰু তেখেত মানুহজনৰ এক থূলমূল পৰিচয় মোৰ এই চমু প্ৰবন্ধত ডাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ ।

প্ৰত্যেক কবিতা প্ৰেমী ব্যক্তিয়ে বৰ্ত্তমান অসমৰ আধুনিক কবি হিচাপে হীৰেন ভট্টাচাৰ্য যে শ্ৰেষ্ঠ তাক একেমুখে স্বীকাৰ নকৰি নোৱাৰে । প্ৰথমেই চোৱা যাওক তেখেতৰ কবিতাবোৰৰ প্ৰকৃতি ।

প্ৰেম, জীৱন আৰু মৃত্যু—এইবোৰ তত্ত্ব-কথাৰ কাব্যময় প্ৰকাশৰ বিশালতাৰে সমৃদ্ধ হোৱা ভট্টাচাৰ্যৰ কবিতাৰ বলিষ্ঠ ধাৰাটো হৈছে প্ৰেম । এইপিনৰ পৰা চালে ভট্টাচাৰ্য প্ৰেমৰ কবি । কিন্তু সেয়ে হলেও আনবোৰ অসমীয়া প্ৰেমৰ কবিৰ সৈতে ভট্টাচাৰ্য একে নহয় । কেত-বোৰ অমিলৰ বাবে তেখেতসকলৰ পৰা ভট্টা-চাৰ্য বহুখিনি ওপৰত ।

'আজি বয়স গৈ গৈ দুকুৰিৰ ওচৰত মই
আকৌ থমক খাই ৰ'লো । হাতৰ মুঠিৰ

আহত গোলাপ পাহলৈ চাই ভাবিলো ঃ
মই আজন্ম তোমাৰেই গানৰ কবি ···
[নীল-নক্ষত্ৰ]

ডঃ হীৰেন গোহাঁইৰ ভাষাত 'হীৰেন ভট্টাচাৰ্য— যৌৱনৰ কবি, যৌৱন কেৱল এটা কাল নহয়, এটা ঋতু নহয়, জীৱনৰ আপোন-বিভোল পৰিপূৰ্ণতা। সেয়ে হীৰেন ভট্টাচাৰ্য ফাগুনৰ বতাহ আৰু কপৌফুলৰ কবি, লেখ-জোখ নোহোৱা সপোন আৰু অচিন আকাংক্ষাৰ, বিদ্ৰোহ আৰু উন্মাদনাৰ, প্ৰেম আৰু প্ৰেমৰ ব্যৰ্থতাৰ কবি। টানকৈ বন্ধা তাঁৰৰ দৰে সচেতন এটা মন আৰু বহু গভীৰলৈ জোকাৰ খাব পৰা এখন হৃদয়ৰ তেওঁ অধিকাৰী, তেওঁৰ প্ৰেমৰ পাত্ৰীৰ প্ৰতি, তেওঁৰ দেশৰ প্ৰতি তেওঁৰ ভালপোৱা অকুণ্ঠ আৰু সতেজ। তাৰ অসীম আত্মনিবেদন আৰু মন্ত্ৰতাত পাঠক মুগ্ধ হয় আৰু আশাভঙ্গৰ বাতৰিত পাঠক নিজেই অভিভূত হৈ পৰে। তথাপি অক্ষয় যৌৱনৰ উত্তাল।' হীৰেন গোহাঁইৰ ভাষাত— 'আমিবোৰ কবিৰ প্ৰেমত যেতিয়া কেৱল স্নায়ুৰ শিহৰণ শুনো, তেতিয়া হীৰেন ভট্টাচাৰ্যৰ কবিতাত থৌকিবাথৌ তেজৰ স্পন্দন পাই আমি আশ্বস্ত হওঁ।'

মোৰ অনুভৱে অনুভৱে
প্ৰেমৰ গুণগুণ শব্দ
এনেকৈ ৰু-ৰুৱাই জ্বলে
যে তাৰ ছাই উৰি পৰে
মোৰ বুকুৰ ভিতৰে-বাহিৰে [প্ৰেমৰ কবিতা]

o o o o o o

মোৰ প্ৰথম প্ৰেমৰ উন্মেষ, তোৰ সাতসৰী
যেন সাতোখন নদী, প্ৰেমৰ কি যে
গভীৰ সহানুভূতি—[আশ্ৰয়]

o o o o o o

মোৰ শিৰাই শিৰাই শেষ বাৰিষাৰ মেঘ।
[শিৰাই শিৰাই]

o o o o o o

তুমিতো জানায়
এই কবিৰ আৰু একো নাই
এটাই মাথো কামিজ
তাৰো ছিগো ছিগো চিলাই
প্ৰেম নিশ্চয় তেনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰায়॥ [ভোগালি]

o o o o o o

কবিতাসমূহ পঢ়ি গ'লে আমনি নেলাগে। প্ৰেমৰ অভিজ্ঞতাৰ নানান দিশৰ চিত্ৰণত তেওঁৰ তুলিকা ক্ৰমে সংযত অথচ ভাষাময় হৈ আহিছে। তেখেতৰ কবিতাৰ ভাষাৰে সক লোতকৈ আকৰ্ষণীয় বৈশিষ্ট্য হ'ল তাৰ সাব লীলতা আৰু নিটোল adequacy কথাভাষা সহজছন্দ আৰু এক লিৰিকেল লয়ৰ ওপৰত তেওঁ আৰোপ কৰিব পাৰিছে সুক্ষ্মতম মূৰ্চ্ছনা বাঙ্ময় চিত্ৰকল্প, মধুৰ ষ্টৈজিক উপলব্ধি আ বিদ্ৰোহী বিশ্বাসৰ বলিষ্ঠতা। ভট্টাচাৰ্যৰ প্ৰা বোৰ প্ৰেমৰ কবিতাতে কবিৰ বেদনাবি অন্তৰবাণীত ক্ৰোধ, অনাদৰ আৰু তৎজনি যন্ত্ৰণাৰ হৃদয়ভেদী কৰুণ স্বৰ ধ্বনিত হৈ গতিকে কোনো কোনো কবিতা প্ৰেয়সীৰ প্ৰ কবিৰ উদগ্ৰ আক্ষেপ কবিৰ সপোন সু প্ৰেমৰ ব্যৰ্থতাৰ বাবে। প্ৰেমাকুল কবিৰ হা প্ৰেমৰ উম বিচাৰি অনুভূতিক কেতিয়াবা ৰ কবিৰ বিচাৰে যদিও কবি-মন নিৰাশাত যায়। অৱশ্যে কীটছ, শেলী, বাইৰণৰ তেখেতেও অনাদৰ অৱহেলাজনিত ব্যথা বেদ তপ্ত সমুদ্ৰত আকণ্ঠ নিমজ্জিত হৈ যেন প্ৰা প্ৰতিমা পূজাৰ মন্ত্ৰ গায়ে থাকিল অধিক ৰিকতাৰে।

'ইমান অলপতে বিচলিত হ'লে,
তোমাৰ ব্যক্ত কেনেকৈ চলে?'
'শিলুৱা এন্ধাৰে মোক এইবুলি ক'লে।
কবি মই নাছিলো কোনো কালে
ব্যৰ্থতাৰ এন্ধাৰে মোক মাথো
সত্যক সহজে ল'বলৈ শিকালে
কবি মই নাছিলো কোনো কালে।'

[তেজৰ আখৰেৰে]

তেখেত থমকি ৰোৱা নাই। আমাৰ ৰোমাণ্টিক কবি দুৰৰা, গণেশ গগৈ আদিৰ দৰে প্ৰেমত ব্যৰ্থ কবি ভট্টাচাৰ্যও জটিল বাস্তৱ আৰু বৰ্তমানৰ পৰা পলাই অতীতৰ ফালে উভতি গৈ হৃদয় জুৰাব খুজিছে। বৰ দৰদী। বৰ প্ৰেম আকলুৱা কবি তেওঁ।

'মোৰ ৰাতিটোৰ বাবে
ওভোটাই দিয়া মোৰ ল'ৰালি
আইৰ কোলাত আকৌ এবেলি শুম
লাই হালে-জালে আবেলি বতাহে ·····।
মোৰ সোঁৱৰণি গুমৰি উঠে,
নিৰন্ন হৃদয়ৰ সুপুষ্ট তেজৰ প্ৰবাহে প্ৰবাহে।

[জন্ম]

এইজন কবিয়েই মৃত্যুক এক শিল্প ৰূপে লৈ কৈছে—
'মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।'
...দ তেওঁৰ চিন্তাশক্তি।
ভট্টাচাৰ্যই প্ৰেয়সীক উদ্দেশ্যি 'মই আজন্ম ...মাৰেই গানৰ কবি' বুলি ব্যক্তিপ্ৰেম সৰ্বস্ববাদী



বাণী ঘোষণা কৰিলেও এইগৰাকী কবিয়ে সামাজিক-দায়বদ্ধতাৰ কথা পাহৰি যোৱা নাই। কবি হিচাপে সামাজিক দায়িত্বশীলতাৰে শব্দৰ শোভাযাত্ৰাৰে বিপ্লৱৰ বাণী ঘোষণা কৰি কৈছে ঃ—

"মোৰ শব্দৰ শোভাযাত্ৰা হওক, ক্ৰুৰ কুটিল ৰাতিৰ প্ৰহৰী হওক
তিৰবিৰাই থাকক বিক্ষোভৰ চোকা তৰোৱাল
তলমল শব্দৰ উচ্ছসিত তেজৰ প্ৰৱাহে প্ৰৱাহে"।

হীৰেন ভট্টাচাৰ্যৰ দেশপ্ৰেমমূলক কবিতাবোৰ উষ্ণ ভাৱপ্ৰৱণতাৰ পৰা মুকলি। বিপ্লৱ তেওঁৰ বাবে এটা শব্দ নহয়, তেজ-মঙহৰ স্পৰ্শ থকা এটা মানবীয় সত্য। সেইবাবেই বিপ্লৱী শ্বহীদৰ প্ৰতি তেওঁৰ আত্মীয়তা আৰু সহানুভূতি, বিষ্ণুৰাভাৰ প্ৰতি তেওঁৰ দৰদ আৰু ভক্তি প্ৰাণস্পৰ্শী।

"মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ,
মোৰ দেশ।
মোৰ প্ৰতিটো কামে, মোৰ প্ৰতিটো চিন্তাই
এইদেশৰ বুকুত ৰচে
শইচ-সোণোৱালী ভৱিষ্যতৰ সপোন। মোৰ
জীৱনৰ আঁহে আঁহে,
মোৰ যৌৱনৰ কোঁহে-কোঁহে সেই সপোনৰ
কলৰোল·····

এই সকলোবোৰ বৈশিষ্ট্য মনৰ আগত ৰাখি ক'ব পাৰি ভট্টাচাৰ্যৰ কবিতাত আছে এফালে আত্মমুখী প্ৰেমত বিনম্ৰ আত্ম-নিবেদনৰ পূৰ্ণতা প্ৰাপ্তিত আশা ভংগৰ হৃদয়বিদাৰক কাব্যিক বাতৰি আৰু আনফালে বিনন্দীয়া স্বদেশৰ মানৱপ্ৰেমজনিত মুক্তিৰ উত্তালবাণী।

মুঠতে ক'ব পাৰি তেখেতৰ হাতৰ তুলাচনীত আৰু জিভাৰ জুৰিত উঠিব পৰা

সংযম আৰু ইংগিতময় অৰ্থ-বৈভৱেৰে বলিষ্ঠ শব্দৰে গঢ়া সতেজ কাব্যিক চিন্তা অভিজ্ঞতালব্ধ বিষাদময় অনুভূতিৰ সাধাৰণীকৰণৰ বাবেই সাম্প্ৰতিক অসমীয়া কবিতাৰ ক্ষেত্ৰত ভট্টাচাৰ্যৰ কবিতাই গভীৰ আৰু ব্যাপকভাৱে স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। সন্দেহ নাই, মৰ্ম্মস্পৰ্শী ধ্বনি বৈভৱ, সুষম ব্যঞ্জনা আৰু স্বচ্ছ কল্পচিত্ৰৰ ঐশ্বৰ্য্যৰে ভট্টাচাৰ্যৰ কবিতা ঐশ্বৰ্য্যশালী আৰু এই কাৰণেই বিংশ শতিকাৰ সত্তৰৰ-দশকৰ পৰা অতি সাম্প্ৰতিকলৈকে এইখিনি সময়ত হীৰেন ভট্টাচাৰ্য সবাতোকৈ জনপ্ৰিয় কবি। এয়া হ'ল কবিজনাৰ কবিতাৰ থুলমূল পৰিচয় মাথোন।

১৯৩২ চনত যোৰহাটৰ তীৰ্থনাথ ভট্টাচাৰ্যৰ সুযোগ্য পুত্ৰ হীৰেন ভট্টাচাৰ্যৰ জন্ম হয়। কবিতাৰ ভাষা, প্ৰকাশভংগী, ভাব, অফুৰন্ত মনোবল আদিলৈ লক্ষ্য কৰিলে কোনো বাৰু ভাবিব পাৰে শাৰীৰিকভাৱে অত্যন্ত দুৰ্বল এই কবিজন। কোনো বাৰু ভাবিব পাৰে তেখেতৰ গাত কেৱল জীয়াই থাকিব পৰাকৈহে তেজ-মঙহ বৰ্ত্তমান। বিচিত্ৰ-ভট্টাচাৰ্যৰ চৰিত্ৰ। তেখেতে কাৰো আগতে তেখেতৰ মনৰ ভাব কমিউনিকেট কৰিব নিবিচাৰে। এই কবিগৰাকীক ব্যক্তিগতভাৱে লগ পোৱাৰ আগতে শ্ৰীযুত চন্দ্ৰ প্ৰসাদ শইকীয়াদেৱে তেখেতৰ এটা প্ৰবন্ধত উল্লেখ কৰিছে এই গৰাকী কবিৰ জীৱনৰ মূল সম্পদ যেন দুটাই—কবিতা আৰু অহঙ্কাৰ। কিন্তু এইবাৰ (১৯৮৫) বিহপুৰীয়াৰ অধিবেশনত শইকীয়াদেৱে ভট্টাচাৰ্যক ব্যক্তিগতভাৱে লগপোৱাৰ পিছত স্বীকাৰ কৰিছে যে "ভট্টাচাৰ্যৰ বিষয়ে থকা পূৰ্বৰ সেই ধাৰণা পৰিবৰ্ত্তন হ'ল; কাষৰ পৰা পাই অনুভৱ কৰিলো, শাৰীৰিকভাৱে দুৰ্ব্বল মানুহজনৰ অহঙ্কাৰ হ'ল আচলতে এটা ষ্টাইল বা কথা কোৱাৰ ধৰণ। কিন্তু প্ৰকৃততে তেওঁ বৰ সৰল অন্তৰৰ মানুহ। প্ৰেমৰ, দেশৰ আৰু মানুহৰ প্ৰতি থকা লিৰিকেল প্ৰেমৰ কবিতাৰ ব্যঞ্জনাই তেওঁৰ অন্তৰকো কৰি তুলিছে দৰদী।" কবিগৰাকী ত্যাগী; আৰু ফুলৰ প্ৰতি তেওঁৰ আছে এক গভীৰ মোহ। প্ৰবন্ধকাৰ শইকীয়াদেৱে এদিন ধূসৰ সন্ধিয়া কবিৰ ঘৰলৈ যাওঁতে দেখা পালে এজোপা মৃতপ্ৰায় নাজিফুলৰ গুৰি খুচৰি তেখেতে পানী দি আছিল। এইখিনিতে এটা কথা শুনি দুখ লাগিল যে শ্ৰীভট্টই শেষপৰ্যান্ত ভালদৰে কথা পাতিব নোৱাৰে হেনো। মুখৰ মাত কথাৰ শেষলৈ ক্ষীণ হৈ আহে।

সাহিত্য সভাৰ বিষ্ণুৰাভা পুৰস্কাৰ পাই কবিগৰাকীয়ে পৰম আনন্দ পাইছে। এটা সাক্ষাৎ প্ৰসংগত কবিগৰাকীৰ মুখৰ পৰা এই প্ৰতিশ্ৰুতি পোৱা গৈছে যে নীলমণি ফুকন, যোগেশ দাস, ভবেন বৰুৱা, হোমেন বৰগোহাঞিঙ আদিৰ দৰে পুৰস্কাৰ পোৱাৰ পাছতো তেখেতেও একেদৰেই হেনো লিখি থাকিব। বৰ্ত্তমান অসমীয়া সাহিত্যৰ প্ৰতিও তেখেত যথেষ্ট সচেতন। স্বাধীনচিতিয়া, স্পষ্টবাদী কবিজনৰ অতি সহজে সকলোকে আকৰ্ষণ কৰিব পৰ এক অদৃশ্য শক্তি আছে। আধুনিক অসমীয় কবিতা আবৃত্তি কৰিব নোৱাৰি, সেই কবিতা পাঠকৰ মনত অনুৰণৰ সৃষ্টি নকৰে আ দীৰ্ঘদিনীয়া অভিযোগ হীৰেন ভট্টাচাৰ্যৰ কবিতা বৰ প্ৰবলভাৱে নহ'লেও খণ্ডন কৰি দিলে আগতে যৌৱনকালত যতীন দুৱৰা, গণেশ গ আনন্দ আগৰৱালাৰ অনুদিত কবিতা আ কৰি উৎফুল্লিত হোৱাৰ দৰে, এতিয়া সংখ্যক—অসমীয়া তৰুণে হীৰেন ভট্টাচা কবিতা আবৃত্তি কৰি অনুপ্ৰাণিত হয়।

যি কি নহওক, আমাৰ কবিতাৰ বুৰঞ হীৰেন ভট্টাচাৰ্য এক একক আৰু অনুপম প্ৰতি



এটি সুস্থ দেহেৰে তেখেতে সৃষ্টিৰ ধাৰা যেন আৰু অধিক পুষ্ট কৰি তুলিব পাৰে আমি তাকেই প্ৰাৰ্থনা জনাওঁ ভগৱানৰ কাষত।

সহায়ক গ্ৰন্থ ঃ—

১। চিন্তাৰ আভাস—ড০ প্ৰহলাদ কুমাৰ বৰুৱা
২। হীৰেন ভট্টাচাৰ্যৰ নিৰ্বাচিত কবিতা পুথি 'মোৰ দেশ মোৰ প্ৰেমৰ কবিতা'ৰ আগকথা—ড০ হীৰেন গোহাঁই।
৩। প্ৰকাশ দশম বছৰ। মাৰ্চ ১৯৮৫ ষষ্ঠ সংখ্যা।
৪। সঞ্চয়ন—মহেশ্বৰ নেওগ।
৫। 'সুগন্ধি পখিলা'—হীৰেন ভট্টাচাৰ্য।

**বাণী মুকুতা ঃ**—"শিক্ষা জাতিৰ উন্নতিৰ মেৰুদণ্ড। এই মেৰুদণ্ড ভাগিলে জাতিৰ উন্নতিৰ সকলো পথেই অৱৰুদ্ধ হ'ব।

ৰাজা ৰামমোহন ৰায়

"শ্ৰম সিদ্ধিৰ অমোঘ অস্ত্ৰ, ইয়াৰে অসাধ্য সাধন কৰিব পাৰি। ই কৰ্ম ক্ষেত্ৰৰ হুতাশন, ইয়াৰ আগত কোনো কামেই টান নহয়।"

সত্যনাথ বৰা



# নতুন অসম গঢ়াত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

মহেশ গদুকা
স্নাতক মহলা (অৰ্থনৈতিক বিভাগ)

ছাত্ৰ-ছাত্ৰীসকলেই দেশৰ ধৰণী স্বৰূপ। নতুন অসম গঢ়াত মুখ্য ভূমিকাও সেয়েহে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰতেই পৰিছে। দেশৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক আদি সকলো দিশতে ছাত্ৰ-ছাত্ৰী সকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা নুই কৰিব নোৱাৰি। আমি যদি ইতিহাসৰ পাত মেলি চাওঁ তেন্তে দেখিবলৈ পাম যে, অতীত তথা বৰ্ত্তমানৰ যুগতো নিজ দেশৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে আত্ম বলিদান দিয়াৰো উদাহৰণ বিৰল নহয়।

দেশ স্বাধীনতাৰ পৰাই অসমৰ ছাত্ৰ-ছাত্ৰীসকলে অসমক গঢ় দিয়াত নিজৰ গুৰুত্ব-পূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইয়াৰ জলন্ত উদাহৰণ অসমৰ অস্তিত্বৰক্ষাৰ বিগত ছবছৰীয়া আন্দোলনটো। অসমৰ ছাত্ৰ-ছাত্ৰী-সকলেই মুখ্য-ভূমিকা লোৱা এই আন্দোলনৰ সফল সমাপ্তি ঘটে অসমৰ সৰ্ব্বৃহৎ ছাত্ৰ সংগঠন 'সদৌ অসম ছাত্ৰ সন্থাৰ' নেতৃবৃন্দৰ লগত কেন্দ্ৰীয় চৰকাৰৰ সৈতে স্বাক্ষৰিত হোৱা এখন ঐতিহাসিক চুক্তিৰ মাধ্যমেৰে। ইয়াৰ পাছতে ছাত্ৰ সন্থাৰ আহবানত অসমৰ জন-গণে বিগত আন্দোলনৰ নেতৃত্ব লোৱা সকলেৰে গঠিত আঞ্চলিক দলটোক ক্ষমতাত আনে [illegible] আৰু লগে লগেই নতুন অসম গঢ়াত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা বহুগুণে বৃদ্ধি পায়।

'অসমখন সোণৰ' এই কথাষাৰৰ বাস্ত[illegible] বিক দিশটো উপলব্ধি কৰি সোণবোৰক নতুনকৈ [illegible] গঢ় দিয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা অসমৰ ছা[illegible] সমাজৰ ওপৰত। নতুন অসমৰ সপো[illegible] কঢ়িয়াই অনা অসম চুক্তিৰ প্ৰতিটো দফ[illegible] বাস্তৱত ৰূপায়িত নোহোৱালৈকে ছাত্ৰ সমাজে ইয়াৰ ওপৰত চোকা দৃষ্টি ৰাখি নিজৰ গুৰু[illegible] পূৰ্ণ ভূমিকা পালন কৰিব লাগিব। বৰ্ত্তমা[illegible] জনপ্ৰিয় চৰকাৰক ছাত্ৰ সমাজে অসমক ন[illegible] গঢ় দিয়াৰ বাবে কৰা প্ৰতিটো ভাল কাম[illegible] পূৰ্ণ সহযোগিতা আগবঢ়াই যাব লাগিব।

নতুন অসম গঢ়াৰ ক্ষেত্ৰত ছাত্ৰ-ছা[illegible] সকলৰ বোজা তেনেই পাতল নহয় য[illegible] অসীম ধৈৰ্য্যৰ অধিকাৰী, যুৱ-ছাত্ৰ স[illegible] নিশকটীয়া নিশ্চয় নহয়, এই কথা ইতিমধ্যে প্ৰমাণ হৈ গৈছে। মাথো প্ৰয়োজন হ'ব নিষ্ঠা, আৰু কৰ্ত্তব্যবোধৰ। অফুৰন্ত কৰ্মশক্তি-সম্পন্ন ছাত্ৰ শক্তি সু-সংগঠিত থাকিব লাগিব। বুদ্ধি-মত্তা আৰু কৌশলৰ প্ৰাচুৰ্য্য অসমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিদ্যমান, সংকীৰ্ণ ভেদাভেদ ছাত্ৰ-ছাত্ৰীৰ বাবে যে অস্পৃশ্য এই কথা অক্ষুন্ন থাকিব লাগিব।

অসমৰ জাতীয় জীৱনৰ অগ্ৰগতিত ছাত্ৰসকলে সদায়েই আগভাগ লৈ আহিছে। অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, সামাজিক আদি সকলো দিশতে ছাত্ৰ-ছাত্ৰী সকলৰ এক দায়বদ্ধতা আৰু এক মহান কৰ্ত্তব্য আহি পৰিছে। "মাউখে উটিলে গুৰি [illegible]ৰো মৰণ নাই"। এতেকে আমি জাতি, [illegible] নিৰ্বিশেষে ছাত্ৰ সমাজে একতাৰ ডোলেৰে [illegible] প্ৰতি কৰ্ত্তব্যত আত্মনিয়োগ কৰিলেহে [illegible]মাতৃৰ গৌৰৱ অক্ষুন্ন ৰাখিব পাৰিম ; [illegible] তিলক পিন্ধিব পাৰিম। একতাৰ [illegible]নেৰে আঁটিখাই থাকিলে কোনো চক্ৰৰে [illegible], হীন কৌশল আৰু অত্যাচাৰে আমাক [illegible] নোৱাৰিব।

অসমৰ শৈক্ষিক, বৌদ্ধিক, ভাষিক [illegible] সাংস্কৃতিক পৰিবেশক ভাৰতবৰ্ষৰ [illegible] জাতি সমূহৰ লগত সমানে আগবঢ়াই [illegible] ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে মহত্বপূৰ্ণ ভূমিকা [illegible] লাগিব। অসমৰ সাংস্কৃতিক আৰু অৰ্থ-[illegible] উন্নতিৰ দিশত ছাত্ৰ সমাজে সচেতন [illegible] লাগিব। ভাষা-সাহিত্য, শিল্প-ভাস্কৰ্য্য, [illegible]-দৰ্শন, কলা-বিজ্ঞান আদি সকলো দিশতে [illegible] সমৃদ্ধিশালী। আমি ছাত্ৰ-ছাত্ৰীসকলে [illegible] অন্যান্য ভাষা-সাহিত্য, সংস্কৃতিৰ [illegible] অনুসৰণ কৰি নিজৰ ভাষা, সাহিত্য, [illegible] পুনৰ উদ্ধাৰ কৰি তাৰ নিত্য অনু-শীলন যোগে সুস্থ-সবল ৰূপত ৰূপ দিবলৈ যত্ন কৰাটোহে উচিত। সমগ্ৰ ভাৰতবৰ্ষৰে ভিতৰত অসম প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধ। এই সম্পদ সমূহৰ যাতে উচিত ব্যৱহাৰ হয়, সম্পদ সমূহৰ যাতে উন্নতিৰ মাধ্যমেৰে হয় এই ক্ষেত্ৰত নিজৰ সজাগ দৃষ্টি ৰাখি ছাত্ৰ সমাজে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰাটো অতিকৈ প্ৰয়োজনীয়।

'আজিৰ ছাত্ৰই কাইলৈৰ নাগৰিক'; 'ছাত্ৰসকল দেশৰ ভৱিষ্যত আশা-ভৰসাৰ স্থল' এইবোৰ কথা প্ৰায়ে কোৱা হয় আৰু এইবোৰ নিৰৰ্থকো নহয়। সেয়েহে নতুন অসম গঢ়াত ছাত্ৰ-ছাত্ৰীৰ গুৰুত্বপূৰ্ণ ভূমিকা কোনো পধ্যেই নুই কৰিব নোৱাৰি। ছাত্ৰসকলৰ মাজৰ পৰাই ওলাব লাগিব বিচক্ষণ ৰাজনীতিজ্ঞ, সুদক্ষ প্ৰশাসক, ন্যায়-নিষ্ঠ বিচাৰক, আদৰ্শ শিক্ষক আৰু নিষ্ঠাবান ত্যাগী সমাজ-কৰ্মী। 'ছাত্ৰানাং অধ্যয়নং তপঃ' বুলি কওঁতে বিদ্যালয়ৰ পাঠ্য-পুথিনি মুখস্থ কৰি অকল পৰীক্ষা পাচ কৰাটোকে বুজিব নালাগে, তাকে বুজিবলৈ লাগিলে তপস্যা আৰু অধ্যয়ন শব্দ দুটাৰ মৰ্য্যাদাকে হানি কৰা হ'ব। স্কুল-কলেজৰ শিক্ষাৰ উপৰিও জীৱনত কৃতকাৰ্য হ'বলৈ, দেশক নকৈ গঢ় দিবলৈ আৰু বহুত কথাকে শিকিবলগীয়া থাকে। আমাৰ ছাত্ৰসকলে চাকৰিমুখী হোৱাতকৈ স্বাধীনভাৱে জীৱিকা অৰ্জনৰ পথ বাছি লৈ সেইমতেহে আৱশ্যকীয় শিক্ষা লোৱাৰ দিহা কৰিব লাগে। আনহাতে নিজৰ জীৱিকা অৰ্জনেই ছাত্ৰৰ পৰৱৰ্ত্তী জীৱনৰ একমাত্ৰ কৰ্ত্তব্য হ'ব নালাগিব। নিজৰ মাতৃভূমিক গঢ় দিয়াটো ছাত্ৰসকলে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব লাগিব।

ব্যক্তি স্বাৰ্থ দুৰ্নীতিৰ মূল। প্ৰগতিৰ মূল সমূহীয়া স্বাৰ্থ। হাজাৰজন আজি নিষ্পেষিত। স্বাধীনতাৰ আঠত্ৰিশ বছৰৰ পিচতো গাঁওবোৰ বোকাত পোত গৈ আছে। এই কথা চকুৰ

আগত ৰাখি ছাত্ৰ-ছাত্ৰীসকলে আগবাঢ়ি যাব লাগিব। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰে এটা বিশুদ্ধ মন লাগে। নিষ্পেষিত, নিপীড়িত সমাজখনৰ প্ৰতি দায়বদ্ধতা থাকিব লাগিব। প্ৰতিজন যুৱ-ছাত্ৰৰ বাস্তৱ কৰ্মক্ষেত্ৰ বিভিন্ন হ'ব পাৰে। সেয়ে ব্যক্তিগতভাৱে প্ৰতিজন ছাত্ৰই এখন নিকা, দুৰ্নীতি মুক্ত সমাজ গঢ়াৰ প্ৰতি দায়বদ্ধ হোৱাটো বাঞ্ছনীয়। অসমৰ সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন স্তৰত সমাজক আগুৱাই নিয়াৰ দায়িত্ব আহি পৰিছে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ কান্ধত। ইয়াৰ বাবে সুস্থ মানসিকতাৰ উপৰিও প্ৰতিজন ছাত্ৰই অনুসন্ধিৎসু আৰু অধ্যয়নশীল মনৰ অধি-কাৰী হ'ব লাগিব। ছাত্ৰই আগভাগ লোৱা সামাজিক কামক যদি কোনোবাই 'ছাত্ৰৰ বিশৃঙ্খলতা' বুলি মন্তব্য কৰে, তেন্তে তাৰ যথো-চিত প্ৰত্যুত্তৰ দিবলৈ সাজু থাকিব লাগিব। অসমীয়া সমাজৰ সামগ্ৰীক জীৱনৰ পদ্ধতিটো সুন্দৰ আৰু সবল কৰি গঢ়ি তোলাৰ দায়িত্ব, শোষণকাৰী, বিভেদকামী শক্তিবোৰৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ আছে। আজিৰ সমাজৰ সংক্ৰামক ৰূপে বাঢ়ি অহা দুৰ্নীতিক নিৰ্মূল কৰক বুলি দাবী কৰিলে একো বাস্তৱিক ফল ধৰা দেখা নাযায়। তাৰ পৰিবৰ্তে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজে দুৰ্নীতিৰ পৰা আঁতৰি থাকিব লাগিব, দুৰ্নীতিক ঘিণ কৰিব লাগিব। যি দৰে চোৰ কৰা কামতো আমি নিজ উপলব্ধিৰে বেয়া বুলি ভাবোঁ আৰু সেই কাম নকৰোঁ, ঠিক তেনেকুৱা এটা মানসিকতাই গঢ় দিব লাগিব দুৰ্নীতিৰ ক্ষেত্ৰটো।

দেশ গঢ়াটো বৰ সহজ কাম নহয়। কিন্তু, প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে যদি নিজে কৰিব পৰা সামান্য কামখিনিও নিষ্ঠাসহকাৰে দেশৰ মংগলৰ বাবে কৰে, তেতিয়া হ'লে অসমক নতুনকৈ গঢ়াটো বৰ কঠিন নহ'ব। মনুষ্য পৰিস্থিতিৰ দাস নহয়, সি নিজেই ইয়াৰ নিৰ্মাতা নিয়ন্ত্ৰণ কৰ্তা আৰু স্বামী। গতিকে, নতুন অসম গঢ়াত দেখা দিয়া যি কোনো পৰিস্থিতিকে ছাত্ৰ সমাজে সুকলমে অতিক্ৰম কৰিব পৰাত কোনো সন্দেহ থাকিব নোৱাৰে। মাথো প্ৰয়োজন হ'ব একাগ্ৰতা, দায়বদ্ধতা আৰু কৰ্তব্য পৰায়ণতাৰ।

( ✻ বাৰ্ষিক ৰচনা প্ৰতিযোগিতাত (১৯৮৬-৮৭) ১ ম স্থান প্ৰাপ্ত। ✻ )

**বাণী মালা ঃ**—সত্যৰ বাবে বন্দী জীৱনৰ কঠোৰ নিয়ম মানি চলিব লগা হলেও আ... মুকলি চৰাইৰ দৰেই সুখী হ'ব লাগিব। তেতিয়া গোটেই ভাৰতবৰ্ষকে এ... বন্দীশালাত পৰিণত কৰিলেও বিদেশী শক্তিয়ে ভাৰতৰ আত্মাক বন্দী কৰি ৰা... নোৱাৰে।

# 'কৌটিল্যৰ অৰ্থ শাস্ত্ৰ'ৰ ওপৰত এটি আলোকপাত

শ্ৰীঅৰ্পণ কুমাৰ বৰুৱা
প্ৰবক্তা, অৰ্থনীতি বিভাগ।

'কৌটিল্যৰ অৰ্থশাস্ত্ৰ'ৰ ৰচক কৌটিল্যনো সম্পৰ্কতে কোন সেই কথা লৈ পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। অৱশ্যে প্ৰাচ্য আৰু পাশ্চাত্যৰ সৰহভাগ পণ্ডিতে মৌৰ্য্য চন্দ্ৰগুপ্তৰ প্ৰধানমন্ত্ৰী কৌটিল্য বা চাণক্যই যে এই বৃহৎ গ্ৰন্থৰ ৰচক সেই কথাটো মানি লৈছে, সেয়ে হ'লে এই গ্ৰন্থ খৃষ্ট পূৰ্ব্ব চতুৰ্থ শতিকাত ৰচনা কৰা হৈছিল। ১৯০৯ চনত ইংৰাজী অনু-বাদসহ এই বৃহৎ গ্ৰন্থখনৰ প্ৰথম প্ৰকাশ কৰে মহীশূৰৰ প্ৰসিদ্ধ বিদ্বান পণ্ডিত শ্যাম শাস্ত্ৰীয়ে। সেই সময়ৰ পৰাহে কৌটিল্য সম্পৰ্কে বিশ্বৰ পণ্ডিত সমাজৰ মাজত আলোড়নৰ সৃষ্টি হৈছে। কিন্তু শ্যাম শাস্ত্ৰীৰ মতকে সৰহভাগ পণ্ডিতে সমৰ্থন কৰিছে।

কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ আলোচনাই আমাক এখন দেশৰ বৈদেশিক বা আভ্যন্তৰিণ সকলো দিশতে চলাব লগা ব্যৱস্থা সম্পৰ্কত জ্ঞান দিব পাৰে। ইয়াৰ মূল বিষয়েই হ'ল দুটা—পৃথিবীৰ প্ৰাপ্তি আৰু পালন সম্পৰ্কীয় উপায়। কাৰণ গ্ৰন্থৰ শেষ অধিকৰণত কৌটিল্যই কৈছে যে—'অৰ্থ' হৈছে মানুহৰ 'বৃত্তি' বা জীৱিকা, অথবা মানৱ বসতিপূৰ্ণ পৃথিবীয়ে হৈছে অৰ্থ। ৰজাই পৃথিবী বা ৰাজ্যলাভ কৰি তাৰ ৰক্ষণ বা পালন কৰিলে মানুহৰ জীৱিকা বা অৰ্থৰ উপায় সুৰক্ষিত হয়। গতিকে যি শাস্ত্ৰই ৰাজ্য লাভ বা পালনৰ উপদেশ দিয়ে সিয়ে অৰ্থশাস্ত্ৰ। আকৌ ৰাজ্য লাভ বা ৰাজ্য বিস্তাৰ কৰিবলৈ বৈদেশিক নীতিৰ প্ৰয়োজন আৰু ৰাজ্য পালন কৰিবলৈ আভ্যন্তৰীণ নীতিৰ প্ৰয়োজন। সেই-বাবে অৰ্থশাস্ত্ৰত বহিঃৰাষ্ট্ৰৰ লগত কূটনৈতিক সম্পৰ্ক কেনেকৈ স্থাপন কৰিব লাগে আৰু নিজ ৰাজ্যত শাসন ব্যৱস্থা কেনেকৈ কট্‌কটীয়া কৰিব লাগে প্ৰধানতঃ এই দুই বিষয়ৰ বিতং আলোচনা কৰা হৈছে।

'কৌটিল্যৰ অৰ্থশাস্ত্ৰ'ৰ ওপৰত এটা সৰু প্ৰবন্ধৰ যোগেদি বিশেষ একো প্ৰকাশ কৰিব নোৱাৰি। গ্ৰন্থখনৰ ওপৰত এটা সাধাৰণ আলোকপাত কৰিবলৈহে ইয়াত চেষ্টা কৰা হৈছে। এই অৰ্থশাস্ত্ৰ কৌটিল্যৰ সম্পূৰ্ণ মৌলিক ৰচনা নহয়। তাৰ পৰিবৰ্তে তেওঁৰ আগৰ সময়খিনিত ৰচিত বা প্ৰচলিত অৰ্থশাস্ত্ৰকাৰ সকলৰ মত সমূহৰ এটা সংকলনহে। হলেও গ্ৰন্থখনে বহুতক্ষেত্ৰত মৌলিকতা দাবী কৰিব পাৰে। যিহেতু কৌটিল্যই আগৰ প্ৰচলিত মতৰ সমালোচনাৰ যোগেদি নিজৰ মত গ্ৰন্থখনত প্ৰতিষ্ঠা কৰিছে। অন্যহাতে 'শাসনাধিকাৰ' নামৰ দ্বিতীয় অধ্যায়টো তেওঁৰ সম্পৰ্ণ মৌলিক ৰচনা। পূৰ্ব্বসুৰীসকলৰ ৰচনাসমূহ কালৰ গৰ্ভত লুপ্ত হোৱাৰ প্ৰধান কাৰণ হ'ল কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ গুৰুত্ব আৰু জনপ্ৰিয়তা। এই গ্ৰন্থ যে কেৱল মৌৰ্য্য চন্দ্ৰগুপ্তকে উপদেশ দিবৰ বাবে ৰচিত হৈছিল এনে নহয়। তাৰ পৰিবৰ্তে যুগে যুগে প্ৰচলিত ৰাজনীতি, সমাজনীতি, অৰ্থনীতি তথা সাংস্কৃতিক দিশত অৰ্থশাস্ত্ৰৰ প্ৰয়োগ সহজে নুই

কৰিব নোৱাৰি।

কৌটিল্যৰ অৰ্থশাস্ত্ৰ মুঠ পোন্ধৰটা অধিকৰণত বিভক্ত। ইয়াৰ ভিতৰত ১৫০ টা অধ্যায় আৰু ১৮০ টা প্ৰকৰণ আছে। প্ৰথম পাঁচটা অধিকৰণত 'তন্ত্ৰ' অৰ্থাৎ ৰাজ্যৰ আভ্যন্তৰীণ শাসন ব্যৱস্থা সম্পৰ্কে, ষষ্ঠৰ পৰা ত্ৰয়োদশলৈকে 'আৱাপ' অৰ্থাৎ চুবুৰীয়া ৰাজ্যৰ লগত ব্যৱহাৰ সম্পৰ্কে, চতুৰ্দশ অধিকৰণত শত্ৰুক নিপাত কৰাৰ গোপন উপায় আৰু তন্ত্ৰ-মন্ত্ৰ সম্পৰ্কে আৰু পঞ্চদশ অধিকৰণত অৰ্থশাস্ত্ৰত প্ৰযোজিত বত্ৰিশ প্ৰকাৰ শাস্ত্ৰীয় ৰচনা প্ৰণালী সম্পৰ্কে আলোচনা কৰা হৈছে।

এতিয়া অৰ্থশাস্ত্ৰত বৰ্ণিত দুই এটা কথাৰ চমু আভাস মাত্ৰ দিব বিচাৰিছো। কৌটিল্যৰ সময়ত বিভিন্ন ৰাজ্যত ৰজাসকলেই শাসন পৰিচালনা কৰিছিল বাবে অৰ্থশাস্ত্ৰৰ সকলো উপদেশ বা লিখনি ৰজাক উদ্দেশ্য কৰিয়ে ৰচিত হৈছে। যিহেতু ৰজাই ৰাজ্য শাসনৰ আৰু প্ৰজাৰ মুৰব্বী হিচাপে সকলো কাম কৰে। গতিকে প্ৰজাৰ শিক্ষা-দীক্ষা, আভ্যন্তৰীণ শান্তি-শৃঙ্খলা, বহিঃশত্ৰুৰ পৰা দেশক ৰক্ষা কৰিবৰ বাবে সৈন্য-সামন্ত সংগ্ৰহ আৰু পৰিচালনা, যুদ্ধ পৰিচালনা, অৰ্থনৈতিক, সামাজিক তথা ধাৰ্ম্মিক উন্নতি, দুৰ্নীতি নিবাৰণ, দুৰ্বল তথা অত্যাচাৰী ৰজা, বিষয়া, কৰ্ম্মচাৰী, চোৰ, ডকাইত আদিৰ বিৰুদ্ধে ল'ব লগা ব্যৱস্থা আদি সকলো দিশৰ আলোচনা ইয়াত আছে।

এইবিলাকৰ বাদেও ৰাজ্য সুপৰিচালনাৰ বাবে মন্ত্ৰী নিয়োগ, চোৰাংচোৱা নিয়োগ, চলন্ত গুপ্তচৰ নিয়োগ, বিভাগীয় বৰমুৰীয়াসকলৰ কাৰ্য্যকলাপৰ ওপৰত চকু ৰখা, অসাধু বিষয়াৰ ওপৰত উপযুক্ত শাস্তিৰ ব্যৱস্থা, দেশৰ ব্যৱসায়-বাণিজ্য, বৈদেশিক বাণিজ্য, বিদেশৰ লগত অৰ্থনৈতিক বা ৰাজনৈতিক চুক্তি, কৃষি উৎপাদন, পশু-পালন, মহিলাৰ প্ৰতি আচৰণ আদি বিষয়ৰ কোনোটোৱেই বাদ নপৰাকৈ আলোচনা কৰা হৈছে। কৌটিল্যৰ সময়ত যে জলসিঞ্চনৰ ব্যাপক ব্যৱস্থা আছিল সেইটোও অৰ্থশাস্ত্ৰৰ পৰা জনা যায়। এই ব্যৱস্থা সমূহীয়া বা গাইগুটিয়া ভাৱেও কৰা হৈছিল। জলসিঞ্চনৰ বান্ধ ভাঙি দিয়া জনৰ অপৰাধ, ঘৰ জুই দিয়া জনৰ অপৰাধৰ একে শাৰীতে থোৱা হৈছিল আৰু দুয়োক্ষেত্ৰতে অপৰাধৰ শাস্তি মৃত্যুদণ্ডৰ বিধান আছে।

সুবিধা পালে কৌটিল্যৰ দিনতো ৰাজ-অৰ্থ আত্মসাৎ কৰাৰ কথা অৰ্থশাস্ত্ৰত পোৱা যায়। কৌটিল্যই কয় যে বিষয়াসকলে চল্লিশ প্ৰকাৰে ৰাজঅৰ্থ অপহৰণ কৰিব পাৰে। এই বিষয়াসকলৰ ওপৰত বিভাগীয় অধ্যক্ষসকলে কিয় কেনেকৈ চকু ৰাখিব লাগে তাকো বৰ্ণনা কৰিছে। কৌটিল্যৰ মতে মানুহৰ প্ৰকৃতি ঘোঁৰাৰ দৰে, কামত নিযুক্ত হলে প্ৰকৃতি লৰে। গতিকে সেই দিনতো মানুহৰ প্ৰকৃতি বা চৰিত্ৰ আজিৰ দৰেই আছিল যেন অনুমান হয়। তে[...] কৈছে যে জিভাৰ আগত মৌ বা বিহ যিয়ে[...] হওক লগাই দিলে তাৰ সোৱাদ নোলোৱাকৈ থকাটো যেনেকৈ অসম্ভৱ সেইদৰে টকাৰ লগ[...] লেনদেন থকা বিষয়াসকলেও অলপ পৰিমা[...] হলেও টকাৰ সোৱাদ নোলোৱাকৈ থাকি[...] নোৱাৰে। আকৌ পানীৰ তলৰ মাছে যেনে[...] পানী খোৱাটো ধৰিব নোৱাৰি তেনেকৈ ৰাজ[...] কাৰ্য্যত নিয়োজিত বিষয়াসকলেও অৰ্থ আত্মস[...] কৰাটো ধৰা বৰ টান। সাধু বিষয়াক ৰজ[...] অনুগ্ৰহ দেখুৱাব আৰু কামত স্থায়ী ক[...] আৰু অসাধু বিষয়াক শাস্তি দিয়াৰ বি[...] কৌটিল্যই দিছে। তদুপৰি ৰজাই প্ৰথমে ৰা[...] বিষয়া কৰ্ম্মচাৰীৰ দোষমুক্ত কৰিহে নগৰৱ[...] বা গাঁওবাসী বিষয়াৰ চৰিত্ৰ সংশোধন ক[...] ব্যৱস্থা দিছে। এই শাস্তিৰ ব্যৱস্থাৰ ক্ষেত্ৰত এষাৰ কথা মনকৰিবলগীয়া যে ৰাজকৰ্ম্মচাৰীৰ ত্ৰুতি-বিচ্যুতিৰ ফলত দণ্ড পাব নলগা লোকে দণ্ড পালে তাৰ বাবে ৰজা নিজেই দোষৰ ভাগী হ'ব আৰু ৰজাই ত্ৰিশগুণ দণ্ড ভৰিব লাগিব।


অৰ্থশাস্ত্ৰত সৈন্য-সামন্তৰ বাবে দুৰ্গ স্থাপন, দুৰ্গ পৰিচালনাকে আদি কৰি ডাঙৰ ডাঙৰ বিষয়ৰ পৰা কৃষি নষ্ট কৰা গৰুৰ গিৰিহঁতক দিয়া শাস্তি বিধানলৈকে সৰু কথাও সামৰিছে। তদুপৰি প্ৰতিবেশীৰ ঘৰত বতাহ-পোহৰ পোৱাত বাধা নজন্মোৱাকৈ ঘৰ-দুৱাৰ সাজিব লাগিব। জাবৰ-জোঠৰ, গোবৰ আদি লেতেৰা বস্তু ঘৰৰ ওচৰত পেলাব নোৱাৰিব, পানী যোৱা নলা-নৰ্দমা আদি বন্ধ কৰি ৰাখিব নোৱাৰিব আৰু বিনা কাৰণে কোনো ভাড়াতীয়াক তাৰ ঘৰৰ পৰা উলিয়াই দিব নোৱাৰিব। আকৌ গাঁৱৰ কোনো সমূহীয়া উৎসৱ-ভাওনা আদিত শ্ৰম আৰু অৰ্থৰ বৰঙণি নিদিয়া লোকে সেই উৎসৱ-ভাওনা উপভোগ কৰিব নোৱাৰিব। বনুৱাসকলৰ স্বাৰ্থৰক্ষাৰ বাবে বনুৱা সংঘও আছিল। কৰ্তৃপক্ষক নজনোৱাকৈ প্ৰাণান্তক ৰোগৰ চিকিৎসা কৰা চিকিৎসক আৰু বাৰিষা খেতিৰ সময়ত খেতিত বাধা জন্মাই গাঁৱত ঘূৰি ফুৰা অভিনেতা, গায়ক আদিকো দণ্ড দিয়াৰ পৰামৰ্শ দিয়া হৈছে।

কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ গৌৰৱ এইখিনিতেই যে ইয়াৰ বৰ্ণিত ব্যৱস্থাসমূহ বহুবছৰৰ আগৰ ৰচনা যদিও সেইবিলাকৰ সাৰ্ব্বজনীনতা বৰ্ত্তমানলৈকে প্ৰযোজ্য হৈ আছে। দেশ, কাল, পাত্ৰভেদে ইয়াৰ প্ৰয়োগ সকলো দেশতে সমানে কৰিব পাৰি। যিহেতু আমি সাধাৰণভাৱে সৰু সৰু কথা বুলি উলাই কৰা কথাৰ পৰা দেশ ৰক্ষাৰ বৃহৎ ব্যৱস্থালৈকে সকলো দিশৰ ইয়াত আলোচনা কৰা হৈছে, সেইবাবেই অৰ্থশাস্ত্ৰৰ গুৰুত্ব কোনো কালতেই কম হোৱা নাই।

---

**বাণী মালা** ঃ— কৰ্ম্মই উপাসনা, হাঁহিয়েই জীৱন। যি লোকে জীৱনত সুখ আৰু দুখক হাঁহি মুখে গ্ৰহণ কৰিব জানে, তেওঁহে জীৱনৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰে।

চৰ্দাৰ পেটেল



# অলিম্পিকত সৰ্ব্বকালৰ শ্ৰেষ্ঠ চাৰিগৰাকী দৌৰবীৰ

গিৰীন কুমাৰ গগৈ
স্নাতক মহলা

দৌৰবীৰ কেইগৰাকীৰ কথা আলোচনা
কৰাৰ আগতে অলিম্পিক গেমছৰ জন্মনো
কেনেকৈ হ'ল তাক চাও আহক। অলিম্পিকৰ
জন্ম যীশুখ্ৰীষ্টৰ জন্মৰ প্ৰায় ৭৭৬ বছৰ আগতে
যদিও মতান্তৰত ১৩৭০ বছৰ আগতে। গ্ৰীছৰ
ওলিম্পিয়াৰ প্ৰান্তত দীৰ্ঘ ৯০০ বছৰ ধৰি প্ৰতি
চাৰি বছৰৰ অন্তৰে অন্তৰে গ্ৰীছৰ ক্ৰীড়াবিদ-
সকল আহি সমবেত হৈছিলহি। কিন্তু তাৰ
আগতে আছিল দীৰ্ঘদিনৰ প্ৰস্তুতি। দীৰ্ঘদিন
ধৰি এই প্ৰতিযোগিতা চলাৰ পিছত গ্ৰীছৰ
আভ্যন্তৰীণ অশান্তি, যুদ্ধ-বিগ্ৰহ আদিৰ বাবে এই
প্ৰতিযোগিতা হঠাতে বন্ধ হৈ যায়। শেষ পৰ্য্যন্ত
এলিসৰ ৰজা এফিটসে গ্ৰীছৰ অন্যান্য ৰাজন্য-
বৰ্গক ৰাজী কৰাইছিল এইবুলি যে অলিম্পিক
প্ৰতিযোগিতাৰ তিনিমাহ আগত আৰু পিছত
অন্ততঃ যুদ্ধ-বিগ্ৰহ বন্ধ ৰাখিব যাতে যাতায়তৰ
সময়ত দৰ্শক আৰু প্ৰতিযোগীসকলৰ নিৰাপত্তা
ক্ষুন্ন নহয়। ভাবি আচৰিত লাগে যে এই
প্ৰতিশ্ৰুতি সকলোৱেই পালন কৰিছিল আৰু ফলত
নবপৰ্য্যায়ত প্ৰাচীন অলিম্পিক পুনৰ প্ৰচলন হয়
আৰু শ শ বছৰ ধৰি অনুষ্ঠিত হৈ আহিছিল।
সেই সময়ৰ ইতিহাসে কৈছে অলিম্পিক তেতিয়া
গ্ৰীছৰ নিজস্ব বিষয়; ই তেতিয়া আন্তৰ্জাতিক
পৰ্য্যায়লৈ উঠা নাই। কিন্তু এই গ্ৰীছৰ অলি-
ম্পিক বন্ধ হৈ যায় সম্পূৰ্ণ ১৫০০ বছৰ চলাৰ
পিছত। দেৰহাজাৰ বছৰৰ পিছত এজন জাৰ্মান
জিমনাষ্টিক্স বিশাৰদে (জে-সি-এফ গুটস)
প্ৰাচীন অলিম্পিকৰ কথা পুনৰ সদৰি কৰিলে।
গ্ৰীছবাসীয়েও এই জাৰ্মানজনৰ মুখত প্ৰাচীন
অলিম্পিকৰ কথা শুনিলে। সূত্ৰপাত হ'ল অন্য
এক গেমছ—"পেনহেলেনিক"। কিন্তু তেতিয়াও
এই ক্ৰীড়া প্ৰতিযোগিতা কেৱল গ্ৰীছবাসীৰ মাজ-
তেই সংৰক্ষিত ৰাখিছিল। এতিয়াৰ আন্তৰ্জাতিক
অলিম্পিকৰ জন্ম হবলৈ তেতিয়াও বহুত বাকী।
এইদৰে অনেক দিন চলাৰ পিছত ১৮৯৬ চনত
ফৰাচী দেশৰ এক অভিজাত বংশৰ সন্তান বেৰন
পিয়েৰ দ্য কুবাৰ্তিয়ে প্ৰথম আন্তৰ্জাতিক অলি-
ম্পিকৰ আয়োজন কৰিলে গ্ৰীছৰ ৰাজধানী এথে
ন্সত। মহাসমাৰোহেৰে প্ৰথম আন্তৰ্জাতিক
অলিম্পিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হৈ গ'ল
আৰু কুবাৰ্তিৰ নেতৃত্বত আন্তৰ্জাতিক অলিম্পি
কমিটিয়ে বিশ্ববাসীক জনালে যে দ্বিতীয় অলি
ম্পিকৰ বাবে স্থান নিৰ্বাচিত হৈছে পেৰিচ
কেৱল সেয়াই নহয় প্ৰতি চাৰি বছৰৰ অন্ত
অন্তৰে বিশ্বৰ বিভিন্ন চহৰত অলিম্পিকৰ আস
বহিব। তেতিয়াৰ পৰাই আন্তৰ্জাতিক অলিম্পি
কক বিশ্ব ভাতৃত্বৰ ঘাই খুটা বুলি ভাবি পৃ
বীৰ বিভিন্ন প্ৰান্তত অলিম্পিক গেমছ অনুষ্ঠি
কৰি আহিছে।

এতিয়া আহো উল্লেখিত আন্তৰ্জাতি
অলিম্পিক ক্ৰীড়া সমাৰোহত অসাধাৰণ প্ৰতি
নিদৰ্শন কৰা চাৰিগৰাকী সৰ্বকালৰ শ্ৰেষ্ঠ দৌ
বীৰৰ আলোচনালৈ। সেই চাৰিগৰাকী দৌৰ
হ'ল ফিনলেণ্ডৰ 'পাভো নুৰমি', আমেৰি
'জেমছ ক্লিভলেণ্ড ওয়েন্স, নেদাৰলেণ্ডৰ 'ফ্ৰ্যাকিনা
ব্ল্যাকৰ্স কোয়েন' আৰু চেকোশ্লোভাকিয়াৰ এমিল
জাটোপেক।

## —পাভো নুৰমি—

ট্ৰেকৰ জগতত এক বিচিত্ৰ ব্যক্তি এই
পাভো নুৰমি। একেজনেই লোক, কিন্তু একে-
লগে দীৰ্ঘ দূৰত্ব আৰু মধ্যম দূৰত্বৰ দুয়োটা
ইভেণ্টতেই অসাধাৰণ সাফল্য লাভ কৰিবলৈ
সক্ষম হৈছিল। নুৰমিয়ে ১৫০০ মিটাৰৰ পৰা
২০ কিঃ মিঃ দূৰত্বৰ বিভিন্ন ইভেণ্টত ২২ বাৰ
বিশ্ব-ৰেকৰ্ড কৰিছিল।

ফিনলেণ্ডৰ এই দৌৰবীৰগৰাকীৰ জন্ম
হয় ১৮৯৭ চনৰ ১৩ জুনত। ৯ বছৰ বয়-
সৰ পৰাই দৌৰৰ প্ৰতি আকৃষ্ট হয় আৰু
সেয়াই আৰম্ভণী। ১৫ বছৰ বয়সত নুৰমিয়ে
দগ পালে সেই দেশৰেই বিখ্যাত দীৰ্ঘ দূৰত্বৰ
দৌৰবীৰ কোলেইমাইনেনক। এই কোলেইমাই -
নেন আছিল ১৯১২ চনৰ ষ্টকহোম অলিম্পিকৰ
৫০০০ আৰু ১০,০০০ মিটাৰত ৰেকৰ্ড কৰি
সোণৰ পদক বিজেতা। এওঁ ১৯২০ চনৰ
এণ্টোয়াৰ্প অলিম্পিকত মাৰাথানতো সোণৰ
পদকধাৰী আছিল। এই কোলেইমাইনেনৰ প্ৰতি-
ভাই নুৰমিক যথেষ্ট প্ৰভাবিত কৰিব পাৰি-
ছিল। নুৰমিৰ এটা অভ্যাস আছিল যে-
প্ৰতিযোগিতাৰ বা অনুশীলনৰ সময়ত হাতত
ষ্টপ ওৱাচ লৈ দৌৰ আৰম্ভ কৰিছিল এইবাবেই
যে প্ৰতিটো ল্যাপৰ শেষত ষ্টপ ওৱাচ চাই
পোৱাই গৈছিল দৌৰৰ গতি ঠিক আছেনে নাই।

অলিম্পিকত নুৰমিৰ আৰম্ভণী বৰ এটা
উৎসাহজনক নাছিল। ৫০০০ মিটাৰত ফ্ৰান্সৰ
গিলেমোৰ হাতত পৰাজিত হৈছিল নুৰমি।
কিন্তু তিনিদিনৰ পিছত ১০,০০০ মিটাৰ
প্ৰতিযোগিতাত গিলেমোৰৰ ওপৰত আগৰ পৰা-
জয়ৰ প্ৰতিশোধ লৈছিল। ইয়াৰ পিছতো দুটা
সোণৰ পদক পাইছিল ৮ কিঃ মিঃ ব্যক্তিগত
আৰু ১০ কিঃ মিঃ ক্ৰসক্ৰান্টি দলগত দৌৰত।
ইয়াৰ পিছৰ ১৯২৪ চনৰ পেৰিচ অলিম্পিকত
নুৰমিৰ বয়স যদিও ২৭, তথাপি শৰীৰ
আৰু মনৰ দিশৰ পৰা ২০ বছৰীয়া যুৱক।
ইয়াতো নুৰমিয়েদ লগত আৰু ব্যক্তিগত দুয়ো-
টাতেই সোণৰ পদক পোৱাৰ উপৰিও আৰু
তিনিটা পদক পাইছিল ১৫০০ মিঃ, ৫০০০
মিঃ, আৰু ১০০০০ মিঃ দলগত দৌৰত।
আগৰবাৰ অলিম্পিকত ১০০০০ মিঃ দৌৰত
দেশৰ বাবে সোণৰ পদক কঢ়িয়াই আনিলেও
এইবাৰ ফিনলেণ্ডৰ হৈ দৌৰিছিল ভিলে ৰিটো-
লাই। ইয়াতে নুৰমি ভীষণ ক্ষুন্ন হৈ পৰে।
ৰিটোলাই ১০,০০০ মিঃ দূৰত্ব ৩০ মিনিট
২৩·১ চেকেণ্ডত অতিক্ৰম কৰি বিশ্বৰেকৰ্ড
কৰাৰ লগতে দেশৰ বাবে কঢ়িয়াই আনিছিল
সোণৰ পদক। কিন্তু এইটো ইভেণ্টত নুৰমিয়ে
দৌৰা হ'লে কি হ'লহেতেন বাৰু? এই প্ৰশ্নৰো
উত্তৰ দিলে নুৰমিয়ে। নিজৰ যোগ্যতা প্ৰমাণৰ
বাবে তেওঁ প্ৰতিযোগিতাৰ বাহিৰত ১০,০০০
মিঃ ২৯ মিনিট ৫৮ চেকেণ্ডত শেষ কৰি
বিশ্ববাসীক চমক খুৱাইছিল।

১৯২৮ চনৰ আমষ্টাৰডাম অলিম্পিক
ফিনলেণ্ডৰ জয়জয়কাৰ। নায়কৰ আসনত
নিঃসন্দেহে নুৰমি। এই অলিম্পিকত স্বদেশৰেই
ভিলে ৰিটোলাৰ লগত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হৈছিল
নুৰমিৰ। ৫০০০ মিঃত তৰুণ ৰিটোলাকে
বিজয়ীৰ সন্মান এৰি দিবলৈ নুৰমি বাধ্য
হৈছিল। কিন্তু, পুনৰ ১০,০০০ মিঃত ৰিটো
লাৰ আগৰ অলিম্পিক ৰেকৰ্ড ভংগ কৰি
সোণৰ পদক পালে নুৰমিয়ে। তেওঁ সময়
ললে ৩০ মিনিট ১৮·৮ চেকেণ্ড। ১৯৩২

চনৰ লসএঞ্জেলস অলিম্পিকত মাৰাথানত অংশ গ্ৰহণ কৰিব বুলি সিদ্ধান্ত ললেও যিহেতু তেওঁ পেশাদাৰ এথলিট হোৱাৰ বাবে অংশ গ্ৰহণ কৰিব নোৱাৰিলে। তথাপি লগে লগে তিনিওটা অলিম্পিকতে ৯টা সোণৰ আৰু তিনিটা ৰূপৰ পদক বিজয়ীৰ দুৰ্লভ সন্মানৰ অধিকাৰী পাভো নুৰমিক সন্মান জনাইছিল হেলসিঙ্কি অলিম্পিকত তেখেতৰ দ্বাৰা পূতাগ্নি জ্বলাবলৈ দি আৰু হেলসিঙ্কি ষ্টেডিয়ামৰ বাহিৰত এই সৰ্বকালৰ শ্ৰেষ্ঠ দৌৰবীৰজনৰ এটি মূৰ্ত্তি স্থাপন কৰি।

## — অনন্য 'জেমি ওৱেন্স' —

সম্পূৰ্ণ নাম জেমছ্ক্লিভল্যাণ্ড ওৱেন্স। এখেতৰ নামৰ প্ৰথম দুটি আদ্যাক্ষৰেই পৰিচয় আছিল 'জেমি'। ওৱেন্সৰ জন্ম হয় ১৯১৩ চনৰ ১২ চেপ্তেম্বৰত। বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত এখেতৰ দৰে ইমান উচ্চস্তৰৰ এথলিট দ্বিতীয়জন নাছিল। এজন স্প্ৰিণ্টাৰৰ মাত্ৰ গতি ও শক্তিয়েই নহয়, জেমি ওৱেন্সে তাৰ লগত সৌন্দৰ্য্যকো যুক্ত কৰিব পাৰিছিল আৰু সেয়াই আছিল জেমি ওৱেন্সৰ বৈশিষ্ট্য। ১৯৩৬ চনৰ বাৰ্লিন অলিম্পিক যিদৰে হিটলাৰৰ অলিম্পিক নামেৰে পৰিচিত, সেইদৰে সেই গৰ্ব চূৰ্ণ কৰাৰ বাবে জেমি ওৱেন্সৰ নামটোও বিখ্যাত। কাৰণ একাদশ অলিম্পিকত মানবতাৰ জয় সূচনা হৈছিল নিগ্ৰো এথলিট জেমি ওৱেন্সৰ জয়ৰ মাজেদি।

অলিম্পিকৰ কথা পিছত, তাৰ আগতে অহা যাওক ১৯৩৫ চনৰ ২৫ মে' তাৰিখলৈ। আমেৰিকাৰ মিছিগান প্ৰদেশত জেমিয়ে মাত্ৰ ৪৫ মিনিটৰ ভিতৰত এক অসাধাৰণ চমকৰ সৃষ্টি কৰিলে। সেই ৪৫ মিনিটৰ ভিতৰতে জেমিয়ে ৬ টা ইভেণ্টত বিশ্বৰেকৰ্ড গঢ়িছিল অথবা বিশ্বৰেকৰ্ড স্পৰ্শ কৰিছিল। তেওঁ ১০০ গজ অতিক্ৰম কৰিছিল মাত্ৰ ৯.৪ চেকেণ্ডত। ২২০ গজ অতিক্ৰম কৰিবলৈ সময় লৈছিল মাত্ৰ ২০.৩ চেকেণ্ড। জেমিয়ে লং জাম্পতো ৮.১৩ মিটাৰ জপিয়াই বিশ্বৰেকৰ্ড স্থাপন কৰিছিল যিটো ৰেকৰ্ড ভাঙিবলৈ সময় লৈছিল ২০ বছৰ। ইয়াৰ ঠিক এবছৰৰ পিছত তেওঁ অলিম্পিকত ৮.০৬ মিটাৰ জপিয়াই সোণৰ পদক পাইছিল। তেওঁৰ এই ৮.০৬ মিটাৰ লং জাম্পৰ ৰেকৰ্ডটো ভাঙিবলৈ সময় লৈছিল ২৪ বছৰ। ২৪ বছৰৰ পিছতহে ৰোম অলিম্পিকত এই ৰেকৰ্ড ভংগ হৈছিল।

ইয়াৰ পিছত বাৰ্লিন অলিম্পিকত জেমিয়ে সোণৰ পদক লাভ কৰিছিল ১০০ মিঃ, ২০ মিঃ, ৪ × ১০০ মিঃ ৰিলে আৰু লং জাম্পত জেমিৰ দৌৰ যিসকলে দেখিছিল তেওঁলোক মন্তব্য আছিল এইবুলি—'জেমিয়ে দৌৰৰ জা জানিছিল। তেখেতৰ দৌৰ চাবলৈ গলে চকু এনে চমক লাগে যে প্ৰতিটো ক্ষণতেই ধাৱ হয় তেখেতৰ ভৰি দুটি 'সিণ্ডাৰ'ৰ পৰাহে উঠি আহিছে, ট্ৰেকৰ ওপৰত যেন ভৰিয়েই নাই।' জেমি ওৱেন্সে ১০০ মিঃ দৌৰি ১০.৩ চেকেণ্ডত আৰু ২০০ মিঃ ২০.৭ চে ণ্ডত। যিহেতু জেমিৰ প্ৰতিদ্বন্দ্বীসকলে কেতি ডাঙৰ চেলেঞ্জ লৈ প্ৰতিযোগিতালৈ অহা না আৰু সেই বাবেই তেখেতৰ ব্যক্তিগত ইভেণ্ট দুটাত সোণৰ পদক পোৱাৰ লৈও সংশয় নাছিল। যাৰ বাবে প্ৰতিযোগিতা তেনে কোনো উত্তেজনাই গা কৰিব পৰা নাছি

## —অদম্য 'ফ্যানি'—

১৯২৪ আৰু ১৯৩৬ চনৰ অ যিদৰে পাভো নুৰমি আৰু এমিল জাটো নাম একাত্ম হৈ গৈছে সেইদৰে ১৯৪৮ চনৰ লণ্ডন অলিম্পিকো নেদাৰলেণ্ডৰ ফ্যানি ব্লাৰ্কাস কোয়েনৰ নামৰ সৈতে একাত্ম। ফ্যানিৰ জন্ম হয় ১৯১৮ চনত। লণ্ডন অলিম্পিকত তেখেতৰ বয়স ৩০ বছৰ, বিবাহিতা। বিবাহিতা আৰু সন্তানৰ জননী ফ্যানিৰ নামৰ আগত 'উড়ন্ত' বা 'ফ্লায়িং' বিশেষণটো যোগ কৰিলেও বিশেষজ্ঞ সকলৰ সকলোৱেই ধাৰণা কৰিছিল ফ্যানিৰ পক্ষে অলিম্পিক পদক জয় কৰাৰ সম্ভাৱনা একেবাৰেই কম।

অলিম্পিকৰ সীমাৰ ভিতৰলৈ ফ্যানি কিন্তু ইয়াৰ প্ৰায় ১২ বছৰ আগতেই আহিছিল। বাৰ্লিন অলিম্পিকত ফ্যানিয়ে হাই-জাম্পত অংশ গ্ৰহণ কৰিছিল যদিও একো সাফল্য লাভ কৰিব নোৱাৰিলে। ফ্যানিৰ দুৰ্ভাগ্য এথলেটিক জীৱনৰ শ্ৰেষ্ঠ সময়খিনিত তেওঁ কোনো অলিম্পিক পোৱা নাছিল। যিহেতু দ্বিতীয় বিশ্ব মহাযুদ্ধৰ বাবে পৃথিৱী তল-ওপৰ। সেইবাবে দ্বাদশ আৰু ত্ৰয়োদশ অলিম্পিকৰ কোনো প্ৰতিযোগিতা অনুষ্ঠিত হোৱা নাছিল। ইয়াৰোপৰি যুদ্ধৰ সময়ত জাৰ্মানীয়ে নেদাৰলেণ্ড অধিকাৰ কৰে। যুদ্ধৰ সময়ত অধিকৃত দেশৰ নাগৰিক সকলৰ সুযোগ সুবিধাই বা কিমান? কিন্তু ফ্যানি আছিল সঁচাই অনান্যসাধাৰণ। কোনো প্ৰতিকূলতাই বাধা দিব পৰা নাছিল। সেইসময়তে তেওঁ ১০০ গজ আৰু লং ও হাইজাম্পত বিশ্বৰেকৰ্ড গঢ়িবলৈ সক্ষম হয়। ১৯৩৮, ৪৬ আৰু ৫০ চনৰ ইউৰোপীয় চেম্পিয়নশ্বিপত ফ্যানিয়ে আঠোটা পদক লাভ কৰে। উল্লেখযোগ্য যে ১৯৩৮ চনৰ পৰা ১৯৫১ চনৰ ভিতৰত সাতটি বিশ্বৰেকৰ্ড গঢ়াৰ অধিকাৰিণী হ'ল ফ্যানি। ফ্যান্সিনা ব্লাৰ্কাস কোয়েন।

১৯৪৮ চনৰ অলিম্পিক। ওয়েম্বলি ষ্টেডিয়ামলৈ তাই প্ৰথমবাৰৰ বাবে অলিম্পিকত



অংশ গ্ৰহণ কৰিবলৈ পাই ফ্যানিৰ বুকু কঁপি উঠিছিল। হাতত ইমান সাফল্য তথাপি অলিম্পিকত সোণৰ পদক জয়ৰ দৰে দুৰ্লভ সন্মানৰ অধিকাৰী হোৱাৰ ফ্যানিৰ ভাগ্যত তেতিয়াও হোৱা নাছিল। ভয় খাইছিল ফ্যানিয়ে অলিম্পিকৰ সাফল্যই এইবাৰো তেওঁক ফাঁকি দিব নেকি? যদিও ১৯৩৬ তকৈ এই ১৯৪৮ ত তেওঁ বেছি পৰিণত। কিন্তু বয়সোতু কম নহয়; অন্যহাতে বিশেষজ্ঞসকলৰ মতকো উপেক্ষা কৰিব নোৱাৰি। কিন্তু ফ্যানিয়ে নিজৰ সংশয়, বিশেষজ্ঞসকলৰ মত সকলোবোৰ মিছা প্ৰমাণ কৰি ওয়েম্বলিত ন দিনৰ ভিতৰত হিট আৰু ফাইনেল সহ ১১ বাৰ 'টেপ' ছিঙিব পাৰিছিল।

১০০ আৰু ২০০ মিঃ দৌৰি ফ্যানি সহজেই বিজয়ী হৈছিল। তেওঁ সময় লৈছিল ক্ৰমে ১১.৯ আৰু ২৪.৪ চেকেণ্ড। অলিম্পিকত মহিলাসকলৰ সেইবাৰেই প্ৰথম ২০০ মিঃ প্ৰতিযোগিতা প্ৰথম অন্তৰ্ভুক্ত হয় আৰু সেই হিচাপে প্ৰথম সোণৰ পদক বিজয়ীৰ সন্মানটোও আৰু লগতে সময়খিনিত (২৪.৪ চেঃ) অলিম্পিক ৰেকৰ্ড হিচাপে অন্তৰ্ভুক্ত হ'ল। কিন্তু তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন ফ্যানি ৮০ মিঃ হাৰ্ডলচত। প্ৰতিযোগিতাত গ্ৰেট ব্ৰিটেইনৰ মৰিণ গাৰ্ডনাৰ ষষ্ঠ হাৰ্ডল পৰ্য্যন্ত ফ্যানিতকৈ আগবাঢ়ি আছিল যদিও শেষ মুহূৰ্ত্তত ফ্যানিয়ে গাৰ্ডনাৰক পিছ পেলাই সোণৰ পদকটি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ফ্যানিয়ে চতুৰ্থটি সোণৰ পদক পায় ৪ × ১০০ মিঃ ৰিলেত। এই ফ্যানিয়েই একমাত্ৰ মহিলা যি এটি অলিম্পিকতে চাৰিটা সোণৰ পদক বিজয়ীৰ দুৰ্লভ সন্মানৰ অধিকাৰী।

## 'চেক এক্সপ্ৰেছ এমিল জাটোপেক'

চেক এক্সপ্ৰেছ বা হিউমেন লোকো-

মোটিভ নামেৰে পৰিচিত এমিল জাটোপেক
অলিম্পিক ইতিহাসৰ জনপ্ৰিয়তম এথলিটসকলৰ
ভিতৰত অন্যতম । চেকোশ্লোভাকিয়াৰ এই
এথলিটজনৰ জন্ম হয় ১৯২২ চনত । জাটো-
পেকৰ বিশ্বজোৰা খ্যাতিৰ সূত্ৰপাত লণ্ডন,
অলিম্পিকত । সেইসময়ত ১০,০০০ মিঃ
দৌৰৰ ৰেকৰ্ড আছিল ফিনলেণ্ডৰ ভিল্লজো
হেইনোৰ । অলিম্পিকৰ কেইসপ্তাহমান আগতে
জাটোপেকে হেইনোতকৈ মাত্ৰ দুই চেকেণ্ড
সময় বেছি লৈ ১০.০০০ মিঃ শেষ কৰিছিল ।
চতুৰ্দশ অলিম্পিকৰ প্ৰথম দিনাখনেই এই
১০.০০০ মিঃ ইভেণ্টৰ জাটোপেক আৰু
হেইনোৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা চলে ।
জাটোপেকে হেইনোক আঠটি ল্যাপৰ পৰাই
পিছপেলাই অলিম্পিক ৰেকৰ্ড কৰি সোণৰ
পদক লাভ কৰিবলৈ সক্ষম হৈছিল ।

জাটোপেকৰ দৌৰৰ ধৰণটো আছিল
বিস্ময়কৰ । ট্ৰেকৰ ওপৰত ইফালৰ পৰা
সিফাললৈ আঁতৰি অৰ্থাৎ একা-বেকাকৈ দৌৰি-
ছিল । দৌৰাৰ সময়ত মুখত এক তীব্ৰ
যন্ত্ৰনাৰ ছাপ । মনত ভাব হয় যেন দম
শেষ হৈ যোৱাৰ পিছতো প্ৰাণপণ চেষ্টা চলাই
গৈছে আগুৱাই যোৱাৰ বাবে । দৌৰৰ আৰম্ভ-
ণীৰ পৰাই শেষলৈকে এই একেই ভংগী আছিল
এমিল জাটোপেকৰ ।

সকলোৰে মনত প্ৰশ্নৰ উদয় হৈছিল
এই বুলি যে ১৯১২ চনত কোলেমাইনেনে
যিদৰে প্ৰথমবাৰ ৫০০০ মিঃ আৰু ১০.০০০
মিঃত সোণৰ পদক পাই 'ডাবল' কৰিছিল
এইবাৰো তাৰেই পুনৰাবৃত্তি হব নেকি ? কিন্তু
জাটোপেকে পৰা নাছিল "ডাবল" কৰিব ।
১০,০০০ মিঃত বেলজিয়ামৰ গ্যাষ্টন ৰেইফৰ
ওচৰত পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল
জাটোপেক ।

লণ্ডন অলিম্পিকৰ পিছত আহিল হেল-
চিঙ্কি অলিম্পিক । ইয়াৰ মাজতে জাটোপেকে
১০.০০০ মিঃত আগতকৈ বেছি পৰিণত হৈ
বিশ্বৰেকৰ্ডৰ অধিকাৰী হৈছে । সেইবাবে হেল-
চিঙ্কি অলিম্পিকত তেখেতে ১০,০০০ মিঃত
সোণৰ পদক পোৱাটো নিশ্চিত আছিল ।
কিন্তু আলোড়ণৰ সৃষ্টি হ'ল তেতিয়া, যেতিয়া
৫০০০ মিঃ হিটত জাটোপেকে দ্বিতীয় স্থানহে
পাবলৈ সক্ষম হ'ল । প্ৰকৃততে জাটোপেকে
ভাবিছিল ছোভিয়েত প্ৰতিদ্বন্দ্বী আলেকজেণ্ডাৰ
আনুক্ৰিয়েভ ফাইনেলত প্ৰবেশ কৰক । সেয়ে
আনুক্ৰিয়েভক প্ৰথম স্থানটো ইচ্ছাকৃত ভাবেই
জাটোপেকে এৰি দিছিল । তথাপিতো ৫০০০
মিঃ ফাইনেলত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হয় গ্ৰে
ব্ৰিটেইনৰ ক্ৰিসসাটাও, ফ্ৰান্সৰ আলেইন মিমো
য়ান আৰু জাটোপেকৰ মাজতহে । তীব্ৰ প্ৰতি
দ্বন্দ্বিতাৰ মাজত জাটোপেকে ১৪ মিঃ ০৬
চেঃ সময়লৈ অলিম্পিক ৰেকৰ্ড কৰি সোণ
পদক লাভ কৰে ।

এই দুবাৰ ৫০০০ মিঃ আৰু এব
১০,০০০ মিঃ অৰ্থাৎ কেইদিনমানতে ২০ ৰি
মিঃ দৌৰিও ক্লান্ত হোৱা নাছিল ৩০ বছ
যুৱক জাটোপেক । জাটোপেক ইমানেই আ
বিশ্বাসী আছিল যে হঠাতে সিদ্ধান্ত ললে মা
থানত অংশ গ্ৰহণ কৰিব । অথচ মাৰা
দৌৰৰ কোনো পূৰ্ব অভিজ্ঞতাও নাছিল । জা
পেকৰ বাহিৰে আনকাৰোবাৰ কোনোবা
এনে সাহস হ'ব কি নহ'ব সন্দেহ । যি
খন তেওঁ ৫০০০ মিঃত জয়ী হৈছিল
দিনাখন তেখেতৰ স্ত্ৰী ড'না জাটেপেকেও
লিনত সোণৰ পদক লাভ কৰিছিল । সেই
জাটোপেকে মাৰাথান দৌৰ আৰম্ভ কৰাৰ
কৈছিল "জাটোপেক পৰিয়ালৰ স্কৰ
সময়ত ২-১ । ব্যৱধানটো খুৱেই ক



ব্যানটো বেছি কৰিবলৈকে মই মাৰাথানত
অংশ গ্ৰহণ কৰিছো ।"

মাৰাথানত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হৈছিল
[illegible]কেই, কিন্তু জাটোপেক যে জয়ী হ'ব তাক
[illegible] হয়তো খুউব কম লোকৰ মাজতহে সংশয়
আছিল । বিশেষকৈ বৃটেইনৰ জিম পিটাৰস, ।
জাটোপেকৰ সবাতোকৈ প্ৰবল প্ৰতিদ্বন্দ্বিয়েই
[illegible] ভৰিৰ পেশীৰ টানত দৌৰৰ পৰা অৱ-
[illegible] লবলৈ বাধ্য হ'ল, তেতিয়াও জাটোপেকে
দৌৰৰ শেষৰ ফালে থকা পুলিছ, চাইক্লিষ্ট বা
[illegible] থকা লোকসকলৰ লগত দৌৰি-দৌৰি-
[illegible] কথা পতাত ব্যস্ত । এই মাৰাথান দৌৰ
[illegible] কৰিবলৈ তেওঁৰ সময় লাগে ২ ঘণ্টা ২৩
মিঃ ০৩.২ চেঃ । তেতিয়া পৰ্য্যন্ত এইটোৱেই
[illegible] অলিম্পিকৰ শ্ৰেষ্ঠ সময় । কোনো অভি-
[illegible] নথকা এটা ইভেণ্টত অলিম্পিক ৰেকৰ্ড
[illegible] সোণৰ পদক বিজয়ী হোৱাৰ ক্ষমতা হয়তো

অসাধাৰণ জাটোপেকৰ বাবেহে আছিল । অসা-
ধাৰণ জাটোপেকৰ অসাধাৰণ কৃতিত্বৰ অন্য এক
উদাহৰণ—১৯৪৮ চনৰ পৰা ৫৪ চনৰ ভিত-
ৰত ৩৮ বাৰ ১০,০০০ মিঃ দৌৰ প্ৰতিযোগি-
তাত অংশ গ্ৰহণ কৰিছে আৰু প্ৰত্যেকবাৰেই
প্ৰথম স্থান অধিকাৰ কৰিছে জাটোপেকে ।
জাটোপেকেই একমাত্ৰ এথলিট যি ৫০০০ মিঃ
ৰ পৰা ১০,০০০ মিঃৰ সকলোবোৰ বিশ্বৰেকৰ্ড
ভাঙিব পাৰিছে । আৰু কেৱল এয়াই নহয়, এখেতে
১০,০০০ মিঃ ২৯ মিনিটতকৈও কম সময়ৰ
ভিতৰত দৌৰাই নহয় ২০,০০০ মিটাৰো এক-
ঘণ্টাতকৈ কম সময়ত শেষ কৰিব পাৰিছে ।

উল্লেখযোগ্য যে বিশ্বৰ মহান এই দৌৰ-
বীৰ জনে যোৱা ফেব্ৰুৱাৰী মাহত কলিকতাৰ
এক বিশেষ অনুষ্ঠানত অংশ গ্ৰহণ কৰি ভাৰত
তথা কলিকতীয়া খেল-পাগল ৰাইজৰ পৰা বুকু-
ভৰা মৰম আদায় কৰি গৈছে ।

* * * সহায় লৈ

[illegible]বাণী ঃ— সাহসী ডেকাহঁত, মনত বিশ্বাস ৰাখিবা যে তোমালোকে মহৎ কাৰ্য সাধনৰ
কাৰণে জন্ম লৈছাহঁক । তোমালোকে কুকুৰৰ পোৱালীৰ ভুক-ভুকনিহে নেলাগে
আকাশত হোৱা বজ্ৰপাতৰ ভীষণ শব্দতো ভয় নাখাবা, শিৰ উচ্চ ৰাখি কাম
কৰি যোৱা ।"

বিবেকানন্দ

# 'অসমৰ লোক সংস্কৃতিৰ ক্ৰমবিকাশ আৰু বৰ্ত্তমান ইয়াৰ ৰূপ আৰু বিকাশ।'

শ্ৰীমতী অঞ্জলী দাস
স্নাতক মহলা, অসমীয়া বিভাগ

মানৱ মনৰ সত্য সুন্দৰৰ ধাৰণাই সামাজিক ৰীতি-নীতি গঢ়-গতি, চিন্তা-চৰ্চ্চা, ৰূপ–ৰসত কিছু পৰিমাণে য'ত পৰিস্ফুট হয় সেয়ে সংস্কৃতি। গতিকে লোক পৰম্পৰাগত ভাৱে মানৱ সমাজৰ প্ৰচলিত হৈ থকা উমৈহতীয়া ৰীতি-নীতি, গঢ়-গতি, চিন্তা-চৰ্চ্চা, আচাৰ ব্যৱহাৰ, সাজ-পোছাক, চাল-চলন খোৱা-লোৱা আদিকেই লোক সংস্কৃতিৰ অৰ্ন্তভুক্ত কৰিব পাৰি।

অসম দেশখনক সংস্কৃতিৰ লীলাভূমি বুলি অভিহিত কৰিব পাৰি। মানৱ মনৰ অন্তৰালত জড়িত হৈ থকা ৰীতি-নীতি বিলাক লোক বিশ্বাসৰ জৰিয়তে সমাজত সংস্কৃতি ৰূপে প্ৰতিফলিত হয়। সভ্যতাৰ বুৰঞ্জীকে এক প্ৰকাৰে সংস্কৃতি বুলি কব পাৰি। যুগ যুগ ধৰি অসমৰ জনসাধাৰণৰ সংস্কৃতি ৰূপ অবিকল হৈ আছে। বিভিন্ন যুগত বিভি সংঘাতৰ আভাস পাইয়ো অসমৰ থলুৱা সংস্কৃ একে ৰূপতে প্ৰকাশিত হৈ আছে। অসম প্ৰাকৃতিক পৰিবেশৰ প্ৰভাৱো পোনপটীয়া অসমীয়া সংস্কৃতিৰ ওপৰত পৰা দেখা যায় পৰ্ব্বত, পাহাৰ, নৈ, জুৰি, জান, সোণ ধাননি, সেউজীয়া পথাৰবোৰে অসমৰ ভূ-খ অতুলনীয় কৰি ৰাখিছে। প্ৰাচীন সামাজি প্ৰথা, বিশ্বাস, পুজা-পাতল, ক্ৰিয়া-কলাপ আ আজিও অসমৰ ভূ-খণ্ডক অতুলনীয় কৰি ৰাখি অসমত বাস কৰা বিভিন্ন ভাষা-ভাষী লো সংমিশ্ৰনৰ ফলত ই অতি জটিল আৰু বৰ্ণ ময় হৈ পৰিছে।

অসমৰ সংস্কৃতিক পৰম্পৰা অতীতৰে পৰা প্ৰকাশিত হৈ আছে। অ যি কোনো এখন গাঁৱতেই সোমালে তাৰ ঘৰটিয়ে, বৰ গছ জোপাই, নাঙল-যুৱলিয়ে, চেৰেকী, দোৰপতি, গছৰ ওপৰত ফুলি কপৌফুল, কাঠনীৰ মাজত লুকাই থকা কেতেকী ফুল আৰু খোল, ঢোল আদিয়ে আমাৰ সংস্কৃতিৰ ৰূপটো অতুলনীয় কৰি ৰাখিছে।

সংস্কৃতিয়ে কোনো কাৰখানাতে গঢ় লব নোৱাৰে। কিন্তু ইয়াৰ "মেকানিজিম" নোহোৱাকৈ থকা নাই। মানুহৰ নিভাজ মনটো, চিন্তা-শক্তি আৰু তাৰ সুন্দৰ ৰূপটো প্ৰকাশ কৰা পদ্ধতিটোৱেই হ'ল ইয়াৰ মেকানিজিম। অসমৰ থলুৱা সংস্কৃতি বায়নৰ খোলত, নাচনীৰ ছেৱত, বিহুৱা-বিহুৱতীৰ নাচত, খনিকৰৰ খোচত অতীতৰে পৰা বাগৰি আহি আছে।

আমাৰ বিহু উৎসৱৰ গীত-মাত-নাচ আদিৰ লগত মিৰি, মিকিৰ, কছাৰী আদি লোক সকলৰ উৎসৱৰ মিল দেখা যায়। পেঁপা-গগনা, চেৰজা, চিফুঙৰ মাতে কৌটি কলীয়া লোক সংস্কৃতি সজীৱ কৰি তুলিছে।

ৰামায়ণ, মহাভাৰত, পুৰাণৰ কথা বিলাক অলীক, অবান্তৰ বুলি সাধাৰণতে ধৰা হয়। সেয়েহে কব পাৰি অসমৰ থলুৱা সংস্কৃতিৰ মুল্যাঙ্কণ এতিয়াও উচিত হোৱা নাই। আমাৰ সমাজত এতিয়াও এচাম মানুহ আছে যি সকলে বিহু বুলিলে নাক কোঁচাই দিয়ে আৰু ইয়াক ডেকা-গাভৰুৰ প্ৰণয়ৰ জঘন্য উল্লাস বুলি ভাৱে। কিছুমানে বিহুগীতৰ নামত অৰুচিকৰ গীত ৰচনা কৰি বিহুগীতৰ নামত কালিমা সানিছে।

আমাৰ সমাজত বিয়া এখন হ'লে আমৰ ডালি লগোৱাৰ পৰা দৰা-কইনাৰ গা-ধুওৱা, জোৰোণী উলিয়াই দিয়া, ৰভা তলত দৰা-কইনাক লৈ জোৰা নামৰ চুপতা-চুপতি কৰা নিয়ম আজিও আছে।

গাঁৱত থকা নামঘৰটোৱে সকলোৰে মাজত ঐক্যৰ সূচনা কৰে। অসমৰ প্ৰতিজনী জীয়ৰীয়ে ছাঁতে শুকোৱা মুঠিতে লুকোৱা কাপোৰ বব পাৰে। নিশাটোৰ ভিতৰতে কপাহ আনি কৰচ কাপোৰ বৈ পিন্ধাই বণুহৰদেৱক ৰণত শত্ৰু জিনিব পৰা কৰি তোলে।

অসমৰ গাঁও বিলাকত ঘৰ-দুৱাৰ সজা আৰু আচবাব তৈয়াৰ কৰা প্ৰণালী মন কৰিবলগীয়া। বেৰ, চাল, চোৰ-চাং, পেৰা-পেটাৰী, জপা, শোৱাচাং, চৰা-পাতি আদিয়েও অসমীয়া সংস্কৃতি বজাই ৰাখিছে। অসমীয়া মানুহৰ খাদ্য খাৰণী, কাহুদী, খাৰলি, শুকান খৰিচা, টেঙা, তিতা আৰু বহাগৰ বিহুৰ দিনা সাতবিধ পাচলিৰে ব্যঞ্জন ৰচনা কৰা নিয়ম আজিও আছে। পিন্ধন-উৰণৰ ক্ষেত্ৰত পুৰুষৰ বাবে চুৰিয়া-পঞ্জাৱী, পাগুৰি আৰু মহিলাৰ বাবে মুগাৰ মেখেলা, ৰিহা আদিৰ বৈশিষ্ট্য আছে। কিন্তু আজি কালি ৰিহাৰ ব্যৱহাৰ নাইকীয়া হৈছে। টোলেবিৰি, জোনবিৰি, গেজেৰা, দুগদুগী, কেৰু আদি অলংকাৰৰ ব্যৱহাৰ নগৰীয়া সমাজতো ফেশ্যনত পৰিণত হোৱা দেখা গৈছে। আজি-কালি পাট–মেজাঙ্কৰীৰ দৰে একে বস্তু বজাৰত ওলাইছে। তদুপৰি নতুন 'ডিজাইন'ৰ মেখেলা-চাদৰ কিছুমানো আমাৰ সমাজত ওলাইছে। অসমৰ শোৱালকুছি আৰু পলাশবাৰীৰ বাহিৰে অসমৰ আন ঠাইৰ শিপিনী বিলাকৰ শক্তিৰ সদ ব্যৱহাৰ নাইকীয়া হৈ আহিছে। কাঁহ-পিতলৰ বাচন-বৰ্ত্তনৰ ক্ষেত্ৰত অসমীয়া ঐতিহ্য সুদূৰ প্ৰসাৰী।

আমাৰ সমাজত বহুতো লোক বিশ্বাস লোহাৰ আহিলা পাতিৰ লগত জড়িত হৈ আছে। অসমীয়া বিবাহ-বিধি শেষ হোৱাৰ পাছত টেমী-কটাৰী সলোৱা হয়। বিয়াৰ দিনা দৰা কইনাই টেমী-কটাৰী লৈ থাকে। ভুত-প্ৰেতৰ অপকাৰৰ পৰা আঁতৰি থাকিবৰ কাৰণে দা-কটাৰী লৈ ফুৰাটো আমাৰ জনসমাজৰ এটা গুৰুত্বপূৰ্ণ

ৰীতি। কিন্তু আমাৰ অসমৰ চুকে-কোণে কমাৰ গাঁও এখনো নাই। লোহাৰ লগত জনবিশ্বাস আমাৰ সমাজত আছে যদিও অসমীয়া মানুহে ব্যৱহাৰিক ক্ষেত্ৰত ইয়াক ব্যৱসায় হিচাবে কোনোৱে নলয়। ইয়াৰ ফলস্বৰূপে আন আন সৰু-সৰু জাতি উপজাতি বিলাকে সেই ব্যৱসায় কৰি জিলিকি আছে।

সুদূৰ অতীতৰ পৰা অসমীয়াৰ প্ৰকৃত অসমীয়াত্বৰ ভেটি বন্ধা হৈছিল। কিন্তু অসমীয়াৰ সেই পৱিত্ৰ ভেটিত আজি উঁইয়ে ধৰিছে। আমাৰ সাতাম পুৰুষীয়া মাত-কথা, পিন্ধন উৰণ, ভাৱ-ভংগিমা, নৃত্য-গীত, ধৰ্ম-কৰ্ম আদি সকলোতে বিজতৰীয়া লেত লাগিল। ইয়াৰ ফলস্বৰূপে অসমৰ থলুৱা সংস্কৃতিৰ ৰূপান্তৰ ভালেখিনি পৰিলক্ষিত হৈছে। পৰ্বত ভৈয়ামৰ সকলো লোককে এনাজৰীৰে বান্ধি যি জাতীয় ঐক্য-প্ৰতিষ্ঠা কৰিছিল সেই বান্ধোন আজি নাইকিয়া হ'ল। কিন্তু তাৰ মাজতো সংস্কৃতি সেৱীসকলে এই বান্ধোন লুপ্ত হ'ব নোৱাৰাকৈ ৰাখিব লাগিব।

জাতীয় উৎসৱৰূপে বিহু আমাৰ সংস্কৃতিৰ শ্ৰেষ্ঠ উপাদান। আজি কালি এই উৎসৱ অসমৰ নগৰে-চহৰে পালন কৰা হয়। কিন্তু কিছুমান ঠাইত এতিয়াও এচামে এই উৎসৱক উপলুঙা কৰে। বিহুমেলাত পতাকাখন তোলোতে এই চাম অসমীয়া পুৰুষে পেটলুং, অসমীয়া মহিলাই শাৰী পিন্ধিহে চখ পায়। চিৰা-পিঠাৰ পৰিবৰ্তে লুচি-কেকৰ ব্যৱহাৰ বাঢ়ি আহিছে। বিহুত লোৱা বিহুৱানতকৈ 'টাৱেল'ৰ ব্যৱহাৰ নগৰে-চহৰে বিয়পি পৰিছে। নগৰ-চহৰলৈ হুচৰি দল অহাটো কমি গৈছে। কেৱল মাত্ৰ টকাৰ কাৰণে পেৰি থাকি হুচৰি দল আহোতে পকীঘৰ চাই চাই সোমোৱা অৱস্থাই হুচৰিৰ আদৰ নাইকিয়া কৰিছে। ইয়াৰ ফলস্বৰূপে বিহু সংস্কৃতি অসমীয়া সমাজৰ পৰা লুপ্ত হোৱাৰ আশঙ্কাই দেখা দিছে।

থলুৱা গীত-মাতৰ বিষয়টো একেই অনাদৰ পৰিলক্ষিত হৈছে। টোকাৰী গীত, দেহ বিচাৰৰ গীত, বৰাগী গীত আদি কেতিয়াবা শুনা যায়। গুৱালপৰীয়া মাহুতৰ গীতগোৱা লোকৰ সংখ্যা নাইকিয়া হৈছে। নাওখেলৰ গীত্‌, বাৰমাহী গীত আদিৰ প্ৰচাৰ নোহোৱাই হ'ল। এই অৱস্থা হোৱাৰ ঘাই কাৰণ হ'ল— চিনেমাৰ গীত। বৰগীতৰ নামতো বহুধৰণৰ খাম-খেয়ালী চলি আছে আৰু তাৰ দ্বাৰা এই অমূল্য সম্পদটোৰ বহুপৰিমাণে ক্ষতি হৈছে। ওজাপালি অনুষ্ঠানো অসমৰ দুই এখন সত্ৰৰ বাহিৰে আন ঠাইত নাইকিয়া হৈছে।

নাচৰ বেলিকাত একে অৱস্থাই দেখা গৈছে। গাৱনোম পিয়ৰি উঠাকৈ দেওলগা নাচনীয়ে নচা দেওধনী নাচ প্ৰায়ে নাইকীয়া হৈছে। দেৱদাসী দেওধনী নচাসকলক সমাজে উপলুঙা কৰে। ফলত এই প্ৰসিদ্ধ নৃত্য কলা ক্ৰমান্বয়ে বিলুপ্ত হৈ পৰিছে।

মণিপুৰী নৃত্য আজি জগত বিখ্যাত। এই নৃত্যৰ উপাদানবোৰ অসমীয়া নৃত্যৰ লগত প্ৰায়ে একে। মণিপুৰী নৃত্যৰ আকৰ্ষণীয় পৰিবেশনে ইয়াক সুদূৰ প্ৰসাৰী কৰি তুলিছে। কিন্তু আমাৰ অসমীয়া নৃত্য বিলাকত পোছাক পৰিচ্ছদ অনাকৰ্ষণীয়, কেৰঘেৰীয়া হোৱাৰ বাবেই আজি আমাৰ নৃত্যৰ এনেকুৱা অৱস্থা হৈছে। আমাৰ বিবিধ লোক নৃত্য, বড়ো সকলৰ আপুৰুগীয়া নৃত্য সম্ভাৰ, জয়ন্তীয়া সকলৰ লাহো, গাৰোসকলৰ বাগদুম্‌বা, মিৰিৰ বিহু, দেওধনী আদি নাচৰ বৈচিত্ৰ অসমৰ সংস্কৃতি ভঁৰালৰ মধুজহা।

কথাকলি, কথক, তড়িষী আদি নৃত্য মুঠতে পুৰণিকলীয়া লৌকিক নৃত্য পদ্ধতি ভাৱে পদ আচৰণ, বোল আদি লিপিবদ্ধ কৰি-লাত আধুনিক অভিনয় সন্মত ৰীতিৰে সমৃদ্ধ হৈ সুকীয়া নৃত্য পদ্ধতিৰূপে বিখ্যাত হৈছে। অসমীয়া সত্ৰীয়া নৃত্য কলাৰ পদ-আচৰণ, তাল আদি লিপিবদ্ধ হৈ আছে। কথক নাচত মুদ্ৰাৰ বৈচিত্ৰতকৈ তালৰ প্ৰাধান্য বেছি। আমাৰ সত্ৰীয়া নাচত তাল, মুদ্ৰা আৰু পদ আচৰণৰ আৱশ্যকতা প্ৰায় একে। এই নৃত্যবোৰৰ সম্যক প্ৰচাৰৰ বাবে উচিত অনুশীলনৰ অভাৱৰ হেতুকে অসমৰ নৃত্য কলাৰ সুকীয়া পদ্ধতি স্বীকৃতি হৈ উঠা নাই।

বঙ্গদেশৰ যাত্ৰা আজি অসমৰ সকলো ঠাইতে সমাদৃত। কিন্তু অসমৰ ভাওনা অসমতে অনাদৃত হৈ পৰিছে। অসমৰ কেৱল গাঁৱতহে ভাওনা প্ৰচলন আছে। গাঁৱৰ অশিক্ষিত সমাজৰ মাজত আৱদ্ধ থকাৰ বাবে আজিৰ সমাজত ভাওনা অনাকৰ্ষণীয় হৈ পৰিছে। সেইবোৰ সমাজত সদায় ভাওনাৰ অভিনায়িক দিশতকৈ ধাৰ্মিক দিশতহে অধিক গুৰুত্ব আৰোপ কৰা হয়। গতিকে ভাওনাৰ পুৰণা ৰূপটো পুৰণাকৈ ৰাখিও আধুনিক ৰুচি সন্মত অভিনয় ৰীতিৰে সজাই পৰাই তুলিলে ভাওনা আকৰ্ষণীয় হোৱাৰ লগতে ই আমাৰ সংস্কৃতিকো সজীৱ কৰি ৰাখিব পাৰিব।

সংগীত সন্মিলন, প্ৰদৰ্শন, প্ৰতিযোগিতা আদিত অসমৰ বাহিৰৰ পৰা অনা শিল্পীৰ



প্ৰভাৱত পৰি অসমৰ থলুৱা সংস্কৃতিৰ সদায় নিষ্পেষিত অৱস্থা হয়গৈ। ইয়াৰ ফলস্বৰূপে অসমীয়া শিল্পীসকলৰ অৱস্থা একেবাৰে বেয়ালৈ গতি কৰিছে।

ৰজাঘৰে থলুৱা সংস্কৃতি প্ৰতিষ্ঠা কৰা দৃষ্টান্ত ভাৰতত বহুতো আছে। অসমতো ৰংঘৰে থলুৱা সংস্কৃতি চৰ্চাত ৰজাঘৰীয়া স্বীকৃতি দিছিল। বৰ্ত্তমান সমাজত অসমৰ থলুৱা সংস্কৃতিৰ বিজয় ধ্বজা এতিয়াও উৰা নাই।

এই ক্ষেত্ৰত ৰাইজৰ দায়িত্বও নিশ্চয় আছে। নিজকে চিনা নিজকে বুজা জনেহে দহৰ আগত নিজৰ নিজত্ব লৈ গৌৰৱ কৰিব পাৰিব। সংস্কৃতিসেৱীসকলে প্ৰদৰ্শনী প্ৰতিযোগিতাবোৰত অসমীয়া গীত-মাতক উচিত মৰ্য্যদা দিব লাগিব। অসমৰ সাংস্কৃতিক পৰম্পৰা ৰক্ষা, চৰ্চা আৰু উৎকৰ্ষৰ ক্ষেত্ৰত সত্ৰসমূহৰো বিশেষ দায়িত্ব আছে। আৰ্থিক দুৰৱস্থাই প্ৰায়বিলাক সত্ৰকে জুৰুলা কৰিছে। গতিকে মাজে মাজে বাহিৰত গীত-মাত প্ৰদৰ্শন কৰিও অৰ্থ সংগ্ৰহ কৰিব পাৰি। ইয়াৰ ফলস্বৰূপে, অসমৰ থলুৱা সংস্কৃতিকো সজীৱ কৰি ৰাখিব। পোনতে শঙ্কৰ-মাধৱ গুৰু দুজনাই অসমীয়া সংস্কৃতিৰ ভঁৰাল বান্ধি থৈ গৈছে। কিন্তু ভঁৰাল থাকিলেই চহকী বুলি কব নোৱাৰি। গতিকে ইয়াৰ সদ্‌-ব্যৱহাৰ হব লাগিব।



# ঃ মহাকাশ বিজ্ঞানত ভাৰতৰ অগ্ৰগতি ঃ

শ্ৰীউৎপল কুমাৰ কলিতা
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

অনস্বীকাৰ্য্য যে যোৱা কেইটামান বছ- ৰৰ ভিতৰত মহাকাশ গৱেষণাৰ ক্ষেত্ৰত ভাৰতে বিশ্বৰ চকুত পৰাকৈ উন্নতি লাভ কৰিছে। আমেৰিকা, ৰাছিয়া, ফ্ৰান্স আৰু কানাডাৰ পাছতে নিজাকৈ সংযোগ উপগ্ৰহ নিৰ্মাণৰ বুৰ- ঞ্জীত ভাৰত হ'ল বিশ্বৰ পঞ্চমখন ৰাষ্ট্ৰ। ১৯৭৫ চনৰ ১৯ এপ্ৰিল তাৰিখে আৰ্য্যভট্ট উৎক্ষেপনেৰে ভাৰতে উপগ্ৰহ যুগত প্ৰৱেশ কৰে। তাৰ পাছত ভাস্কৰ-১, ভাস্কৰ-২, ৰোহিণী-১, ৰোহিণী-২ আৰু ১৯৮১ চনৰ ১৯ জুনৰ দিনা ভাৰতৰ প্ৰথম পৰীক্ষামুলক ভূস্থিৰ (Geosyn- chronous) উপগ্ৰহ এপ'ল (APPLE) সফলভাৱে মহাকাশত নিক্ষেপ কৰে। [প্ৰায় ৩৫,৯০০ কিল'মিটাৰ উচ্চতাত কোনো এটা কৃত্ৰিম-উপগ্ৰহ স্থাপন কৰিলে তাৰ কক্ষীয় বেগ পৃথিবীৰ আৱৰ্ত্তনৰ বেগৰ সমান হয়, তেনে অৱস্থাত কৃত্ৰিম-উপগ্ৰহটোক পৃথিবীৰ কোনো এখন নিৰ্দ্দিষ্ট ঠাইৰ ওপৰত স্থিৰ হৈ ৰৈ থকা যেন লাগে। তেনেকুৱা কৃত্ৰিম উপগ্ৰহেই হৈছে ভূস্থিৰ উপগ্ৰহ]। এপ'ল উৎক্ষেপনৰ এবছৰৰ কম সময়ৰ ভিতৰত ভাৰতে ১৯৮২ চন ১০ এপ্ৰিল তাৰিখে ইনছেট—১ এ ভূস্থিৰ উপ গ্ৰহ কক্ষপথত স্থাপন কৰে। গৌৰৱৰ বিষ যে ইনছেট—১ এ পৃথিৱীৰ ভিতৰতে প্ৰথ "বহুমুখী" ভূস্থিৰ উপগ্ৰহ আছিল। এই ভূ উপগ্ৰহটো দুৰ সংযোগ, ৰেডিঅ' আৰু টে ভিছন অনুস্থান সম্প্ৰচাৰ আৰু বতৰ বৈজ্ঞানি পৰ্য্যবেক্ষণ এই তিনিও ধৰণৰ কামতে ব হাৰ কৰিব পৰা যাব বুলি স্থাপন কৰা হৈছি কিন্তু দুখৰ বিষয় যে, উৎক্ষেপণৰ ৫ মা ভিতৰতে ইয়াৰ যান্ত্ৰিক বিজুতিৰ কাৰণে সম্পূৰ্ণ অকামিলা হৈ পৰে।

এতিয়া আলোচনা কৰিব খুজি ভাৰতবৰ্ষৰ নৱম "বহুমুখী" ভূস্থিৰ উপগ্ৰ ইনছেট—১ বি ৰ কথা। যোৱা ১৯৮৩ চনৰ ৩১ আগষ্ট তাৰিখে ১১৯৩ কিল'গ্ৰাম ওজনৰ এই "ভূস্থিৰ" উপগ্ৰহটো আমেৰিকাৰ স্পেছ শ্বাটল 'ছেলেঞ্জাৰ' ৰ পৰা মহাকাশলৈ নিক্ষেপ কৰা হয়। নিক্ষেপৰ পাছত ইয়াৰ অৱস্থান, ৭৩°৯৬ ডিগ্ৰী পুৱ দ্ৰাঘিমাংশ আৰু ভূ-পৃষ্ঠৰ পৰা ইয়াৰ উচ্চতা আছিল প্ৰায় ৩৫,৬৮০ কিল'মিটাৰ।

ইনছেট উপগ্ৰহ লানিৰ সূচনা ভাৰতত সংযোগ ব্যৱস্থাৰ উন্নতি সাধনৰ চিন্তাৰ সৈতে বহুলভাৱে জড়িত, ১৯৬৬ চনত ভাৰতত টেলিভিছন সূচনা কৰাৰ যোজা চলিছিল। সেই সময়তে স্বনামধন্য বিজ্ঞানী ডঃ বিক্ৰম ছাৰা- ভাইয়ে টেলিভিছনক জাতীয় সংহতি, প্ৰগতি, গ্ৰাম্য জীৱনযাত্ৰাৰ উন্নতি সাধন আদিৰ দৰে কাম সমূহত ব্যৱহাৰ কৰাৰ নিদেৰ্শনা দাঙি ধৰিছিল। তাৰ বাবে তেওঁৰ নেতৃত্বত ভাৰতৰ মহাকাশ বিজ্ঞানী সকলে টেলিভিছন অনুষ্ঠান সম্পচাৰত কৃত্ৰিম উপগ্ৰহৰ সহায় লোৱাৰ সম্ভা- ৱনীয়তাৰ বাবে চিন্তা কৰিছিল। আজিৰ "ইনছেট" উপগ্ৰহ লানি তাৰেই ফলশ্ৰুতি বুলিব পাৰি।

ইনছেট–১ বি ; ইনছেট-১ এ ৰ দৰেই বহুমুখী (multipurpose) ভূস্থিৰ উপগ্ৰহ, ইনছেট -১ এক যিকেইটা কামত ব্যৱহাৰ কৰি- বলৈ বিচৰা হৈছিল, ইয়াকো সেই কেইটা কামতে ব্যৱহাৰ কৰিবলৈ আশা কৰা হৈছে।

১১৯৩ কিলোগ্ৰাম ওজনৰ এই উপগ্ৰহ- টো উৎক্ষেপণৰ সকলো কাম-কাজ পূৰ্ব পৰি- কল্পিতভাৱে সমাধা কৰা হৈছিল। কিন্তু উৎক্ষেপণৰ পৰা পঞ্চম দিনাখন উপগ্ৰটোত এটা ডাঙৰ ক্ৰটিয়ে দেখা দিলে, ঃ তাৰ শক্তি যোগানৰ বাবে আহিলা সৌৰ পাখি সমূহ পূৰাকৈ মেলিব নোৱাৰা কথাটো ধৰা পৰিল। ইয়াৰ কাৰণৰ পম খেদি পোৱা গ'ল—আমেৰিকাৰ স্পেছ শ্বাটল ছেলেঞ্জাৰৰ পৰা মহাকাশলৈ এৰি দিয়াৰ মাত্ৰ ২৩ ছেকেণ্ড পাছতে প্ৰায় ১৬ ছেঃ মিঃ আকাৰৰ অচিনাকি বস্তু এটাই উপ- গ্ৰহটোক খুন্দা মাৰিছিল। এই কথা ধৰা পৰিছিল আমেৰিকাৰ নাছাই (NASA) উপ- গ্ৰহটোৰ ওপৰত প্ৰস্তুত কৰা ভিডিঅ' ফিল্ম এখনত। বিজ্ঞানীসকলে এই অচিনাকি বস্তুটো উল্কাখণ্ড বা মহাকাশত ঘূৰি যোৱা কোনো উপগ্ৰহৰে ধ্বংসাৱশেষ অংশ হ'ব পাৰে বুলি অনুমান কৰিছে। যিকি নহঁওক, এই ত্ৰুটি সংশোধন কৰিবলৈ মহাকাশ বিজ্ঞানীসকলৰ বেছি দিন নালাগিছিল। কিন্তু ইয়াৰ ফলত পূৰ্ব নিৰ্ধাৰিত সময়তকৈ ৯ দিন পাছতহে ইনছেট—১ বিঃ কঃ ভূস্থিৰ কক্ষত নিৰ্দিষ্ট স্থানত স্থাপন কৰিব পৰা গ'ল।

কৰ্ণাটকৰ হাছানত অৱস্থিত, (ISRO) অৰ্থাৎ, The Indian Space Research Organisation ৰ পৰা জানিব পোৱা মতে যোৱা ১৮ ছেপ্তেম্বৰ (১৯৮৩) তাৰিখে উপ- গ্ৰহটো ৭৩°৯৬ ডিগ্ৰী পুৱ দ্ৰাঘিমাংশত, ভূপৃষ্ঠৰ পৰা প্ৰায় ৩৫,৬৮০ কিঃ মিঃ উচ্চতাত ভূস্থিৰ কক্ষপথত স্থিত হৈ পৰিছে।

ইনছেট-১ বি উপগ্ৰহটোত দূৰ সংযোগ ব্যৱস্থাৰ কাৰণে বাৰটা ট্ৰেন্সপণ্ডাৰ আছে, তদু- পৰি টেলিভিছন সম্প্ৰচাৰ, ৰেডিঅ' সংযোগ আৰু প্ৰাকৃতিক দুৰ্যোগৰ আগজাননী দিবৰ বাবে দুটা উচ্চ ক্ষমতা সম্পন্ন ট্ৰেন্সপণ্ডাৰো আছে। [ট্ৰেন্সপণ্ডাৰ হৈছে কোনো সংকেত গ্ৰহণ কৰি স্বয়ংক্ৰিয়ভাৱে তাৰ উত্তৰ প্ৰেৰণ কৰিব পৰা ইলেকট্ৰনিক সঁজুলি]। বতৰ বৈজ্ঞানিক পৰ্য্যবেক্ষণৰ বাবে তাত এটা অতি উচ্চ বিভাজন ক্ষমতা সম্পন্ন ৰেডিঅ' মিটাৰ আছে। উপগ্ৰহটোৰ সৈতে সংযোগ স্থাপনৰ

সুবিধাৰ্থে তাত দুডাল এণ্টেনা আছে ঃ— এটাৰ নাম ছি-বেণ্ড এণ্টেনা আৰু আনটোৰ নাম এছ-বেণ্ড এণ্টেনা। প্ৰথমটোক সকলো প্ৰকাৰৰ দূৰসংযোগৰ কাৰণে আৰু দ্বিতীয়টোক ঘাইকৈ টেলিভিছন সম্প্ৰচাৰ আৰু ৰেডিঅ' সংযোগৰ কাৰণে ব্যৱহাৰ কৰা হয়।

উপগ্ৰহটোত থকা সকলোবোৰ ব্যৱস্থাই আশা কৰা মতে কাৰ্য্যকুশলতাৰ পৰিচয় দিছে। বৰ্ত্তমান আমাৰ দেশৰ দূৰদৰ্শন, আকাশবাণী, ডাক আৰু তাঁৰ বিভাগ আৰু বতৰ বিজ্ঞান বিভাগে নিজ নিজ কামৰ বাবে পৰীক্ষামূলক ভাৱে উপগ্ৰহটো ব্যৱহাৰ কৰিবলৈ লৈছে।

"ইনছেট" উপগ্ৰহ লানিৰ যোগেদি দেশৰ সংযোগ ব্যৱস্থা উন্নত কৰাৰ উদ্দেশ্যে গোটেই দেশতে ডাক আৰু তাঁৰ বিভাগে ২৮ টা আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগে দুটা ভূমিকেন্দ্ৰ স্থাপন কৰিছে। উত্তৰ-পূব অঞ্চলৰ শ্বিলং, ইটানগৰ, ইম্ফল, কোহিমা, আইজাল আৰু আগৰতলাতো একোটাকৈ এনেকুৱা ডাক-তাঁৰ বিভাগৰ কেন্দ্ৰ আছে।

বৰ্ত্তমান, সম্পূৰ্ণ কাৰ্য্যক্ষম ইনছেট-১ বি উপগ্ৰহটো ভাৰতৰ দূৰ সংযোগ, টেলিভিছন আৰু ৰেডিঅ' সম্প্ৰচাৰ আৰু বতৰ বৈজ্ঞানীক গৱেষণাৰ ক্ষেত্ৰত এটা অন্যতম সুবিধাজনক আহিলা হৈ পৰিছে। বানপানী, ঘূৰ্ণীবতাহ প্ৰভৃতি দুৰ্য্যোগৰ সময়ত সাধাৰণতে ব্যৱহৃত ব্যৱস্থাসমূহ অচল হৈ পৰিলেও উপগ্ৰহটোৱে দূৰ ঠাইৰ সৈতে সংযোগ অবিচ্ছিন্ন ৰাখিব। ভাৰতৰ জাতীয় শিক্ষা গৱেষণা আৰু

প্ৰশিক্ষণ পৰিষদে (NCERT) বিহাৰ, উৰিষ্যা, উত্তৰ প্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু গুজ- ৰাট এই ছখন ৰাজ্যৰ শিশুসকলৰ কাৰণে ইনছেট —১ বিৰ সহায়ত টেলিভিছন যোগে বিজ্ঞান সংস্কৃতি, বুৰঞ্জী আদি শিক্ষামূলক অনুষ্ঠান প্ৰচাৰ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। বৰ্ত্তমান সমগ্ৰ ভাৰতবৰ্ষতে তথা সমগ্ৰ ভাৰত- বাসীয়েই আজি বিদেশৰ খেল-ধেমালি, বিভিন্ন বিষয়ৰ অনুষ্ঠান, এই 'ইনছেট—১ বি' উপ- গ্ৰহৰ সহায়তে টেলিভিছনত উপভোগ কৰিব পাৰিছে।

উপগ্ৰহ প্ৰযুক্তিবিদ্যা যথেষ্ট জটিল। বৰ্ত্তমানলৈকে এই প্ৰযুক্তিবিদ্যা পৃথিবীৰ মাত্ৰ কেইখনমান দেশেহে আয়ত্ব কৰিব পাৰিছে। ভাৰতো তাৰে অন্যতম। ভূস্থিৰ উপগ্ৰহবোৰৰ পাৰস্পৰিক কৌণিক দূৰত্ব ২ ডিগ্ৰীতকৈ অধিক হ'লে সেইবোৰ আৱশ্যক জোখাৰে কাৰ্য্যকুশল হৈ নাথাকে। কাজেই ভূস্থিৰ কক্ষপথত ১৮০ টাতকৈ বেছি সংখ্যক উপগ্ৰহ স্থাপন কৰাৰ সুবিধা নাই। সেয়ে মহাকাশত এনেকুৱা ঠাইৰ এক প্ৰকাৰ অভাৱেই হৈছে বুলিব পাৰি। (মন কৰিব পাৰি যে বৰ্ত্তমান প্ৰায় ১০০ টা ভূস্থিৰ উপগ্ৰহ কক্ষত ঘূৰিয়ে আছে।) কোনে আগতে গৈ স্থান অধিকাৰ কৰিব সেই বিষয়ে আজি বিশ্বৰ উন্নত দেশবোৰৰ মাজত প্ৰতিদ্বন্দিতা চলিছে। ভাৰতৰ দৰে আৰ্থিক দিশত কম টনকিয়াল দেশ এখনে যে কম সময়ৰ ভিতৰত এই প্ৰতিদ্বন্দিতাত ভাগ লবলৈ সক্ষম হৈছে সেয়া সমগ্ৰ দেশবাসীৰেই গৌৰৱৰ কথা।

[ বিঃ দ্ৰঃ— প্ৰবন্ধটি সহায় লৈ লিখা হৈছে। ]

# 'অনুপ্ৰেৰণাৰ চিৰন্তন উৎস লোকমান্য তিলক'

শ্ৰীহেৰম্ব প্ৰসাদ ভূঞা
স্নাতক তৃতীয় বাৰ্ষিক
( অৰ্থনৈতিক বিভাগ )

মহৎলোকৰ কাহিনী বা জীৱনী পঢ়িলে আমি ছাত্ৰ জীৱনত বহুতো নজনা কথা জানিব পাৰো; অনুপ্ৰেৰণা পাব পাৰো আৰু আমি মানুহ হিচাপে জীয়াই থাকিবৰ বাবে স্বাধীনতা লাভ কৰিবলৈ সংগ্ৰাম কৰিবলৈ সাহস পাওঁ। তেনে এজন ভাৰতৰ স্বাধীনতা যুঁজাৰু আৰু একেৰাহে দেশ সেৱক, দাৰ্শনিক ব্যক্তি হ'ল লোকমান্য তিলক। তেখেত আছিল বহুতো ক্ষেত্ৰতে [illegible]চিত গুণৰ অধিকাৰী। তেওঁৰ ব্যক্তিত্ব অসাধাৰণ কিন্তু সেইবুলি তেওঁৰ সেই অনুপম ব্যক্তিত্ব সৰ্বসাধাৰণ লোকৰ দৰ্শনৰ অৰ্থে থোৱা যাদু ঘৰৰ সামগ্ৰী নহয়। ই হ'ল এনে এক ব্যক্তিত্ব যি আমাৰ বৰ্ত্তমান আৰু ভৱিষ্যতৰ সমস্যাসমূহ সমাধানৰ পথত পথ প্ৰদৰ্শক স্বৰূপ।

লোকমান্য তিলকে তেওঁৰ জীৱিত কালৰ বিশেষ সময়ছোৱাত আমাক যি পথ দেখুৱাই থৈ গৈছিল সি কেৱল সেই কামৰ কাৰণেই তেওঁৰ নাম ইতিহাসৰ পাতত থাকিব বুলি ভাৱিব নালাগিব। তেওঁৰ নিচিনা ব্যক্তিত্বসম্পন্ন মহাপুৰুষৰ জীৱন কাহিনী ইতিহাসৰ ক্ষুদ্ৰ পৰি- সৰৰ ভিতৰত সীমিত হৈ থাকিব নোৱাৰে।

এনে বহুতো ব্যক্তি আছে যি সকলৰ মহত্ব তেওঁৰ জীৱনৰ কালছোৱাত উপলব্ধি কৰা হোৱা নাই। তেওঁলোকৰ মৃত্যুৰ বহুকালৰ পিছতহে তেওঁলোকৰ মহত্ব উপলব্ধি কৰা হৈছিল। বিশ্বৰ ইতিহাসৰ এনে দৃষ্টান্ত বিৰল নহয়। কিন্তু লোকমান্য আছিল এনে এজন ব্যক্তিত্বসম্পন্ন পুৰুষ যাৰ অসাধাৰণ মহত্বই

তেওঁৰ জীৱিত কালতেই স্বীকৃতি লাভ কৰিছিল, যদিও তেওঁৰ জীৱন যাত্ৰাৰ পথ সেন্দুৰীয়া নাছিল বৰঞ্চ কণ্টক ময়হে আছিল। তথাপি তেওঁ এই বুলি সান্তনা লাভ কৰিছিল যে তেওঁৰ সকলো মহৎ কৰ্ম্মৰ মূল্য দেশবাসীয়ে সকলো সময়তে স্বীকাৰ কৰিছিল। আজি আমাৰ দেশ যি স্থানত উপনীত হৈছে, সেই স্থানত উপনীত হোৱাৰ বাটত লোকমান্যৰ যথেষ্ট অৱিহনা আছে। এয়ে হ'ল আমাৰ ওপৰত লোকমান্যৰ অনুপম ব্যক্তিত্বই কৰা প্ৰভাৱ।

লোকমান্যৰ নাছিল কি ? তেওঁ আছিল একেধাৰে সম্পাদক, সুগড়ী, পণ্ডিত, দাৰ্শনিক। তেওঁ নিজৰ সুদূৰ প্ৰসাৰী আৰু বহুমুখী প্ৰতিভাৰ দ্বাৰা নিজৰ ঠাই নিজে অধিকাৰ কৰি লৈছিল।

জাতিৰ সেৱাৰ অৰ্থে নিজৰ জীৱন উচ্ছৰ্গা কৰাৰ যি অপূৰ্ব্ব সিদ্ধান্ত লোকমান্যই ডেকা কালতে গ্ৰহণ কৰিছিল সেই সিদ্ধান্তই তেওঁৰ মহত্বৰ প্ৰতীক বুলি জনসাধাৰণে ভাৱে। ভাৰতৰ সামাজিক জীৱনত তেওঁৰ এই সিদ্ধান্ত সঁচাকৈয়ে অনুপম আছিল। আজি ভাৰতৰ স্বাধীনতাৰ ফল-ফুলে জক-মকাব লাগিছে আৰু আমি এই মনোৰম স্বাধীনতা উপভোগ কৰিছোহঁক। স্বাধীনতাৰ যি বিৰাট মুৰ্ত্তি আজি আমি দেখিছো, তিলক আৰু তেওঁৰ নিচিনা অসামান্য কেইগৰাকীমান ব্যক্তিয়ে সেই মুৰ্ত্তিৰ অদৃশ্য ভেটি ৰচনা কৰিছিল। তেওঁৰ চিন্তা শক্তি বা যুগান্তৰকাৰী সিদ্ধান্ত কেৱল দেশৰ ভিতৰতেই আৱদ্ধ নাছিল। পূব এছিয়া আৰু আফ্ৰিকাৰ নিচিনা দেশ সমুহতো প্ৰভাৱ পেলাইছিল। তেওঁৰ সু-চিন্তাধাৰা যি কোনো আত্মসন্মান বিশিষ্ট মানৱ সমাজৰ পথ-প্ৰদৰ্শক স্বৰূপ। 'স্বৰাজ আমাৰ জন্ম স্বত্ব' কেৱল এই ঘোষণা প্ৰচাৰ কৰিয়েই লোকমান্য তিলক ক্ষান্ত নাছিল, সেই অধিকাৰ প্ৰতিজন ভাৰতীয়ৰ হাতত তুলি দিয়াৰ কাৰণে আজীৱন সংগ্ৰাম কৰি গৈছিল।

লোকমান্য তিলকে তেওঁৰ আজীৱন সংগ্ৰামৰ সাফল্য জীৱিত কালত উপভোগ কৰি যাব নোৱাৰিলে। তেওঁৰ সপোনৰ পৰিপূৰ্ণতা তেওঁ চাই যাব নোৱাৰিলে। তেওঁৰ অক্লান্ত প্ৰচেষ্টাৰ পথত বহু বাধা-বিঘিনি উপস্থিত হৈছিল। কেতিয়াবা এই প্ৰচেষ্টাই আনিছিল সফলতা, কেতিয়াবা আনিছিল বিফলতা। কিন্তু সেই বুলি তেওঁ নিজৰ মানৱিক গুণসমুহ হেৰুৱা নাছিল। 'মান্দালৰ' জেলৰ পৰা বন্ধু-বান্ধৱসকললৈ দিয়া চিঠিত তেওঁৰ পত্নী আৰু পৰিয়ালবৰ্গক তেওঁৰ স্বাস্থ্য ভালে আছে বুলি জনাই দিবলৈ তেওঁলোকক অনুৰোধ কৰিছিল আৰু লেখিছিল যে পৰিয়ালবৰ্গৰ দুঃচিন্তা দূৰ কৰিবৰ কাৰণে তেওঁৰ স্বাস্থ্য ভালে আছে বুলি ভাও ধৰা নাছিল। মুঠতে লোকমান্যৰ ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ দুয়ো দিশেই হ'ল সেই মানসিক শক্তি আৰু দৃঢ়তাৰ জলন্ত প্ৰতীক, যি শক্তি আৰু দৃঢ়তাৰে জীৱনৰ যি কোনো পৰিস্থিতিৰ [সি লাগে ভয়াবহেই হওক বা কঠোৰেই হওক] সম্মুখীন হবলৈ কুণ্ঠাবোধ নকৰে।

লোকমান্য তিলক যেতিয়া জেললৈ যায় তেওঁৰ হাতত নিজৰ সম্বল আছিল মাত্ৰ কেইখনমান কাপোৰ, ৯ টা টকা আৰু অলপ ভগনীয়া পইচা আৰু ৫৫ খন কিতাপ। জেলত সোমায়েই বাহিৰৰ জগতখনৰ কথা পাহৰি জ্ঞান আহৰণত সম্পূৰ্ণভাৱে নিজকে অৰ্পণ কৰে। আমি জনক ৰজাৰ কাহিনী শুনিছো। জনক ৰজা এনেভাৱে মিলিপ্ত হৈ পৰিছিল যে তেওঁৰ এটা ভৰি জুয়ে পোৰা স্বত্বেও সেই কথা তেওঁ গম পোৱা নাছিল। তিলকেও তেওঁৰ পড়া শুনাক লৈ এনেভাৱে ব্যস্ত হৈ পৰিছিল যে যাৰ ফলত তেওঁ কেইমাহমানৰ ভিতৰতেই "গীতা ৰহস্যৰ নিচিনা এখন উৎকৃষ্ট গ্ৰন্থ প্ৰণয়ন কৰিছিল। যেতিয়া তেওঁৰ কিতাপখন প্ৰকাশ কৰিবৰ কাৰণে চৰকাৰী অনুমতি পোৱা নাছিল তেতিয়া তেওঁৰ বন্ধু-বান্ধৱসকলে ক'লে যে 'যদি কিতাপখন প্ৰকাশ কৰিবলৈ দিয়া নহয় ?" তাৰ উত্তৰত তিলকে কৈছিল যে "মই গোটেই কিতাপখন আকৌ লিখিব পাৰো। চৰকাৰে পাণ্ডুলিপি কাঢ়ি নিব পাৰে কিন্তু মোৰ চিন্তাধাৰাটো কাঢ়ি নিব নোৱাৰে। ইয়েই আছিল লোকমান্যৰ গভীৰ আত্মনিৰ্ভৰশীলতা।

তেওঁৰ পুৰুষোচিত আত্মবিশ্বাসৰ আন এটা উদাহৰণ হ'ল চিৰোল মোকৰ্দ্দমাত তেওঁৰ পৰাজয় আৰু প্ৰতিক্ৰিয়া। মানুহে কোৱাকুই কৰিবলৈ ধৰিলে যে এই পৰাজয়ে তিলকক যথেষ্ট হতাশ কৰিছে। উত্তৰত তেওঁ এজন বন্ধুলৈ লিখিছিল যে—"চিৰোল মোকৰ্দ্দমাৰ নিৰাশজনক ফলাফল সম্পৰ্কে মই হতাশ নহও। ই সম্পূৰ্ণ ভিত্তিহীন। মই যথেষ্ট বুঢ়া হৈছো। আকাশ ভাগি পৰিলেও মই হতাশ নহও। নিজক ধ্বংস হবলৈ নিদি মই বৰং নিজৰ উদ্দেশ্য সফল কৰিবৰ কাৰণে সেই আকাশৰেই সদ্ব্যৱহাৰ কৰিম।" জাতিৰ এই কালত তেওঁৰ এই নীতি বাক্য আছিল এজন যোগ্য লোকৰ নায়কৰ নিচিনা আৰু এজন নিৰ্ভীক সেনা নায়কৰ নিচিনা। তেওঁৰ এই নীতি বাক্য সকলো লোকৰ হৃদয়ত লিপিবদ্ধ হোৱাটো আৱশ্যক। যিসকলে আজিৰ এই বিশৃংখল মানৱ সমাজক সুখ-সমৃদ্ধিৰ পথেদি আগবঢ়াই নিবলৈ বিচাৰে। লোকমান্যই কেৱল যে এই নীতি বাক্য লেখি থৈ গৈছিল এনে নহয়, এই বাক্যক তেওঁ নিজৰ জীৱনৰ কৰ্ম্ম ধাৰাতো স্বীকাৰ কৰি লৈছিল।



কিছু নিৰ্দ্দিষ্ট ৰাজনৈতিক ক্ষেত্ৰত লোকমান্য তিলকে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কিন্তু তেওঁ আছিল এনে এজন পুৰুষ যাক দল, ব্যক্তি নিৰ্বিশেষে সকলোৱে বিচাৰিছিল। পৰিয়ালৰ মুখ্য মানুহজন যেনেকৈ পৰিয়ালৰ প্ৰত্যেকজনৰ আপোন হয়, তেনেকৈ লোকমান্যও ব্যক্তি, দল নিৰ্বিশেষে সকলোজনৰে আপোন আছিল।

তিলকে জীৱিত কালত নিৰ্দ্দিষ্ট এক ৰাজনৈতিক মতবাদ পোষণ কৰিছিল কিন্তু আজি তেওঁক সেই মতবাদৰ ব্যক্তি বিশেষে বা কোনো বিশেষ নিয়ম-প্ৰণালীৰ প্ৰবক্তা হিচাপে ধৰা নহয়। আজি লোকমান্য তিলক হ'ল আমাৰ বাবে এক আদৰ্শ, এটা অনন্ত বাণী, আমাৰ ভাৰতৰ ইতিহাসৰ ঐতিহ্য। লোকমান্যৰ শিক্ষাই এই কথা স্পষ্টকৈ আঙুলিয়াই দিয়ে যে দেশৰ সেৱা বা দেশক প্ৰগতিৰ পথেদি আগবঢ়াই নিবৰ উদ্দেশ্যে কোনো দ্ৰব্য, এক ৰাজনৈতিক মতবাদ বা কোনো এক ৰাজনৈতিক শক্তি যিমানেই ডাঙৰ নহওক লাগে কিয় দৰাচলতে সকলোৰে ওপৰত হ'ল জাতিৰ জীৱন। জাতীয় জীৱনৰ পৰা বিচিন্ন হোৱা কোনো ৰাজনৈতিক চিন্তা বা দল বাচি থাকিব নোৱাৰে। তিলকে আমাৰ এই মৌলিক চিন্তাধাৰাক সদায়েই গুৰুত্ব দি থৈ গৈছে। আৰু এই চিন্তাধাৰা সদায়েই আগত ৰাখি আমি কাম কৰাটো আমাৰ কৰ্ত্তব্য। জাতীয়তাবাদৰ কথা যেতিয়াই আহে আমি এই চিন্তাধাৰাক সদায়েই গুৰুত্ব দিব লাগিব। কাৰণ দেশ স্বাধীন হোৱাৰ ইমান বছৰৰ পাছতো আজি আমি জাতীয় সংহতিৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছোঁ। এই সমস্যা সমাধানৰ পথত আছে সহস্ৰ বাধা। উদ্দীপনাৰে ভৰপুৰ এটা নতুন জাতিৰ পক্ষে জাতীয় সংহতিৰ অটুত ৰাখিবলৈ হ'লে তিলক আৰু আমাৰ অন্যান্য নেতাসক-

লৰ দৰে দৃঢ় সংকল্প লৈ জাতীয়তাবাদৰ অনুশীলন কৰিব লাগিব।

স্বাধীন ভাৰতৰ সম্পৰ্কে লিখিবলৈ গৈ "ডেনজাৰ্‌চ ডিক্টেট'ৰচ" (Danger's Dectetorce) গ্ৰন্থকাৰে এই বুলি লেখিছে যে ভাৰতে স্বাধীনতা লাভ কৰাৰ বহুতো বছৰৰ পাছতো এতিয়া সমগোত্ৰীয় জাতি হিচাপে এটি সংকটপূৰ্ণ অধ্যায়ৰ আৰম্ভণীত থিয় হৈছে। গতিকে জাতিৰ সেৱাত নিজকে উচ্ছৰ্গা কৰাৰ যি সংকল্পই লোকমান্যৰ জীৱনৰ প্ৰতিটো মুহূৰ্তক আৱৰি আছিল সেই সংকল্প অনুশীলন কৰাই আমাৰ একান্ত কৰ্ত্তব্য হোৱা উচিত। লোকমান্য তিলকৰ জীৱনক আমি এই ভাৱেই উপলব্ধি আৰু অনুকৰণ কৰিব লাগিব। তেতিয়াহে আমি প্ৰগতিৰ পথত ভাৰতক আগবঢ়াই নিব পাৰিম।

---

**বাণী মালা ঃ—** সুন্দৰ পুথিবোৰেই হৈছে জীৱন্ত দেৱ প্ৰতিমা—তেনে পুথিৰ অধ্যয়নেই তৎকালে প্ৰকাশ আৰু উল্লাহ জন্মায়

শ্ৰীৰাম শৰ্ম্মা আচাৰ্য্য

# প্ৰবন্ধ

## ভাৰতৰ জনসংখ্যা আৰু ইয়াৰ গতিবিধিৰ চিত্ৰ

লক্ষীনাথ বাইলুং
স্নাতক চূড়ান্ত বাৰ্ষিক

বিশ্বৰ বিভিন্ন সমস্যাৰ ভিতৰত জনসংখ্যা বৃদ্ধি এক জলন্ত সমস্যা। বিশ্বৰ জনসংখ্যা বৰ্ত্তমান যি হাৰত বৃদ্ধি হৈছে সি অদূৰ ভৱিষ্যতে মানৱ জাতিৰ ধ্বংসৰ মুখলৈ আগবাঢ়ি যোৱাৰ আশংকাই দেখা দিয়াৰ সম্ভাৱনা হৈছে। ইয়াৰ পৰিণতিত বিশ্বৰ প্ৰায়বোৰ উন্নত দেশৰ চৰকাৰ তথা উন্নত চিন্তাশীল ব্যক্তিসকলে সমস্যাটো উপলব্ধি কৰি সমাধানৰ উপায় হিচাপে জন্ম নিয়ন্ত্ৰণৰ শক্তিশালী স্থায়ী সন্থা "ৰাষ্ট্ৰসংঘৰ ইউ, এন, এফ, পি, এ বিশ্বৰ বিভিন্ন দেশৰ জন্ম নিয়ন্ত্ৰণ কাম-কাজত সক্ৰিয় সহযোগিতাৰ কথা উল্লেখযোগ্য। পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি জনসংখ্যাৰ দেশ দুখন হৈছে—ভাৰত আৰু চীন।

চীনৰ পিছতেই ভাৰতবৰ্ষ হৈছে বৃহৎ জনবহুল ৰাষ্ট্ৰ। বৰ্ত্তমান পৃথিৱীৰ ভিতৰত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ভাৰততেই বেছি। ভাৰত এখন কৃষি প্ৰধান উন্নয়নশীল দেশ। ভাৰতৰ দৰে উন্নয়নশীল দেশৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশত জনসংখ্যা বৃদ্ধিয়ে মহান সমস্যাৰ সৃষ্টি কৰিছে। নানাজনে বিভিন্ন দিশত জীৱন যাত্ৰাত জীয়াতু ভোগীব লগাত পৰিছে। ভাৰতবৰ্ষৰ লোক পিয়ল অনুসৰি ১৯২১ চনত ইয়াৰ জনসংখ্যা ২৫'১ কোটি। ইয়াৰ আগৰ দশকৰ তুলনাত ইয়াৰ বৃদ্ধিৰ হাৰ আছিল—০'৩১ কোটি। ১৯৩১ চনত ২৭'৮ কোটি, ১৯৪১ চনত ৩১'৮ কোটি, ১৯৫১ চনত ৩৬'১ কোটি, ১৯৬১ চনত ৪৩'৯ কোটি, ১৯৭১ চনত ৫৪'৭ কোটি, ১৯৮১ চনত ৬৮'৩ কোটি আৰু বৰ্ত্তমান এই দশকৰ মাজভাগৰলৈকে ভাৰতৰ জনসংখ্যা ৭০ কোটিৰো অধিক হৈছেগৈ। ভাৰতত প্ৰতি ডেৰচেকেণ্ডত এটিকৈ শিশুৰ জন্ম হয়; ফলত প্ৰতিদিনে সমগ্ৰ দেশতে মুঠ শিশুৰ জন্ম হয় প্ৰায় ৫৮ হেজাৰ; জন্মৰ তুলনাত মৃত্যুৰ সংখ্যা তেনেই নগণ্য। মৃত্যুৰ সংখ্যা প্ৰতিদিনে প্ৰায় ২৫ হাজাৰ। জন্মৰ সংখ্যাৰ পৰা মৃত্যুৰ সংখ্যা বাদ দিলে মুঠ জনসংখ্যা থাকে ৩৩ হেজাৰ। বছৰৰ হিচাপমতে জন্মৰ সংখ্যা ২'১ কোটি আৰু মৃত্যুৰ সংখ্যা ৯০ হেজাৰ। প্ৰতি বছৰে জন-

সংখ্যা বৃদ্ধি হয় ১ কোটি ২ লাখ। উল্লেখযোগ্য যে ১৯৭১-৮১ দশকৰ কালছোৱাত ভাৰতৰ জনসংখ্যা ১৩৬ কোটি জন বাঢ়িছে। এই সময়ছোৱাত ইয়াৰ বৃদ্ধিৰ হাৰ আছিল ২'৪ শতাংশ। এনেদৰে জনসংখ্যা বৃদ্ধি হৈ গৈ থাকিলে অহা ২০০০ চনত ভাৰতৰ জনসংখ্যা ১০০ কোটি হোৱাৰ সম্ভাৱনা আছে।

ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ কেইটিমান উল্লেখযোগ্য দিশ তলত আলোচনা কৰা হ'ল।

১) গাঁও আৰু নগৰৰ তুলনা ঃ— ভাৰতৰ মুঠ জনসংখ্যাৰ সৰহভাগ লোকেই গাঁওবাসী। এই শতিকাৰ প্ৰথম ভাগত প্ৰায় ৯০% ভাগ লোকেই গাঁওত বাস কৰিছিল। ভাৰত স্বাধীন হোৱাৰ পাছতো ইয়াৰ বিশেষ পৰিবৰ্তন পৰিলক্ষিত হোৱা দেখা নাযায়। ১৯৭১ চনৰ তথ্য মতে ইয়াৰ মুঠ জনসংখ্যাৰ ৮০% ভাগ লোকেই গাঁও অঞ্চলত বাস কৰিছিল। কিন্তু ১৯৮১ চনত নগৰ অঞ্চলৰ সংখ্যা ২৩'৭% ভাগলৈ বৃদ্ধি পাইছে। ১৯৭১-৮১ ৰ দশকত নগৰবাসীৰ সংখ্যা ১০৯ নিযুতৰ পৰা ১৫৬ নিযুতলৈ বাঢ়িছে (১৯৮১ চনৰ তথ্য মতে)। বৰ্ত্তমান চলিত দশকত ইয়াৰ সংখ্যা বৃদ্ধি প্ৰায় ২০০ নিযুত মান হৈছেগৈ বুলি অনুমান কৰিব পাৰি। ভাৰতৰ মুঠ গাঁওৰ সংখ্যা হৈছে ৬৭৬৭০ খন আৰু নগৰৰ সংখ্যা আছিল ২৫৩১ খন।

২) শিক্ষিত আৰু অশিক্ষিত সংখ্যাৰ তুলনা ঃ— ভাৰতৰ মুঠ জনসংখ্যা বৃদ্ধিৰ অন্য এক কাৰণ হৈছে শিক্ষিত লোকৰ হাৰ তেনেই কম। মাত্ৰ ২৯'৩৫% ভাগহে শিক্ষিত লোক। বাকী প্ৰায় ৭০% ভাগেই অশিক্ষিত লোক। ১৯৬১ চনত ইয়াৰ সংখ্যা আছিল ২৪% ভাগ। বৰ্ত্তমান ১৯৮১ চনৰ তথ্য পাতিৰ মতে ইয়াৰ সংখ্যা বাঢ়ি গৈ ৩৬'১ শতাংশ হৈছে। দেশৰ নাগৰিকসকল শিক্ষিত নহলে জনসংখ্যা আৰু দ্ৰুতগতিত বঢ়াৰ আশংকা আছে।

৩) আয়ুসৰ তুলনা ঃ— ভাৰতৰ জনসাধাৰণৰ আয়ুসৰ দৈঘ্য পশ্চিমীয়া দেশবোৰৰ তুলনাত বহু কম। ১৯৫১ চনত আৰু ৬১ ৰ দশকত ভাৰতীয় লোকৰ গড় আয়ুস আছিল ৪১'২ বছৰ। বৰ্ত্তমান এই সংখ্যা বাঢ়ি ৫২ বছৰ হৈছেগৈ। জন্মৰ হাৰতকৈ মৃত্যুৰ হাৰ তুলনামূলক ভাৱে বহুত কম। ১৯৭১ চনৰ লোকপিয়ল মতে জন্ম আৰু মৃত্যুৰ হাৰ আছিল প্ৰতিহাজাৰত ক্ৰমে ৪১'১ আৰু ১৮'৯ জন। ১৯৮১ চনত এই হাৰ প্ৰতিহাজাৰত ৩৩'৩ আৰু ১৪'২ জনলৈ হ্ৰাস পাইছে।

৪) পুৰুষ মহিলাৰ অনুপাত ঃ — ভাৰতৰ প্ৰায়বোৰ ৰাজ্যত মহিলাৰ সংখ্যাতকৈ পুৰুষৰ সংখ্যা বেছি। ১৯৭১ চনৰ লোকপিয়লৰ তথ্য মতে প্ৰতিহাজাৰত পুৰুষৰ তুলনাত ৯৩০ গৰাকী মহিলা আৰু ১৯৮১ চনৰ লোকপিয়লৰ মতে প্ৰতি হাজাৰ পুৰুষৰ তুলনাত ৯৩৫ গৰাকীলৈ বৃদ্ধি পায়।

জনসংখ্যা বৃদ্ধিৰ মূল উৎস হিচাপে আমি দুটা মূল দিশৰ কথা উনুকিয়াব পাৰো। প্ৰথমটো হ'ল উচ্চ হাৰৰ জন্ম আৰু নিম্ন হাৰৰ মৃত্যুৰ সংখ্যা। আনটো দিশ হৈছে প্ৰণোদিত বৃদ্ধি। প্ৰথমটোক আমি স্বাভাবিক গতি বুলি ক'ব পাৰোঁ। ভাৰতৰ প্ৰায়বোৰ নাৰীৰেই যৌন শক্তি বেছি। অশিক্ষিত গাঁৱলীয়া সমাজত যৌন বিষয়ৰ বিজ্ঞানসন্মত শিক্ষাৰ অভাৱত সমাজত নানা বিপৰ্য্যয়ৰ সৃষ্টি হৈছে। পুৰুষ মহিলাৰ মাজত নৈতিক অধঃপতন, সামাজিক ভাৱে দুৰ্নীতি আৰু যৌনমূলক মানসিক বিকাৰ দেখা গৈছে। অন্যহাতে জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত প্ৰত্যক্ষদৰ্শী হৈ পৰিছে। কম খৰচতে জনস্বাস্থ্য আঁচনিসমূহ সৰ্বসাধাৰণৰ বাবে সম্প্ৰসাৰণ কৰাৰ সুযোগ লাভ কৰিছে। ফলত মহামাৰী আৰু বিভিন্ন ৰোগৰ পৰা হাত সাৰিব পাৰিছে। ১৯৬১ চনত ভাৰতৰ প্ৰতি হাজাৰত মৃত্যুৰ সংখ্যা আছিল ৪৮৬ জন আৰু ১৯৭১ চনত প্ৰতি হাজাৰত ই ১৪ জনলৈ হ্ৰাস পায়।

ভাৰতীয় জনসংখ্যা বৃদ্ধিৰ দ্বিতীয় প্ৰধান দিশটো হল — প্ৰণোদিত বৃদ্ধি। প্ৰণোদিত বৃদ্ধিৰ কাৰণ চুবুৰীয়া বিদেশী ৰাষ্ট্ৰৰ পৰা হোৱা জনস্ৰোত আৰু বিদেশী ৰাষ্ট্ৰৰ পৰা চাকৰি বা কাম-কাজৰ অন্বেষণত অহা লোকৰ পৰা। বিভিন্ন দেশৰ পৰা অহা লোকৰ সংখ্যা মুঠ জনসংখ্যাৰ প্ৰায় $\frac{1}{6}$ অংশ বুলি অনুমান কৰিব পাৰি। বিশেষকৈ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য অসমত চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ পৰা দিনে প্ৰব্ৰজন ঘটিছে, ই এটা ৰাষ্ট্ৰৰ বাবে বিৰাট সমস্যাৰ সৃষ্টি কৰিছে। বিদেশীৰ আগমন ৰোধ নকৰাৰ বাবে যি সমস্যাৰ সৃষ্টি হৈছে সি আজি সমগ্ৰ বিশ্বক চমক খুৱাইছে। অসমত বা ভাৰতৰ প্ৰতিখন ৰাজ্যতে যদি এনেদৰে বিদেশীৰ প্ৰব্ৰজন ঘটে তেন্তে ভাৰতৰ অৰ্থনৈতিকেই হওক, সামাজিক দিশেই হওক বা অন্যান্য সকলো দিশতে ই হেঙাৰ স্বৰূপ হৈ পৰিব। অন্যহাতেদি ভাৰতবৰ্ষৰ নাগৰিক সকলক তথা ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন কাৰিকৰী শিক্ষাৰে শিক্ষিত নোহোৱাৰ বাবে সাধাৰণ কল্যাণ এটা পৰিচালনা কৰিবৰ বাবে বিদেশী ৰাষ্ট্ৰৰ পৰা মানুহ আনিব লগা হৈছে। অন্য [illegible] চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা বহুলোকে চাকৰি [illegible] আহি স্থায়ীভাৱে বসতি কৰিবলৈ লোৱাও পৰিলক্ষিত হয়।



জনসংখ্যা বৃদ্ধিৰ ফলত সৃষ্টি হোৱা নানান সমস্যাৰ বিষয়ে অলপ আলোচনা নকৰিলে আমাৰ বিষয়টো আধৰুৱা হৈ ৰ'ব। গতিকে ইয়াৰ বিভিন্ন সমস্যাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

প্ৰথমতে, জনসংখ্যা বৃদ্ধিৰ ফলত সামাজিক আৰু প্ৰাকৃতিক পৰিবেশ দুষিত হয়। মানুহৰ ঘন বসতি বেচি হোৱাৰ লগে লগে মানুহৰ বিভিন্ন ধৰণৰ কাৰ্য্যৰ ফলত মলমূত্ৰ, জাবৰ-জোথৰ আদি গেলা-পচা বস্তুৰ পৰিমাণ বৃদ্ধি পায়। ফলত জলবায়ু দুষিত হয়। প্ৰাকৃতিক পৰিবেশ বেয়া হোৱাৰ লগে লগে মানুহৰ বিভিন্ন প্ৰকাৰে স্বাস্থ্য হানি হোৱাৰ আশংকাই দেখা দিয়ে।

দ্বিতীয়তে, জনসংখ্যা বৃদ্ধিৰ ফলত সৃষ্টি হোৱা এক সমস্যা হৈছে কৃষি সমস্যা। ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে মানুহে খেতিৰ মাটি বহলাবলৈ হাবি-বন, গছ-গছনি কাটি শেষ কৰিবলৈ ধৰিছে। ফলত সমগ্ৰ ভাৰততে বৰষুণৰ পৰিমাণ কমি আহিছে। লগে লগে মাটিৰ উৰ্বৰা শক্তি কমি আহিছে আৰু গৰমৰ পৰিমাণ বেছি হোৱা পৰিলক্ষিত হৈছে। তদুপৰি বাসগৃহ সমূহ নিৰ্মাণ কৰিবলৈ কৃষিৰ মাটিয়ো ল'ব লগা হৈছে অন্যথা গৃহ নিৰ্মাণ কৰিবলৈ স্থানৰ অভাৱ। ফলত কৃষিৰ মাটিৰ পৰিমাণ হ্ৰাস হৈছে।

তৃতীয়তে, জনসংখ্যা বৃদ্ধিৰ ফলত নিয়োগৰ সমস্যাই দেখা দিছে। দেশত যি পৰিমাণে জনসংখ্যা তথা শিক্ষিতৰ সংখ্যা বৃদ্ধি হৈছে তেনেদৰে চৰকাৰে বা অন্য তেনেবোৰ অনুষ্ঠানে নিয়োগৰ ব্যৱস্থা কৰিব পৰা নাই। ফলত নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে। নিবনুৱাৰ সংখ্যা বৃদ্ধিৰ লগে লগে দেশৰ জন-

মুৰি আয় কমি আহিছে আৰু এক অৰ্থনৈতিক সমস্যাই দেখা দিছে। ১৯৭১ চনৰ লোক পিয়লৰ মতে ভাৰতত মুঠ নিবনুৱাৰ সংখ্যা ১৮'৭ নিযুত জন আৰু বৰ্ত্তমান ১৯৫৮ চনৰ প্ৰথম ভাগত এই পৰিমাণ ৪৬ নিযুত হোৱা দেখা গৈছে।

* চতুৰ্থতে, জনসংখ্যা বৃদ্ধিৰ ফলত সৃষ্টি হোৱা আন এক সমস্যা হ'ল মূলধন গঠনৰ সমস্যা। দেশৰ মূলধনৰ উৰ্ৱাল টনকীয়াল নহলে অৰ্থনৈতিক তথা সামাজিক দিশত বিভিন্ন সমস্যাই দেখা দিয়ে। চৰকাৰৰ পৰিকল্পনাৰ দ্বাৰা যিবোৰ আঁচনি হাতত লয় সেইবোৰ কাৰ্য্যকৰী কৰাত অসুবিধাৰ সৃষ্টি হয়। ভাৰতৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰবোৰৰ মূলধনৰ পৰিমাণ কম হোৱা বাবে চৰকাৰে যি ৰাজহ আঁচনি হাতত লয় দেশৰ প্ৰাকৃতিক, সামাজিক আৰু অৰ্থনৈতিক দুৰ্যোগ আদিৰ বাবে বাস্তৱত ৰূপ দিব নোৱাৰে। মূলধন কম হোৱাৰ বাবে দেশত খাদ্য সমস্যাইও দেখা দিয়ে। মূলধনৰ পৰিমাণ কম হোৱা বাবে দেশ খনৰ সম্পদ উৎপাদনৰ মাত্ৰাও বৰ কম আৰু মানুহৰ আয়ৰ পৰিমাণো অন্য উন্নত দেশৰ তুলনাত তেনেই নগণ্য। ভাৰতৰ জনসংখ্যাৰ শতকৰা ৫০ ভাগ লোকেই দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত বাস কৰে। এনে দৰিদ্ৰ লোকক লৈ জানো এখন দেশৰ অৰ্থনৈতিক বা সামাজিক দিশত উন্নতিৰ চিন্তা কৰিব পাৰি? যি দুবেলা-দুসাজিৰ চিন্তাৰ বাহিৰে আন চিন্তা কৰিবলৈ সময় নাপায়। যেইকিনহওক বৰ্ত্তমান ভাৰতৰ জনসংখ্যা নিয়ন্ত্ৰণ কৰাৰ অতিকে প্ৰয়োজন।

**নিয়ন্ত্ৰণৰ উপায়ঃ—** জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰথম তথা প্ৰধান উপায় হ'ল—প্ৰত্যেক জন লোককে উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তোলা। স্বাধীনতাৰ পিছত ভাৰতে লাভ কৰাৰ ভিতৰত শিক্ষা যদিও প্ৰধান তথাপিতো বৰ্ত্তমান দেশৰ প্ৰায় ৬৪%জনেই অশিক্ষিত। সেয়ে বৰ্ত্তমান চৰকাৰে বিভিন্ন আঁচনিৰ জৰিয়তে শিক্ষিতৰ হাৰ বৃদ্ধি কৰিবলৈ যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে সকলোৱে সহযোগ আগবঢ়োৱা উচিত। জনসাধাৰণ শিক্ষিত হলেহে চৰকাৰে লোৱা পৰিয়াল পৰিকল্পনা আঁচনিয়ে সুফল লাভ কৰিব পাৰিব।

দ্বিতীয়তে, চৰকাৰৰ কুৰিদফীয়া তথা পাঁচ বছৰীয়া পৰিকল্পনাৰ যোগেদি পৰিয়াল সীমিত কৰাৰ যি আঁচনি হাতত লৈছে তাক প্ৰত্যেক নাগৰিকে সঁহাৰি জনোৱাটো একান্তই কাম্য। চৰকাৰে বিশ্ব জনসংখ্যা নিয়ন্ত্ৰণ আৰু বিশ্ব জনস্বাস্থ্য আঁচনিৰ যোগেদি যি গ্ৰাম্য জনস্বাস্থ্য তথা পৰিয়াল পৰিকল্পনা আঁচনি হাতত লৈছে ই সঁচাকৈয়ে এক গুৰুত্বপূৰ্ণ বিষয়। প্ৰত্যেক পুৰুষ-মহিলাই এই আঁচনিৰ ওচৰ চাপিলে জনসংখ্যা বৃদ্ধিৰ হাৰ হ্ৰাস হোৱাটো নিশ্চিত। উল্লেখযোগ্য যে বৰ্ত্তমান ভাৰতৰ ভিতৰত প্ৰায় প্ৰতি ১০০ নিযুত লোকৰ ভিতৰত ৫ নিযুত লোকেই বন্ধ্যাকৰণৰ আশ্ৰয় লোৱা দেখা গৈছে। তাৰ উপৰিও ৪ নিতযুতকৈ অধিক মহিলাই সস্তীয়া আৰু বিনামূল্যত পোৱা জন্ম নিৰোধৰ ঔষধ পাতিৰ সুবিধা পাইছে। মুঠতে প্ৰতিজন লোকেই লাজ, শংকা তথা দ্বিদ্ধাভাৱ আঁতৰাই নিজৰ তথা দেশৰ স্বাৰ্থৰ বাবে পৰিয়াল সীমিত কৰিবলৈ অভিজ্ঞ চিকিৎসকৰ ওচৰ চপাটো নিতান্তই প্ৰয়োজন।

তৃতীয়তে, জনসংখ্যা নিয়ন্ত্ৰণৰ অন্য এক উপায় হৈছে চৰকাৰে বিবাহৰ ওপৰত বাধা আৰোপ কৰা। ভাৰতৰ প্ৰত্যেকজন পুৰুষ-মহিলাৰেই যৌন শক্তি বেছি হোৱা বাবে কম বয়সতে বিবাহ কাৰ্য্যত লিপ্ত হোৱা দেখা যায়। ফলত জন্মৰ হাৰ স্বাভাবিকতে বৃদ্ধি হয়। গতিকে চৰকাৰে আইনৰ দ্বাৰা এনে বিবাহ বন্ধ কৰাৰ আঁচনি হাতত ল'ব লাগে। লগতে বিবাহৰ এক নিৰ্দিষ্ট সীমা (পুৰুষৰ ২৫-৩০ বছৰ আৰু মহিলাৰ ২১-২৫ বছৰ) বান্ধি দিব লাগে।

চতুৰ্থতে, জন্ম নিয়ন্ত্ৰণৰ বাবে একক পৰিয়ালৰ ওপৰত প্ৰত্যেক নাগৰিকে গুৰুত্ব আৰোপ কৰা উচিত। যৌথ পৰিয়াল ব্যৱস্থাই দেশতে জনসংখ্যা বৃদ্ধি কৰে। ভাৰতৰ প্ৰায়বোৰ ৰাজ্যতে যৌথ পৰিয়াল ব্যৱস্থা থকা দেখা যায়। যদি একক পৰিয়াল ব্যৱস্থা কৰা হয় তেতিয়া প্ৰতিটো পৰিয়ালেই সন্তান জন্ম দিয়াৰ ওপৰত চিন্তান্বিত হ'ব। অন্যহাতে তেনে পৰিয়ালে নিজৰ জীৱিকাৰ পথ নিজে উলিয়াবলৈ চেষ্টা কৰিব।

পঞ্চমতে, জনসংখ্যা ৰোধ কৰিবলৈ হলে ভাৰতত প্ৰবজন বন্ধ কৰিব লাগিব। ভাৰতলৈ বাহিৰা দেশৰ পৰা বিশেষকৈ চুবুৰীয়া দেশ নেপাল আৰু বাংলাদেশৰ পৰা অহা প্ৰবজনকাৰী লোকসকলৰ সংখ্যা বহুত বেছি। ৰাজ্যখনৰ বৰ্ত্তমান মুঠ জনসংখ্যাৰ প্ৰায় শতকৰা ২৫ জন লোকেই বাহিৰা দেশৰ লোক। এই বিদেশীসকলক লৈ ভাৰতৰ জনসাধাৰণে চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰিব লগাত পৰিছে। ১৯৬১ চনৰ লোক পিয়ল মতে অসমতে নেপালৰ পৰা অহা লোকৰ সংখ্যা ৮২,৬২৪ জন। কিন্তু সিবিলাকৰ সংখ্যা ইয়াৰ তুলনাত কেইবা গুণে বেছি হ'ব। তাতোপৰি বাংলা দেশৰ পৰা অহা সংখ্যাও কেই গুণে বেছি। চৰকাৰে এই প্ৰৱজনকাৰীৰ সোঁত বন্ধ নকৰিলে সমগ্ৰ ভাৰতত জনসংখ্যাৰ [illegible] কৰাটো কঠিন হৈ পৰিব। চৰকাৰে এই বিদেশী লোকসকলক নিজ দেশলৈ পঠাই দেশৰ সীমাৰ এক কটকটীয়া বান্ধ দিব লাগে। এনে অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে চৰকাৰে সীমান্ত চকী প্ৰতি আধা কিল'মিটাৰ আঁতৰে আঁতৰে বহুৱাব লাগে। আৰু এক কটকটীয়া বেৰ বান্ধি তাৰ ওপৰেদি বিজুলী-শক্তি প্ৰৱাহ কৰাব লাগে।

তদুপৰি ভাৰতৰ বিভিন্ন ৰাষ্ট্ৰৰ পৰা অহা লোকৰ ওপৰত চৰকাৰে বাধা আৰোপ কৰিব লাগে। দেশখনৰ বিভিন্ন বেচৰকাৰী বা চৰকাৰী উদ্যোগসমূহত চাকৰি কৰি থকা বিদেশী ৰাষ্ট্ৰৰ লোকসকলক সম্পত্তি অধিকাৰৰ পৰা বঞ্চিত কৰিব লাগে। যদিও ই এটা ভাৰতবৰ্ষৰ বা অন্য ৰাষ্ট্ৰৰ বাবে অমানবীয়তা তথাপি দেশৰ জনসংখ্যা বৃদ্ধি তথা অৰ্থনীতিৰ অৱনতিৰ দিশলৈ চাই ইয়াক কাৰ্য্যকৰী কৰাটো প্ৰয়োজন। এই কাৰ্য্য বাস্তৱত ৰূপ দিবলৈ হলে দেশৰ প্ৰতিজন নাগৰিকে স্বাৱলম্বী হৈ বিদেশীসকলে কৰা কামবোৰ কৰিব লাগিব। ধৰ্মৰ অন্ধবিশ্বাসবোৰ ত্যাগ কৰিব লাগিব। আমাৰ ভাৰতবৰ্ষৰ মানুহবোৰে মেথৰ, ধোবা, মুচি আদি কামবোৰ কৰিলে জাত যায় বুলি কয়। তেনেবোৰ কামৰ পৰাও যে অধিক ধন ঘটি উন্নত জীৱন যাপন কৰিব পাৰে সেইটো চিন্তা নকৰে।

ইয়াৰোপৰিও চৰকাৰে ভাৰতৰ প্ৰতিজন নাগৰিককে ৰুচি অনুযায়ী কাৰিকৰী শিক্ষা বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰে যদিও এই দিশৰ ওপৰত গুৰুত্ব দিছে ই অতি নগণ্য।

ওপৰত উল্লেখ কৰা বিভিন্ন সমস্যাসমূহ সমাধান হলেহে দেশৰ অৰ্থনৈতিক উন্নতি ক্ষীপ্ৰ গতিত আগবাঢ়িব পাৰিব। ইয়াৰ বাবে প্ৰত্যেকজন নাগৰিকেই সচেতন হৈ চৰকাৰৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায় কৰিব

(৪৫ পৃষ্ঠাত চাওক)

# অসমীয়া বনাম মাধ্যম ইংৰাজী

শ্ৰীফুলেশ্বৰ গগৈ
স্নাতক তৃতীয় বাৰ্ষিক

কোনো এটা জাতিৰ অস্তিত্ব বহন কৰাত ভাষাৰ স্থান উল্লেখযোগ্য বুলি কব পাৰি। ভাষাক লৈ বিভিন্ন জাতিৰ মাজত নানা সমস্যাই দেখা দিয়াৰ কথা অতীতৰ পৰা বৰ্ত্তমানলৈকে আমাৰ অজ্ঞাত নহয়। ভাৰতবৰ্ষৰ দৰে বৃহৎ ৰাষ্ট্ৰ এখনৰ অংগ ৰাজ্য হিচাপে অসমৰ বাহিৰে আন কোনো ৰাজ্যই ভাষাৰ সমস্যাক লৈ জৰ্জৰিত হোৱা নাই। অসমীয়া ভাষাক লৈ বা অসমীয়া ভাষাৰ বিৰুদ্ধে প্ৰাক-স্বাধীনতা কালৰ বৃটিছ যুগৰে পৰা যি ষড়যন্ত্ৰৰ আৰম্ভ হ'ল আজিকোপতি তাৰ অৱসান হোৱা নাই। প্ৰাক-স্বাধীনতা কালৰ ১৮৩৬ চনৰ ইতিহাসৰ পাত পুনৰাবৃত্তি নকৰিলেও স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ অংগৰাজ্য অসমৰ সচেতন অসমীয়াসকলৰ বাবে ১৯৬০ আৰু ৭২ চনৰ মাধ্যম আন্দোলনৰ উৎস কি আছিল তাৰ পিছত কি হ'ল নহল তাক ব্যাখ্যা নকৰিলেও এইটো ঠিক যে বহুত হেৰুৱাই অলপ পোৱাৰ সন্তোষ্টিৰে আমি সন্তোষ্টি লভিছিলো। ইয়াৰ পিছতো ভাষাৰ বাবে কি কৰিলো বা কি কৰা হ'ল সেইটো ৰাইজৰ বিচাৰ্য্য বিষয়। কিন্তু এইটো ঠিক যে চহকী ইংৰাজী ভাষাৰ আকৰ্ষণে শিক্ষিত অসমীয়াসকলক ইমান বেছি আকৰ্ষিত কৰিলে যে যাৰ বাবে ১৯৮৬ চনৰ ছবছৰীয়া অস্তিত্ব ৰক্ষা আন্দোলন কৰাৰ পিচতো আকৌ এবাৰ ভাগৰুৱা দেহে ভাবিবলৈ ধৰিলে যে নিজৰ সন্তানক ইংৰাজী নে অসমীয়াৰ মাধ্যমত শিক্ষা দিয়া হব ইত্যাদি।

ভাষাৰ ওপৰত ভিত্তি কৰিয়েই স্বাধীনতাৰ পিচত ভাৰত যুক্তৰাজ্যসমূহ গঠিত হৈছিল। সংখ্যা গৰিষ্ঠসকলে কোৱা ভাষা হিচাপে অসমতো অসমীয়া ভাষা ৰাজ্যিক ভাষা হিচাপে স্বীকৃতি পাব লাগে। কিন্তু দুখৰ বিষয় যে অসমীয়া ভাষা অসমতে আজি পৰ্য্যন্ত পূৰ্ণ প্ৰয়োগ হোৱাৰ পৰিবৰ্ত্তে ইয়াৰ প্ৰয়োগৰ ক্ষেত্ৰত বাধাৰ হে সৃষ্টি কৰা দেখা গৈছে। কাৰণ চহকী ভাষাৰ প্ৰতি মোহান্ধ হৈ অসমীয়া ভাষাক আদৰি লবলৈ অপাৰগ হৈছো লগতে আমি সকলোৱে সচেতন অসমীয়া বুলি কোৱাৰ সাহসো হেৰুৱাই পেলাইছো। দুজন বন্ধুৰ লগ হলেই নিজৰ ভাষাক অবজ্ঞা কৰি চহকী ভাষাৰ মাত্ৰাধিক ব্যৱহাৰ কৰিছো নাইবা অনা অসমীয়াসকলৰ লগত তেওঁলোকৰ ভাষাৰে কথা পাতি অসমীয়াৰ উদাৰতাৰ পৰিচয় দাঙি ধৰিছো। চিঠিৰ ঠিকনা লিখাতো, অসমীয়া প্ৰশ্নকাকতৰ বহী চাওঁতে পৰীক্ষকে বহীত নম্বৰ দিওঁতে, স্বাবলম্বী হবলৈ গৈ যুৱক সকলে দোকানৰ নাম দিওঁতে, অসমীয়া উদ্যোগপতি হিচাপে উদ্যোগৰ নামাকৰণ, পৰিবহন ব্যৱস্থাৰ অসমীয়া বাছৰ মালিকসকলে চহকী ভাষাক যিদৰে আঁকোৱালি লৈ অসমীয়া ভাষাক পঙ্গুতালৈ ঠেলি পঠিয়াইছে তাৰ পৰা অসমীয়া জাতিৰ বিকৃত মানসিকতাৰ পৰিচয়হে দাঙি ধৰা দেখা গৈছে।

এনে এক মানসিকতাৰে গঢ় লৈ উঠা পৰিবেশত আপোচহীন ভাৱে অসমীয়া ভাষা প্ৰয়োগ কৰাৰ কষ্ট অনস্বীকাৰ্য্য। কিন্তু অসমৰ অসমীয়া হিচাপে আমাৰ ভাষাটো বিকাশৰ ক্ষেত্ৰত আমিয়েই যদি কৰ্ত্তব্য আৰু দায়িত্বত গাফিলতি কৰো তেন্তে এদিন হয়তো এই ভাষা বিকাশ আৰু প্ৰচাৰৰ বাবে আন ৰাজ্যৰ পৰা মানুহ আমদানি কৰি আনিব নলগাৰ কোনো স্থল নাই।

শিশু অৱস্থাৰ পৰা যি ভাষা আমি ওঠত তুলি ললো এই মাতৃভাষাটো কেৱল কোৱা ভাষাতে সীমিত নাৰাখি সকলো ক্ষেত্ৰত প্ৰয়োগ কৰাটো বৰ্ত্তমান আমাৰ বাবে এক দায়িত্ব। এই ক্ষেত্ৰত শিক্ষাৰ মাধ্যমৰ বিষয়টোৱে প্ৰশ্নৰ অৱতাৰনা হ'ব বিচাৰে। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ গাঁও অঞ্চলৰ সকলো শিক্ষানুষ্ঠানৰ মাধ্যম অসমীয়া কিন্তু ইয়াৰ মাজতো অসমৰ সৰু বৰ চহৰ নগৰবোৰত অসমীয়া বনাম ইংৰাজী মাধ্যম শিক্ষানুষ্ঠানে অন্তৰ্দ্বন্দৰ তাড়ণাত জৰ্জৰিত হৈছে। বৰ্ত্তমান অৱস্থালৈ লক্ষ্য কৰিলে দেখা যায় যে ঠাই বিশেষে অসমীয়া স্কুল সমূহৰ বিপৰীতে এচাম লোকে ইংৰাজী স্কুল স্থাপনৰ পক্ষপাতিত্ব কৰিব বিচাৰে। শতকৰা আধাভাগৰ বেছি অসমীয়া পৰিয়ালেও নিজৰ ল'ৰা-ছোৱালীক মাহেকীয়া ৪০-৬০ টকাকৈ মাচুল দি ইংৰাজী মাধ্যমত পঢ়ুৱাইছে। এনেচাম অসমীয়া অভিভাৱক সকলৰ মনত ভুল ধাৰণা জন্মাৰ বাবেই অসমীয়া মাধ্যমৰ পৰিবৰ্ত্তে ইংৰাজী মাধ্যমত ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ প্ৰৱণতা বৃদ্ধি পাইছে। ব্যৱসায়িক ভিত্তিত গঢ়ি তোলা আকৰ্ষিত পৰিবেশৰ মোহত পৰি একশ্ৰেণী অসমীয়া অভিভাৱকৰ এনে ধাৰণা জন্মিছে যে অসমীয়া মাধ্যমৰ বিদ্যালতকৈ ইংৰাজী স্কুলৰ মানদণ্ড উন্নত। মাহেকত ৪০-৫০ টকাকৈ মাচুল দি ইংৰাজী মাধ্যমত পঢ়োৱা অভিভাৱক সকলৰ চিন্তাৰ স্থলত ঠাই নাপাই যে অসমীয়া মাধ্যমৰ বিদ্যালয়ত সেই একে নীতিত শিক্ষা দিলে ল'ৰা-ছোৱালীৰ উন্নতি সাধন হব। ডনবস্ক, চেণ্টমেৰীজ আদি গঢ়ি উঠা শিক্ষানুষ্ঠান সমূহত কঠোৰ শাসনৰ গণ্ডীত ছাত্ৰ-ছাত্ৰীসকলৰ সামাজিক দায়িত্ববোধ নিৰ্ণয় কৰে। এখন ধৰ্ম নিৰপেক্ষ দেশত অসমৰ ভৌগলিক চাৰিসীমাৰ ভিতৰত সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক পৰিবেশ মূলতঃ পাশ্চাত্যৰ কেথলিক মাৰ্কা শিক্ষা ব্যৱস্থাই অসমীয়া ছাত্ৰ-ছাত্ৰীসকলক কিমান শুদ্ধ নাগৰিক হিচাপে গঢ়ি তুলিছে সিও এটা বিচাৰ্য্য বিষয় হৈ পৰিছে। যি সময়ত অসমত চৌদিশ মুখৰিত কৰি ছাত্ৰ সমাজে এক-

ত্ৰিত হৈ ৬ বছৰীয়া আন্দোলনৰ ইতিহাস ৰচনা কৰিলে সেই সময়ত ডনবস্কু, চেণ্টমেৰীজ স্কুলৰ ছাত্ৰসমাজৰ গণতান্ত্ৰিক অধিকাৰ কেনে ধৰণে আগবঢ়ালে তাক পুনৰবাৰ দোহৰাৰ প্ৰয়োজন নহয়।

অসমৰ এক শ্ৰেণী চৌখিন অভিজাত্যৰ প্ৰৰোচনাতেই আজিৰ সুবিধাবাদী ব্যৱসায়িক গোষ্ঠীয়ে চুবুৰীয়ে চুবুৰীয়ে এনেধৰণৰ বিদ্যালয় স্থাপন কৰাৰ উৎসাহ পাইছে। সমাজৰ প্ৰতি পড়ীশীল, বিত্তশালী ব্যক্তিৰ তাগিদাত দেশ আৰু দহৰ অনিষ্ট সাধন কৰি পৰম সন্তোষ্টি লাভ কৰিব বিচাৰিছে। কিন্তু তেওঁলোকে অলপ পাই বহুত যে হেৰুৱাব লগীয়া হৈছে এই কথাৰ গুৰুত্ব বুজি উঠাৰও সময় হৈছে।

অন্যহাতে অসমীয়া মাধ্যমৰ স্কুলসমূহৰ ক্ষেত্ৰত সমস্যাৰ ওৰ নপৰা অৱস্থা। শিক্ষা প্ৰদানৰ ক্ষেত্ৰত শিক্ষকসকলৰ ভূমিকাৰ কথা উল্লেখ কৰিব পাৰি। গাঁৱৰ মাজত গঢ়ি উঠা অনুষ্ঠান হিচাপে মাধ্যমিক, উচ্চ মাধ্যমিক বা প্ৰাথমিক বিদ্যালয়েই হওক একো একোটা শ্ৰেণীতে ৬০-৭০ জনকৈ শিক্ষা দান দিবলগীয়া হোৱাৰ বাবে শিক্ষকসকলৰ কিছু অসুবিধাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰও অসুবিধা উল্লেখনীয়। ঘৰুৱা কাম-কাজৰ মাজেদিও গাঁৱলীয়া ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ প্ৰতিভাৰ যি বিকাশ ঘটাইছে সেয়া সিহঁতৰ ব্যক্তিগত প্ৰচেষ্টাৰ ফল। যদি অসমীয়া মাধ্যমৰ অসমীয়া বিদ্যালয়সমূহৰ উন্নতি সাধন কৰাৰ লগতে ২০-৩০ জনকৈ একো একোটা কোঠাত ভাগ ভাগ কৰি উপযুক্ত শিক্ষকৰ দ্বাৰা শিক্ষা প্ৰদান কৰা হয় তেতিয়া হলে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহো সমানে প্ৰতিযোগিতাৰ ক্ষেত্ৰও আগবাঢ়ি যাব পাৰিব। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ ৰুচি অভিৰুচি অনুসৰি শিক্ষাৰ বিষয়সমূহত দায়িত্ব পালন কৰাত অভিভাৱকসকলৰ হেমাহিৰ ফলতেই আৰু তেওঁলোকৰ অমনোযোগিতাতেই বহুতো ছাত্ৰ-ছাত্ৰীৰ আশাৰ সপোন সপোন হৈয়ে ৰৈ গৈছে। গাঁৱৰ দুখীয়া পৰিয়ালৰ বহুতো ল'ৰা-ছোৱালীয়ে টকা পইচাৰ অভাৱত সুপ্ত প্ৰতিভা বিকাশৰ বাবে উচিত সুবিধাৰ পৰা বঞ্চিত হৈছে। কিন্তু যি চাম লোকে ইংৰাজী মাধ্যমেৰে নিজৰ ল'ৰা-ছোৱালীক শিক্ষা দিবলৈ গৈ বিত্তৰ প্ৰভাৱ দেখুৱাইছে তেওঁলোকে অসমৰ অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰা সেইচাম ল'ৰা-ছোৱালীলৈ এবাৰ চিন্তা কৰা প্ৰয়োজন। ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰা ল'ৰা-ছোৱালীয়ে যেতিয়া নিজৰ মাক-দেউতাকহঁতক চহকী ভাষাৰ সুৰেৰে সম্বোধন কৰে সেই সময়ত তেওঁলোকৰ মনলৈ গৌৰৱৰ ভাৱ অহাটো স্বাভাবিক। এই গৌৰৱত গৌৰান্বিত হৈ তেওঁলোকে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ গুণ বখানিব। কিন্তু তেওঁলোকে পাহৰি যোৱা উচিত নহয় যে তুলনাবিহীন নিজৰ আইজনী আৰু দেউতাকৰ কথা। অসমৰ অসমীয়া হৈ যেতিয়া নিজৰ মাতৃভাষাটো স্পষ্টকৈ কব নোৱাৰা হয়, ভঙা ভঙা চহকী সুৰৰ প্ৰভাৱ—ইয়াতকৈ লাজৰ কথা অসমীয়াসকলৰ বাবে একো নাই।

অসমীয়া ভাষাৰ ক্ষেত্ৰত এশ এবুৰী সমস্যাই দেখা দিছে। এনে এটা দুৰ্যোগৰ সময়ত নিজৰ জাতিৰ অস্তিত্ব জীয়াই ৰখাৰ আলম ভাষাৰ প্ৰতি আমি আকৌ নকৈ ভবাৰ সময় আহিছে। আজি এইখন অসমতে অসমীয়া ভাষা প্ৰচাৰৰ বাবে ৰক্তৰ প্ৰয়োজন হৈছে। ইয়াৰ মূলতে আমিয়েই দায়ী নহয়নে ? ব্যৱহাৰিক দিশত আমাৰ ভাষাই কিমান অগ্ৰগতি লভিছে। গতিকে দেখা যায় যে নিজৰ ভাষাৰ মাধ্যমেৰে শিক্ষা দিবলৈ আওকাণ কৰি চহকী ভাষা এটাক প্ৰথম স্থান দিছো। অসমীয়া



মাধ্যমত শিকোৱাৰ প্ৰথম স্থান প্ৰাথমিক বিদ্যালয়ক আওকাণ কৰি ইংৰাজী মাধ্যমৰ স্কুলত শিক্ষা দিয়াইছো। অসমীয়া বনাম ইংৰাজী মাধ্যমৰ এই অন্তৰ্দ্বন্দ দূৰ কৰিবলৈ প্ৰতিজন অসমবাসীৰ লগতে যে ৰাজ্য চৰকাৰৰো দায়িত্ব আছে তাক পাহৰি থাকিলে নহব। এই সমস্যা সমূহ দূৰ কৰিবলৈ হলে—(১) ব্যৱসায়িক ভিত্তিত চহৰে নগৰে গাঁৱে-ভুঞে ইংৰাজী মাধ্যমৰ স্কুলসমূহ যাতে গঢ়ি উঠিব নোৱাৰে তাত চৰকাৰে হস্তক্ষেপ কৰিব লাগে।

২) সকলো বিদ্যালয়তে অসমীয়া ভাষা বাধ্যতামূলক প্ৰৱৰ্তন কৰাৰ ব্যৱস্থা কৰিব লাগে।

৩) অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ মানদণ্ড উন্নত কৰিব লাগে লগতে গাঁৱে নগৰে অসমীয়া বিদ্যালয় গঢ়ি তুলিব লাগে।

৪) ছাত্ৰ-ছাত্ৰী সমূহৰ প্ৰতি বা ছাত্ৰ-ছাত্ৰী সংখ্যা অনুসৰি প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক নিযুক্তি দি ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা গ্ৰহণত আগ্ৰহী কৰি তুলিব লাগে।

৫) ধৰ্মীয় ভিত্তিত গঢ়ি উঠা শিক্ষানুষ্ঠান সমূহ ৰোধ কৰিব লাগে।

৬) বিদ্যালয় সমূহত পৰীক্ষা সমূহ সময়মতে পতাৰ ব্যৱস্থা অব্যাহত ৰাখিব লাগে ইত্যাদি।

বৰ্তমান প্ৰতিযোগিতামূলক অৱস্থাত এই যুগত সময়ৰ লগে লগে তাল মিলাই যাবলৈ হলে সকু অৱস্থাৰ পৰা গাঠনি ঠিক নহলে কালৰ গহবৰত হেৰাই যাবলৈ বেছি দিন প্ৰয়োজন নহব। নিজৰ অস্তিত্ব ৰাখিবলৈ আমি আকৌ এবাৰ টঙালী বন্ধাৰ প্ৰয়োজন হ'ব। ভাষাৰ মাধ্যম আন্দোলনত শ্বহীদ হোৱা বীৰ পুৰুষ সকলৰ তালিকাত আৰু হাজাৰজন শ্বহীদৰ নাম অন্তৰ্ভুক্ত কৰিব লাগিব। সেয়ে অসম মাতৃৰ সন্তান হিচাপে আইৰ যশস্যা বৃদ্ধি কৰিবলৈ অসমীয়া জাতিক জাতি হিচাবে বিশ্বৰ দৰবাৰত চিনাকী ৰাখিবলৈ ভাষাৰ মাধ্যমৰ বাবে শ্বহীদ হোৱা বীৰৰ ৰক্তক মূল্য দিবলৈ আমি আমাৰ মিলিত প্ৰচেষ্টাৰে 'অসমীয়া বনাম ইংৰাজী মাধ্যম'ৰ বৰ্তমানৰ এই সমস্যাৰ অন্তৰ্দ্বন্দক আহক ইয়াতেই যৱনিকা পেলাওঁ। 'জয় আই অসম'। ●

---

(৪১ পৃষ্ঠাৰ শেষৰ অংশ)

লাগিব। জনসাধাৰণে জনসংখ্যা বৃদ্ধিৰ গুৰুত্ব উপলব্ধি কৰি তাক নিয়ন্ত্ৰণৰ বাবে চৰকাৰৰ লগত সহযোগিতা কৰিব লাগে আৰু চৰকাৰেও ইয়াৰ ওপৰত অধিক মনোনিবেশ কৰাটো প্ৰয়োজন। ●

নিবন্ধ ঃ—

# মৰমৰ সোণপাহীলৈ বিহুৰে বতৰা

পীতাম্বৰ চৰাইমৰীয়া
স্নাতক ২য় বাৰ্ষিক (কলা)

মৰমৰ
সোণপাহী,

প্ৰথমে তোমালৈ ৰঙালী বিহুটিৰ ওলগ যাচিলোঁ। লবা। মই আজি অসমৰ সুদূৰত থাকি আজিৰ বিহুৰ উৰুকাদিনা যি নিঃসঙ্গতা অনুভৱ কৰিছিলোঁ, সেই নিঃসঙ্গতাখিনি তোমাৰ চিঠিখনিয়ে সকলো দূৰ কৰি পেলালে। অৱশ্যে তোমাৰ চিঠিখনিয়ে মোক প্ৰথমে যিমান আনন্দ দিছিল চিঠিখনৰ ভিতৰৰ সাৰমৰ্মই কিন্তু তাতকৈ বেছি দুখহে দিলে। আমাৰ অসমীয়াৰ বুকুৰ ধন ৰঙালী বিহুটিৰ নিজৰ দেশতে হোৱা লৈ লৈ থৈ থৈ অৱস্থাৰ কথা জানিহে দুখ লাগিছে। মই কেতিয়াও ভবা নাছিলোঁ সোণপাহী, আমাৰ বাপতি সাহোন ৰঙালী বিহুটিৰ অৱস্থাযে চহৰ নগৰততো বাদেই আনকি আমাৰ গাঁওবোৰতোযে এদিন-পানীত হাঁহ নচৰা অৱস্থা হ'বগৈ।

তুমি ঠিকেই লিখিছা সোণপাহী, এতিয়া আৰু আগৰ সেই চ'তৰ বিহু নাই। আজিৰ ডেকা-গাভৰুৱে চ'তৰ বিহু চিনিকে নাপায়। আজিৰ ডেকা মনে চ'তৰ বিহুক পাহৰি গৈছে। তাহানিৰ ডেকা-গাভৰুহঁতে কিন্তু চ'তৰ বিহুক কেতিয়াও পাহৰিব পৰা নাছিল। চ'ত মাহ, কালিকা লগা মাহ। এই চ'ত মাহতে ডেকা-গাভৰুহঁতে নিশা নিশা পথাৰৰ মাজৰ কোনোবা সুচল ঠাইৰ গছৰ তলত বিহু মাৰিছিল। ডেকা-গাভৰুৰ উভয়ৰে গাত দেওধনি উঠিছিল। ডেকা-গাভৰুৰ বুকুৰ সঞ্চিত মনৰ কথাবোৰ বিহুৰ গীত হৈ নিজৰি নিজৰি বাহিৰ ওলায় আহিছিল। নিশা নিশা কৰা এই বিহুকে 'ৰাতি বিহু' বোলা হৈছিল। কিন্তু আজি আৰু আগৰ সেই ৰাতি বিহু ৰাতি বিহু হৈ থকা নাই। আজি এই বিহুৱে 'মুকলি বিহু' নাম পাইছে। আজি এই 'মুকলি বিহু' আগৰ সেই গছৰ তলত নহয়, নগৰৰ মঞ্চৰ মজিয়াতহে অনুষ্ঠিত হয়।

যুগৰ পৰিবৰ্তন হৈছে সোণপাহী। আগৰ সেই পথাৰৰ মাজৰ গছৰ তলৰ বিহুৱে গৃহস্থৰ চোতাল গচকি আহি আজি নগৰৰ মঞ্চৰ মজিয়া চুইছেহি। যাৰ নাম শুনিলে ডেকা-গাভৰুৰ উপৰিও ল'ৰা-বুঢ়াৰো মন সাতখন-আঠখন কৰে, যাৰ নাম শুনিলে ৰঙিলী, পমিলীহঁতৰ দৰে ৰচকী-ৰাংচালী গাভৰুহঁতৰ মন 'উজুটিত ভাঙি যাওঁ যঁতৰ ·····' যেন অৱস্থা হয়, তেনেকুৱা বিহুটিৰ আজি আগৰ সেই ৰং-ৰূপ ৰস নাইকীয়া হৈ পৰিছে। অসমীয়াৰ বুকুৰ আমঠু হেন বিহুটিক আজি কৃত্ৰিমতাৰে ৰঘুমলাৰ দৰে ছাটি ধৰিছে।

আগৰদিন উকলিল সোণপাহী। আগতে কুকুৰাৰ প্ৰথম ডাকতে গাঁৱৰ তেজাল গাভৰু-



ৰঙিলী, ৰহদৈহঁতৰ ভৰিৰ হেঁচুকনিত ঢেঁকীৰ মাতত গোম গোমাই উঠা ঢেঁকীশালখন আজি নিমাত হৈ পৰিছে। ঢেঁকীত খুন্দা চিৰা, সান্দহ, পিঠা আদি নানা জা-জলপান সমুহ আজিৰ অসমীয়াই চিনি নোপোৱা হৈছে। অসমৰ তিলপিঠা, নাৰিকল পিঠা, ঘিলা পিঠাৰ দৰে পিঠা ভাৰতৰ আন ঠাইত নাই বুলিবই পাৰি। তেল, ঘিউ নোহোৱাকৈ, অথচ মুচ-মুচীয়াকৈ কৰা, বহুদিনলৈ বেয়া নোহোৱা এই তিলপিঠাৰ প্ৰশংসা অনা অসমীয়াৰ মুখে-মুখে। তেনেকুৱা সুৰুচিপূৰ্ণ সুন্দৰ খাদ্যবোৰ আজি তোমালোকে বনাবলৈ এৰি দিছা। এইবোৰৰ সলনি তোমালোকে পুডিং,কেক্, মিঠাই আদিহে বনাবলৈ লৈছা। কিয় সোণপাহী ? কিয় আজি তোমালোকে তোমালোকৰ নিজৰ জাতীয় সত্বাক ত্যাগ কৰিছা ? তোমালোকে সুন্দৰ-সুন্দৰ, সুৰুচিপূৰ্ণ, সোৱাদলগা নানা ধৰণৰ খাদ্য বস্তু বনাব জানিও কিয় আজি তোমালোকে বছৰেকৰ মূৰত অহা বিহুকেইটিকো পুডিং,কেক্, মিঠাইৰেহে খেদিব বিচাৰা ? কিয় ?? কিয় ???

আজি, চহৰ-নগৰৰ ভালেমান জীয়ৰী-বোৱাৰীয়ে অসমীয়াৰ অতি আপোন চেনেহৰ তাঁতশাল খনিৰ কথা পাহৰি গৈছে। আজিৰ অসমীয়া গাভৰুৱে তাঁত ববলৈ নজনা হ'ল। হাতবোৰ জঠৰ হ'ল। অসমীয়া শিপিনীয়ে তাঁতৰশালত বোৱা ফুল বছা, বুটা বছা কাপোৰ আজি পাবলৈ নাইকীয়া হ'ল। অসমীয়া সংস্কৃতিৰ মেটমৰা ভঁৰালৰ আপুৰুগীয়া সম্পদ এৰীয়া চাদৰ, খনীয়া চাদৰ আদি আজিৰ অসমীয়াই লবলৈ লাজ কৰা হ'ল। চাতোনৰ কেচ দিয়া ৰিহা আজিৰ অসমীয়াই চিনি নোপোৱা হ'ল। আজি অসমীয়াই নিজৰ স্বকীয়তা ত্যাগ কৰি আনৰ সংস্কৃতিকে বুকুৰ কুটুম বুলি আকোঁৱালী লৈছে। আজিৰ অসমীয়া গাভৰুৱে চেলোৱাৰ, চুৰিদাৰ, শাৰী আদিহে পিন্ধিবলৈ লৈছে। ডেকাবোৰে লংপেণ্ট পিন্ধিছে, ডিঙিত টাই মাৰিছে। আগৰ গাভৰুহঁতে বৰ্হম থুৰিৰে নাইবা তামোলৰ পিকেৰে মুখ ৰঙাকৈ বোলাইছিল, জেতুকাৰ ৰঙেৰে সুন্দৰকৈ হাত, নখ বোলাইছিল। কিচ্ কিচীয়া ক'লা চুলিৰে বন্ধা কলডিলীয়া, ওধনীয়া, নেঘেৰী খোপাত, কপৌ, তগৰ, নাহৰ ফুলেৰে শুৱাই ধৰিছিল। কিন্তু আজি······? আজিৰ গাভৰুৱে বৰ্হমথুৰিৰ ঠাইত লিপ্‌ষ্টিক সানিছে, জেতুকাৰ সলনি বজাৰৰ কৃত্ৰিম ৰঙেৰে হাত বোলাইছে। নখত 'নেইল পলিচ' লৈছে। নাহৰ, তগৰ, কপৌ ফুলৰ ঠাইত কাগজৰ ফুলেহে স্থান লৈছে। হাতৰ গামখাৰুৰ ঠাইত বজাৰৰ লাপিলুপা খাৰুহে ব্যৱহাৰ কৰিছে। সঁচাকৈ সোণপাহী, আজি আমি আমাৰ নিজা গৌৰৱময় সাজ-পাৰবোৰ পৰিধান কৰিবলৈ এৰি দিছোঁ। নিজা কৃষ্টি সংস্কৃতিক বিসৰ্জন দিছোঁ। এনেকৈয়ে, যদি আমি টাৱেল বেছি ভাল বুলি গামোচাৰ ব্যৱহাৰ এৰি পেলাওঁ তেনেহলে এই ফুলাম গামোচাই বহন কৰি থকা বিভিন্ন স্তৰৰ ঐতিহ্য কাললৈ লুপ্ত নহবনে ?

সঁচা সোণপাহী, আমি সকলোৱে ভুল কৰিছোঁ। তাক মই মানি লৈছোঁ, আৰু তুমিও মানি লব লাগিব। কিন্তু আমি কেৱল তোমালোক গাভৰুবোৰকে দোষ দিলেই নহ'ব। আমাৰ ডেকাবোৰৰ গাতো দোষ আছে। আনকি ময়েই চোন আজি নিজকে এজন অসমীয়া সাজি লব নোৱাৰিলোঁ। হাড়ে হিমেজুৱে 'মই অসমীয়া' বুলি কবলৈ গাত অসমীয়াৰ তেজ থাকিলেও গুণ নাই। এৰা সোণপাহী, মোৰ দৰে অসমৰ সুদূৰত থকা ডেকা-গাভৰুৱে যিদিনাই লংপেণ্ট এৰি চুৰিয়া পিন্ধিব, হৰ্চটেইল এৰি খোপাত ধৰিব, চুৰিদাৰ, চেলোৱাৰ, শাড়ী

এৰি মেখেলাত ধৰিব, টাই এৰি ডিঙিত খনীয়া কাপোৰ লব, টাৱেল এৰি গামোচা লব, সেই দিনা—সেইদিনা সোণপাহী, বিদেশৰ এই অচিন ঠাইতো কপৌ ফুলিব। কোকিলৰ সুমধুৰ কাকলিত সকলোৰে হিয়া সাতখন আঠখন কৰিব। পকা ঘৰৰ মজিয়াটো ঢেঁকীৰ মাতে ধুমধুমাব। তাঁতৰ শালে খিট্ খিটাব।


তুমি ঠিকেই লিখিছা সোণপাহী, মই মানি লৈছোঁ। অৱশ্যে তোমাৰ কথাই কেৱল মোকেই ছোৱাগৈ নাই — যি কেইজনে বিহুৰ দিনাও লংপেন্ট এৰা নাই, বিহুৰ দিনাও চিনেমা এৰা নাই, বিহু নাচ নাচাই ভাৰত নাট্যম চাবলৈ দৌৰ মাৰিছে, সেই কেইজনকো চুই-ছেগৈ। বিহুৰ দিন, তোমালোক গাভৰুবোৰৰ যিবিলাকে চুৰিদাৰ, শাৰী এৰা নাই, যি বিলাকে লিপ্ ষ্টিক, নেইল পলিচ এৰা নাই তেওঁলোককো চুইছেগৈ। চোৱক। তালৈ যদি আমাৰ মুধাফুটা কেইজনৰ কাণসাৰ নাই তেন্তে তোমাৰ মোৰ কথানো কি? মিছাতে গাই-বাই থাকিলে খোলাকটিৰ তালেহে হ'ব।

মুঠতে কবলৈ গলে সোণপাহী আমাৰ সমাজে উন্নতিৰ পথত বাট বোলাৰ লগে লগে অতীতৰ সকলো কলা-কৃষ্টি পাহৰি গৈছে''। অসমীয়াৰ নিজৰ কৃষ্টি-সংস্কৃতিক অৱমাননা কৰিছে। ছিঃ ছিঃ, এটা সুমহান অসমীয়া জাতিৰ কি অধঃপতন।


তুমি ঠিকেই লিখিছা সোণপাহী, ঠিক লিখিছা—কিন্তু তোমালোকে গাঁৱত থাকি ইমান সুবিধা পাই কৰিছা কি? কিয় যোৱাবাৰ তোমাৰ লগৰ লাটুৱে বিহুৱান নবৈ এম্পৰিয়ামলৈ গামোচা বিচাৰি গৈছিল। কিয় ঢেঁকী থাকোঁতেও ঢেঁকীত চিৰা-সান্দহ নুখুন্দি কবিতাই নানা ধৰণৰ মিঠাই আনিৰে বিহু খেদালে। কিয় অলকে চুৰীয়া থাকোঁতেও লংপেন্ট, লুঙী পিন্ধি হুচৰি গালে। বাকচত গামখাৰু, চিপাত মণি থাকোতেও কিয় তুমি যোৱাবাৰ বিহুৰ আগদিনা লাৰে লাংপা চুৰি এসোপা কিনি হাতত পিন্ধি লৈছিলা? কিয় ?? কিয় ??? উত্তৰ দিয়া সোণপাহী। যদি তুমি ইয়াৰ উত্তৰ দিব নোৱাৰা বা দিবলৈ অক্ষম তেন্তে তুমি মোকো ক্ষমা কৰিবা। কাৰণ তোমালোকতকৈ মই বেছি নিৰুপায়, অক্ষম। গাঁৱত অসমীয়া বিহু পতাৰ দৰে চহৰত পাতিবলৈ তেনেদৰে সুবিধাও নাই, পৰি-বেশো নাই আৰু সেইমতে চলিবও নোৱাৰো। কিন্তু তোমালোকে পাৰা, তোমালোকৰ সুবিধা আছে -- ইমান সুবিধা থাকোতেও যেতিয়া তোমা-লোকে বিহুটোক আধা খৰাকৈ পাতি অৱমাননা কৰা, তাতনো আৰু আমাগৈ বাকী থাকিল কি? তোমালোকৰ দৰেতো আমাৰ সুবিধা নাই। তুমিতো জানাই সোণপাহী, বৰ্তমান সমাজ কোন পথে বাট বুলিছে—আৰু এই সমাজৰ মুধাফুটা সকলেনো কোন পথে বাট বুলিছে। সেয়েহে কওঁ সোণপাহী, আমি কেৱল ইজনে সিজনৰ গাত দোষ দি দি দিন কটালেই নহ'ব, আমি প্ৰত্যেকেই সজাগ হ'ব লাগিব। আমি প্ৰত্যেকেই অসমীয়াৰ কলা-কৃষ্টি জীয়াই ৰাখি-বলৈ চেষ্টা কৰিব লাগিব, আগবাঢ়ি আহিব লাগিব।

বেছি নিলিখোঁ আৰু সোণপাহী বিহুৰ দিনাই তোমাৰ শুভেচ্ছাপূৰ্ণ চিঠিখনি পাই ভাল লাগিল। শেষত পুনৰ মৰম আৰু শুভেচ্ছা লবা। ইতি—


তোমাৰ
'পুতুল'



সম্পাদক, শ্ৰীমহেশ গদুকা




শ্ৰীপীতাম্বৰ চৰামৰীয়া,
সদস্য ( সম্পাদনা সমিতি )



শ্ৰীহেৰেম্ব প্ৰসাদ ভুঞা,
সদস্য ( সম্পাদনা সমিতি )



শ্ৰীমতী মধুছন্দা শইকীয়া,
১৯৮৬-৮৭ চনৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা গায়িকা



শ্ৰীমতী মীনু গগৈ,
১৯৮৬-৮৭ চনৰ শ্ৰেষ্ঠা দৌৰ বীৰাঙ্গনা

# কবিতা

## শান্তিৰ কপৌজনী

ডাঃ জামাল আহমেদ
মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়া

"কাণ্টাৰিকাৰ পৰা অনা
শান্তিৰ চাইপ্ৰেছ গছজোপা মৰিল।"
বৰকটকীয়ে খবৰটো দিলেহি।

ৰুগ্ণ দি থকা কপৌজনী
কেনিবাদি উৰি গ'ল—
তাই আৰু ঘূৰি নাহে।

মিছিচিপিৰ পাৰৰ
জয়াল গাঁওখনৰ চিকাৰীজনে
বাৰুদৰ হিলৈ এটা—
এনেয়ে ফুটাইছিল—
এটা প্ৰকাণ্ড শব্দ ;
কপৌজনী দিশহাৰা হ'ল,
পাখি দুখন তাইৰ শ্ৰান্ত
দেহমন অতি ক্লান্ত।

ভল্‌গাৰ পাৰৰ বটগছজোপাৰ
কোঁহ কোমল পাতবোৰ দেখি
গছৰ ডালতে বহিল—
'তলত দেখোন আছে
নিঠুৰ নিষাদ— ?"
তাইৰো আছে—
প্ৰাণৰ মায়া জীৱনৰ স্বাদ!

তাহানি কালৰ
হোৱাংহোৰ তীৰত ৰুই থোৱা
বোধিবৃক্ষৰ ছাঁত
ৰুগ্ণ দিব খুজিছিল ;
ড্ৰেগনৰ চোকা দাঁতবোৰ দেখি
বুকুৰ মাজৰ ৰুগ্ণবোৰো
নাইকিয়া হ'ল।

বৰ লুইতৰ মৰমী পথাৰখনলৈ
একেছাতেই উৰা মাৰি গ'ল
শিলিখা গছৰ ডালত পৰি,
ৰোৱাৰ কথা ভাবিলে—
ইয়াতো যেন আছে
পোৰা মাটিৰ আবেলি আবেলি গোন্ধ!

ক'ত বাৰু লগ পাওঁ মই
ৰুগ্ণ দি মাতা—
মোৰ পৰাৎপৰ ঃ পুৰুষোত্তম।

মই তালৈকে ওলটি যাওঁ,
মহাকাশৰ—
ৰংহীন এখন নেদেখা দেশলৈ
মই তালৈকে ওলটি যাওঁ !!! *

* সম্পাদকৰ অনুৰোধক্ৰমে ডাঃ আহমেদে এই কবিতাটি আগবঢ়াইছে।

## পোহৰৰ সন্ধানত

শ্ৰীবাবুল চন্দ্ৰ গগৈ
দ্বাদশ শ্ৰেণী (কলা শাখা)

অমাৱস্যা নিশাৰ দৰে
ঘোপমৰা আন্ধাৰত
খেপিয়াই খেপিয়াই
ফুৰিছোঁ ঘূৰি
গভীৰ নিজানত,
এমুঠি পোহৰৰ সন্ধানত
এমুঠি হাঁহিৰ সন্ধানত।
কেতিয়াবা উফৰি পৰোঁ
আন্ধাৰত উজুটি খাই
হেৰাই যায় সাৰথি স্বৰূপ
হাতৰ লাখুটিডাল,
তথাপি বিচাৰি যাওঁ
এজাক পোহৰ
উজ্বল ভৱিষ্যত
জীৱন বাটৰ।

থিয়দি উঠিব পাৰিছোঁ ভাগৰি
পিছলি হেৰাই যায়
ভৰিৰ খোপনি
বিচাৰি পোৱা নাই
সাৰথি লাখুটি
যাওঁ বগুৱা বাই
চুচৰি চুচৰি
আন্ধাৰৰ বুকু ভেদি
তথাপি উলিয়াম
উজ্বল এটি জ্যোতি।

পোহৰ তুমি ক'ত
ক'ত ফুৰিছা ঘূৰি
লুকা-ভাকু খেলি
আন্ধাৰৰ বুকু ফালি
কেতিয়াবা দৃষ্টিত
ফুৰিবা ওপঙি ?
তোমাক বিচাৰি
শৰীৰৰ মাংসবোৰ যেন হ'ল
ছেদেলি ভেদেলি
চুচৰি চুচৰি
ছালও যেন এৰাই গ'ল
আন্ধাৰৰ মাজে মাজে
মোৰ যাত্ৰা পথত।

বিষাদ মলিন মন
বেদনাৰে আবৰা
এমুঠি জোনাকৰ অবিহনে,
সেয়ে সন্ধান মোৰ
এজাক পোহৰৰ
মিঠা হাঁহিৰ।



## ভাবৰ তাড়নাত

শ্ৰীকুশৰাম গগৈ
একাদশ শ্ৰেণী (বিজ্ঞান)

মায়াতেই জোনাক জ্বলে
আৰু পলাশ ফুলে
হয়তু আলোকিত
নতুবা ৰঙীন..................
আকাশৰ জুই
নতুবা ৰঙানদী বোৱাবলে।

মইযে মায়াতুৰ
জাল পেলাইছোঁ
নতুবা ভোকাতুৰ ভিক্ষাৰী
পিয়াতুৰৰ মৰীচিকা
খেদি ফুৰিছোঁ।

দিঠকৰ ৰঙা ৰ'দে
বহ্নি শিখা হৈ
খেদি আহিছে
লেলিহানৰ দৰেই
মুক্তিৰ তাড়নাত
দৌৰিছোঁ, জানোচা সময়ে বুজে।

ৰুদ্ধশ্বাস গতিত
টাকুৰি ঘূৰি
বাকৰুদ্ধ হৈ পৰিছোঁ
নিতে, অজানিতে
মায়া বিমোহিনীত
বিলীন হৈ গৈছোঁ।

## মোৰ দেশ বুলিলেই

শ্ৰীধীৰেন বৰগোহাঁই
স্নাতক মহলা

মোৰ দেশ বুলিলেই
আঠত্ৰিশটা ভুঁইকপ
ফুটা নুফুটা ভয়াৰ্ত স্বৰ।
মোৰ দেশ বুলিলেই
গান্ধীৰ যঁতৰ গতি
মহাত্মাৰ উৰণীয়া স্বপ্ন।
মোৰ দেশ বুলিলেই
যুধিষ্ঠিৰৰ মূল্যবোধ
শিয়ালৰ আৰাও।
মোৰ দেশ বুলিলেই
মহাত্মাৰ অহিংসা স্বৰৰ
ৰাম ৰাজ্যৰ বেপেৰুৱা ধ্বনি।
মোৰ দেশ বুলিলেই
নিস্ব ভয়াৰ্ত জনতাৰ
লৌহ হৃদয়ৰ মিচিল।
মোৰ দেশ বুলিলেই
নাঙঠ শিশুৰ ৰাজপথ
কাৰ্টুন মানে বস্ত্ৰহীন শিশুৰ সমদল।
মোৰ দেশ বুলিলেই
কেঁচা মাটিৰ অবিহনে
মৈদামৰ গহবৰৰ সহ্যহীন উত্তাপ।
মোৰ দেশ বুলিলেই
ফুটা নুফুটা ভয়াৰ্ত স্বৰ।

## আজি সময়ৰ কবিতা

শ্ৰীঅৰুণ গগৈ
স্নাতক মহলা

কুৰি শতিকাৰ শেষ প্ৰান্তত থিয় হৈ
মনত প্ৰশ্ন জাগে,
কনপিতৌৰ মাক শীতত কিয় ঠেৰেঙা লাগে ?
যাৰ জীৱনত আৰু কোনো কালেই
ফাগুনৰ ৰং নালাগে ।

তাহানি যুগতে লোৱা এখন কম্বল;
ফাটি উৰলি যোৱা,
অলপ টনা-টনিতেই ফিচিকা ।

মোৰ দেশৰ মানুহে, প্ৰগতিৰ
প্ৰগতিৰ গতিৰ যুগত
এনেকৈয়ে দিন পাৰ কৰে ।

'ঐক্য, শান্তি আৰু প্ৰগতি'ৰ বাণীয়ে
অহৰহ তেওঁলোকৰ কাণত বিন্ধে,
তথাপি পেটৰ পোৰণি নমৰে ।

সেয়ে অসহ্য যন্ত্ৰনাত ওলোৱা
কেঁকনি, গেঙনিবোৰে
মিছিল কৰি আগবাঢ়ে,
ভাঙি গঢ়াৰ বীজ সৰ্বত্ৰ সিঁচিবলে । ●

## নতুন যুগৰ সৃষ্টি

শ্ৰীঅৱনী কুমাৰ পমুং (শ্যাম)
স্নাতক মহলা (কলা)

আন্ধাৰ নেলাগে মোক
জ্যোতি লাগে
ধ্বংস নেলাগে মোক
সৃষ্টি লাগে ।

বিশালতা নেলাগে মোক
গভীৰতা লাগে
নিৰ্জীৱতা নেলাগে মোক
সজীৱতা লাগে ।

মই বিচাৰো এটি জোঁৱাৰ
সাগৰৰ নীৰৱতা ভাঙিবলৈ
আৰু বিচাৰো এটি প্লাৱন
পৃথিবীৰ কলুষতা ধুই নিবলৈ ।

প্লাৱনে জোঁৱাৰে সৃষ্টি হওক
এক নতুন দিনৰ
নতুন দিনৰ সুৰুযৰ জ্যোতিৰে
সৃষ্টি হওক
এক নতুন যুগৰ । ●

## গল্প



## তেজ

জুৰি দেৱী
স্নাতক ২য় বাৰ্ষিক (কলা)

টং······টং····· টং······বাৰটা কোব মাৰিলে বাগানৰ চকীদাৰটোৱে। কাঁহৰ ঘণ্টাৰ প্ৰতিটো শব্দই বাহিৰৰ নিৰ্মল জোনাকলৈ চাই থকা হেমাৰ বুকুত বাৰে বাৰে খুন্দা মাৰিলে। হেমাই অসহ্য যন্ত্ৰণাত বুকুখন খিৰিকীৰ ৰড কেইডালত হেঁচি ধৰিলে। এই কেইদিনতকৈ আজি যেন বিষটো কিছু বেছি ।—নাই, এনেদৰে থাকিলে নহব। কালিলৈ ডাঃ অমৃত বৰুৱাৰ ওচৰলৈ যোৱা ভাল হ'ব । বহুত পৰ ভাবি চিন্তি শেষত ডাক্তৰৰ ওচৰলৈ যোৱাৰ সিদ্ধান্ত লৈ হেমাই ভাবিলে প্ৰথমতে বিষটো ক'ত আৰম্ভ হৈছিল সেইটো ডাক্তৰক কবই লাগিব । এৰা বিষটো কেতিয়া আৰম্ভ হৈছিল বাৰু ? বিষটোৰ উৎস বিচাৰি হেমা গুছি গ'ল কুৰি বছৰ আগলৈ·········।

·······অসম মেডিকেল কলেজ। নানা ৰোগী, ডাক্তৰ, নাৰ্চ, ছাত্ৰ-ছাত্ৰী আদিক বুকুত সাৱটি স্থবিৰ হৈ আছে এই মেডিকেল কলেজ। তাৰ মাজত হেমাও এবাৰ সোমাই পৰিছিল আগন্তুক মাতৃ হিচাপে। হেমাই তাতেই লগ পাইছিল বিচিত্ৰ ধৰাৰ বিচিত্ৰ মনৰ মানুহ কিছুমানক । তাৰেই কিছুমানৰ মৰমত হেমাৰ অন্তৰ গলি গৈছিল আৰু আন কিছুমানৰ নিষ্ঠুৰতাত অন্তৰ আঘাটত জৰ্জৰিত হৈ পৰিছিল। এইবোৰৰ মাজেৰেই হেমাৰ মাতৃ হোৱাৰ আশা সফল হৈছিল এটি কন্যা সন্তান লাভেৰে। অপাৰেচনৰ পাছত জ্ঞান অহাত হেমাই শুনিছিল তাইৰ এটি কন্যাৰত্ন লাভৰ কথা । গভীৰ তৃপ্তিত হেমাই চকুহাল মুদি দিছিল । তৃপ্তিৰ আমেজ সনা চকুৰ পটাত হেমাই মানস পটৰ ছবিৰ প্ৰতিফলন ঘটাই ৰঙীণ ভবিষ্যতৰ সপোন দেখিছিল । সপোন ক্ৰমান্বয়ে আগবাঢ়িছিল·········"হেমাৰ মানস

## প্ৰেম নামৰ হৰিণা

মিছ্ মধুছন্দা শইকীয়া
স্নাতক শিক্ষান্ত বাৰ্ষিক

প্ৰেম নামৰ হৰিণাটি
লয়লাস ভংগী তাৰ,

ঝুন্ ঝুন শব্দেৰে অগাদেৱা কৰি থাকে
মোৰ হৃদয় জাৰণিৰে ।

কেঁটেলা পহৰ দুটি এটি কাঁইটেৰে
হঠাতে ৰাঙলী কৰি,

হয়তোবা ক'ব খোজে
কাঁইটতে গোলাপ ফুলে ।

## বিষ্ণুৰাভাৰ স্মৃতিত

শ্ৰীমতী ৰঞ্জুমনি শইকীয়া
উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক
( কলা শাখা )

বাটটো সেমেকি আছিল নিয়ৰেৰে
বৰষা গৰকা ৰোৱনীজাকে
গধুৰ বুকুত
আঘোণৰ তৰাফুল বাচিছিল ।

নামঘৰৰ ভোৰতালযোৰ ৰজনজনাই
দুহাতে দুজাক ধুমুহা লৈ
মানুহজন পাৰ হৈ গৈছিল

ক্ৰমে কুঁৱলিত লুকাই পৰিছিল
দোকমোকালিৰ সাগৰখন

---

...লোচনাক দুৰ্বল জনে ভয় কৰে, মূৰ্খই উলাই কৰি দিয়ে, জ্ঞানীজনে বিচাৰ কৰি চায় ...ক দক্ষজন ইয়াৰ দ্বাৰা পৰিচালিত হয় ।

— মেদ, ৰলান্দ

'জীৱনক কালজয়ী ৰূপ দিবলৈ যাওঁতে দুস্কৃতিৰ সৈতে যুদ্ধ আছেই । তাৰ বাবে লাগিব বীৰত্ব ।'

—ড০ হীৰেণ গোহাঁই

'ওৰে ৰাতি টোপনি খতি কৰি চাকিয়ে চাকিয়ে তেল পুৰি মই কবিতা লিখোঁ । পুৱা সেই কবিতা পঢ়ি যদি কোনেও মোক প্ৰশংসা নকৰে তেন্তে মই কবিতা লিখিবলৈ প্ৰেৰণা পাওঁ ক'ৰ পৰা ? মই প্ৰশংসা বিচাৰোঁ । আমাৰ অসমীয়া মানুহে গুণীজনক প্ৰশংসা কৰিবলৈ শিকা নাই ।'

—ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ

# বিদ্ৰোহ

অঞ্জুমণি পাল
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

এদিন
দুদিন
আৰু কিমান দিন ?
পৰাধীনতাৰ শৃংখল ভাঙি
মুক্ত হ'ব সিহঁত।
সিহঁতে বিদ্ৰোহ কৰিছে
এটুকুৰা ৰুটিৰ বাবে।
এমুঠি ভাতৰ বাবে।
সিহঁতে চিঞৰিছে ···
চিঞৰত কামিহাড় ওলাইছে
তথাপি চিঞৰিছে ···
সিহঁতৰ বিদ্ৰোহ শোষণৰ বিৰুদ্ধে
মুখৰ ভাত কাঢ়ি নিয়াৰ বিৰুদ্ধে
সিহঁতে চিঞৰিছে—
আমাক মুক্তি লাগে।

---

পৃথিবীৰ সকলো মহৎ বস্তুৱেই নগ্ন আকাশৰ দৰে নিকুঞ্জন, সহজ, সৰল আৰু নিৰ্মল।

—চন্দ্ৰপ্ৰসাদ শইকীয়া

দেৱতা আশীৰ্বাদ দিবলৈ তেতিয়া বোবা হৈ থাকে যেতিয়া আমাৰ হৃদয় তেওঁৰ বাণী শুনিবলৈ কলা হৈ থাকে।

—শ্ৰীৰাম শৰ্ম্মা আচাৰ্য্য

বিবেচনা শক্তিয়েই হ'ল সাহসৰ সাৰ বস্তু,

—চেক্সপীয়েৰ

'মোৰ কবিতাৰ ছন্দ লাগি স্পন্দন তোৰ জাগেনে।
কথা মালিতাৰ গন্ধ লাগি তোৰ সোণৰ সপোন জাগেনে।'

অসমীয়া 'উদৰ মহলা'ত 'জ্যোতি' মধ্যাৰ 'কল্লোল'ত 'মন আৰু মৰম' এক কৰি দিছিলো। তেতিয়া তোমাক সুধিছিলো 'কল্পনাৰ দেউতা নাতি আৰু যাত্ৰী'ৰে এখন 'ঘৰ সংসাৰ' পতাত তোমাৰ মত আছেনে? সেইসময়ত তোমাৰ মুখত 'উত্তৰ শূন্য' আছিল। তেতিয়াই মই বুজিছিলো মই যেন 'উপপথে' গৈছো। আজি মোৰ মনৰ 'আদালত'ত 'পাপ আৰু প্ৰায়শ্চিত্ত'ৰ 'শেষ বিচাৰ' হৈছে। সেইহেতু 'বনজুই' জ্বলিছে। 'অনুতাপ' হৈছে 'সোণমা'। 'ওপজা সোণৰ মাটি'ত 'খোজ'ৰ চিন দেখি কল্পনাৰ 'কাঁচঘৰ' সজাৰ 'পৰিণাম' কি বুজিছো। সেয়ে আজি 'ধুমুহা'ত 'সৰাপাত'ৰ দৰে আহি 'পৰঘাট'ত আশ্ৰয় লৈছোহি। মই আজি 'নিয়তি'ৰ লগত 'সংগ্ৰাম' কৰিবলৈ শিকিছো 'কেঁচাসোণ'। 'মানৱ আৰু দানৱ'ৰ মুখা-খুলি 'মিমিলা অঙ্ক' মিলাব বিচাৰিছো। জানা 'আমাৰ ঘৰ'তেই মই 'মাটিৰ স্বৰ্গ' ৰচিম। এইটো মোৰ 'অভিমান'। তুমিতো 'নিদাৰ চকুলো'বোৰ দেখা নাই।

বাৰু থাওক সেইবোৰ। 'ভাইটি'ৰ খবৰ কি? 'গঙ্গাচিলনীৰ পাখি' বিচাৰি 'বিভ্ৰাট' ঘটোৱা নাইতো? আজি-কালি 'অকণে' 'পোনা-কন'ৰ লগত 'বনৰীয়াফুল' চিঙি ফুৰেনে? 'মাক আৰু মৰম'ৰ মাজত ডাঙৰ হোৱা সিহঁত এৰ আত্মসুৰা 'সন্তান'। সিহঁতৰ 'মৰম চুমা' গ্ৰহণ। 'খ' জানা সিদিনা 'ৰাজা'ক লগ পাইছিলো। তাৰ মুখতে 'কাজিৰঙাৰ কাহিনী'ও শুনিলো। 'শ্ৰীমতী মহিমামণী' আজি-কালি ক'ত? 'শ্ৰীশ্ৰীমা কামাখ্যা'ৰ দৰে গহীন হৈ প'ল নেকি? তোমালোকৰ ঘৰত থকা 'ৰতন লাল' আজি-কালি আছেনে? 'ধৰ্মকাই'য়ে তাক ৰব জোকাইছিল। 'চামেলি মেমচাব'ৰ কথা কলেই তাৰ গালিৰ 'বুলিট' পৰে। 'মিনতি', 'মইনামতী', 'অপৰী', 'কনুমী'হঁতে এতিয়াও 'ৰঙাপ্লিচ' দেখিলে ভয় কৰেনেকি বাৰু? 'তৰামাই'ৰ লগত 'শকুন্তলা'ই চুমিলাচুলি লাগি-ছিল নহয়। এতিয়া মাতবোল কৰেনে নাই? তোমালোকৰ গাঁৱৰ 'ভক্ত প্ৰহ্লাদ' কেনে আছে। মদপানী এৰিলে নাই? তাৰ সেই 'যোগ-বিয়োগ'ৰ আৰু নজনা 'অপৰূপা' 'ৰুক্মিণী' তিক্ততাজনীক কম মাৰধৰ কৰিছিল নে বাৰু। মানুহটোৰ অন্তৰত অলপো 'মমতা' নাই।

আজিলৈ আৰু বেছি নিলিখো। শেষত তোমাৰ 'ভৱিষ্যত জীৱন' 'মন প্ৰজাপতি'ৰ বাক্কোনেৰে বাৰু খাই 'পলাশৰ ৰং' যেন হওক। 'এৰাবাটৰ সুৰে' আৰু আজি মোৰ দেহৰ 'অনিৰ্বাণ' বনজুইক উজনা নকৰে।

ইতি

তোমাৰ 'চিনাকি'

অসময়: 'ৰহাপৰ দুপৰীয়া'

কপালত 'সেন্দুৰ' আঁকি 'মানসকন্যা'জনীৰ দৰে 'যোৱাৰী' সাজত ধৰা ফটো এখন পঠাবাচোন।

[illegible] 'হাদমৰ পয়োধ[illegible]'ত [illegible]

পৰিক[illegible] [illegible] 'কোৱাৰী' হৰ[illegible] [illegible] তাহানিৰ

[illegible]

[illegible] আজলী নো' হবা । [illegible]

[illegible]

[illegible] -পিটো বহুতো কথাই মোক 'মাটি-

[illegible] প্ৰথিমা'ত [illegible]

[illegible]

[illegible] 'চাকনৈয়া'ত পৰিলা ।

[illegible] না কৰিছিলো

[illegible] ডিৰ্‌গাৰ্গ' [illegible]

[illegible] তোমাক [illegible] সংবাদ [illegible] 'কোৱাৰী'

[illegible] কৰিছিলো [illegible]

[illegible] ডাঃ বেজবৰুৱা'ৰ

[illegible] ওচ [illegible]

[illegible]

[illegible] আপোনাক [illegible]

[illegible] 'আসামী' [illegible]

[illegible]

কন্যাজনীৰ হাঁহিভৰা শুৱনী মুখলৈ ক্ৰমাৎ পৰিবৰ্ত্তন আহিল । অৰ্থবিহীন হাঁহিটোলৈ ভাষাৰ আগমণ হ'ল অবুজ চাৱনিৰে কথা কোৱা হ'ল·········। সু-সজ্জিত ৰঙা তলিত মৰম লগা, কোমল বয়সৰ ছোৱালীজনী কইনা সাজি বহি আছে । তাইৰ চকুত যেন লাজ আৰু বেজাৰৰ মণি-কাঞ্চন সংযোগ ঘটিছে । এটা সময়ত সেই কইনাজনীৰ কাষত বহিলহি এটি দেৱকুমাৰ·········।' ঢং·····নিশা এক বজাৰ সংকেত ভাঁহি আহিল । হেমাৰ বুকুত বিষটোৱে আকৌ খুন্দা মাৰিলে । তাই দুৱাৰ খুলি বাৰান্দাৰ চকীখনত বহিল । হেমাই ভাবিলে তাই অতীতৰ সেই সপোনটোকে বাস্তৱ কৰিব বিচাৰিছে, কিন্তু তাইৰ সপোনৰ নায়িকা স্বয়ং তাইৰ ছোৱালী নিশাই সেই সপোন ভাঙি থান-বান কৰি দিছে । মাক হেমা আৰু দেউতাক বৰুণ চক্ৰৱৰ্ত্তীয়ে নিশাৰ বাবে ইঞ্জিনিয়াৰ পুলকেশ বৰঠাকুৰক জোঁৱাই কৰিব বিচাৰিছে । কিন্তু নিশাই বিচাৰিছে ৰং তুলিকাৰ শিল্পী দুখীয়া প্ৰীতম কৌৰক । মাক-দেউতা-কৰ চেনেহৰ নিশাৰ জীৱনলৈ দাৰিদ্ৰতাৰ অমানিশা অহাৰ ভয়ত, জাতি-ধৰ্ম্মৰ নামত থকা সামাজিক বান্ধোন চিঙাৰ অপৰাধত অপৰাধী হোৱাৰ ভয়ত মাক-দেউতাক চিন্তাত জৰ্জ্জৰিত । নিশা কিন্তু অলৰ-অচৰ । তাই একো বাধাকে মানিব নোখোজে । নিশাই আজি তাইৰ শেষ অভিমত স্পষ্টকৈ জনালে যে—তাই প্ৰীতমক ভালপায় । সিহঁতৰ মৰমত তাই কলংক সানিব নোখোজে । সিহঁতে মানৱতা বিচাৰে । নিশাৰ এই অভিমত শুনাৰ পাছত হেমা আজি শুব পৰা নাই । বুকুত অসহ্য যন্ত্ৰণা । এই সহ্যাতীত বিষৰ উপশম হওক বুলি হেমাই আকাশলৈ চাই পঠিয়ালে । আজি বোধকৰো পূৰ্ণিমা । ধুনীয়া জোনটোলৈ চাই হেমাই ভাবিলে মৰমতে তেওঁলোকে বহুত নাম দি নিশাক মতাৰ দৰে জোনটোৰো যে কিমান নাম জোন, চন্দ্ৰ, শশধৰ, সুধাকৰ, নিশাপতি, ········ ইন্দু·········। ইন্দু·········বুকুখনৰ—বিষটো যেন অলপ আঁতৰি গৈছে । হেমাই আকৌ জোনটোলৈ চালে । এবাৰ হেমাই আকাশত এখন হাঁহিভৰা মমতাময়ী নাৰীৰ মুখ দেখা পালে । হেমাই ভাবিলে কোন সেই নাৰী ? বিজুলী চমকৰ দৰে মনত পৰিল সেই নাৰীও ইন্দু । কিন্তু শিল, বালি মাটিৰে গঠিত বতাহ, পানী নোহোৱা ইন্দু নহয় । সেই ইন্দু তেজ মঙহৰ এগৰাকী মানৱ দেৱী । সেই নাৰীৰ বাবেই হেমাই জীৱন পালে । জীয়াই থাকিল নিশাৰ মুখৰ মৰমৰ মাত 'মা' শুনিবলৈ । হেমা পুনৰ অতীত সাগ্ৰা-জলৈ ঘূৰি গ'ল । অতীতৰ স্মৃতি ৰোমন্থন কৰি অপলকনেত্ৰে চাই ৰ'ল সুবিশাল আকাশলৈ । মনত পেলালে ডাঃ ইন্দু ধিলনৰ স্মৃতি ।

··· ··· ··· নিশাৰ জন্মৰ পাছত হেমাই অসহ্য যন্ত্ৰণাত হাত-ভৰি মাৰি দিয়াত হাতৰ 'চেলাইন' উফৰি গৈছিল । হেমাৰ অৱস্থা সংকটজনক হৈ পৰিল । পুনৰ 'চেলাইন' ভৰাবলৈ এডাল শিৰাও বিচাৰি পোৱা নগৈছিল । আতংকিত হৈ ডাঃ ইন্দু ধিলনে হেমাৰ শৰীৰত হাজাৰ হাজাৰ খোচ দি শিৰা বিচাৰি অৱশেষত চেলাইন ভৰালে । হেমাৰ দেহত বহুওৱা প্ৰতিটো খোচেই ডাঃ ইন্দু ধিলনৰ অন্তৰত আঘাট কৰিছিল । এটা সময়ত হেমাৰ বাবে তেজৰ প্ৰয়োজন হৈছিল । কিন্তু তেজৰ গ্ৰুপ নিমিলাত অৱস্থা বিপদজনক হৈ পৰিছিল । শেষত ডাঃ ইন্দুৱে নিজৰ তেজ পৰীক্ষা কৰিবলৈ বহি অজান শক্তিক মিনতি জনাই কৈছিল—'হে ভগবান তেজ একে কৰি দিয়া ।' ৰিপোৰ্টত ভগৱানে সঁহাৰি জনালে । ডাঃ ইন্দু ধিলনৰ তেজেৰে বাচি উঠিল হেমা চক্ৰৱৰ্ত্তী । ৰাতি জ্ঞান ঘূৰি অহাৰ পাছত এক গভীৰ ক্লান্তিৰ অৱসান হোৱা যেন লাগিছিল হেমাৰ । চকুমুদি বেডখনত অলৰ-অচৰভাবে পৰি থাকোতে হঠাতে কাৰোবাৰ মৃদু পদধ্বনি শুনি চকুমেলি দেখা পালে—দুহাতেৰে আঠুৰাখন ডাঙি ধৰি আছে সকলো ৰোগীৰে মৰমৰ ডাঃ ইন্দু ধিলন । যাক দেখিলে ৰোগীৰ ৰোগ উপশম হয়, সেই ডাঃ ইন্দুৰ মুখলৈ চাই হেমাই দেহৰ সকলো যন্ত্ৰণা পাহৰি গৈছিল । তাই অবাক হৈ সুধিছিল—'ডাঃ এই ৰাতি আপুনি··· ··· ??' মিচিকিয়া হাঁহি এটা মাৰি ডাঃ ইন্দু তাইৰ বেডখনৰ কাষত বহি কোমল হাতখনেৰে তাইৰ চুলিবোৰ লিৰিকি-বিদাৰি কৈছিল—'মই শুব পৰা নাই । আজি আপোনাৰ অজ্ঞানতাৰ সুযোগ লৈ আপোনাৰ দেহত মই অসংখ্য খোচ বহুৱালো । সেইবোৰে জাৰৰ দিনত বৰ কষ্ট দিব । তেতিয়া মনত পৰিব নিষ্ঠুৰ হৃদয়ৰ ডাঃ ইন্দুলৈ ।' কথা কেইষাৰ কওঁতে ইন্দুৰ চকুহাল পানীৰে উপচি পৰিছিল । হেমাই হাঁহি মাৰি কৈছিল— 'মোক জীয়াই তুলিবলৈহে আপুনি ইমান কষ্ট কৰিলে । মই সদায় আপোনাৰ কথা মনত ৰাখিম, কিন্তু নিষ্ঠুৰ হিচাপে নহয়, এগৰাকী মানৱসেৱী স্বৰূপেহে ।' কিছু সময়ৰ পাছত ডাঃ ইন্দু ধিলন যাবলৈ উঠি কৈছিল—'আপুনি এতিয়া নিচিন্তমনে শুই থাকক । কালিলৈ ডিউটিলৈ আহোতে প্ৰথম আপোনাক দেখা কৰিম । এতিয়া আহোঁ । গুড নাইট ।' বাহিৰৰ আন্ধাৰৰ লগত মিলি গৈছিল বগা সাজ পৰিহিতা ডাঃ ইন্দু ধিলন । তেতিয়া কিন্তু হেমাই জনা নাছিল ডাঃ ইন্দুৱে তেজ দিয়াৰ কথা । পাছত সেইকথা শুনি হেমাই কিহৰ বাবে নাজানে কান্দি উঠিছিল । সেই কান্দোন দুখৰ নে আনন্দৰ হেমাই আজিও



বুজি নাপালে । হেমাই বুজা নাছিল কিয় ডাঃ ইন্দুৱে তাইক ইমান মৰম কৰিছিল । কিয় এজনী অসমীয়া ছোৱালীক পঞ্চ নদীৰ তীৰৰ কন্যা ডাঃ ইন্দু ধিলনে নিজৰ তেজৰ বিনিময়ত জীৱন দান কৰি তৃপ্তি লভিছিল । এই কথাবোৰ হেমাই বুজিব খুজিও বুজিব নোৱাৰে । দুখ-সুখ ভৰা অতীতৰ স্মৃতিবোৰে হেমাক আনমনা কৰি তুলিলে ।

ঢং ··· ঢং ··· ··· ৰাতি দুই বাজিল । হেমাই নিশাৰ ৰুমটোৰ ফালে চাই দেখিলে তেতিয়াও হাই পাৱাৰ লাইটটো জ্বলি আছে । হেমাৰ চকুযোৰে অজানিতে আলিটোৰ সিপাৰলৈ ভুমুকিয়াই দেখিলে প্ৰীতমৰ ঘৰটো ক্ষীণ পোহৰৰ ৰেঙনি । নিশা আৰু প্ৰীতম এটাও শোৱা নাই । হয়তো শুব পৰা নাই । উজাগৰী নিশা প্ৰীতমে হয়তো মানুহৰ মাজত থকা জাতি-ধৰ্ম, অৰ্থৰ প্ৰভেদবোৰক তুলিকাৰে সজীৱ কৰিছে আৰু নিশাই ছাগৈ সেই একেই বিষয়কে কবিতাৰ ছন্দত সজাই চকুপানী টুকিছে । হেমাই অনুভৱ কৰিলে সিহঁতৰ চকুৰ টোপনি তেওঁলোকেই কাঢ়ি নিছে । হেমাই পুনৰ আকাশলৈ চালে । জোনটো পশ্চিমলৈ গৈ আছে । এইবাৰ হেমাই জোনটোত ডাঃ ইন্দুৰ মুখৰ সলনি দেখিলে আকুল চাৱনিৰে নিশাৰ মৰম ভিক্ষাৰী প্ৰীতম কৌৰৰ মুখখন । প্ৰীতম কৌৰ ··· ··· সংসাৰত নিজৰ বুলিবলৈ কোনো নোহোৱা এই প্ৰীতমো পঞ্চনদীৰ পাৰৰ বংশধৰ । হয়তো কোনোবা ইন্দু তাৰ মাক । তাৰ দেহত কোনোবা মহান মাতৃৰ তেজ বৈ আছে । সেয়ে সি জাতি-ধৰ্মৰ ভেদাভেদ পাহৰি অন্তৰৰ সঁচা মৰম বিছাৰি হাবাথুৰি খাইছে । জোনটো আৰু কিছুদূৰ আগুৱাই গ'ল । বাৰান্দাৰ পৰা জোনটো নেদেখা হোৱাত হেমা চোতাললৈ নামি ৰজনীগন্ধাজোপাৰ কাষত ঠিয় হ'ল । ফুল-

জোপাৰ পাতৰ পৰা এটোপাল নিয়ৰ হেমাৰ হাতত পৰি তললৈ বাগৰি গ'ল। হেমাই হাতত এটা পিৰ্ পিৰণি অনুভৱ কৰিলে। লাহে লাহে পিৰ্ পিৰণিটো সমগ্ৰ দেহতে বিয়পি পৰিল। হেমাই অনুভৱ কৰিলে সেইটো তাইৰ দেহত প্ৰবাহিত তেজৰ পিৰ্ পিৰণি। ··· ··· তাইৰ দেহত যে মানৱদেৱী, পঞ্জাব কন্যা ইন্দুৰ তেজো মিহলি হৈ আছে। নাই নাই হেমাই প্ৰীতমক বিমুখ কৰিব নোৱাৰে। প্ৰীতমৰ অকৃত্ৰিম মৰমক অপমান কৰিলে ইন্দুৰ তেজক তথা সমগ্ৰ মানুহৰ তেজক অপমান কৰা হব। সেই অস্পৰ্দ্ধা তাইৰ নাই। ইন্দুৰ তেজ তাইৰ শৰীৰত আছে। তেন্তে তাই উদাৰ হব নোৱাৰিব কিয় ?? নিশা আৰু প্ৰীতমক উজাগৰে থাকিবলৈ দিব নোৱাৰি। ডাঃ ইন্দু থিলনে কোনেও উজাগৰে থকা বিচৰা নাছিল। হেমাইও নিবিচাৰে। বিচাৰিব নোৱাৰে। কাৰণ হেমাৰ দেহত ইন্দুৰ তেজ। প্ৰীতমো কোনোবা ইন্দুৰ সন্তান। মানুহৰ তেজক, সন্তানৰ তেজক হেমাই অপমান নকৰে। ঢং ... ঢং ··· ঢং ··· ঢং ··· কাঁহৰ ঘণ্টাই পুৱা চাৰি বজাৰ সংকেট দিলে। হেমাৰ ভাৱৰ পেণ্ডুলামেও নিশাক সু-প্ৰভাতত সু খবৰটো দিবলৈ সঁকিয়াই দিয়াত হেমাই চকুযোৰ মোহাৰি নিশাৰ ক্ষমলৈ বুলি খোজ আগবঢ়াওঁতেই দেখিলে পুৱাকাশ ৰাঙলী হৈছে। আকাশখন চাৰিওফালে ৰঙা ক্ৰমে ৰঙা হৈ আহিব ধৰিছে। হেমাই অনুভৱ কৰিলে সেইবোৰ যেন মানুহৰ তেজ। উচ্চ-নীচ একো বাধা নামানি দুৰ্বাৰ গতিৰে আগবাঢ়ি সকলো প্লাৱিত কৰি তুলিছে। হেমাই ভাবিলে এৰা, সকলো তেজেই ৰঙা। তাৰ আন একো প্ৰভেদ থাকিব নোৱাৰে। ৰঙা ··· ··· ৰঙা ··· ···· কেৱল ৰঙা ··· ··· ।

১৯৮৬-৮৭ চনৰ বাৰ্ষিক সাহিত্য প্ৰতিযোগিতাত গল্পত ১ম পুৰস্কাৰ প্ৰাপ্ত।



# দৰ্পচূৰ্ণ

মিচ্ মঞ্জুমনি পাল।
স্নাতক দ্বিতীয় বাৰ্ষিক কলা।

বাৰে বাৰে একেটা কথাকেই তাইৰ কাণত প্ৰতিধ্বনিত হবলৈ ধৰিলে। তাইৰ মনটো সেমেকি গ'ল। এতিয়াও যেন তাইৰ কাণত বাজি উঠিছে 'এই অমিয়া জানা যিবোৰৰ খাবলৈ এসাজ ভাতৰ টনাটনি, পিন্ধিবলৈ এজোৰ ভাল কাপোৰ নাই, তাঁহাতৰ আকৌ কিছে ভেম চাবা। বৰ বৰ কথাকৈ আনৰ পৰা প্ৰশংসা পাব বিচাৰে।' 'কাৰ কথা কৈছা মলয়া, মই যে একোৱেই বুজা নাই।' 'এহ এতিয়া আৰু' মোৰ কথা নুবুজাই হলা। এইযে বিজয়া।' হঠাৎ পাছফালে ঘূৰি চায় দেখে বিজয়া দুৱাৰৰ সম্মুখত নীৰবে ৰৈ আছে। লগে লগে তেওঁলোকৰ মাত কথাও যতি পৰিল।

বিজয়াই মৌনভাৱে থিয় হৈ সকলো কথা শুনি আছিল। পিতৃ-মাতৃ হীন বিজয়াই মাহীয়েকৰ আশ্ৰয়ত থাকি ডাঙৰ দীঘল হৈছিল। মাহীয়েকো অত্যন্ত দুখীয়া আছিল। মাহীয়েকে আনৰ কাম বন কৰিও তাইৰ পঢ়াৰ খৰচ যোগাৰ কৰিছিল। শ্ৰেণীত প্ৰথম হোৱা বিজয়াক শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী উভয়ে মৰম কৰিছিল। এইবোৰ মলয়াহঁতে কেতিয়াও সহ্য কৰিব নোৱাৰিছিল। তাইক সদায় হিংসাৰ চকুৰে চাইছিল। মলয়া আৰু অমিয়াৰ ৰূপৰ যেনেদৰে তুলনা নাই তেনেকৈ ধনৰো তুলনা নাই, কিন্তু গুণৰ ?

বিজয়া, মলয়া আৰু অমিয়া সকলোৱে পৰাই একেটা অঞ্চলত তথা একেখন বিদ্যালয়তেই পঢ়িছিল। ধনীৰ দুলালী মলয়া আৰু অমিয়াই আওপাকে বিজয়াক দুখীয়া বুলি সোঁৱৰাইও দিছিল। কিন্তু বিজয়াই সেইবোৰলৈ কৰ্ণপাতেই কৰা নাছিল। তাইৰ একমাত্ৰ উদ্দেশ্য আছিল পঢ়ি শুনি তাই ডাঙৰ মানুহ হব, ধনী হব।

চাওঁতে চাওঁতেই হাইস্কুল চুড়ান্ত বাৰ্ষিক পৰীক্ষাৰ ওচৰ চাপি আছিল। মলয়া আৰু অমিয়াই বহুবাৰ টেষ্ট দিও উত্তীৰ্ণ হব নোৱাৰিলে। বিজয়াই প্ৰথম বাৰতেই প্ৰথম হৈ সকলোৰে মন বিজয় কৰিলে। ঘৰৰ দুৰবস্থাৰ মাজেদিয়েই মাহীয়েকে ওচৰৰ কলেজ এখনত বিজ্ঞান শাখাত নাম লগাই দিলে। বিজয়াই এতিয়া আৰু মলয়াহঁতক লগ নোপোৱা হ'ল।

পাঁচবাৰ ফাইনেল দিয়াৰ পাছত ষষ্ঠ বাৰ ভগৱানৰ আশীৰ্বাদত দুয়োজনীয়ে মেট্ৰিকটো

কোনোমতে পাচ কৰিলে। এতিয়া আৰু তেওঁলোকক কোনে পায়। পূৰ্বৰ অহংকাৰ কমক চাৰি দুগুণে চৰিহে গ'ল। কলেজীয়া বতাহে মন প্ৰাণ চঞ্চল কৰি তুলিলে। প্ৰথম কলেজলৈ গৈ অনুপ নামৰ ফটুৱা ল'ৰা এটাৰ লগত মলয়াৰ বন্ধুত্ব ক্ৰমান্বয়ে অধিকৰ পৰা অধিকতৰ হ'ল। তেওঁলোকৰ মনত শতেক ভাৱৰ উদয় হ'ল। যেন তেওঁলোক পৰ্বত বাগৰি অহা বৰদৈচিলাহে।

'এই মলয়া বহুত দিন হ'ল পাই বিজয়াক দেখাই নাই। চোৱাছোন আমি একেলগেই আছিলো; কিন্তু বিজয়াই আজি B.Sc পাচ কৰি M.Sc পঢ়িবলৈ গ'ল। আৰু আমি ..................।' অমিয়াই বাকী কথাবোৰ উচ্চাৰণ কৰিবলৈ নাপালে। 'বাদ দিয়া অমিয়া, বাদ দিয়া হাজাৰ হলেও তাই দুখীয়া ছাল চিগা ভিকহুৰ ছোৱালী। আমাৰ মান মৰ্য্যদা তাইতকৈ বহু শীৰ্ষত।' 'জানা মলয়া বিজয়াই দেখিলে হয়তো কথাই নকব।' 'থোৱা থোৱা অমিয়া, তাই কথা নকলেও আমাৰ দিন চলি যাব।' 'Oh Sorry পাহৰিছোৱেই মলয়া, বিজয়া বোলে আজি কলেজলৈ আহিব ৰুমায় মোক ৰাতিপুৱাতেই কৈছিল।' 'ধেৎ 'কিয় আমাক পতাবলৈ নেকি অমিয়া। অফিচত তুমিও যে আৰু কি কথা কোৱা। অফিচত হেনো কিবা কাম আছে।'

'এই মলয়া, অমিয়া কত? তোমালোকক বিজয়া বাইদেউৱে লগ পাবলৈ অফিচৰ ওচৰত ৰৈ আছে।' সহপাঠী ৰুমাই খুউব শান্তভাৱে কথাবোৰকৈ পুনৰ গুচি গ'ল।

'অ বিজয়া, আমাক মাতি পঠাইছিলা নেকি? কিবা জৰুৰী কথা আছে যদি সোনকালে কোৱা আমাৰ ক্লাচ আছে।' মলয়াই খুউব গৰ্বেৰে কথাবোৰ উচ্চাৰণ কৰিলে। 'নাই নাই মলয়া, একো জৰুৰী কথা নাই বহু দিন তোমালোকক দেখা নাই সেয়ে লগ পাই যাওঁ বুলিয়েই মাতিছিলো। তোমালোকৰ ভালনে?' মলয়াই তপৰাই উত্তৰ দিলে 'ভালে বেয়াই ফিফ্‌টি ফিফ্‌টি।' 'এতিয়া জানা বিজয়া তোমাৰ লগত আমাৰ ষ্টেন্ডাৰ্ড মিলিব।' অমিয়াই কওঁ নকওঁকৈ কথাষাৰ কলে। 'কিয় আমি জানো বাল্য বন্ধু নহয়।' 'বিশেষ কথা নাপাতো বিজয়া আমাৰ সময় বৰ চৰ্ট। যাওঁ হ্যাঁ' বুলি কৈ উত্তৰলৈ বাট নাচায় অমিয়াক টানি লৈ গুচি গ'ল। বিজয়াই মলয়াহঁত যোৱাৰ ফালে ভেৱা লাগি কিমান সময় চাই থাকিল কব নোৱাৰিলে। হঠাৎ কলেজৰ ক্লাচ শেষ হোৱাৰ বে'ল মৰা শুনি খপ্‌জপ্‌ কৈ গধুৰ মনেৰে ঘৰলৈ উভতিল। ৰাস্তাত মলয়াহঁতৰ কথাবোৰে তাইক বাৰে বাৰে আমনি দিলে।

ইয়াৰ এসপ্তাহৰ পাছত অনুপে মলয়াক কৰ্টত ৰিয়াপাতি ক'ৰবালৈ লৈ গুচি গ'ল। আৰু অমিয়া হায়! তাই কলেজৰ পৰা ঘৰলৈ ঘূৰি আহোতে ৰাস্তাত বাচ দুৰ্ঘটনা হৈ ঠাইতে চিৰদিনৰ বাবে চকু মুদিলে। এই কথা শুনি বিজয়াই অন্তৰত বৰ আঘাট পালে। তাই কেতিয়াও মলয়াহঁতৰ বেয়া হোৱাটো নিবিচাৰে। সিদিনা তাইৰ অজানিতে চকুৰ পৰা অশ্ৰু বাগৰি পৰিল।

ইতিমধ্যে বিজয়াই M,Sc, পাচ কৰিলে। মাহীয়েকৰ পচন্দ মতে ডাক্তৰ বিশ্বজিত বৰুৱাক বিয়া কৰাই বেচ আনন্দত দিনবোৰ পাৰ কৰি দিছে। তাই আগতেই কাৰোবাৰ মুখত শুনিছিল বিশ্বজিতহঁতৰ ঘৰৰ কিছুদূৰত মলয়াহঁতে ঘৰ পাতি আছে; কিন্তু আজিলৈকে কাৰো মাজত দেখাদেখি হোৱা নাই। মলয়া আৰু অমিয়ালৈ তাইৰ মনত



পৰে। তাই সিহঁতক দোষ দিব নিবিচাৰে; যিহেতু মলয়াহঁত বহুত ধনী। ধনীবোৰ দুখীয়াক সদায় অবজ্ঞাৰ চকুৰে চাই। মলয়া আৰু অমিয়াও ইয়াৰ ব্যক্তিক্ৰম নাছিল!

বাহিৰত কলহৰ পৰা পানী পৰাৰ দৰে বৰষুণ দি আছিল। ৰাতি গভীৰ হোৱাত বিশ্বজিত ঘৰলৈ উভটি নহা দেখি বিজয়াই উচপিচাই বিচনাত উঠি গাৰুত মূৰটো থৈ উপন্যাস এখনৰ পাত লুটিয়াব ধৰিলে। এনেতে বাহিৰত এক নাৰী কণ্ঠৰ উচুপনি শুনা গ'ল। গাৰুৰ পৰা মূৰটো তুলি ভাৱিলে এইয়া তাই সপোন দেখা নাইতো। ক্ৰমান্বয়ে উচুপনি বাঢ়ি যাব ধৰিলে। তাই তৎক্ষণাতে বিচনাৰ পৰা নামি দুৱাৰৰ ফালে অগ্ৰহৰ হ'ল। ভয়ে ভয়ে প্ৰথমতে দুৱাৰখন আধা খুলিয়েই তাই বাহিৰলৈ জুমি চালে। এজনী ছোৱালীয়ে বাৰান্দাৰ এচুকত বহি কান্দি আছে। লগে লগে বাহিৰৰ লাইটটো জ্বলাই ওচৰ চাপি গৈ তাই চিঞৰি উঠিল "মলয়া তুমি ইয়াত? কি হৈছে তোমাৰ? নামাতা কিয়?"

মলয়াই হঠাৎ বাঘ দেখাৰ দৰে চক্‌খাই উঠিল। তাই এনে এটা পৰিস্থিতিৰ বাবে মূৰ্ঠেই সাজু নাছিল। আলি বাটৰ চুক বুলি ভাবি অজানিতে কেনেকৈ যে আহি বিজয়াহঁতৰ বাৰান্দাত বহি আছে কবই নোৱাৰিলে আৰু ইয়াকো জনা নাছিল যে বিজয়াৰ এই খন চহৰৰ চিৰপৰিচিত ডাক্তৰ বিশ্বজিত বৰুৱাৰ লগত বিবাহ হৈ গৈছে।

"বিজয়া তুমি হয়তো জানা অনুপৰ লগত বিবাহ হৈ মোৰ ঘৰৰ সৈতে সম্পৰ্ক একেবাৰে নিঃশেষ হৈ গ'ল। কিন্তু পূৰ্বে জনা নাছিলো অনুপ যে এটা মদপী, চৰিত্ৰহীন, জুৱাৰী আৰু অপদাৰ্থ বুলি। এতিয়াহে বুজিছো সি মোক বিচৰা নাছিল। দেউতাৰ অজস্ৰ ধন সম্পত্তি দেখি মোক বিয়া কৰাইছিল; কিন্তু বিয়াৰ দুবছৰৰ পাছতো যেতিয়া ঘৰৰ সৈতে সম্পৰ্কৰ কোনো আশা নেদেখিলে তেতিয়াৰ পৰাই মোৰ ওপৰত আৰম্ভ হ'ল অমানুষিক অত্যাচাৰ। কোৱা, কিমান সহ্য কৰিম তাৰ এনে পাশৱিক অত্যাচাৰ। দিনে-ৰাতিয়ে বন্ধ কোঠাৰ ভিতৰত কিমান কান্দিছো তাৰ কোনো পাত্তা নাই। কেতিয়াবা দিনটোত এসাজ আৰু কেতিয়াবা লঘোণেও থাকিব লাগে। আজি ৰাতি অনাহকতে চেলু উলিয়াই মাৰ পিট কৰি ঘৰৰ পৰা উলিয়াই দিলে। মইও চকুৰে ধুঁৱলী কুঁৱলী দেখি ক'ৰ পৰা আহি ক'ত পালো একোৱেই ক'ব নোৱাৰো। নাজানো মোৰ লক্ষ্য ক'ত? বিজয়া পূৰ্বৰ ব্যৱহাৰৰ বাবে মোক ক্ষমা কৰিবা। তাৰ বাবে আজি মই অনুতপ্ত।" "ছিঃ ছিঃ মলয়া এইবোৰ কথা ক'ব নাপায়। মইও যে আৰু মানুহ, ইমান সময়ৰ পৰা বাহিৰত কথা পাতি আছো, আহা মলয়া, ভিতৰলৈ।" মলয়াই ক'লে "নাই নাই বিজয়া ওচৰতে আছো যেতিয়া আকৌ কেতিয়াবা আহিম। পুনৰ মই স্বামী গৃহলৈ ঘূৰি যাব লাগিব। ইয়াৰ বাহিৰে যে মোৰ আৰু অন্য উপায় নাই বিজয়া।" পূৰ্বতে কৰা ব্যৱহাৰবোৰৰ কথা পুনৰ সম্পূৰ্ণৰূপে পাহৰি যাবলৈ কৈ এটা নিৰহংকাৰী বন্ধুত্ব সুলভ মন লৈ মলয়া ঘৰলৈ উভতি গ'ল।

বিজয়াই মলয়া যোৱালৈ অপলক নেত্ৰে চাই থাকিল। তাইৰ অজানিতে দুধাৰি অশ্ৰু গালৰ ওপৰেদি বৈ আহিল। এনেতে বেৰত থকা ঘড়ীটোৱে ঢং ঢং কৈ বাৰটা বজাৰ সময় সংকেত দিলে। ইতিমধ্যে পদূলি মুখত বিশ্বজিতৰ গাড়ীৰ হৰ্ণ শুনা গ'ল।

# প্ৰেয়ে জীৱন

মিচ্ সিক্তা আইচ্
স্নাতক ২ য় বাৰ্ষিক
(কলা শাখা)

অনেক আশাৰে, মূৰত দীঘল ওৰণি লৈ ময়ূৰী যিটো পদূলিয়েদি এঘৰলৈ ওলাই গৈছিল, সেইটো পদূলিয়েদি আকৌ নিৰাশাৰ মঠ বান্ধি এবছৰ মূৰত পুনৰ উভতি আহিল। মাকে আজি তাইক দেখি নকন্দাকৈ থাকিব নোৱাৰিলে। অৱশ্যে কন্দাৰ মাজত পাৰ্থক্য আছে। উলিয়াই দিবৰ দিনা কান্দিছিল মনত গৰ্ব ৰাখি, কিন্তু আজি সেই গৰ্ব নাই, প্ৰবল বান চকুলো আজি আশাৰ মথাউৰি ভাঙি যেনি তেনিয়ে ওলাই পাৰ ওপচাই পেলাইছে। তথাপিও ভঙা ভঙা মাতেৰে ক'লে, 'বাটত একো কষ্ট হোৱা নাইতো? হাত ভৰি ধুই কিবা খাই ল।' ময়ূৰীয়ে মাকৰ কথাৰ একো প্ৰত্যুত্তৰ নিদিলে। ভায়েক ভনীয়েকৰ লগত কথা পতাত ব্যস্ত হৈ পৰিল।

ওৰেদিনটো ময়ূৰী অকলশৰীয়াকৈ থাকিবলৈ ভাল পায় খিৰিকীৰ কাষত বহি থাকি, নতুবা কিতাপ পঢ়ি। ভায়েক, ভনীয়েকে কথাটো তলকিব নোৱাৰে। সিহঁতে ভাবে বাইদেউতো এনেকুৱা নাছিল। ইমান ছট্‌ফটাই থকা বাইদেউ আজি কিয় ইমান মনমৰা? এই প্ৰশ্নৰ সমিধান সিহঁতে কাৰো পৰাই নাপায়। গতিকে সিহঁতেও বায়েকৰ মনমৰা ভাৱ আঁত-ৰাবলৈ কিবা প্ৰকাৰে সন্তুষ্টি দিয়াটো কৰ্ত্তব্য বুলি ধৰি ললে।

আজি বতৰটো বেয়া। মাজে মাজে দুই এজাক বৰষুণ। নগৰলৈ ওলাই যোৱা ৰাস্তাটো বোকা হৈ গৈছে। সেয়ে চলিহা আজি ওলাই নগল। নহলে চলিহা সদায়েই অলপ ওলাই যায় মনটোত ভাল লগাবলৈ। মন্টু আৰু মনমীয়েও লগৰ ছোৱালীৰ ঘৰলৈ ওলাই গ'ল। মিঃ চলিহা চকীত বহি বাতৰি কাকত-খনকে পঢ়ি পঢ়ি ঘৈণীয়েকৰ সৈতে কথা পাতি আছে। ময়ূৰী ভায়েকৰ বিচনাত বহি অকল-শৰীয়াকৈ অতীত জীৱনলৈ ভুমুকিয়ালে। অতী-তলৈ চাবলৈ তাইৰ ভয় লাগে। অতীতটোক লৈ ভাবিবলৈ তাইৰ সাহস নোহোৱা হৈ গৈছে। তথাপিও, কবি যতীন্দ্ৰনাথ দুৱৰাদেৱৰ কবিতাত 'অতীতক মাযাবা পাহৰি' কথাফাঁকি তাই উপলব্ধি কৰিছে। কি মধুৰ আছিল সেই অতীত। সঁচাই কলেজ জীৱনটো। ৰাজেশ দা।

গাঁৱতেই হাইয়াৰ ছেকেণ্ডাৰী পাছ কৰি ওলাই গৈছিল জয়সাগৰ কলেজলৈ জীৱন-টোক প্ৰতিষ্ঠিত কৰিবলৈ। প্ৰথম দিনাই চিনাকি হল ৩ য় বাৰ্ষিকত পঢ়ি থকা ৰাজেশ হাজৰিকাৰ লগত। প্ৰথম চিনাকিয়ে শেষত ভালপোৱালৈ ৰূপ দিলে। তাই উটি গ'ল ভাৱ সাগৰৰ কল্পনালোকলৈ। তেতিয়া তাই ভাবি-বলৈ বাধ্য হৈছিল 'প্ৰেমিক বিহীন জীৱন বৃথা।' কিন্তু এতিয়া, হাজাৰ বাৰ চেষ্টা কৰিলেও তাই সেই অতীতলৈ ঘূৰি যাব নোৱাৰে। আজি সেই জীৱনে মনত কিমান দুখ দিছে তাই বুজি পাইছে। সেয়ে কবি ৰবীন্দ্ৰনাথৰ কলমেদি নিৰ্গত হৈছিল—

'প্ৰেমেৰ আনন্দ থাকে শুধু একটু ক্ষণ,
প্ৰেমেৰ বেদনা থাকে সমস্ত জীৱন।'

আজি ৰাজেশ প্ৰকৃত সংসাৰী। এজনী ছোৱালীৰ পিতৃ। ভাবিলে ময়ূৰীৰ মনটো কেঁাচ খাই যায়। আজি তাই পথৰ ভিখাৰীতকৈও হীন। এজনৰ জীৱনলৈ গৈ তাই যেন সকলোতি হেৰুৱাই পেলাইছে। তাই ভাবিলে, বিয়াই যদি এজনী ছোৱালীৰ জীৱনলৈ কিবা পৰিবৰ্ত্তন আনি দিয়ে, তেন্তে বিয়া নোহোৱা হলেই ভাল আছিল। 'নোপোৱাৰ বেদনাতকৈ পাই হেৰুৱাৰ বেদনা অতি গুৰুতৰ'। আজি তাই ৰাজেশৰ ঘৰত আলহী হৈ যাব পাৰিব। তাক নিজৰ বুলি দাবী কৰিব নোৱাৰে। কিন্তু সেই কলেজত, বিয়া নোহোৱাৰ আগতো তাক নিজৰ বুলি দাবী কৰিবলৈ তাইৰ অধিকাৰ আছিল। কিন্তু এতিয়া দাবী কৰিবলৈ ৰাজেশৰ ঘৰত আছে ঘৈণী, জী। কিয়? তাই এনে কি দোষ কৰিলে যে মাক দেউতাকে তালৈ দিবলৈ অমান্তি হ'ল। অৱশ্যে দেউতাক গম্ভীৰ মানুহ। জীয়েকৰ কথা জানিব পাৰি অতি শীঘ্ৰেই অসীম বৰুৱালৈ ময়ূৰীক দিবলৈ ঠিক কৰিলে। এবাৰো ভাবি নাচালে যে ময়ূৰী সুখী হ'বনে নহয়। গাঁৱৰ মানুহৰ মুখত প্ৰশংসাৰ পাত্ৰ হৈছিল চলিহা। অসীম বৰুৱা উচ্চ শিক্ষিত চৰকাৰী চাকৰিয়াল। ময়ূৰীয়ে আৰু ভাবিব নোৱাৰা হৈ পৰিছে। তাইৰ অবাধ্য চকু-লোৱে বাধা মনা নাই। চাদৰৰ আঁচলে সেই চকুলোক সামৰি লৈছে। সেয়ে Shakespeare য়ে লেখিছে—when you laugh, laugh with the world, but when you weep, weep alone.

বিয়াৰ পাছত অসীমৰ লগত সংসাৰ পতাৰ উদ্দেশ্যই আছিল ময়ূৰীৰ। কিন্তু উদ্দেশ্যত চেঁচা পানী ঢালিলে অসীমে নিজেই। কেতি-য়াও পত্নীৰ মৰ্য্যদা দিব নজনা অসীমে কথাই কথাই কব জনা হ'ল, 'টকা আনি দিব পাৰি-বানে নোৱাৰা? যদি নিদিয়া তেন্তে মোৰ ইয়াত তোমাৰ কোনো কাম নাই। ময়ূৰীয়েও ভাবিলে টকাই যদি অসীমৰ জীৱনত সৰ্বস্ব তেন্তে তাই তাত থাকি কি লাভ? দেউতাকৰ নামত অবাচ্য-অশালীন গালি শুনাৰ কি প্ৰয়োজন? সেই বুলিয়েই তাই এদিন উভতি আহিল পিতৃগৃহলৈ। আজি তাইৰ বাবে একো সম্বলেই নাই। আছে মাথো তাইৰ ডিগ্ৰীটো আৰু নীৰৱ চকুলো। নীৰৱে চকুলো টুকি-টুকিয়েই তাই জীয়াই থাকিব লাগিব অনাগত ভবিষ্যতৰ দিনবিলাকত। কিজানি অসীমে কোনো দিনা মাতি পঠিয়াই। এজনী ছোৱালীৰ জীৱনত স্বামীয়েই সৰ্বস্ব। সেয়া জানো কেতিয়াবা সম্ভৱ হ'ব? কবিৰ ভাষাত—
'বিদায় কৰেছ যাৰে নয়নেৰ জলে, ফিৰাবে তাকে কিসেৰ ছলে।'

ভাবি ভাবিয়েই তাই আঠুত মূৰ থৈ কেতিয়া যে শুই পৰিল তাই নিজেই কব নোৱাৰিলে! ভায়েকৰ মাততহে সাৰ পালে। ইতিমধ্যে ঘৰে ঘৰে চাকি জ্বলালেই। তাই প্ৰাৰ্থনা গৃহত গৈ নেদেখা জনক সুধিব কিয় এনে দশা তাইৰ? তাই কিয় এনে দোষ কৰিছিলে যাৰ ফলত তাইৰ সমস্ত জীৱনটোৱেই ধ্বংস হৈ গ'ল? তাই নাজানে নেদেখাজনে ইয়াৰ উত্তৰ দিব পাৰিবনে নোৱাৰে। তাই মুখ ধুবলৈ ৰামৰপৰা উলাই গ'ল।



# স্বাৰ্থপৰ

ত্ৰিদিপ কুমাৰ ফুকন
উচ্চতৰ মাধ্যমিক ২ য় বাৰ্ষিক
কলা বিভাগ

ঃ এৰা স্বাৰ্থপৰ, সকলো মানুহেই স্বাৰ্থ-পৰ—পুৱতি নিশা বিচনাত বহি সি এইষাৰ কথাকে ভাবিলে। দেৱালীৰ সময়। বাহিৰত চৌপাশে কেবল ফটকা, ব'ম ফুটাৰ শব্দ। ইফালে সিফালে কেৱল ধুম্ ধুম্, ফট্ ফট্, ধা······আ-ম আদি বিচিত্ৰ শব্দৰ সমাহাৰ। যেন দেশৰ কোনোবা এক সীমান্তত কোনো শত্ৰুপক্ষৰ লগত যুদ্ধহে লাগিছে। তাৰ উপৰি প্ৰতিটো বোমা, ফটকাৰ আৱাজৰ লগে লগে চেঙেলিয়াহঁতৰ কিৰিলি, চিঞৰ-বাখৰে যেন কোনো এটা পক্ষৰ যুদ্ধজয়ৰ কথাহে বুজাইছে। মুঠতে চাৰিওফালে কেৱল টকা আৰু টকাৰহে খেলা। সি মনতে ভাবে অনাহকতে উৰুওৱা এই টকাবোৰ যদি দৰিদ্ৰ নিপীড়িত জনসাধাৰণৰ মাজত বিলাই দিলেহেঁতেন বা বানপানীত সৰ্ব্বস্ব হেৰুৱাই পেটত গামোছা বন্ধা কোনো ৰংমন, ভদাইৰ পৰিয়ালক সাহায্য হিচাপে দিলেহেঁতেন তেতিয়াও কিছুদিনৰ বাবে অন্ততঃ সিহঁতৰ পেটৰ চিন্তা দূৰ হ'লহেঁতেন। এই বোৰ দেখিলে বাহিৰৰ লোকে এনেহে ভাবিব যেন অসম খনত কোনো দুখীয়া মানুহ নাই। সকলোৱেই মহা আনন্দেৰে যেন জীৱন-যাপন কৰিছে। ধিক্ অসমীয়া মানুহ—ধিক্ তোমাৰ জীৱন – ভাবিলে সি। এচামে ৰাজআলিত মাৰুতি, কণ্টেচাত উঠি বিলাস বহুল জীৱন যাপন কৰিব আৰু আন এটা চামে অন্ধকাৰ গলিত পেটৰ ক্ষুধা নিবাৰণৰ বাবে প্ৰাণে পণে সংগ্ৰাম কৰিব। এইয়া গণতন্ত্ৰ। আজিৰ ধন-তন্ত্ৰ। কেবল টকাৰ খেলা—হঠাতে সি এটা দুখৰ দীঘল হুমুনিয়াহ কাঢ়িলে। টকাৰ কথা ভবাৰ লগে লগে তাৰ মনলৈ টকাৰ অভাৱৰ বাবে তাৰ জীৱনত ঘটি যোৱা ঘটনাবোৰ বোলছৱিৰ দৃশ্য ৰূপালী পৰ্দাত দেখাৰ দৰে ভাঁহি উঠিবলৈ ধৰিলে।

তাৰ নাম প্ৰশান্ত। প্ৰশান্ত কোঁৱৰ। সৰুপথাৰ নামৰ নগৰৰ পৰা কিছুদূৰৰ গাঁও এখনত তাৰ ঘৰ। মাক-দেউতাকৰ সিয়েই প্ৰথম সন্তান। তাৰ পাছত দুজনীকৈ গাভৰু ভনীয়েক আৰু দুটা ভায়েকৰে সৈতে সাতজনীয়া এটা পৰিয়াল। গাঁৱতে থকা খেতি-বাতিৰে সিহঁতৰ পৰিয়ালটোৰ ন-মাহৰ ভাতহে যোগাৰ হৈছিল। বাকী তিনিমাহ বৰ চিন্তাৰ কাৰণ হৈ সিহঁতৰ সন্মুখত দেখা দিছিল। গাঁৱতে থকা হাইস্কুলখনতে পঢ়াৰ সময়লৈকে তাৰ বাবে পইচাৰ সিমান প্ৰয়োজন হোৱা নাছিল বাবে অভাবো সি অনুভৱ কৰা নাছিল। কিন্তু মেট্ৰিকৰ দেওনা পাৰ হৈ সি যেতিয়া কলেজত পঢ়িবৰ বাবে ওলাই গৈছিল তেতিয়া সি এবাৰ থমকি ৰ'ব লগাত পৰিছিল। দুখীয়া ল'ৰা যদিও সেই বাৰেই প্ৰথম বাৰৰ বাবে সি থমকি ৰ'ব লগা হৈছিল। তেতিয়া প্ৰশান্তই মনতে ভাবিছিল—তাৰ দৰে ল'ৰাই মেট্ৰিক পাছ নকৰা হলেই ভাল আছিল। তাৰ দৰে ভিকহুৰ ল'ৰাৰ জানো পঢ়াৰ কিবা মূল্য থাকিব পাৰে ?? কিন্তু তথাপিতো সি গৈছিল। দেউতাক ৰসেশ্বৰে কোনোমতে তাক এডমিচ্‌ন লবৰ বাবে টকা যোগাৰ কৰিছিল—তাৰ মেচলৈ যাবৰ বাবে প্ৰয়োজনীয় টকা দিছিল। কিন্তু তাৰ পৰিণামত প্ৰশান্তৰ অলক্ষিতে ঘৰৰ মাটি এবিঘাৰ ধান কানিবেপাৰী ধৰণী মহাজনৰ ভঁৰাললৈ গৈছিল। সি যাবলৈ ওলাওঁতে মাকে তাক বুকুত সাৱতি চকুৰ পানীৰে বিদায় জনাই কৈছিল ঃ—'যা মোৰ সোণ, তই যা, ভাল-দৰে পঢ়িবি। নগৰ নগৰীয়াৰ সতে মিছাতে হাই-কাজিয়া নকৰিবি। মিলেৰে থাকিবি। মনত ৰাখিবি আপোন ভালেই জগত ভাল।' এনে দৰেই সি আহি নগৰৰ কলেজৰ ছাত্ৰ হৈছিল। সি মেছত আছিল। নগৰ ল'ৰাবোৰে যেতিয়া দামী দামী চাৰ্ট-পেণ্ট পিন্ধি নগৰত তহল দি ফুৰিছিল তাৰ মনত তেতিয়া ভাব আছিল—সি জানো পঢ়িব পাৰিব ? তাক জানো দেউতাকে প্ৰয়োজনীয় টকা দিব পাৰিব ? তেনেকৈয়ে তাৰ প্ৰাকস্নাতক চূড়ান্ত পৰীক্ষাৰ সময় পাইছিলহি। সি পঢ়াত মনোনিৱেশ কৰিবৰ বাবে চিন্তা কৰোতে বহুবোৰ খেলিমেলি চিন্তাই তাৰ মন-টোক বাউল কৰি পেলাব খোজে। কিছুদিনৰ আগতে সি নগৰ বান্ধবী দুগৰাকীমানৰ পৰা ৰসায়নৰ বহী আনিছিল। কিন্তু লিখোতে পলম হোৱাৰ বাবে সি নিৰ্দিষ্ট দিনা ঘূৰাই দিব নোৱাৰাত তাক বহুত কিবাকিবি ক'লে। কিন্তু সেই একে কেই গৰাকীয়ে তাৰ পৰা পদাৰ্থবিদ্যাৰ বহী খুজি এদিনৰ বাবে নি সম্পূৰ্ণ এটা মাহৰ মূৰতহে ঘূৰাই দিছিল। মানে প্ৰশান্তই ঘৰৰ পৰা আনিছিলগৈ। তেতি-য়াই সি জীৱনত দ্বিতীয় বাৰৰ বাবে থমকি ৰব লগা হৈছিল।

লাহে লাহে জহৰদিনক বিদায়দি শৰত কালৰ আগমন হৈছিল। তাৰ লগে লগে আহিছিল শীতকাল। শীতৰ ঠেঁটুৰৈ ধৰা জাৰত যেতিয়া সি শুবলৈ তাৰ বিচনাৰ কাষ চাপিছিল তেতিয়া তাক যেন তাৰ বিচনাখনে উপলুঙা কৰি হাঁহিছিল। লেপৰ নামত থকা কাপোৰ-খনেযে তাক গৰমৰ সলনি ঠাণ্ডাৰহে যোগান ধৰিব ই ধুৰূপ। তাৰ টোপনি ধৰা নাছিল। প্ৰত্যেক নিশাই সি জাৰত কঁপি কঁপি বিচনাত বহি আছিল। তেতিয়াই সি ওচৰতে থকা গোহাঁইহঁতৰ ওচৰলৈ গৈ লাজক কাটি কৰি কৈছিল ঃ গোহাঁই বৰ ঠাণ্ডা লাগিছে অ' দোণ্ট,। তোৰ ইয়াতে শুই থাকো ভাই। নহলে মোৰ শুৱাই নহ'ব। কঁপি কঁপি সি শুৱাৰ বাবে গোহাঁইৰ লগতে ঠাই অকণ বিচাৰিলে। গোহাঁইৰো প্ৰশান্তৰ এনে অৱস্থাৰ বাবে মনতে

দুখলাগি তাৰ লগতে বিচনাত প্ৰশান্তকো লেপৰ তলত সোমোৱাই ললে । সেই সময়তে সি তাৰ গতিপথত, জীৱনটোত তৃতীয়বাৰৰ বাবে থমকি ৰ'ব লগাত পৰিছিল । তেতিয়া সি ভাবিছিল তাৰ ঘৰখনৰ কথা, মাক-দেউতাক, ভায়েক-ভনীয়েহঁতৰ কথা । সিহঁতে ছাগে এতিয়া ঠাণ্ডাত কুচি-মুচি বৌতিৰ বুকুত সোমাব বিচাৰিছে । বৌতিয়েও ছাগে তেলচিকতি লগা বহু পুৰণা কেঁঠাখনেৰে সিহঁতক ঢাকি দিছে । ক'ব নোৱাৰাকৈয়ে তাৰ চকুৰেদি দুধাৰি তপত লোতক বৈ আহিছিল ।

পল পল কৰি সময় বাগৰি গৈ আছিল । সিও প্ৰাক-স্নাতকত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ সেইখন কলেজতে অংক বিষয়তে সন্মান লৈ পঢ়িবলৈ ধৰিলে । লগৰ দেবানন্দহঁতে তাক এইক্ষেত্ৰত বহু সহায় কৰিলে । মেছৰ মালিক দত্তইও তাক পঢ়াৰ প্ৰতি আগ্ৰহ দেখি, ঘৰৰ অৱস্থা বেয়া বুলি জানিব পাৰি, তাৰ ঘৰভাড়াটো ৰেহাই দিলে । সিয়ো নিজৰ সদগুণৰ বাবে মেছৰ লগতে অঞ্চলটোৰ সকলো সাধাৰণ মানুহৰ লগতে সি তাৰ স্বভাবসুলভ অমায়িক ব্যৱহাৰৰ বাবে আপোন হৈ পৰিল । মাজে মাজে সেই সকলৰ ঘৰলৈ সি যায় । তেওঁলোকেও ভাল পায় । সমাজ তথা দেশৰ বহু কথা সি তেওঁলোকৰ আগত আলোচনা কৰে । সি জনা কথাবোৰ তেওঁলোকক কয় আৰু তেওঁলোকে জনাবিলাক তেওঁলোকৰ পৰা শুনে । মুঠতে সি সকলো সৰ্বসাধাৰণ ৰাইজৰে সুখ-দুখৰ সমভাগী । কিন্তু ওচৰতে থকা দুই-তিনি মহলীয়াৰ ওপৰত বাস কৰা অভিজাত বংশৰ চলিহা, বৰুৱা, শৰ্মাহঁতৰ লগত সি কোনো সম্পৰ্ক নাৰাখিলে । তেওঁলোকৰ লগত সম্পৰ্ক ৰখাৰ সি পক্ষপাতিও নহয় । কাৰণ সেইচামে মাত্ৰ ধন সম্পদ চিনি পায় । মানুহৰ সততা, নৈতিকতা, আদি শব্দবোৰৰ তেওঁলোকৰ ওচৰত কোনো মূল্য নাই । মাত্ৰ তেওঁলোকে ৰচনা কৰা ভুৱা সাহিত্যৰাজিত আৰু মেলেমিটিঙেহে উক্ত ধৰণৰ শব্দৰ বহুল প্ৰয়োগ ঘটে । প্ৰশান্তৰ দৰে এটা ল'ৰাক সিহঁতে মানুহ বুলিয়েই ভবা নাছিল । মাত এষাৰ দিয়াৰ কথাটো ভাবিবই নোৱাৰি ।

কিন্তু ঈশ্বৰৰ জানো কি ইচ্ছা । তেনেকুৱাতে ঘটি গ'ল সেই ঘটনাটো । চলিহাৰ ডাঙৰজন পুতেক অৰ্থাৎ ডাঃ অমৰ চলিহাৰ ছোৱালীজনীয়ে লগত ৰিংকুমণি, পিংকু আৰু মালাক লৈ কলেজৰ কাষতে থকা কৃত্ৰিম হ্ৰদটোৰ পাৰত খেলি আছিল । পানীত ফুলি থকা ধুনীয়া ফুল এপাহ চিঙি আনি তাইৰ চুলীত গুজিবৰ মন হ'ল । সৰু ছোৱালীৰ মন । ভবামতেই কাম । আগ-পাছ নাভাবি তাই দিলেগৈ পানীত নামি । কৃত্ৰিম হ'লেও দ হ্ৰদটোত পৰি তাই কক্বকাবলৈ ধৰিলে । তেনে সময়তে প্ৰশান্তই হাতত বজাৰ কৰিবলৈ মোনা এটালৈ কিবা এটা ভাবি গুজুং গুজুংকৈ দীঘল দীঘল খোজ পেলাই সেই ৰাস্তাটোৰে আহি আছিল । সি বাকী দুজনী ছোৱালীৰ চিঞৰ-বাখৰ শুনি খোজৰ গতি বঢ়াই দিলে ; হ্ৰদৰ পাৰ পাই দেখে এজনী ছোৱালী পানীত পৰি কক্বকাবলৈ ধৰিছে । সি আগপাছ নুগুনি লগে লগেই পানীত জপিয়াই পৰি তাইক চুলিত ধৰি তুলি আনি একেদৌৰে গৈ চলিহাৰ চৌহদ পালেগৈ । ছোৱালীজনীক তেনে অৱস্থাত দেখি চলিহাৰ ঘৰত হুলস্থূল লাগিল । কিছুপৰৰ পাছত তাইৰ মুখেদি পানী উলিয়াই দিয়াত তাইৰ সংজ্ঞা ঘূৰি আহিল । তেতিয়াহে ঘৰখনৰ মানুহবোৰৰ মুখলৈ হাঁহি বিৰিঙি আহিল । চলিহাৰ ঘৰৰ মানুহে তাইক বচাই দিয়াৰ বাবে তাক ধন্যবাদ দিলে । কোনো দিনে তাৰফালে ঘূৰি নোচোৱা অমৰ চলিহাই সি ক'ত থাকে, ঘৰ ক'ত আদি এশ এটা প্ৰশ্ন সুধি তাক ব্যতিব্যস্ত কৰি তুলিলে । চাহ-জলপান খাবলৈ কোৱাত প্ৰশান্তই দোকান কৰাৰ কথাকৈ চলিহাৰ ঘৰৰ পৰা বিদায় ললে । ৰাজ আলি পাইহে সি মুকলি বতাহ গ্ৰহণ কৰি কিছু সুস্থ অনুভৱ কৰিলে । ইমান পৰে চলিহাৰ ঘৰৰ কৃত্ৰিম আৱহাৱাত তাৰ উশাহ বন্ধ হোৱাৰে উপক্ৰম ঘটিছিল । সি সেই বাৰে জীৱনত পঞ্চমবাৰৰ বাবে থমকি ৰৈছিল ।

প্ৰশান্তদা, পাৰ্টি লাগিব । আপোনাক আজি নেৰিছো নহয় । —এই বুলি তাক বন ফৰিঙৰ দৰে জপিয়াই জপিয়াই, হাঁহিৰ নিজৰা বোৱাই অহা কেইজনীমান ছোৱালীয়ে বেৰি ধৰিলেহি । আপোনাৰ পৰীক্ষাৰ খবৰ আমি পাইছো । Dibrugarh University ৰ ভিতৰত চেকেণ্ড ক্লাচ ফাৰ্ষ্ট হৈছে । আমাক আজি খুৱাব লাগিব । উপাই নাপাই সি ঘৰৰ পৰা নিয়া টকা কেইটাৰে সিহঁতৰ চাহ একোকাপৰ লগত জিলাপি একোখনকৈ খোৱাইহে সাৰিব পাৰিছিল । চাহ খাই একেই হাঁহিৰ খলকনি তুলি ৰাজআলি জিলিকাই ৰাজকুঁৱৰীহঁত আঁতৰি গৈছিল । সেইবাৰ সি ষষ্ঠবাৰৰ বাবে থমকি ৰৈ ভাবিবলৈ বাধ্য হৈছিল—স্বাৰ্থপৰ, সকলো স্বাৰ্থপৰ । আগেয়ে সিহঁতে তাক পৰোৱাই নকৰে । আজি বোলে পাৰ্টি লাগে ।

তাৰ পাছত প্ৰশান্তই উচ্চশিক্ষাৰ আশা ত্যাগি গাঁৱৰ বেঙেনাবাৰী হাইস্কুলখনতে অঙ্কৰ শিক্ষক সোমালে । কম দিনৰ ভিতৰতে সি সহকৰ্মীসকলৰ লগতো সু-সম্পৰ্ক গঢ়ি ললে । সকলো ছাত্ৰ-ছাত্ৰীয়ে তাক ভাল পালে । বৰ্তমান সি ছাত্ৰ-ছাত্ৰীহঁতৰ মৰমৰ 'কোঁৱৰ চাৰ' ।

সোণ অ' উঠ । মই চাহ কৰিলো । মুখ হাত ধুই ল'—মাকৰ কথাতহে তাৰ সম্বিত ঘূৰি আহিল । এৰা, তাৰ মানে ৰাতি পুৱালেই । অৰ্থাৎ সি আজি নুশুলেই । সি লেপখন গাৰ পৰা আঁতৰাই থৈ আঠুৱাৰ বাহিৰলৈ ওলাই আহিল । পূব দিশৰ পিনে থকা তাৰ কোঠাৰ খিৰিকীখন খুলি দিলে সি । তেতিয়া পূব আকাশত সূৰ্য্যটোৱে ৰাঙলী হৈ উঠি আহিছিল—কুঁৱলী ফালি ।



# 'সঞ্চয়ন'ৰ আশীটি কবিতাৰ নামেৰে লিখা এটি চিঠি আকাৰৰ গল্প

শ্ৰীপূৰ্ণ ৰাজকোঁৱৰ
স্নাতক শিক্ষান্ত বাৰ্ষিক

'প্ৰিয়তমা'
'মাধুৰী',
'প্ৰিয় তুমি মোৰ বুলি ধৰিলো কলম,
মধুৰী আমেৰে পঠালো মৰম,
মৰমৰ হাতেৰে কৰিবা গ্ৰহণ ?"

বৰ্তমান মোৰ ভাল, আশা কৰো মঙ্গলময় পৰমেশ্বৰে তোমাক কুশলে ৰাখিছে। বাৰু, এতিয়া প্ৰকৃত কথালৈ আহোঁ।

সিদিনা তোমাৰ লগত প্ৰথম চিনাকি হুবৰে পৰা মোৰ মনটো বৰ কেনেবা কেনেবা লাগি আছে। তোমাৰ যি ৰূপ, তোমাৰ যৌৱনৰ যি 'সৌন্দাৰ্য্য' তাক মই অকনো পাহৰিব পৰা নাই। সেই বাবেই হয়তো যোৱা নিশা এটি মধুৰ সপোন দেখিবলৈ পালোঁ। তাৰ বৰ্ণনা কৈ যাওঁ শুনা।

কোনোবা এটি বসন্তৰ 'সন্ধিয়া'। 'পূৰ্ণিমা'-ৰ ফৰিংফুটা 'জোনাক'। মোৰ 'প্ৰিয় বিহংগিনী' 'দহিকতৰা'ই ভিন ভিন সুৱদি মাতেৰে 'গীত' জুৰিছে। বহুতো 'কেতেকী'ৰ উপৰিও 'এজনী কুলিৰ প্ৰতি' অইন এজনী কুলিয়ে তাইৰ সুললিত কন্ঠেৰে প্ৰণয় আহৱান কৰিছে। এচাতি মৃদু মলয়াই গছবোৰৰ কুঁহিপাতবোৰক নচুৱাই তুলিছে। দূৰণিৰৰ পৰা 'পেপা'ৰ টিঁহিনি মাতে বলিয়া বিহুৱানৰ গা শিয়ৰাই তুলিছে। 'গিৰিমল্লিকা' ফুলবোৰে যেন 'এপাহি গোলাপ'ৰ লগত ফেৰ মাৰি ফুলি উঠিছে ? ওচৰতে থকা 'পখুৰী'টোৰ নিৰ্মল ফট্ফটীয়া পানীৰ তলত জোনবায়ে হাঁহি থকা দেখি তাত থকা 'মাছ'বোৰে নাচি উঠিছে ? মাছবোৰক খাবলৈ অহা 'সাপ'টোৱেও সিহঁতৰ আনন্দ দেখি তবধ মানি ৰৈ আছে ? চাৰিওফালৰ 'প্ৰকৃতি'ৰ সৌন্দৰ্য্যই মোৰ মন নচুৱাই তুলিছে ?

ঠিক তেনে সময়তে 'সোণৰ সোলেঙৰ পৰা' 'শাপমুক্তা' অপেশ্বৰীৰ দৰে 'মেঘেশ্বৰী'ৰ আঁৰে আঁৰে নৃত্য ভংগীমাৰে 'সপোন সুৰে'ৰে গীত জুৰিলাহি তুমি ? মুহুৰ্ত্তে তোমাকেই 'অন্বেষণ' কৰি ফুৰা মই তোমাৰ 'বিজয়ী যৌৱন'ৰ ৰূপত মুগ্ধ হৈ নয়ন জোৰাই তোমাৰেই নৃত্য উপভোগ কৰিবলৈ ধৰিলো ? মোৰ 'উতলা' যৌৱনে অলপো পলম নকৰি এপাহি 'মালতী' ফুল চিঙি আনি আলফুলে তোমাৰ খোপাত পিন্ধাই দি ক'লো— 'আমাৰ আশাৰ' 'বালিচৰ' নতু 'নাটঘৰ'ৰ আজিয়েই আমি দুৱাৰ মুকলি কৰো আঁহা ?" পুনৰ মই 'বীণ বৰাগী'ৰ দৰে 'মোৰ বীণা'খনি হাতত তুলি লৈ তোমাৰ নৃত্যৰ ভংগীৰে গীত জুৰাৰ লগে লগে তুমি মোৰ পৰা লাহে লাহে আঁতৰি যাবলৈ উপক্ৰম কৰাত মই তোমাৰ ওচৰত প্ৰেমৰ 'শেষ ভিক্ষা' কৰিলো ? কিন্তু তুমি 'তোমালোকৰ' নাৰীৰ যি আত্মগৌৰৱ, তাক ৰক্ষা কৰিবলৈ গৈ মোৰ অকৃত্ৰিম প্ৰেমকো প্ৰত্যাখ্যান কৰিলা ? আৰু লগে লগে মোৰ দুচকুৰ পৰা বৈ আহিল অলকানন্দা, মন্দাকিনীৰ দৰে দুধাৰি 'চকুলো' ? কিন্তু ইচ্ছা কৰা হ'লে মই 'মৰণ'ৰ ভীতি প্ৰদৰ্শন কৰি নতু 'ৰৌদ্ৰকামনা'ৰে মোৰ আৰু তোমাৰ 'মিলন মহত্ব'ক ৰক্ষা কৰিব পাৰিলোহেঁতেন ? স্বীকাৰ কৰিছো সামান্য এটি 'ধূলিকণা, মই' ?? সুখৰ দাম্পত্য জীৱন তুমি মোৰ পৰা নোপোৱা, পাবা মাথো ঐশ্বৰ্য্যশালী কোনোবা 'সম্ৰাটৰ পৰা'? তেন্তে কিয় তুমি মোৰ লগত আবদ্ধ হৈ থাকিবা ? এটা কথা কওঁ শুনা, যদি তুমি মোৰ শেষ ভিক্ষা গ্ৰহণ কৰিলাহেঁতেন, তেন্তে আনহে নালাগে লক্ষ 'লক্ষ মুদ্ৰা'ৰ প্ৰলোভন দেখুৱাইও মোক তোমাৰ পৰা কোনেও বিচলিত কৰিব নোৱাৰিলেহেঁতেন ? তুমি হয়তো নাজানা যে 'প্ৰণয়ৰ পৰিণাম' কি ? প্ৰকৃতিকে 'সাক্ষী' কৰি বিচাৰিছিলো 'জীৱন সংগীত' গাবলৈ 'সাৰথি' তোমাক। কিন্তু ⋯⋯কিন্তু সামান্য, বুলি মোক তুমি কৰিলা প্ৰতাৰণা ? কিন্তু তুমি মনত ৰাখিবা মৃত্যুৰ 'শেষত দুয়ো একতে লীন' হ'ব লাগিব। কাৰণ 'মৰণ দেৱতা'ই মৃত্যুৰ পিছত তোমাক 'ফুলশয্যাত' নাৰাখে, ৰাখিব 'শ্মশান'ৰ ভস্মৰ লগত।

হঠাতে যেন ছঁয়ামৰা'কৈ দেখা সোণৰ হৰিণাটিও মই হেৰুৱাই পেলালো ? ইমান দিনে তেন্তে মই মৰুভূমিত মৰিচীকাহে খেদি ফুৰিছিলো ? ধিক্কাৰ উপজিল নিজকে, 'অপ্ৰকাশ' ভাৱে ৰাখি থোৱা কথাটি কিয় হঠাতে 'প্ৰকাশ' কৰিলো ? প্ৰকাশত ইমান বাধা কিয় ? অকলশৰীয়া মৰুময় দীৰ্ঘ এটি যৌৱন জানো কেৱল 'বিশ্বৰূপ' উপভোগ কৰিয়েই 'জীৱন-সংগীত' গাই অন্ত কৰিব পাৰি ? মোৰ বোধেৰে তুমি এটি আকাশলংঘী অলংঘ্য 'পাষাণ প্ৰতিমা'— যাক মই 'শেষ-অৰ্ঘ্য' সমৰ্পিও মোৰ প্ৰেমৰ 'পৰম তৃষ্ণাক' পূৰণ কৰিব নোৱাৰিলো ? এইটো নিশ্চিত যে সময়ত মোৰ আৰু তোমাৰ প্ৰণয়ৰ কাহিনীয়ে 'কবি প্ৰাণ'ত জাগৃত কৰিব 'এমুঠি কবিতা' বা 'এটা প্ৰেমৰ পদ্য' নাইবা⋯ নাইবা এটি মৰ্ম্মান্তিক 'দুখৰ কবিতা'। মনতে ভাবিলো, আজিৰ পৰা তোমাক 'বিদায়' দিলো। মাথো আশা ৰ'ল 'প্ৰিয়তমাৰ চিঠি' পোৱাৰ আৰু⋯⋯আৰু 'প্ৰথম মিলন'ৰ। ভাবিলো, আজিৰ পৰা তুমি মোৰ 'চকুৰ আঁৰৰ সখী' আৰু তুমি থাকিবা পোহৰত আনহাতে মই থাকিম আন্ধাৰত। কাৰণ মোৰ বাবে 'পোহৰতকৈ এন্ধাৰ ভাল'। কিন্তু এটি বেদনাসিক্ত জীৱনক লৈ 'আন্ধাৰৰ হাঁহাকাৰ'ত 'লুকাই লুকাই' থাকিম কেনেকৈ ⋯⋯ ???

হঠাৎ দেখোন মোৰ 'কুম্পুৰ সপোন' ভাগি গ'ল। চকু মেলি দেখো খিৰিকিৰে 'নিয়ৰ' সোমাইছে। বাহিৰত দেখো 'পুৱতিৰ

তৰা'বোৰে দুখ মনেৰে বিদায় মাগিছে। 'পুৱা'ৰ 'আঘোণৰ কুঁৱলী'য়ে সোণোৱালী শস্যৰ পথাৰক পাতল আৱৰণে ঢাকি ৰাখিছে। 'অনুৰ্বৰা' শস্য পথাৰতো সেউজীয়া ঘাঁহৰ দলিচাত হীৰাৰ কণ কণ টুকুৰাৰ দৰে নিয়ৰবোৰ পৰি আছে? 'অক্টোবৰ' মাহৰ দৰে মাথো অলপ 'শীত' পৰিছে। 'ৰাজ পথ'টিও যেন এডাল পৰ্ব্বতীয়া সাপৰ দৰে পৰি আছে। কি যে এখন সৌন্দৰ্য্যময় পৃথিৱীৰ এটি নীৰৱ অথচ সুন্দৰ আৰু অ-সুন্দৰৰ সংমিশ্ৰিত দৃশ্য? যেন মোৰ 'কিবা যেন নাই নাই' অনুমান হয়।

হঠাৎ মোৰ ভণ্টি 'ৰেণুকা' কোঠাটোলৈ সোমাই অহাত মোৰ 'তন্দ্ৰাভংগ' হ'ল? তাই মোৰ অৱস্থা দেখি আচৰ্য্য প্ৰকাশ কৰি সুধিলে— 'তই অন্তৰত প্ৰণয়ৰ কিবা 'গীত আৰু ছবি' অঁকা নাইতো?' উত্তৰত মই ক'লো—'নহয় অ' ভণ্টি, এই সুপ্ৰভাতৰ সৌন্দৰ্য্যই মোক 'এমুঠি কবিতা' ৰচিবলৈ কিছু প্ৰেৰণা যোগাইছে?

অ' পাহৰিয়েই গৈছো। বহুত লিখিলো। আজিলৈ ইমানতে সামৰো। শেষত অকৃত্ৰিম তথা আন্তৰিক মৰমবোৰ যাচিলোঁ।

ইতি—

তোমাৰ দাদা
'মই'

# ?

# প্ৰশ্নোত্তৰ শিতান

১। সৰ্বপ্ৰথম দৈনিক বাতৰি কাকত কোনখন?
—ৰোমৰ 'এক্তাদায়েনা'।

২। আটাইতকৈ বেছি ব্যৱহৃত হোৱা ইংৰাজী বৰ্ণটো কি?
—'E' বৰ্ণটো।

৩। পৃথিৱীৰ ভিতৰত দুখীয়া দেশ কোনখন?
—ভুটান।

৪। বিবাহৰ পাছত কোন দেশত মহিলাৰ উপাধি সলনি নহয়
—স্পেইন দেশত।

৫। ভাৰতত আটাইতকৈ চুটি নামৰ ৰেলষ্টেচনটোৰ নাম কি আৰু ক'ত আছে?
—ইব। উৰিষ্যাত আছে?

৬। অলিম্পিকৰ জন্মদাতা কোন?
—বেৰন পিয়েৰ দা কুবাদা।

৭। পৃথিৱীৰ বৃহৎ চিনেমা হল কোনটো?
—পিটাছবাৰ্গৰ নিকোলিভিয়ন।

৮। ভাৰতৰ প্ৰথম চলচ্চিত্ৰ নিৰ্মাতা কোন?
—দাদা চাহেব ফালকে।

৯। লিখাৰ কৌশল প্ৰথমে ক'ত আৱিস্কাৰ হয়?
—মিচৰত।

১০। প্ৰথম কৃত্ৰিম উপগ্ৰহ কোনে নিক্ষেপ কৰিছিল? — ১৯৫৭ চনৰ ৪ অক্টোবৰত ছোভিয়েট ৰাচিয়াই প্ৰথম কৃত্ৰিম উপগ্ৰহ নিক্ষেপ কৰে।

১১। আটাইতকৈ ডাঙৰ ফুল কি? —'আমাৰ্কো কলাচটিটেনাম।'' এই ফুলৰ দীঘ প্ৰায় ১৮৩ মিটাৰ।

১২। পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ গাঁও কোনখন' —ৰাজস্থানৰ ''সুনন্দ্ৰা''।

১৩। পৃথিৱীৰ ভিতৰত বৃহত্তম লাইব্ৰেৰীটোৰ নাম কি? —আমেৰিকাৰ 'কংগ্ৰেছ লাইব্ৰেৰী' পৃথিৱীৰ ভিতৰত প্ৰথম আৰু ৰাচিয়াৰ 'লেটিন ষ্টেটচ লাইব্ৰেৰী' দ্বিতীয়।

১৪। ভাৰতৰ মাছৰ চিৰিয়াখানা ক'ত আছে?
—মাদ্ৰাজৰ একোয়াৰিয়াম'ত—

১৫। হিউমেন কম্পিউটাৰ কাক কোৱা হয়? —
—শ্ৰীমতী শকুন্তলা দেৱীক।

১৬। অসমীয়া বিভাগত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰথম অসমীয়া ব্যক্তিজনৰ নাম কি? —ড° বাণীকান্ত কাকতি।

১৭। পৃথিৱীৰ আটাইতকৈ গৰম ঠাই ক'ত?
—আফ্ৰিকাৰ ডাললোন।

১৮। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ প্ৰথম অসমীয়া ন্যায়াধীশ কোন? —শ্ৰীপাৰ্ব্বতী কুমাৰ গোস্বামী।

১৯। পোন প্ৰথমে চচ্মাৰ আৱিস্কাৰ কোনে কৰে? —ৰোজাক বেকনে।

২০। ভাৰতীয় হাইকৰ্টৰ প্ৰথম মহিলা ন্যায়াধীশ কোন? —আন্না চান্দী।

### সহকাৰী সাধাৰণ সম্পাদক তথা ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ

## বছেৰেকীয়া প্ৰতিবেদন, ১৯৮৬।৮৭

প্ৰতিবেদনৰ আৰম্ভণিতে, আপোনালোকে ১৯৮৬/৮৭ বছৰটোৰ বাবে সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰি আপোনালোকক সেৱা কৰি যাবৰ বাবে যি বহুমূলীয়া সুবিধা দিলে, তাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দনৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ এনে এটা গুৰু দায়িত্ব কান্ধত লৈ কাম সম্পাদন কৰি যাওঁতে যিসকল শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শুভাকাংক্ষীয়ে সকলো দিশতে অকুণ্ঠ সহায়-সহযোগ, উৎসাহ-উদ্দীপনা তথা গঠনমূলক দিহা-পৰামৰ্শ দি সহায় কৰিলে তেখেতসকললৈ মোৰ শলাগৰ শৰাই আগবঢ়ালোঁ। দেশ মাতৃকাৰ বৃহৎ স্বাৰ্থৰ খাতিৰত আৰু অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হেতু যিসকল মহাত্যাগী স্বদেশপ্ৰেমীয়ে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি আই মাতৃৰ থাপনাত হাঁহি হাঁহি নিজকে আত্মাহুতি দিলে, সেইসকল বীৰ শ্বহীদৰ মহান আত্মাৰ সদ্‌গতি আৰু চিৰ শান্তিৰ কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ১৯৮৬।৮৭ কাৰ্য্যকালচোৱাৰ দায়িত্বভাৰ যোৱা ২২।১২।৮৬ তাৰিখত গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ সাহায্যাৰ্থে আমন্ত্ৰণ কৰি অনা 'আৱাহন থিয়েটাৰ'ত সেৱা কৰিবলৈ সুবিধা পাওঁ। ইয়াৰ পাছতেই ২০ জানুৱাৰী '৮৭ ৰ পৰা ২৪ জানুৱাৰী '৮৭ ৰ লৈকে পাঁচদিনীয়া কাৰ্য্যসূচীৰে ছাত্ৰ-ছাত্ৰীসকলৰ সম্পূৰ্ণ সহায়-সহযোগিতাত মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ সমাৰোহ অতি উলহ-মালহেৰে অনুষ্ঠিত হৈ যায়। এই ক্ৰীড়া সপ্তাহ সমাৰোহ পতাকা উত্তোলন, মাৰ্চপাষ্ট আদি অনুষ্ঠানেৰে শুভাৰম্ভ কৰি বিভিন্ন প্ৰতিযোগিতা, সাংস্কৃতিক সন্ধ্যা আৰু মুকলি অধিৱেশনেৰে



যৱনিকা পেলোৱা হয় আৰু ক্ৰীড়া সমাৰোহৰ শুভ-উদ্বোধন কৰি ইয়াৰ সৌষ্ঠৱ আৰু গাম্ভীৰ্য্য বৃদ্ধি কৰে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱে।

**সৰস্বতী পূজা** ঃ—আন কেইবছৰৰ দৰে এইবছৰো যোৱা ৩ ফেব্ৰুৱাৰী তাৰিখে বীণাপাণি বাগদেৱী শ্ৰীশ্ৰীসৰস্বতী পূজা ভাগ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা-গুৰুসকলৰ পূৰ্ণ সহায়-সহযোগিতাত উলহ-মালহেৰে পালন কৰা হয়।

সাধাৰণ সম্পাদক শ্ৰীৰাতুল চেতিয়াফুকনে ব্যক্তিগত কাৰণত পদত্যাগ কৰাৰ ফলত যোৱা ১৯ আগষ্ট '৮৭ তাৰিখে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাপে মই কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। এই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ লগে লগেই বিভিন্ন দায়িত্ব মোৰ হাতত আহি পৰে। আমাৰ কাৰ্য্যকালৰ সময়ছোৱাত বৃহৎ ছাত্ৰ সংগঠন 'সদৌ অসম ছাত্ৰ সন্থা'ই আহ্বান কৰা প্ৰতীক অনশন, ধৰ্ণা, পিকেটিং, অৰ্থনৈতিক অৱৰোধ আদি প্ৰতিটো কাৰ্য্যসূচীতে পূৰ্ণ সমৰ্থন আগবঢ়াই সক্ৰিয় অংশ গ্ৰহণ কৰি আহিছোঁ।

**নৱাগত আদৰণি সভা** ঃ—পুৰণিক বিদায় দি নতুনক আদৰি লোৱাটো প্ৰকৃতিৰাণীৰেই এটা চিৰন্তন ৰীতি। ন-দৰাক আদৰাৰ দৰে প্ৰকৃতিৰাণীয়েও নতুনক এদিন অতি উলহ মালহেৰে আদৰি লয় আৰু পুৰণিক বিদায় দিয়ে। প্ৰকৃতিদেৱীৰ সেই চিৰন্তন ৰীতিকে পালি আমাৰ মহাবিদ্যালয়লৈ জ্ঞানৰ মুকুতা মণি বুটলিবলৈ অহা নৱাগতসকলক যোৱা ২৯ আগষ্ট '৮৭ তাৰিখে 'নৱাগত আদৰণি সভা' পাতি আনুষ্ঠানিকভাবে উলহ-মালহেৰে আদৰণি জনোৱা হয়। আদৰণি সভাত পৌৰোহিত্য কৰে আমাৰ মাননীয় অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱে। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰেহি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য মহোদয় শ্ৰীযুত কমলেশ্বৰ বৰাদেৱে। ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলক তেখেতৰ সাৰগৰ্ভ, শ্ৰুতিমধুৰ ভাষণেৰে অতীত আৰু বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা, বৰ্ত্তমান সমাজ আদিৰ বিষয়ে যি বহুমূলীয়া জ্ঞান গভীৰ উপদেশ দিলে, এই উপদেশে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ভৱিষ্যত জীৱনৰ এক নতুন পথৰ সন্ধান দিয়ে বুলিয়েই আমি গৌৰৱ কৰিব পাৰোঁ। নিৰ্দ্দিষ্ট বক্তাৰ আসন শুৱনি কৰে চৰাইদেউ মহকুমাৰ মহকুমাধিপতি শ্ৰীযুত নলিনীচৰণ শৰ্মাদেৱে। তেখেতৰ জ্ঞানপুষ্ট সাৰুৱা ভাষণেও সকলোকে মোহিত কৰে।

**বিদায় সভা** ঃ—মহাবিদ্যালয়ৰ শিক্ষান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক যোৱা ৩ চেপ্তেম্বৰ '৮৭ তাৰিখে আনুষ্ঠানিকভাবে বিদায় সম্ভাষণ জনোৱা হয়। এই বিদায় সভাৰ বিশিষ্ট অতিথিৰ আতিথ্য গ্ৰহণ কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে ভগৱতী প্ৰসাদ বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত বিষ্ণু প্ৰসাদ দত্তদেৱে। ভাৰতৰ আগশাৰীৰ শিক্ষানুষ্ঠানসমূহত পঢ়িবলৈ সুযোগ পোৱাৰ দুৰ্লভতা, বৰ্ত্তমান শিক্ষা ব্যৱস্থাত

সোণাইত পৰা ৰাজনীতিলৈ আদি বিভিন্ন বিষয় সাঙুৰি লৈ তেখেতৰ সুন্দৰ, তত্ত্বগধুৰ ভাষণে সকলোকে মোহিত কৰে।

ইয়াৰ উপৰিও 'শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা' টিও ছাত্ৰ-ছাত্ৰীৰ বিশেষ সহযোগত সমাৰোহেৰে পালন কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ :** মোৰ এই চমু কাৰ্য্যকাল চোৱাত সকলো কামতে জড়িত থাকি বিভিন্ন কাম সম্পাদন কৰি যোৱাত সহায়-সহযোগ আৰু দিহা-পৰামৰ্শৰে যিসকল শিক্ষাগুৰুৱে সহায় কৰিলে তেখেতসকলৰ প্ৰতি মোৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। ইয়াৰোপৰি মোক দিহা-পৰামৰ্শ আৰু উৎসাহ-উদ্দীপনা দি সহায় কৰা বাবে মাননীয় অধ্যক্ষ শ্ৰীযুত সুৰেশ দাসদেৱ আৰু মাননীয় উপাধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ কাৰ্য্য সম্পাদনত ওতঃপ্ৰোতঃ ভাৱে জড়িত থাকি সহায়-সহযোগ কৰা সকলো ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰঋণী হৈ ৰলোঁ। এই খিনিতে মোৰ কাৰ্য্য পৰিচালনাত বিশেষভাৱে সহায় কৰা প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীলক্ষীনাথ বাইলুং, ফুলেশ্বৰ গগৈ, কেশৱ গগৈ, নিত্যা বাইলুং, বীণা বৰুৱা, মঞ্জুমণি বৰুৱা, স্মৃতিৰেখা গগৈ, হিৰণ্য দুৱৰা, ৰুক্মিণী গগৈ, মীনু গগৈ, ক্ষীৰদা বৰা, নিৰু বৰা, নীলিমা বৰা, তিলোত্তমা বৰদলৈ, জুলি গগৈ, ভাৰতী বৰগোহাঁই, বিনু খাউণ্ড আৰু মহাবিদ্যালয়ৰ আন সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**আমাৰ অভাৱ-অভিযোগ :** আমাৰ মহাবিদ্যালয়ে আজি ১৭ বছৰত ভৰি দিছেহি যদিও ইয়াৰ অভাৱ-অসুবিধাসমূহ আজিও দূৰ হোৱা নাই। ইয়াৰ ফলত আমি ছাত্ৰ-ছাত্ৰীসকলে বহুতো অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰিছোঁ। এই অভাৱসমূহৰ কিছুমান বিশেষ দুটিমান অভাৱ এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু চৰকাৰৰ দৃষ্টিগোচৰ কৰা হ'ল।

১। পাঠদানৰ বাবে গৃহ নিৰ্মাণ আৰু উন্নতিকৰণ।
২। পুথিভঁৰালৰ বাবে সুকীয়া গৃহ নিৰ্মাণ আৰু উন্নতিকৰণ।
৩। পাঠ্যপুথি, আলোচনী, বাতৰি কাকত আদিৰ যোগান বৃদ্ধি আৰু নিয়মীয়াকৰণ।
৪। মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ গবেষণাগাৰৰ উন্নতি কৰণ।
৫। ছাত্ৰাবাস আৰু ছাত্ৰীবাসসমূহৰ উন্নতিকৰণ আৰু পানীযোগান-বিজুলীবিছনি আদিৰ সুব্যৱস্থা কৰা।
৬। ছাত্ৰ আৰু ছাত্ৰী জিৰণীচ'ৰাৰ উন্নতিকৰণ।

মোৰ চমু কাৰ্য্যকাল চোৱাত মহাবিদ্যালয়ৰ অভাৱ অভিযোগসমূহ নিষ্পত্তি কৰিবলৈ প্ৰাৰ্থনা



মানে চেষ্টা কৰিছিলো। কিন্তু কলেজ কৰ্তৃপক্ষৰ অনীহা ভাব আৰু শাসনধিষ্ঠ চৰকাৰখনেও মহাবিদ্যালয়খনিক মাহীআইৰ চকুৰে চোৱাত আমাৰ অভাৱসমূহ আজিও দূৰ হোৱা নাই। সি যিকি নহওঁক, এইক্ষেত্ৰত মই কিমান দূৰ সফল হলোঁ বা কিমানখিনি দিব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। মোৰ প্ৰতিবেদনৰ অন্তিম বেলাত আমাৰ সোণাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ আৰু আমাৰ মহাবিদ্যালয়খন ভবিষ্যতে বিশ্ব দৰবাৰৰ এখন আগশাৰীৰ নামজ্বলা মহাবিদ্যালয় ৰূপে পৰিগণিত হ'ব বুলিয়েই আশা ৰাখিলোঁ।

সৰ্বশেষত, মই জানি বা নাজানি কৰা ভুলৰ বাবে ছাত্ৰী-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা মাগিছোঁ আৰু এই ভুল-ত্ৰুটীবোৰ যাতে আপোনালোকে পাহৰি যায়, তাকেই কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

'বকুল সৰিলে সৌৰভ ভাঁহে
কথা পাহৰিলেহে স্মৃতি জাগে'।

জয় আই অসম

ছাত্ৰ ঐক্য মহাবাহু বৰলুইতৰ দৰে হওঁক চিৰ প্ৰবাহমান।

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা। জিন্দাবাদ।

শ্ৰীপীতাম্বৰ চৰাইমৰবীয়া।
ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক,
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
১৯৮৬/৮৭ চন

# সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৮৬।৮৭ চন

জয় জয়তে মোৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত
জীৱন আহুতি দিয়া শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে
সোণাৰি মহাবিদ্যালয়ৰ ১৯৮৬।৮৭ চনৰ ছাত্ৰ একতা সভালৈ মোক সাহিত্য আৰু তৰ্ক
বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি সোণাৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ
দিলে, তেখেত সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সৰু কালৰে পৰা মইনা মেলকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ বাবেই
সোণাৰি মহাবিদ্যালয়ৰ সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক হিচাপে আগবাঢ়ি আহিবলৈ
সাহস পাইছিলোঁ। কিন্তু যি আশা কৰি কাৰ্য্যভাৰ লৈছিলো সেই আশা পূৰণ নহ'ল।
কাৰণ বিভিন্ন প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ-উদ্দীপনা বিশেষভাৱে পৰিলক্ষিত
নহ'ল। অৱশ্যে তাৰ বাবে আমি সুবিধা দিব পৰা নাছিলো। সেই বাবে মই প্ৰতিবেদনৰ
দ্বাৰাই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলোকে অনুৰোধ জনাওঁ যে ভৱিষ্যতে যাতে সকলো
কাৰ্য্য-সূচীতে আন্তৰিকতাৰে যোগদান কৰে।

১৯৮৬-৮৭ চনৰ ভিতৰত মোৰ কাৰ্য্যকাল ছোৱাত সাহিত্য আৰু তৰ্ক বিভাগৰ প্ৰতি-
যোগিতাসমূহৰ সংক্ষিপ্ত বিৱৰণসমূহ তলত উল্লেখ কৰিলোঁ।

১৯৮৬-৮৭ চনৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহটো উল্লেখযোগ্য আছিল।

এই বছৰ ইংৰাজী ২০।১।৮৭ ৰ পৰা ২৪।১।৮৭ তাৰিখলৈকে হোৱা ক্ৰীড়া সপ্তাহত ২২।১।৮৭
তাৰিখে সাহিত্য আৰু তৰ্ক বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। প্ৰতিযোগিতাসমূহৰ
ফলাফল এনেধৰণৰ।

তৰ্ক ঃ—তৰ্কৰ বিষয় আছিল ঃ সদনৰ মতে—'অসমত শিক্ষাৰ মাধ্যম ইংৰাজী হ'ব লাগে।'
বিজয়ী তাৰ্কিকসকল যথাক্ৰমে—
১ম ( বিপক্ষ ) ঃ শ্ৰীমহেশ গদুকা ( স্নাতক মহলা ) ২য় ঃ শ্ৰীমতী নীলিমা বৰা (স্নাতক
১ম বাৰ্ষিক ) ৩য় ঃ শ্ৰীযতীন বৰুৱা ( প্ৰাক্ স্নাতক ২য় বাৰ্ষিক )



মানে চেষ্টা কৰিছিলো। কিন্তু কলেজ কৰ্তৃপক্ষৰ অনীহা ভাব আৰু শাসনধিষ্ঠ চৰকাৰখনেও মহাবিদ্যালয়খনিক মাহীআইৰ চকুৰে চোৱাত আমাৰ অভাৱসমূহ আজিও দূৰ হোৱা নাই। সি যিকি নহওঁক, এইক্ষেত্ৰত মই কিমান দূৰ সফল হলোঁ বা কিমানখিনি দিব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। মোৰ প্ৰতিবেদনৰ অন্তিম বেলাত আমাৰ সোণাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ আৰু আমাৰ মহাবিদ্যালয়খন ভবিষ্যতে বিশ্ব দৰবাৰৰ এখন আগশাৰীৰ নামজ্বলা মহাবিদ্যালয় ৰূপে পৰিগণিত হ'ব বুলিয়েই আশা ৰখিলোঁ।

সদৌশেষত, মই জানি বা নাজানি কৰা ভুলৰ বাবে ছাত্ৰী-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা মাগিছোঁ আৰু এই ভুল-ক্ৰুটীবোৰ যাতে আপোনালোকে পাহৰি যায়, তাকেই কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

'বকুল সৰিলে সৌৰভ ভাঁহে
কথা পাহৰিলেহে স্মৃতি জাগে'।

জয় আই অসম

ছাত্ৰ ঐক্য মহাবাহু বৰলুইতৰ দৰে হওঁক চিৰ প্ৰৱাহমান।

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা। জিন্দাবাদ।

শ্ৰীপীতাম্বৰ চৰাইমৰৰীয়া।
ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
১৯৮৬।৮৭ চন

# সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ১৯৮৬।৮৭ চন

জয় জয়তে মোৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত জীৱন আহুতি দিয়া শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো । লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে সোণাৰি মহাবিদ্যালয়ৰ ১৯৮৬।৮৭ চনৰ ছাত্ৰ একতা সভালৈ মোক সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি সোণাৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিলে, তেখেত সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

সৰু কালৰে পৰা মইনা মেলকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ বাবেই সোণাৰি মহাবিদ্যালয়ৰ সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক হিচাপে আগবাঢ়ি আহিবলৈ সাহস পাইছিলোঁ । কিন্তু যি আশা কৰি কাৰ্য্যভাৰ লৈছিলো সেই আশা পূৰণ নহ'ল । কাৰণ বিভিন্ন প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ-উদ্দীপনা বিশেষভাৱে পৰিলক্ষিত নহ'ল । অৱশ্যে তাৰ বাবে আমি সুবিধা দিব পৰা নাছিলো । সেই বাবে মই প্ৰতিবেদনৰ দ্বাৰাই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলোকে অনুৰোধ জনাওঁ যে ভৱিষ্যতে যাতে সকলো কাৰ্য্য-সূচীতে আন্তৰিকতাৰে যোগদান কৰে ।

১৯৮৬-৮৭ চনৰ ভিতৰত মোৰ কাৰ্য্যকাল ছোৱাত সাহিত্য আৰু তৰ্ক বিভাগৰ প্ৰতি-যোগিতাসমূহৰ সংক্ষিপ্ত বিৱৰণসমূহ তলত উল্লেখ কৰিলোঁ ।

১৯৮৬-৮৭ চনৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহটো উল্লেখযোগ্য আছিল ।

এই বছৰ ইংৰাজী ২০।১।৮৭ ৰ পৰা ২৪।১।৮৭ তাৰিখলৈকে হোৱা ক্ৰীড়া সপ্তাহত ২২।১।৮৭ তাৰিখে সাহিত্য আৰু তৰ্ক বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয় । প্ৰতিযোগিতাসমূহৰ ফলাফল এনেধৰণৰ ।

তৰ্ক ঃ—তৰ্কৰ বিষয় আছিল ঃ সদনৰ মতে—'অসমত শিক্ষাৰ মাধ্যম ইংৰাজী হ'ব লাগে ।'
বিজয়ী তাৰ্কিকসকল যথাক্ৰমে—
১ম ( বিপক্ষ ) ঃ শ্ৰীমহেশ গদুকা ( স্নাতক মহলা ) ২য় ঃ শ্ৰীমতী নীলিমা বৰা (স্নাতক ১ম বাৰ্ষিক ) ৩য় ঃ শ্ৰীযতীন বৰুৱা ( প্ৰাক্ স্নাতক ২য় বাৰ্ষিক )



আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল ঃ
১ম ঃ শ্ৰীফুলেশ্বৰ গগৈ ( স্নাতক ৩য় বাঃ (কলা) [বিঃ খৰিছা] ২য় ঃ শ্ৰীযতীন বৰুৱা (প্ৰাক্ স্নাতক ২য় বাৰ্ষিক বিজ্ঞান ) [বিঃ ৰেগিং] ৩য় ঃ শ্ৰীমতী মধুছন্দা শইকীয়া (স্নাতক ৩য় বাঃ অসমীয়া) [বিঃ কলেজৰ প্ৰতিষ্ঠা দিৱস]

ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঃ ৰচনাৰ বিষয় ঃ নতুন অসম গঢ়াত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা । বিজয়ীসকল ক্ৰমে—
১ম ঃ শ্ৰীমহেশ গদুকা (অৰ্থ নৈতিক বিভাগ, স্নাতক মহলা) ২য় ঃ মিচ্ মন্‌জুমণি বৰুৱা (স্নাতক ৩য় বাৰ্ষিক) ৩য় ঃ শ্ৰীঅৰুণ গগৈ (স্নাতক ৩য় বাৰ্ষিক)

গল্প প্ৰতিযোগিতা ঃ
১ম ঃ মিচ জুৰি দেৱী, স্নাতক মহলা, ২য় ঃ শ্ৰীঅৰুণ বৈৰাগী, উচ্চতৰ মাধ্যমিক শাখা, ৩য় ঃ শ্ৰীৰাতুল চেতিয়াফুকন, স্নাতক মহলা অসমীয়া বিভাগ ।

প্ৰবন্ধ প্ৰতিযোগিতা ঃ
১ম ঃ নাই, ২য় মিচ্ মন্‌জুমণি বৰুৱা, ৩য় কুমাৰী নলিনী আইদেউ ।

কবিতা লিখাৰ প্ৰতিযোগিতা ঃ
১ম ঃ শ্ৰীত্ৰিদিপ কুমাৰ ফুকন, ২য় ঃ শ্ৰীৰাতুল চেতিয়াফুকন, ৩য় ঃ ১) শ্ৰীঅৰুণ বৈৰাগী, ২) কুমাৰী নলিনী আইদেউ ।

কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল ঃ
অসমীয়া ঃ ১ম ঃ শ্ৰীমতী মধুছন্দা শইকীয়া, ২য় ঃ শ্ৰীৰাতুল চেতিয়াফুকন, ৩য় ঃ শ্ৰীবিক্ৰমাদিত্য গগৈ ।
ইংৰাজী ঃ ১ম ঃ শ্ৰীমতী দিতীমণি শইকীয়া, ২য় ঃ শ্ৰীঅজিত ফুকন, ৩য় ঃ ১)কুমাৰী নলিনী আইদেউ. ২) শ্ৰীমতী মধুছন্দা শইকীয়া ।

কুইজ প্ৰতিযোগিতাত ফলাফল ঃ
১ম ঃ পুৰস্কাৰ প্ৰাপ্ত দল ঃ ১) শ্ৰীৰাতুল চেতিয়াফুকন ২) শ্ৰীমহেশ গদুকা ৩) শ্ৰীপ্ৰদীপ গগৈ শ্ৰীগিৰীন গগৈ, ৫। শ্ৰীতাপস ভট্ট ৬) শ্ৰীমতী মধুছন্দা শইকয়া ২য় পুৰস্কাৰ প্ৰাপ্ত দল ঃ (স্নাতক ১ম বাৰ্ষিক) ১। শ্ৰীনাৰায়ণ গগৈ, ২) শ্ৰীগিৰীন গগৈ, ৩) শ্ৰীদিগন্ত বৰুৱা, ৪) শ্ৰীমুনীন বৰুৱা, শ্ৰীবিমল গগৈ, ৬। শ্ৰীদিজেন ফুকন । ৩য় পুৰস্কাৰ প্ৰাপ্ত দল ঃ শ্ৰীবিক্ৰমাদিত্য গগৈ, আৰু তেওঁৰ সহযোগীসকল । বছৰৰ শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে শ্ৰীমহেশ গদুকাই । প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা যদিও আশানুৰূপ নহ'ল, তথাপি সাহিত্য আৰু

তৰ্ক বিভাগৰ সকলো বিষয়ৰ প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰিছে । মই
আশাৰাখো যাতে ভবিষ্যতে ছাত্ৰ-ছাত্ৰীসকলে দুগুণ উৎসাহ, উদ্যমেৰে অংশ গ্ৰহণ কৰি
আমাৰ মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰিবলৈ সক্ষম হয় । মোৰ কাৰ্যকাল ছোৱাত
মহাবিদ্যালয়ত এখনি প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয় । মই
আশাকৰো উক্ত প্ৰাচীৰ পত্ৰিকাখনিত ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুসকলে বিভিন্ন বিষয়ৰ
ওপৰত লিখি পত্ৰিকাখনিক জীৱন্ত কৰি তোলে যেন ।

মোৰ কাৰ্য্যকাল ছোৱাত ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য আৰু তৰ্ক বিভাগত যিমান সুবিধা
আগবঢ়াব লাগিছিল সিমান সুবিধা দিব নোৱাৰাৰ বাবে ক্ষমাৰ প্ৰাৰ্থী হৈ ৰ'লো ।

সদৌ শেষত, মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশত সহায়-সহযোগ তথা পৰামৰ্শ আগ-
বঢ়োৱাৰ বাবে সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । তাৰোপৰি, মোৰ বিভাগীয়
উপদেষ্টা অধ্যাপিকা শ্ৰীযুক্তা সোণমাই বড়াৰ লগতে অধ্যাপিকা ৰতি প্ৰভা গগৈ, অধ্যাপক
বিনন্দ মহন, ৰবীন কোঁৱৰ, অধ্যাপিকা নীলা বৰুৱায়ে যি অকৃত্ৰিম সহায় আগবঢ়ালে তাৰ
বাবে তেখেতসকলৰ ওচৰত চিৰঋণী হৈ ৰ'লো ।

শেষত মহাবিদ্যালয়খনিৰ ভবিষ্যতে অজস্ৰ উন্নতি কামনা কৰি মোৰ সাহিত্য আৰু
তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন সামৰণি মাৰিলো ।

'জয় আই অসম'

ধন্যবাদ

'জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা'

শ্ৰীহেৰম্ব প্ৰসাদ ভুঞা
সম্পাদক, সাহিত্য আৰু তৰ্ক বিভাগ ।

## শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

"সুখ নাই সুখ নাই চিৰ ধৰুৱাৰ
তিলমানো সুখ নাই চিৰ ৰুগীয়াৰ ।"

পৃথিৱীত সুখ সাগৰত জীয়াই থাকিবলৈ লাগে মানুহক টকা-পইচা, আত্মীয়-স্বজন আৰু লাগে সুস্থ-সবল এটি সুন্দৰ কায় । এই সুন্দৰ দেহক গঢ় দিবলৈ লাগে আমাৰ সকলোৰে পৰা দেহৰ প্ৰতি যত্ন । এই যত্ন লোৱা হয় থকা, খোৱা, শোৱা আৰু নিয়মিত শাৰীৰিক শ্ৰম আদিৰ দ্বাৰা । শাৰীৰিক শ্ৰম কৰা হয় নিতৌ নিয়মিতভাৱে সুঅভ্যাস, দৃঢ়-মনোবল আৰু অধ্যৱসায়ৰ যোগেদি ।

"স্বাস্থ্য ধন পৰম ধন ।" টকা-পইচা আদি এবাৰ হেৰুৱালে পুনৰ উদ্ধাৰ কৰিব পাৰি ; কিন্তু এবাৰ স্বাস্থ্য হেৰুৱালে পূৰ্ব্বৰ স্বাস্থ্য ঘূৰাই অনাটো বৰ জটিল ।

বল যদিও ঈশ্বৰ প্ৰদত্ত তথাপি ইয়াক আত্ম চেষ্টাৰ যোগেদি বহু পৰিমাণে বঢ়াব পাৰি । তাৰ উদাহৰণ বহুতো আছে । দেহত যদি শক্তি থাকে তেন্তে মনতো থাকিব প্ৰচুৰ পৰিমাণে শক্তি ; আৰু তেতিয়াই কোনো এটা কাম নিমিষতে সুন্দৰভাৱে সমাধা কৰিব পাৰি । এজন সুস্থ-সবল দেহৰ গৰাকীৰ বিচাৰ-বিবেচনা এজন ৰুগ্ন দেহৰ গৰাকীতকৈ নিশ্চয় সুন্দৰ । ৰুগ্ন দেহেৰে কোনো কাম সুন্দৰভাৱে সমাধা কৰাটো অসম্ভৱ ।

আজিৰ যুগটোত ক্ৰীড়াৰ যোগেদি গোটেই বিশ্বৰ মানৱ জাতিৰ মাজত মধুৰ সম্পৰ্ক ৰাখিব
পাৰি। এই ক্ৰীড়াসমূহ সুন্দৰভাৱে কাৰ্য্যকৰী কৰিবলৈ প্ৰয়োজন হয় দেহত যথেষ্ট পৰিমাণে
শক্তি। এই ক্ৰীড়াৰ যোগেদি পাৰদৰ্শিতা দেখুৱাই চিনাকি দিব পাৰি নিজক তথা নিজৰ
জন্মভূমিক। আজি শাৰীৰিক শক্তিত সম্পদশালী আৰু অধ্যৱসায়ৰ দ্বাৰা অভ্যাস কৰাৰ ফল-
তেই অতীতৰ সকলো জাতিৰেই পৰিত্যক্ত, ঘৃণাৰ পাত্ৰ নিগ্ৰো জাতিটোৱে বিশ্বত এটা উন্নত
আৰু ক্ৰীড়া জগতত আগশাৰীৰ হিচাপে নিজকে পৰিচয় দিব পাৰিছে।

১৯৮৬-৮৭ চনৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদক
হিচাপে মই মনোনীত হওঁ। আমাৰ মহাবিদ্যালয় এইটো দিশত একেবাৰে অনুন্নত।
দুটিমান সা-সৰঞ্জামৰ বাদে মহাৱিদ্যালয়খনত পাবলৈ অইন একো নাই। তাৰোপৰি এইটো
দিশত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধুবৰ্গই আগ্ৰহেৰে অভ্যাস কৰিবলৈও আগবাঢ়ি
নাহে। তথাপি নিম্ন শ্ৰেণীৰ সুনাম মহাবিদ্যালয়খনত নথকা নহয়। যেনে—শ্ৰীচন্দন গগৈ
১৯৮৫ চনৰ "চট্টৰংমেন্ অৱ ৰংপুৰ" আৰু শ্ৰীমতী মঞ্জুমণি বৰুৱাই ১৯৮৫-৮৬ চনত
'ৰংপুৰ ওমেন পাঞ্জা চেম্পিয়ন' উপাধিৰে সুনাম অৰ্জন কৰে। গতিকে এই দুটি সুনামকে
সাৰোগত কৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে শৰীৰ চৰ্চ্চা দিশটোত গুৰুত্ব দি নিতৌ
অভ্যাস কৰি ভৱিষ্যতে যেন নিজৰ সুনামৰ লগতে মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰে তাৰ
বাবে মোৰ ফালৰ পৰা আন্তৰিক শুভেচ্ছা থাকিল।

শেষত যিসকল ছাত্ৰ-ছাত্ৰী বন্ধুবৰ্গই শৰীৰ চৰ্চ্চা বিভাগৰ অন্তৰ্গত ক্ৰীড়াসমূহত অংশ গ্ৰহণ
কৰি আৰু অইন অইন দিশত সহায়-সহযোগ আগবঢ়াইছিল তেখেতসকললৈ মোৰ ফালৰ
পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ইতি—

শ্ৰীপূৰ্ণ ৰাজকোঁৱৰ
সম্পাদক, শৰীৰ চৰ্চ্চা।

# ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণীতে বিগত সুদীৰ্ঘ ছবছৰীয়া বিদেশী বহিষ্কৰণ আন্দোলনত জ্ঞাত-অজ্ঞাত সকলো শ্বহীদৰ আত্মাৰ সদগতি আৰু চিৰ শান্তি কামনা কৰি পৰম পিতা ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

১৯৮৬।৮৭ বছৰটোৰ বাবে ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ উন্নয়নমূলক কাম কাজত আগভাগ লবলৈ সুযোগ দিয়াৰ বাবে মই সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ জয়জয়তে মোৰ হিয়াভৰা শুভেচ্ছা আৰু শলাগৰ শৰাই আগবঢ়ালোঁ।

১৯৮৬।৮৭ কাৰ্য্যকালৰ আমি দায়িত্বভাৰ লোৱাৰ অলপ দিনৰ পাছতেই আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ সাহায্যাৰ্থে আমন্ত্ৰণ কৰি অনা 'আৱাহন থিয়েটাৰ'ত সেৱা কৰিবলৈ সুবিধা পাওঁ। ইয়াৰ পাছতেই ২০ জানুৱাৰী '৮৭ ৰ পৰা ২৪ জানুৱাৰী '৮৭ লৈকে পাচঁদিনীয়া কাৰ্যাসূচীৰে ছাত্ৰ-ছাত্ৰীসকলৰ সম্পূৰ্ণ সহায়-সহযোগিতাৰ মাজেৰে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহ নানা উলহ-মালহেৰে অনুষ্ঠিত হৈ যায়। ইয়াৰ পাছতো মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা নানা উৎসৱ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজেৰে সেৱা আগড়াবলৈ সুবিধা পাওঁ।

দুখৰ বিষয়, ১৯৮৬ চনৰ আগভাগতে হোৱা প্ৰৱল ধুমুহা বতাহে আমাৰ মহাবিদ্যালয়ৰ একাংশ ধ্বংস কৰে। তাৰ ফলস্বৰূপে ছাত্ৰ জিৰণি চ'ৰাটো ধ্বংস হয়। আমি কাৰ্য্যভাৰ লোৱাৰ অলপ দিনৰ পাছতে ছাত্ৰ জিৰণি চ'ৰাৰ অভাৱ তথা ছাত্ৰ জিৰণি চ'ৰাৰ প্ৰয়োজনীয় সামগ্ৰী বেঞ্চ-ডেস্ক আৰু এখন দৈনিক বাতৰি কাকতৰ অভাৱ মই নিজে উপলব্ধি কৰি তথা ছাত্ৰ-বন্ধুসকলৰ হেচঁাত মই কেইবাবাৰো ছাত্ৰ একতা সভাৰ কাৰ্য্যনিবাহকত বিষয়টো উৎথাপন কৰিছিলোঁ। কিন্তু আমাৰ মহাবিদ্যালয়ৰ অসম্পূৰ্ণ ঘৰটো সম্পূৰ্ণ হোৱাৰ পাছতহে ছাত্ৰ জিৰণি চ'ৰাৰ বাবে এটা কোঠা লোৱাৰ বিষয়ে সভাই সিদ্ধান্ত কৰে। দুৰ্ভাগ্যবশতঃ মোৰ কাৰ্য্যকালত আমাৰ মহাবিদ্যালয়ৰ ঘৰটো সম্পূৰ্ণ নহ'ল। সেই কাৰণেই মোৰ পৰিকল্পনা সম্পূৰ্ণ নহ'ল।

এই খিনিতে অৰ্থাৎ মোৰ সম্পাদকীয় প্ৰতিবেদনতে পৰবৰ্ত্তী ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক গৰাকীক অনুৰোধ জনাওঁ যে ছাত্ৰ জিৰণি চ'ৰাৰ অভাৱৰ গুৰুত্ব উপলবিধ কৰি এটা ছাত্ৰ জিৰণি চ'ৰা, বেঞ্চ-ডেস্ক, এখন দৈনিক বাতৰি কাকত আৰু কিছু খেলাৰ সামগ্ৰীৰ অভাৱ পূৰণ কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষৰ লগত আলোচনা কৰিব।

সদৌ শেষত ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকললৈ শুভেচ্ছা তথা ধন্যবাদ জনালোঁ। সোণাৰি মহাবিদ্যালয়ৰ তথা ছাত্ৰ একাতা সভাৰ দীৰ্ঘ জীৱন কামনা কৰি সামৰণি মাৰিলোঁ।

'জয় আই অসম'

ধন্যবাদেৰে
শ্ৰীৰঞ্জন গগৈ

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

যাচিলোঁ
আৰম্ভণীতেই দীৰ্ঘদিনীয়া অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ শত অমৰ শ্বহীদলৈ হিচাপে মোৰ গভীৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি। বিগত বছৰটোত সংগীত বিভাগৰ সম্পাদক সুযোগ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলে তেখেতসকলৰ সেৱা কৰিবলৈ সংগীত দিয়াত তেখেতসকললৈ মোৰ আন্তৰিক শুভেচ্ছা তথা অকৃত্ৰিম স্নেহ জ্ঞাপন কৰিলো। সহায় বিভাগৰ সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰীসকলক যি ধৰণেৰে নতুনত্ব আনি সম্পূৰ্ণৰূপে কৰিম বুলি ভাবিছিলো সিমানখিনি হয়টো কৰিব নোৱাৰিলোঁ। তথাপি ছাত্ৰ-ছাত্ৰীসকলৰ সেৱা কৰিবলৈ আগবাঢ়ি অহাত বা যত্নৰ ত্ৰুটী কৰাত মনত নপৰে। দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছত সম্পাদক হিচাপে মহাবিদ্যালয়ৰ কাম-কাজসমূহ সুচাৰুৰূপে চলাই নিয়াত মোক কেইজনমান বিশেষ ছাত্ৰ-ছাত্ৰীয়ে তথা বিভাগীয় উপদেষ্টাসকলে যি সহায়-সহযোগ আগবঢ়ালে তাক নশলাগী নোৱাৰোঁ। তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কাৰ্য্য-
মোৰ কাৰ্য্যকালৰ প্ৰথম কাম হ'ল মহাবিদ্যালয় সপ্তাহৰ সংগীত প্ৰতিযোগিতা। ভাৰ গ্ৰহণ কৰাৰ ঠিক পোন্ধৰ দিন মানৰ পিছতেই মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। ইমান কম দিনৰ ভিতৰতেই এনে এটা গধুৰ দায়িত্ব পালন কিমান কষ্টকৰ হ'ব পাৰে সি সহজে অনুমেয়। কিন্তু বৰ দুখেৰে লিপিবদ্ধ কৰিবলগা হ'ল যে মহাবিদ্যালয় হিচাপে অতি কম সীমিত সংখ্যক প্ৰতিযোগীৰ কথা। সেই কেইজনমান বিশেষ প্ৰতি-যোগীয়েই সকলো প্ৰতিযোগিতাতেই অংশ গ্ৰহণ কৰে আৰু তেওঁলোকেই দৰ্শকও হয়। আনকি ছাত্ৰ-ছাত্ৰীসকলৰ উপভোগ কৰাৰ ধৈৰ্য্যকণো হেৰাই যায়। যি কি নহওঁক আশা ৰাখিছো এনে অভাৱসমূহ ভবিষ্যতে নিশ্চয় দূৰ হ'ব।



কাৰ্য্যকালৰ দ্বিতীয় তথা শেষ অনুষ্ঠান আছিল নবাগত আদৰণি সভা। আদৰণি সভাৰ বিশিষ্ট অতিথি হিচাপে আমাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য মহোদয়ক নিমন্ত্ৰণ কৰি অনা হৈছিল। দিনৰ মুকলসভাত বিশিষ্ট অতিথিৰ ভাষণ তথা ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ গীত-মাত আদিৰ পৰিবেশনে অনুষ্ঠানটো বেছ মধুময় কৰি তুলিছিল। বিশেষ অসুবিধাৰ হেতুকে ৰাতিলৈ সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিব পৰা নহ'ল।

এইখিনিতে মহাবিদ্যালয়ৰ সংগীত বিভাগৰ কেইটিমান অভাৱ-অভিযোগৰ বিষয়ে উল্লেখ নকৰি নোৱাৰিলো। অৱশ্যে এইটোও মানিবলগীয়া যে অনুষ্ঠানটোও তেনেই চালুকীয়া। এনেকুৱা এখন মহাবিদ্যালয়ত যি কেইপদ বাদ্যযন্ত্ৰ আছে সিও বৰ দুখলগা। আধুনিক বাদ্য যন্ত্ৰৰতো নাম নললেও হ'ব, আনকি যিকেইপদ বাদ্যযন্ত্ৰ আছে সিও ব্যৱহাৰৰ অনুপযোগী। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীয়ে নিজে বাদ্য যন্ত্ৰ আনি অনুষ্ঠান পৰিবেশন কৰিবলগীয়া হয়। গতিকে দেখা যায় এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়, আৰু মোৰ আশা, মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই এই ক্ষেত্ৰত নিশ্চয় দৃষ্টি নিক্ষেপ কৰিব।

সদৌ শেষত মোৰ কৰ্তব্যৰ প্ৰতিটো পদক্ষেপতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে অমূল্য সহায়-সহযোগ আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মাননীয় বিভাগীয় উপদেষ্টাসকললৈ মোৰ আন্তৰিক নমস্কাৰ জনালোঁ। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সংগীত প্ৰতিযোগিতাত শ্ৰেষ্ঠা গায়িকাৰ সন্মান লাভ কৰা শ্ৰীমতী মধুচন্দা শইকীয়ালৈও মোৰ অশেষ ধন্যবাদ থাকিল। সোণাৰি মহাবিদ্যালয় এই নিচেই চালুকীয়া অনুষ্ঠানটিৰ সৰ্বতো-প্ৰকাৰৰ উন্নতিৰ কামনাৰে মোৰ এই প্ৰতিবেদন সামৰিলোঁ।

॥ জয় আই অসম ॥

সেখ হবিবুৰ ৰহমান
সম্পাদক, সংগীত বিভাগ
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

## সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

১৯৮৬/৮৭ চনৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে দায়িত্ব বহন কৰিবলৈ সুযোগ দিয়াৰ বাবে জয় জয়তে সমুহ ছাত্ৰ-ছাত্ৰীলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

দ্বিতীয়তে মোৰ দায়িত্ব সমাধানত বহমূলীয়া পৰামৰ্শৰে বাট দেখুৱাই নিয়া মাননীয় উপদেষ্টা মহোদয় অধ্যাপক শ্ৰীযুত বিমলা ফুকন আৰু শ্ৰীযুত জীৱেন্দ্ৰ শইকীয়াদেৱলৈ মোৰ আন্তৰিক অভিনন্দন যাচিলোঁ। তদুপৰি যি কেইজন বন্ধু-বান্ধৱীয়ে মোৰ দায়িত্ব আগবঢ়াই নিয়াত বিশেষভাৱে সহায় কৰিছিল তেওঁলোকসকলৈও এই ছেগতে শলাগৰ শৰাই আগবঢ়ালো।

গত ১৯৮৬ চনৰ ডিচেম্বৰ মাহৰ ২২ তাৰিখে সমাজসেৱা বিভাগৰ প্ৰাক্তন সম্পাদক শ্ৰীচপন কৰৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰি মোৰ কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰিম বুলি শপত গ্ৰহণ কৰোঁ। সমাজসেৱা বিভাগৰ সম্পাদকৰ দায়িত্ব লোৱাৰ পিছতেই প্ৰত্যেক বছৰে সোণাৰি মহাবিদ্যালয়ৰ সাহায্যাৰ্থে অনা ভ্ৰাম্যমান 'আৱাহন থিয়েটাৰ' দলটি মহাবিদ্যালয়ৰ খেল পথাৰ পায়হি। আমাৰ উদীয়মান বন্ধু-বান্ধৱীসকলে প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাৰ উপৰিও চাৰিও নিশা স্বইচ্ছাৰে সেৱা আগবঢ়াই মহাবিদ্যালয়ৰ আৰ্থিক উন্নয়নত সহায় কৰে। ইয়াৰ পিছতে সেৱা আগবঢ়াবলৈ সুবিধা পোৱা হয় মহাবিদ্যালয়ৰ ১৯৮৬ চনৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ যোগেদি। মহাবিদ্যালয়ৰ সাহায্যাৰ্থে অনা 'আবাহন থিয়েটাৰ' দলটি যোৱাৰ পিছতে সেই একেখন খেল পথাৰতে বাৰ্ষিক ক্ৰীড়া সপ্তাহ পাতিবলগীয়া হয়। আমাৰ বন্ধু-বান্ধৱীয়ে নিজা ঘৰৰ চোতাল চাফা কৰাৰ দৰে সকলোৱে মিলি খেল পথাৰখন সমান কৰাৰ লগতে মহাবিদ্যালয়ৰ চৌহদটোও চাফা কৰা হয়। ১৯৮৬/৮৭ চনৰ আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ ২০/১/৮৭ তাৰিখৰ পৰা ২৪/১/৮৭ তাৰিখলৈকে পাচঁদিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। এই আটাই কেইদিনেই গুৰু খেল বিভাগ, লঘু খেল বিভাগ, সংগীত বিভাগ, সাংস্কৃতিক খেল বিভাগ আৰু শৰীৰ চৰ্চা বিভাগৰ সম্পাদকসকলক সমাজসেৱা বিভাগৰ জড়িয়তে সকলো সময়তে সহায়



কৰা হয়। ১৯৮৬ চনৰ শ্ৰেষ্ঠ সমাজসেৱক হিচাপে শ্ৰীবীৰেন বৰগোহাঁই আৰু শ্ৰেষ্ঠ সমাজ সেৱিকা হিচাপে শ্ৰীমতী বীণা বৰুৱাই বঁটা লাভ কৰে। এওঁলোক দুয়োজনলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। এইখিনিতে আন কেইজনমান সমাজ সেৱকৰ নাম উল্লেখ নকৰিলে মই অকৃতজ্ঞ হৈ ৰ'ব লাগিব। তেওঁলোক হ'ল সৰ্ব্বশ্ৰীফুলেশ্বৰ গগৈ, দিগন্ত গগৈ, তুলন চেতিয়া, গুণ গগৈ, প্ৰদীপ কোঁৱৰ, প্ৰণৱ পাংগি, গিৰিন গগৈ, প্ৰদীপ গগৈ, হৰিচৰণ সুত্ৰধৰ আৰু শ্ৰীমতীমনজুমণি বৰুৱা, স্মৃতিৰেখা গগৈ, নীলাক্ষী গগৈ, মিনু ফুকন, মিনু গগৈ আৰু মণিমালা মহন। এওঁলোকে মোৰ কাৰ্য্যকালত নিস্বাৰ্থভাৱে যি সেৱা আগবঢ়ালে তাৰ বাবে তেখেতসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বৰ্ত্তমান আমাৰ মহাবিদ্যালয়খনি অলপ টনকীয়াল অৱস্থালৈ আহিছে যদিও আৰ্থিকভাৱে সবল বুলি ক'ব নোৱাৰি। মহাবিদ্যালয়খনিৰ গৃহনিৰ্মাণ এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই সেয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে নিজে কৰিব ল'ব পৰা কামখিনি কৰি ললে নিজৰ সুবিধাৰ লগতে মহাবিদ্যালয়খনিৰো উপকাৰ কৰা হ'ব। মই মোৰ দায়িত্ব সুচাৰুৰূপে পৰিচালনা কৰিবলৈ চেষ্টা কৰিছিলোঁ। এই ক্ষেত্ৰত কিমানখিনি কৃতকাৰ্য হ'ব পাৰিলো তাৰ বিচাৰ বন্ধু-বান্ধৱীসকলৰ ওপৰত থাকিল। এইখিনিতে মোৰ কাৰ্যকালত কৰিব নোৱাৰা আৰু অসম্পূৰ্ণ কেইটামান কাম পৰবৰ্ত্তী সম্পাদকৰ দৃষ্টিগোচৰ কৰিলোঁ। ১৯৮৭ চনৰ ৰাষ্ট্ৰীয় সমাজসেৱা কেম্পটো বিশেষ কাৰণবশতঃ পাতিব পৰা নহ'ল, মহাবিদ্যালয়লৈ অহা-যোৱা কৰা পথত থকা বেচৰকাৰী বাচ আস্থানটো আঁতৰলৈ নিয়াৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ চৌহদটোত বেৰাদি ফুল আৰু অন্যান্য ফলমূলৰ গছপুলি ৰোঁৱা ইত্যাদি কামবিলাক মহাবিদ্যালয়ৰ অধ্যক্ষ, বিভাগীয় উপদেষ্টা আৰু অধ্যাপক সকলৰ লগত আলোচনা কৰি সমাধান কৰিবলৈ পৰৱৰ্ত্তী সম্পাদক তথা সকলো বন্ধু-বান্ধৱীকে অনুৰোধ জনাই মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো।

শ্ৰীগিৰিন দিহিঙ্গীয়া
সম্পাদক সমাজ সেৱা বিভাগ

উক্তি ঃ

## ঋণ

—ঋণ এক অগাধ সাগৰৰ সমান ।
—কাৰ্লাইল ।

—ঋণ লোৱাৰ অৰ্থ হৈছে দুখ কিনি লোৱা ।
—টচৰ ।

—ৰাষ্ট্ৰীয় ঋণ যদি অধিক নহয় তেনেহলে সি আমাৰ কাৰণে বৰদান হৈ পৰিব ।
—হেমিল্টন ।

## লক্ষ্মী

—যিদৰে এগৰাকী যুৱতীয়ে বৃদ্ধ পুৰুষক আলিংগন কৰিব নিবিচাৰে, ঠিক তেনেকৈ লক্ষ্মীয়েও এলেহুৱা, ভাগ্যবাদী আৰু সাহস-বিহীন লোকক নিবিচাৰে ।
—অনল ।

—জীৱনত বুদ্ধিৰ নহয়, লক্ষ্মীৰ সাম্ৰাজ্য আছে ।
—সিসেৰী

—লক্ষ্মীয়ে তেনে ব্যক্তিক সহায়তা কৰে, যাৰ নিৰ্ণয় বিবেকশীল হয় ।—য়ুৰীপীডীজ ।

## সম্পদ

—যদি তুমি ধনী হয়, তেন্তে ধন বচোৱাৰো সিমানে ধ্যান ৰখা, যিমান ধন প্ৰাপ্ত কৰিবলৈ ।
—ফ্ৰেংকলিন ।

—ৰাষ্ট্ৰৰ সম্পত্তি মনুষ্যহে —ৰেচম, কপাহ বা স্বৰ্ণ নহয় ।—ৰিচাৰ্ড হাৰ্বে ।

—ঈশ্বৰে সম্পত্তি তেওঁ লোককে প্ৰদান কৰে, যাক তেওঁ (ঈশ্বৰ) ইয়াৰ বাহিৰে একো ভাল বস্তু প্ৰদান কৰিব নোৱাৰে ।
—লুথৰ ।

—সমস্ত সম্পত্তিয়েই শ্ৰমৰ উৎপাদন মাত্ৰ ।
—লুক ।

# SONARI COLLEGE MAGAZINE

Annual Publication : 1986-87

ENGLISH SECTION

Editor,
Mahesh Goduka

# Uncle Peter's Scooter

Sri Arun Kr. Bairagi
H. S. 2nd year.

Uncle Peter
Bought a Vespa P. L-170,
A bright red scooter
With a meter.
Uncle Peter
Footed his hooter
Wher'er people
Crossed the road.
He stopped his scooter
And went to a cafe.
"Waiter ! Waiter !
Called Uncle Peter,
"Bring me some water."
Back to his scooter
Went Uncle Peter,
And started the motor.
Very fast went Uncle Peter.
And once a car——
It knocked his scooter
"Oh ! my scooter ! scooter !"
Cried Uncle Peter.
Then a little later,
In the police station
Was Uncle Peter,
"Sorry Inspector,"
Said Uncle Peter,
"I'll never ride fast again."

# Oh ! My Motherland

Sri Achintya Kr. Dihingia
B. Sc. Part II.

Oh ! my motherland
What a mother you are !
You give us shelter
To live for ever,
And refreshing air and water.

Oh ! my motherland
What a mother you are !
You give us playground for play,
And produce food for us
For everyday.

Oh ! my motherland
What a mother you are !
You make us for enjoyment
The beautiful natural scenery
"Among the green wood trees
Flow the rivers"
Which give us pleasure.

# Relation Between School and Society

J. K. Saikia, M. Com, B. T.
Deptt. of Economics.

**S**ociety, whatever be the theories of its origin, signifies the common consciousness of belonging to a group and is therefore essentially a Psychological entity. We are all ( including the students ) Social animal and conscious of what is going on with the Society. Sometimes it so happens that the acts of Society, though not willing to bear, have to be faced and shared by us all. Hence we do not have the escape of ignoring it whatever may be our status in the society.

On the Contrary the school, the home of students is also called a miniature society. This 'Home of Students' being within the Society, the greater term of the set up, has to do with in the long way. It is our concern to learn for the Society and of the Society. If we do not so have, both would be of no meaning. It is said that Vidya gives Viveka, Vimarsarupini Vidya gives a sense of what is right and helps to avoid what is wrong. With the rapid change in the Society a purpose which held good a decade ago, may not hold good to-day. Thinking and feeling that have to do with action in association with others is as much a social mode of behaviour as it the most overt co-operative or hostile act. Now-a-days, we see the decline in compassion. If one does not have compassion, one is not human. It is therefore, essential for every human being to develop the quality of considerateness, kindness and


compassion. Without these qualities we are only human animals.

Present days Societies are found to be a more complex one ridden with multiple of factors. It is difficult to build a modern streamlined economic structure in a country ridden with caste, religion and provincial differences and rivalries. Even so the limited success achieved has been sufficient to undermine the basis of old beliefs and values. Caste certainly has been weaken by the advent of the railways and aeroplane but perhaps has begun to loom larger in politics. The old and the new are thus mixed together in a confusing variety. We are fast industrialising but our institutions and social thinking still belong to antiquity. If we are not able to rectify this defect—the gap between the efficiency of our machines and the inefficiency of our social institutions—the task of building up our Society will prove to be impossible.

The struggle to make the school an ally of contemporary Social forces has led to much discussion of the proper role of the school in the social order and of the proper method of teaching controversial issues in the school room. Some have thought that the school should hold aloof from the cauldron of social controversy or at least be neutral towards it. Others have thought that the school should plunge right into the subject of contention. But those who have taken the latter view have divided on whether the school should be an agent for consolidating the statusquo or whether it should be an instrument for social progress

But we find that the normal function of school is creative rather than conservative and therefore, it should establish relation to the social order, namely, that it is the duty of the school to take some initiative and responsibility for Social Progress.





# Solar Energy

Sri Ranjit Gogoi,
B. Sc. IInd year.

The energy which the Earth receives from the sun annually is about $7 \times 10^{18}$ kwh. The average incidence of solar energy on the ground, in the arid and semi-arid regions may be taken as 75 kwh per square metre per day. It gives an idea of the tremendous amount of solar energy available for utilization. Efforts are going on to harness the solar energy economically and a lot of R & D work is being done in India at the following centres :—

1. Amul Dairy, Anand.
2. Aurbindo Ashram, Pondicherry.
3. Annamalai University.
4. Birla Institute of Technology & Science, Pilani.
5. Central Salt and Marine Chemicals Research Institute, Bhavanagar.
6. Forest Research Institute, Dehradun.
7. National Physical Laboratory, New Delhi.
8. Indian Institute of Technology, Madras.
9. Indian Institute of Technology, Delhi.

The sun radiates energy at a virtually constant rate of $3{\cdot}8 \times 10^{20}$MW by nuclear fusion process in its interior, which causes it to lose mass at a rate of some 4 ( four ) million tonnes per second. The solar intensity just outside the atmosphere varies slightly from 1399 MW to 1309 MW per square Kilometre. The ultra-violet component in the sun light is cut down by absorption in the ozone layer at about 50 km attitude and parts of the infra-red are absorbed by water vapour and carbon-dioxide. Moreover some light is scattered out of the beam by dust particles and molecules of the air. Most of this scattered light reaches the ground in diffuse form, however, and since short wavelength light is the most strongly scattered, the sky generally appears blue. The extent of all these effects depends on solar attitude and local atmospheric, conditions. The insolation or solar intensity at any point on the Earth's surface, therefore, varies with the season and the time of the day in a regular way, and irregularly, with cloud cove rs.


The solar energy that falls on the Earth's surface heats the surface of

land and water, and evaporates water from rivers and oceans. Only a small proportion (less then 2%) is converted to the mechanical energy of wind and waves and into stored chemical energy in plants by the process of photosynthesis. Windmills and other techniques of conservation technology can utilize some of this energy, but solar energy as such is not at present harnessed by man in significant quantities. Although the energy falling on the Earth in a fortnight is equivalent to the world's total initial stock of coal, oil and gas, large areas of collectors are required to collect a significant amount of solar energy.

**Solar Water Heaters :** We have heard of solar water heaters. The basic working principle is that when solar energy falls on a black object that absorbs the light, the object is warmed and in this way radiant energy can be readily transformed into temperature heat using plate collectors. Several millions of these are in use to-day, mainly in Japan, Israel, Australia, U. S. A. and South Africa. In India several types of solar water heaters have been developed, which involved high capital costs in Indian conditions. But the price of conventional fuels is only just rising to the point at which the capital expenditure on such heaters would be justified.

The unit generally consists of a metal plate with a blackened surface through or over which water flows in pipes or corrugations. The plate is insulated behind to prevent heat loss by conduction, and in front of it there is an air gap of a few centimetres and then one or two glass plates, which help to prevent convective heat loss. The collector is placed facing south (in the northern hemisphere) at a tilt-angle which is usually equal to the angle of a latitude, so that the collector surface is perpendicular to the average direction of the sun's rays. Solar radiation (both direct and diffuse) passes through the glass cover-plate and warms the metal surface which in turn warms the water flowing through the plate. The water is circulated from the hot water storage tank, either by covection or by a small pump. With appropriate thermostat controls to switch the system off, when the insolation is too weak to make a useful contribution, solar water heater can readily provide a reliable domestic supply of hot water in consistently sunny areas of the world. A conventional booster heater is, however, generally fitted in the tank to provide heat during prolonged cloudy spells.

A solar water heater-cum-solar still has been designed, developed and tested. It is designed to prvide hot water as well as distilled water. This unit can provide 100 litres of hot water (45°c—55°c) in the afternoon : 2 litres to 6 litres of distilled water in a day. Further there is a provision for rain water collection too. ●



# The Beneficial Vies on Biology

Sri Purnananda Buragohain
B. Sc.—2nd year.

In the introduction we should know what is 'Biology'. The word biology is derived from two Greek nouns—bios meaning life and logos meaning a discouse. In the early part of the nineteenth Century it was adopted as a Scientific term by jean lamark and soon spread into general use to denote the study of living organisim. Biology is a branch of the natural Science. It is chiefly concerned with the structure and activities of plant and animals.

Man is Social creature. People live in towns and cities. This has created several problems of health such as supply of pure water, disposal of sewage and prevention of contagious diseases, so that they may not break out in epidemic form these problems are best solved by biology. Bacterial enemies of man have been discovered, and remedies against their spread and destruction are now possible by vaccination. No longer do plagues bring terror to a district. Penicillin, streptomycin, terramycin, chloromycetin etc., are the magic bullets to shoot down the microbes, and all of them are the gifts of the biological science. Life-histories of animal parasites invading man, and of animals which quickly transmit them to a town-dwelling community by acting as carriers have been worked out and effective measures for their control have been planned. More over, an expert biological knowledge is essential for selecting the right kind of raw materials for the manufacture of drugs, because most of them are either vegetable or animal products.

Modern man does not depend upon fishing and hunting. Like their primitive ancestors, he cultivates plants and rears fishes as well as cattle to get his food and other necessities of life. This has resulted in the development of agriculture, fishery and animal husbandry which are applied aspect of the basic

biological science. Better and productive varieties of crop plants such as rice, wheat, jute, sugar-cane, cotton and pulses are now bred experimentally and distributed throughout the country. Disease resistant grains are raised and seed are vernalised by special treatments so as to yield the crop before the usual time of harvesting. Soil is saved from exhaustion by crop-rotation. Injurious insect pests are exterminated and plant diseases cured or prevented by adequate scientific measures. Domesticated animals such as the poultry and the cattle, are improved with a view to increasing the egg or milk production by exprimental breeding, and their diseases controlled by preventive measures. Fishes are now reared in fisheries and the small fry distributed to fishermen with proper scientific instructions for growing them. Life-histories of the more important food-fishes are explored and suitable kinds are bred. Fishing industry has been improved by employment of adequate catching devices, such as traps and nets. Trawlers are used for fishing in the open sea, so as to increase the number of catches, and fish-oils are manufactured as side products. We are really proud of the fact that during last few years spectacular advances have been made in agriculture in our country. Employing scientific methods by way of selection of better seeds, adequate application of manures and improved irrigation facilities agricultural practices have been practically revolutionised. Similar improvements have also been made in fisheries, silk-producing insects and diaries.

In silk industry better kinds of silk moths are experimentally bred with a view to increasing the rigidity, fineness or other qualities of the silk produced by them. Biology, therefore, has contributed largely towards obtaining, better varieties and larger yields of food and other human necessaries.

Forests and wild game-animals are national resources from which man derives useful materials such as Timber, fur and even food. Climate and crop position of the country depend, to a certain extent, upon the biological communities residing in perfect harmony amongst the forest. Proper and judicious conservation of the natural resources demands a fundamental knowledge of the principles of biology, so that they may be utilised at the right moment. Successful plant breeding, animal husbandry and conservation of forests are effective means for checking famine which is a scourage of the human society.

Man has three powerful adversaries to fight with. These are famine, disease and death. Biology is an effective weapon against each of these human terrors.

●

"The best way in life is that we should do our duty."

# Some Collection

Collected By
Kalidas Tanti
B. A. 3rd year.

WORLD

The world is a comedy to those who think ; tragedy to those who feel.
—Haraee Walpole.

MONEY :

Money is a good servant but a poor master. —D. Bouhours.

LUCK :

Shallow men belive in Luck, wise and strong men in cause and effect.
—Emerson.

LOVE :

The greatest pleasure of life is love. —Sir W. Temple.

Love gives itself ; It is not bought.
—Longfellow.

Love is never lost. If not reciprocated it will flow back and soften and purity the heart —Washington Irving.

Love is the virtue of women.
—Mad. Dudevant.

The soul of woman lives in love.
—Mrs. Sigourney.

Life is a flower of which love is the honey. —Victor Hugo

LIFE :

We never live, we are always in the expectation of living. —Voltaire.

A useless life is only an earthy death. —Goethe.

DEATH :

Is death the last sleep ? No, it is the last and final awakening.
—Walter Scott.

There is nothing pure than knowledge on this earth.

"জ্ঞানাৎ পৰতৰং নহি" —Geeta.

There is nothing higher than knowledge. —Bhagabat.

'Knowledge is power'—Bacon.

The ink of the scholar is holier than the blood of the martyr. —Koran.

Knowledge is the immortal treasure of mortals —Lord Buddha.

Real knowledge to the love of God.
—Milton.

Ignorance is the curse of God and knowledge is the wing where with we fly to heaven. —Shakespear

He who seeth Me everywhere, and seeth everything in Me, of him will I never lose hold, and he shall never lose hold of Me.
Bhagavadgita VI 30